# এজনী নতুন ছোৱালী

চৈয়দ আব্দুল মালিক

পৰশমণি
শিৱসাগৰ, অসম

প্ৰকাশক :
শ্ৰীগকুল বৰা
পৰশমণি
শিৱসাগৰ

প্ৰথম মুদ্ৰণ—নৱেম্বৰ, ১৯৫১ চন
দ্বিতীয় মুদ্ৰণ—জুন, ১৯৫৫ চন।
তৃতীয় মুদ্ৰণ—আগষ্ট, ১৯৮৮ চন

বেটুপাত :—ত্ৰৈলোক্য দত্ত

মূল্য : ২০·০০ টকা

মুদ্ৰণ :
হাৰাধন ঘোষ
বীণাপাণি প্ৰেছ
২ ঈশ্বৰ মিল বাই লেন
কলিকতা—৭০০০০৬

# উচৰ্গা

ডাঃ শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা এম-এ, বি-এল্, পি-এইচ-ডি, ডি-লিট্ (লণ্ডন) ডাঙৰীয়াৰ নামত।

চাৰ,

মোৰ এই কিতাপখন আপোনাৰ নামত উচৰ্গা কৰিলো; এই কাৰণে নহয় যে—

আপুনি আমাৰ দেশৰ এজন ডাঙৰ মানুহ,

যে আপুনি জীৱনৰ বহু অভিজ্ঞতাৰ মাজেদি খ্যাতি, যশস্যা, গৌৰৱ আৰু আত্ম-প্ৰতিষ্ঠা লাভ কৰিছে,

যে আপুনি একাধাৰে এজন কবি, সাহিত্যিক, প্ৰত্নতাত্বিক, বুৰঞ্জীবিদ্ পণ্ডিত আৰু ধী-শক্তিমান পুৰুষ,

যে কালৰ ধুলি-মাকতিয়ে ঢাকিপেলোৱা অসম-বুৰঞ্জীৰ সোণকণাবোৰ আপুনি খানি উলিয়াইছে,

যে আপুনি অসমীয়াৰ অতীতক দেশ-বিদেশৰ সন্মুখত গৌৰৱেৰে দাঙি ধৰিছে,

যে আপুনি জীৱনৰ বহুত ঢাপ এৰি আহিল যদিও, হাতৰ কাপটো এৰা নাই;

কিন্তু উচৰ্গা কৰিছো এই কাৰণেই যে আপুনি মোক মৰম কৰে।

মই জানো, আপোনাৰ ওচৰত ভালেমান পুৰণি ছোৱালী আছে, যদি পাৰে মোৰ নতুন ছোৱালীজনীকো কোনোবা এচুকত ঠাই দিব।

যোৰহাট
দীপান্বিতা।
১৯৫১ চন।

আপোনাৰ মৰমৰ
পুৰণি ছাত্ৰ,
মালিক

# প্ৰকাশকৰ কথা

মালিক চাহাবৰ দুষ্পাপ্য পুথি সমূহ পুনৰ মুদ্ৰণ আৰু প্ৰকাশৰ চেষ্টা চলাইছো। পাঠক সমাজৰ সমাদৰ আৰু অনুপ্ৰেৰণা পাম বুলিয়েই আশা ৰাখিছো।

সুদীৰ্ঘ ৩৫ বছৰৰ পিছত মালিক চাহাবৰ এজনী নতুন ছোৱালী গল্প পুথিখন ইয়াৰে এখন।

গকুল বৰা
শিৱসাগৰ

# তৃতীয় সংস্কৰণৰ কথা

'এজনী নতুন ছোৱালী' নামৰ এইগল্প সংগ্ৰহটো ১৯৫১ চনত প্ৰথম প্ৰকাশ হৈছিল। দ্বিতীয় তাঙৰণ প্ৰকাশ হৈছিল ১৯৫৫ জুন চনৰ মাহত। তাৰপৰা এই কিতাপখনৰ পুনৰ মুদ্ৰণ আৰু হোৱা নাই—পয়ত্ৰিশ বছৰ হ'ল। ইয়াত অন্তৰ্ভুক্ত কৰা গল্পকেইটা ১৯৩৮ চনৰ পৰা ১৯৪৩ চনৰ ভিতৰত লিখা। এতিয়াৰ অসমীয়া এইগল্প পঢ়োতা সকলে যে মোৰ এইবোৰত গল্প পঢ়া নাই বা পঢ়িবলৈ পোৱা নাই, সেই বিষয়ে মোৰ কোনো সন্দেহ নাই। ইয়াৰ গল্পকেটা পঢ়িবৰ সময়ত পাঠক সকলে যেন ৰচনা কালৰ কথা মনত ৰাখে। ইতিমধ্যে বহুত পৰিবৰ্তন হৈছে। পৰিবেশ, পৰিস্থিতি, ধ্যান-ধাৰণা সকলোৰে।

শিৱসাগৰৰ 'পৰশমণিৰ' শ্ৰীগকুল বৰাই কষ্ট কৰি কিতাপখনৰ পুৰণি কপি এটা বিচাৰি আনি কিতাপখন প্ৰকাশ কৰাৰ কাৰণে ধন্যবাদ দিছো। মোৰ ৪৫ ৫০ বছৰৰ আগতে লিখা গল্পবোৰ আকৌ পঢ়িবলৈ পাই মোৰ নিজৰে ভাল লাগিছে। আশাকৰো পাঠক সকলেও ভাল পাব।

চৈয়দ আব্দুল মালিক

যোৰহাট

১৯৮৮ চন

# ॥ সূচীপত্ৰ ॥


| গল্পৰ নাম | | | পৃষ্ঠা |
|---|---|---|---|
| সপোন হেৰাই গলে | ... | ... | ১ |
| পৰ্ব্বত আৰু ভৈয়াম | ... | ... | ১১ |
| অকাৰণ | .. | ... | ৩৭ |
| কবিতাৰ জন্ম | ... | ... | ৬৯ |
| চিৰকুমাৰ | . | ... | ৮৯ |
| শেহৰাতিৰ জোনাক | ... | ... | ১০২ |
| বাৰ-খবৰ বৰষুণ | ... | ... | ১২৩ |
| এজনী নতুন ছোৱালী | ... | ... | ১৩৬ |

# সপোন হেৰাই গ'লে

যুগে যুগে প্ৰাণত হুতাশনীয়া কামনাৰ জ্বালা-জুই লৈ ডেকাবোৰ আছে। পৃথিবী খনক সিহঁতে সুৰেৰে ৰূপায়িত কৰে, বোলেৰে মুখৰিত কৰে, প্ৰাণৰ অনাবিল প্ৰাচুৰ্য্যেৰে চঞ্চলী কৰে। সিহঁত আছে পৃথিবীখনৰ কাৰণে, আৰু, আৰু—পৃথিবীখন হৈ পৰে সিহঁতৰ। সিহঁতৰ খোজত খোজ মিলাই পৃথিবীখনে নাচে, হাঁহে, নিজৰ প্ৰাচীনতা পাহৰি প্ৰাণ-উচ্ছল আহ্লাদত আত্ম-প্ৰকাশ কৰে।

হেজাৰ হেজাৰ যুগ।

হেজাৰ হেজাৰ ডেকা।

পৃথিবী খন সিহঁতৰ।

মুৰাদো সিহঁতৰে এটা। সেই হুতাশনীয়া কামনা চকুত তাৰ বান্ধি অহা হেজাৰ হেজাৰ ডেকাবোৰৰে এটা। চকুত তাৰ সাত জগতৰ অতিক্ৰমি, আলোহীন ছায়াহীন জগতত ওপঙি ফুৰাৰ স্বপ্ন কল্পনাত তাৰ অনাগত দিনক তাৰ প্ৰাণৰ-ৰহণেৰে ৰঙীণ কৰি তোলাৰ সহজ দুৰাশা। মানুহৰ প্ৰাণ-সাগৰৰ জোৱাৰত সি মাথোন দেখে অকাল বসন্তৰ ছন্দময় নাচ, পৃথিবীৰ ধূলি বোৰত সি দেখে মানুহৰ বুকৰ প্ৰণয়ৰঙা ইতিহাসৰ ভাগি ভাগি গুৰি হোৱা কোমল অৱশেষ। কিমান ধুনীয়া!

পৃথিবীখন মানুহৰ দেশ নহয়, পখীলাৰ দেশ। চলৌ-পটৌ কৰি উৰি উৰি নাচি ফুৰা নানা পাখীৰ পখীলা।

ছোৱালী বোৰ পখীলা।

সিহঁতে মাথোন নাচে।

কথা কওঁতে নাচে সিহঁতে, মনে মনে থাকোঁতে নাচে সিহঁতে, হাঁহি-টৌতো সিহঁতৰ নাচোনৰ হিয়া-কঁপোৱা ছন্দ।

সভা, খেলা, বিয়া বিহুত সিহঁত জাকপাতি আছে, লগ লাগি হাহেঁ, সক সক কৈ কথা কয়, আরু ডাঙৰ ডাঙৰ কৈ হাহেঁ। সিহঁতৰ চাদৰৰ টো বোৰত কেৱল উপচি পৰা মৌতৰা আনন্দ।

মুৰাদৰ সিহঁতক ভাল লাগে। তাৰ মনটো আনন্দত ভৰি উঠে এই ছোৱালীবোৰক দেখিলে পৃথিৱী খনক সি অব্যক্ত কৃতজ্ঞতা জনায়, নিজকো সি তৃপ্তিৰ গৌৰৱেৰে অভীষিক্ত কৰে, সি মানুহ হোৱাৰ কাৰণে,—ডেকা হোৱাৰ কাৰণে।

নহলে যে এইবোৰৰ কোনো অৰ্থ ই নাছিল।

তাৰ মন যায় যেন পৃথিৱীৰ যত ছোৱালী আছে, সকলোকে সি চিনি পাব। এজনী এজনী কৈ নিজৰ আপোনৰ নিচিনাকৈ চিনি পাব।

কিন্তু কেৱল ছোৱালীবোৰক। তাৰ প্ৰাণটোৱে চিনিপাব খোজে কেৱল ছোৱালীবোৰক। অন্যৰ লগত তাৰ প্ৰাণ-জগতৰ কোনো সম্পৰ্ক নাই।

ছোৱালী স্কুলৰ ওচৰতে তাৰ খিলি-পানৰ দোকানখন। তাৰ দোকানখন এইখিনিত নহৈ অন্য ঠাইত হোৱা হলে যে সি কি কৰিলে-হেঁতেন সি কল্পনাও কৰিব নোৱাৰে, অথচ প্ৰথমতে যেতিয়া সি ইয়াত তাৰ দোকানখন পাতে তেতিয়া তাৰ মনত নাছিল যে ছোৱালী স্কুলটোৰ লগত তাৰ দোকানৰ কিবা সম্পৰ্ক আছে। আজি কিন্তু স্কুলটোৰ পৰা আঁতৰত তাৰ দোকানখন পতাৰ কথা সি ভাবিবই নোৱাৰে।

ঘৰ তাৰ অলপ আঁতৰত। ঘৰত ককায়েক এটা, মাক, ভনীয়েক দুজনী, আৰু তিনিটা ভায়েক। তাৰ সক ভনীয়েক জনীয়েও স্কুলত পঢ়ে। তাইৰ নাম ফুল।

চাহ-খোৱা ছুটীত ফুল ককায়েকৰ ওচৰলৈ আহে, তাইৰ সমনীয়া আন আন ছোৱালী লগত লৈ। সি সকলোকে বাদাম, লজেঞ্চ চেনি-গুটি, চক্ আদি দিয়ে। সকলোৱে হুলি-গলি কৰি আকৌ গুচি যায় গৈ। তাৰলৈ মৰমৰ চকুৰেও চায়, কিয়নো সি ফুলৰ ককায়েক।

ডাঙৰ ছোৱালীবোৰ কিন্তু তাৰ দোকানলৈ নাহে। কিবা দৰ্কাৰ হ'লে চকিদাৰনীক পঠিয়াই দিয়ে। এই কথাত সি বৰ ক্ষুণ্ণ হয়। সি কিমান আশা কৰে, যেন সকলো ছোৱালী এবাৰ তাৰ দোকানলৈ আহিব।

কিন্তু লৰাবোৰ আহে।

তাৰ অকণো ভাল নালাগে এই লৰাবোৰ। দোকানৰ পৰা কোনো বস্তু লব লগা নাথাকিলেও আহে। সিহঁত আহে, আৰু ছোৱালী বোৰৰ বিষয়ে তাৰ আগতে বহুত কিবা-কিবি আলোচনা কৰে। তাৰ বেয়া লাগে, লাজো লাগে। কিন্তু সকলো শুনি, বুজি পায়ো সি নুবুজাৰ ভাও ধৰে। সেইটো তাৰ ব্যৱসায়ৰ প্ৰয়োজনত। যেই হওক, সিহঁত গ্ৰাহক।

আৰ্চীৰে ফ্ৰেম কৰা বহুত ছবি সি সজাই-পৰাই ওলোমাই ৰাখিছে। সকলো ছোৱালীৰ ছবি। কেলেণ্ডাৰ কাটি, চিনেমাৰ আলোচনীৰ পৰা ফালি, বাতৰি কাকতৰ পৰা কাটি, সি বন্ধাই ৰাখিছে ছবিবোৰ। সেইটো দোকানখনৰ এটা সৌন্দৰ্য্য। ঠাক-ঠাক কৈ থোৱা চিগাৰেট, জুইচলা আৰু লজেঞ্চ, চেনিগুটিৰ বটলৰ লগতে ধুনীয়াকৈ সজাই থোৱা। কাগজৰ ফুলবোৰে তাৰ ভাল নালাগে, সেই কাৰণে সি অন্য পাণৱলাৰ দৰে কাগজৰ ফুল ৰখা নাই। খুলি ৰাখিলে কাগজৰ ফুল অলপতে বেয়া হৈ যায়।

স্কুলীয়া লৰা-ছোৱালীয়ে দেওবাৰটোৰ কাৰণে হামবাও কাঢ়ি থাকে। যীশুখৃষ্টৰ নিচিনা আৰু কোনোবা এজনে বুধ বা বৃহস্পতি বাৰে আৰু এছুটীৰ দিনৰ দিহা কৰা হ'লে বৰ সুখৰ কথা হ'লহেঁতেন। সেয়ে যেতিয়া নাই স্কুলীয়া লৰা ছোৱালীৰ কাৰণে এনেকৈ পোৱা এটি দেওবাৰৰ মূল্য বহুত।

মুৰাদে কিন্তু এই দেওবাৰটোক সৰ্ব্বান্তঃকৰণে অভিশাপ দিয়ে। কোনো প্ৰয়োজন নাছিল মিছাতে সপ্তাহত এবাৰ কৈ স্কুল বন্ধ দিবৰ। দেওবাৰৰ দিনটো তাৰ বিৰক্তিকৰ, দীঘলীয়া যেন লাগে। ধাৰলৈ টকা দিম বুলি বাহিৰত বহুৱাই ৰখা যেন লাগে তাৰ।

দওেবাৰে ছোৱালীবোৰ নাহে। সেই দিনা সি দোকানলৈ পলম কৈ আহে, আৰু সোনকালে দোকান বন্ধ কৰি যায় গৈ। দোকানখনত আৰি থোৱা ছবিবোৰ তাৰ বৰ নিৰস লাগে, সেই দিনা। সেই দিনা তাৰ মুৰটো ৰুণিয়াৰবলৈকো এলাহ লাগে। ভাঢ়িতো মুখুবায়েই।

কিন্তু দীঘল হলেও দেওবাৰটো শেষ হৈ যায়। আৰু তাৰ পিছত সোমবাৰ লৈ ছদিনীয়া ছুটী সপ্তাহটো আৰম্ভ হয়। তাৰ ভাল লাগে।

সি আহিয়েই আৰ্চীখনত এবাৰ তাৰ মুখখন চায়, চুলিখিনি ঠিক কৰে আৰু দোকানখন জাৰি-জোকাৰি পৰিপাটি কৰে। তাৰ নামেই হয়তো উদ্দীপনা।

প্ৰথমতে পাণ-খিলিৰ দোকান দি তাৰ লাজ লাগিছিল, একেবাৰে মান-ইজ্জত নোহোৱা কথা। পিছত কিন্তু তাৰ ভাল লাগি আহিল, চাকৰিত কৈ বহুত ভাল—সি নিজকে কলে। দোকান খনৰ আৰ্জ্জেনেৰেই জানো তাৰ ঘৰখন চলোৱা নাই ?

দিনবোৰ বাগৰি যায়।

তাৰ গ্ৰাহকবোৰ সলনি হয়।

কোনোবা হাকিমৰ লৰা এটা—আগে সি সদায় চিগাৰেট খায় ইয়াৰ পৰা। এতিয়া কিন্তু সি আৰু নাহে। তাৰ বাপেক ক'ৰবালৈ বদলি হৈ গল।

কিছুমান লৰাই স্কুল পাছ কৰি কৰ'বাত কলেজলৈ গ'ল গৈ, সিহঁত আৰু নাহে। সিহঁতৰ কথা তাৰ মনৰ পৰা লাহে লাহে মচ খাই যায়। নতুন গ্ৰাহক আহে।

কিন্তু গুচি-যোৱা ছোৱালীবোৰৰ কথা সি সহজে পাহৰিব নোৱাৰে। ৰে'বা, ৰেখা, ৰেণু, কত ছোৱালীক চিনিপায় সি, চিনিপায়-সিহঁতৰ মাত, সিহঁতৰ খোজ, সিহঁতৰ মুখৰ গঢ়। দূৰৰ পৰাই নিৰ্ভুলভাবে সি সিহঁতক চিনি পায়। সিহঁতো গুচি যায়—ৰে'বা, ৰেখা, ৰেণু—আৰু বহুত ছোৱালী। কোনোবাই স্কুল পাছ কৰিছে—কাৰোবাৰ বিয়া হয়,

কোনো-বাই এনেয়ে স্কুল এৰি দিয়ে। সিহঁতৰ কথা মুৰাদৰ মনত পৰে, আৰু তাৰ বেয়া লাগে, কিন্তু কিয় বেয়া লাগে সি বুজিব নোৱাৰে। খাবৰ সময়ত কোনোৱে তাক মাত লগাই নাথায়। অথচ সিহঁত মুৰাদৰ চকুৰ আগৰ পৰা চিৰ দিনৰ কাৰণেই গুচি যায়।

কেতিয়াবা কাচিতে দুই এজনী ঘূৰি আহে; কিন্তু আগৰ দৰে আৰু চঞ্চল পখীলা হৈ নহয়, আহে 'বাইদেউ' হৈ। এই 'বাইদেউ' বস্তুটো মুৰাদৰ ভাল নালাগে। বাইদেউৰ কৃত্রিম গাম্ভীর্যটো একেবাৰে অপ্রয়োজনীয় আৰু অলাগতিয়াল বস্তু এটা।

সৰুসৰু ফ্ৰক পিন্ধি তাৰ দোকানৰপৰা বাদাম নিয়া ছোৱালী বোৰে, ফ্ৰক এৰি চাদৰ লয়, আৰু তাৰ দোকানলৈ নহা হয়। তাৰ যে সিহঁতলৈ কিমান মৰম লাগে। সিহঁতবোৰ ধুনীয়া হয়, সিহঁতৰ চকুবোৰ বেছি কজলা হয়, খোজ বোৰ গহীন কৰিবৰ চেষ্টা সত্বেও—বেছি চঞ্চল হয়। কিন্তু সিহঁত আৰু তাৰ দোকানলৈ নহা হয়। ক্ষুণ্ণ হলেও সি তাত বিৰক্ত নহয়। সি তাত এটা স্বাভাৱিকতা আৰোপ কৰে। তাৰ মনত লাগে, স্কুলটো তাৰ নিজৰ, স্কুলৰ ছোৱালীবোৰ সকলো তাৰ আপোন; আৰু সিও সিহঁতৰ মাজৰে এটা। সি আশা কৰে যেন জগতৰ আৰু ক'তো ছোৱালীৰ স্কুল নাথাকক, যেন আৰু ক'তো ছোৱালী নাথাকক। এই স্বার্থপৰতাৰ অনুভূতি কিয় তাৰ মনলৈ আহে সি নুবুজে। তাৰ চিনাকী ছোৱালীবোৰক অন্য ডেকাবোৰে চকু পাৰি চাব, সেইটো সি সহ্য কৰিব নোৱাৰে।

তাৰ মাক মৰিল। সি বেজাৰ কৰিলে। চাৰি দিন তাৰ দোকান বন্ধ থাকিল। পৃথিৱীখনক সি বিশ্বাসঘাতক বুলি দোষাৰোপ কৰিলে। অনিত্য, অসাৰ বুলি আত্ম-প্রত্যয়ৰ চেষ্টা কৰিলে। ইজন সিজন আহি তাক সান্ত্বনা দিলেহি, বুজনি দিলেহি।

কিন্তু তাৰ চিনাকী ছোৱালীবোৰৰ এজনীও তাক এষাৰ কথা কবৰ কাৰণে নাহিল। তথাপি সি ছোৱালীবোৰক দোষ নিদিলে। 'মৰণৰ কথা ভাবিবৰ সিহঁতৰ সময় নাই, সিহঁত জীৱনৰ মাজত বুৰগৈ আছে'—

সি নিজকে কলে। মাক মবাৰ লগে লগে স্কুলে স্কুল এৰি দিলে। এবা, তায়ো ভালেখান জনী হ'ল। তদুপৰি মুবাদ ফুলৰ স্কুলত পঢ়াৰ সপক্ষে নাছিল। কিহৰ আকৌ ছোৱালীয়ে স্কুলত পঢ়ে, অন্ততঃ ফুলৰ নিচিনা ছোৱালীয়ে!—তাৰ অলপ দিনৰ পাছত ককায়েক বেলেগ হৈ গ'ল। পৈত্রিক সম্পত্তি ভাগ হ'ল।

তাৰ পিছত ভনীয়েকৰ বিয়া,—সিও হৈ গ'ল। মুবাদৰ জীৱনটো পাতল হৈ গ'ল। সি অনুভৱ কৰিলে যেন সি এটা জাঁজি-নোহোৱা নিজৰা, এতিয়া কেৱল অলস ভাবে বৈ যোৱাই তাৰ কাম। সি তাৰ নিজক লৈয়ে ব্যস্ত থাকিবলৈ আজৰি পাই আনন্দ পালে। মানুহক লাগে কি? লাগে কিমান?

চকুৰ আগেদি তাৰ পখীলাবোৰ আহে আৰু যায়। বিচিত্র নানা ধৰণৰ পখীলাবোৰ। ফাগুণৰ পোহৰত ৰঙা, বৰ্ষাৰ গাম্ভীৰ্য্যত প্ৰশস্ত, হেমন্তৰ আবেগত উন্মনা, শীতৰ শ্ৰান্তিত কৰুণ। দিন বোৰৰ ৰূপ সলনি হয়, ৰাতিবোৰৰ গোন্ধ সলনি হয়। কিন্তু তাৰ জীৱনৰ ভিতৰখনৰ সলনি নহয়।

এদিন ফুলৰো বিয়া হৈ গল।

আঁৰি-থোৱা কেলেণ্ডাৰৰ ধুনীয়া ছবিবোৰ ধূলি লাগি লাগি লেতেৰা হৈ যায়। সি বিশেষ মনোযোগ নিদিয়ে। কাগজৰ ছবি, মলিয়ন হবই, সি ভাবে। কিন্তু বাহিৰলৈ চাই দেখে তাৰ স্কুলৰ ছোৱালীবোৰ সিহঁতটো কোনো দিনে মলিয়ন নহয়। দিনে দিনে সিহঁত উজ্বল হৈহে যায়। এই কথাষাৰত তাৰ বৰ আনন্দ লাগে। 'এই কাৰণেই পৃথিবীখন ভাল'—সি কয়।

সি কোনো দিন কবিতা লিখা নাই, লিখিবও নাজানে। কিন্তু সি সকলোতে অনুভৱ কৰে এটা দিগন্তবিয়পি থকা ছন্দ, এটা আকাশৰ পৰা পৃথিবীখনলৈকে বিয়পি থকা জিলমিল ৰূপৰ ঢৌ,—তাৰ চাৰিওকালে যেন বিজিয়াই-বিজিয়াই মাতি থোৱা এটা কোমল মিঠা মাত।

সি তাৰ জীৱনটোক ধন্যবাদ দিয়ে।

যুদ্ধ হৈ গ'ল, তাৰ মূৰৰ ওপৰত এৰোপ্লেন উৰিল। তাৰ চকুৰ আগেদি টেংক, বৰটোপ পাৰহৈ গল, হেজাৰ হেজাৰ। হিচাব কৰিব নোৱাৰি, কিন্তু তাত সি কোনো নতুনত্ব নেদেখিলে। বিশেষ আচৰিতো নহল সি, মাত্র বিৰক্ত হ'ল দেখি যে আত স্কুলটোৰ ছোৱালীবোৰৰ মুখত সদায় এটা সন্দেহ, এটা অহেতুক ভয়।

সি কিন্তু মিলিটাৰীবোৰক জানে। সিহঁতে দল বান্ধি আহি তাৰ দোকানৰ পৰা চিগাৰেট কিনে, পাণ কিনে। সিহঁত বেয়া মানুহ নহয়।

ছোৱালীবোৰক তাৰ এই কথাষাৰ বুজাই দিবৰ মন যায়। বুজাই দিনৰ মন যায় যে মিলিটাৰীলৈ ভয় কৰিব লগা একো নাই। কিন্তু মাত্র ভাবে, একো কৰা নহয় মুঠে তাৰ।

যুদ্ধও শেষ হৈ যায়।

সি তাৰ স্কুলটোৰ ৰক্ষাকৰ্ত্তা পৰম শক্তিক কৃতজ্ঞতা জনায়।

'মই জানো নহয়, ইমানবোৰ ছোৱালী থকা-স্কুলটোক কেতিয়াও কোনোৱে একো নকৰে'—সি কয়।

তাৰ দোকানৰ ওপৰৰ জৰিগছজোপাৰ পাতবোৰ পকি পকি সৰে, আকৌ নতুন কুঁহি মেলে। স্কুলটোৰ চকোৱা এখন ভাগি গ'ল, আকৌ নতুন এখন দিলে। তাৰো বহুত কাপোৰ ফাটি পুৰণি হৈ গ'ল, আকৌ নতুন কাপোৰ ললে। কিন্তু তাৰ বুকুৰ ভিতৰখন একেই থাকিল। তাত সি অনুভৱ কৰিলে একেটা প্রাচীন ছন্দ, একোটা কঁপি থকা ঢৌ।

পাৰ-হৈ-যোৱা দিনবোৰৰ লেখ কোনেও নলয়। সিহঁত জীৱনৰ হেৰাই-যোৱা মুকুতা।

পুহ মাহ। অন্য দিনাৰ দৰে আজিও সি পুৱাতে গা ধুবলৈ গ'ল। সদায় সি চেঁচা পানীৰেই গা ধোৱে। আজি কিন্তু গা ধুই উঠি বৰ কঁপনি উঠিল। কাৰণ সি একো নুবুজিলে। কাপোৰ-কানি পিন্ধি উঠি

কিন্তু তাৰ ভাল লাগিল। এজনক সি কলে—"বৰ জাৰ পৰিছে নহয় নে? আজি গা ধোওঁতে বকুলৈকে কঁপালে।"

—"এৰা, পুহ মহীয়া আৰু তোমাৰ আমাৰ বয়সৰ মানুহৰ চেঁচা পানীৰ গা ধোৱাৰ দিন আছেনে?" সিজনে কলে। কথাবাৰত সি বৰ ক্ষুণ্ণ হ'ল। কিনো আমাৰ দিন হৈছে!

পিছে সেই দিনা ৰাতিয়ে মুৰাদৰ দাঁতৰ বিষ আৰম্ভ হল, বিষৰ কোবত—তাৰ জ্বৰ উঠি আহিল। উপায় নাপাই সি দাঁতৰ ডাক্তৰৰ ওচৰ পালেগৈ। ডাক্তৰে দাঁত চাই কলে, দাঁত কেইবাটাও উঘালিব লগা হৈ আছে। এইবোৰ থাকি একো লাভ নাই, লৰি আছে, বিষাই কষ্ট হে দিব। অনিচ্ছাসত্বেও মুৰাদে দাঁত দুটা উঘলালে, দাঁত দুটা উঘালি পেল্যালত তাৰ গাল দুখন সোমাই গল। বৰ বেয়া লাগিল, কিন্তু সি বিষৰ পৰা ৰক্ষা পালে। পিছৰ বছৰ আৰু দুটা দাঁত নিৰিঘোৱাকৈয়ে সৰিল। ফুলৰ ডাঙৰ লৰাটোৱে এদিন তাক দেখি কলে "মোমাইটি, দাঁত আৰু কেইটা আছে?"

সি মাথোন সোলা মুখখনেৰে হাঁহিলে। বাৰ বছৰীয়া লৰা, সিনো কিমান কথা জানে?

তাৰ স্কুল চলি আছে। কোনোবা বাইদেৱে ৰিটায়াৰ কৰে। বিদায় সভা হয়। ছোৱালীবোৰে গান গায়। বেছ আনন্দ উৎসৱৰ মাজেদি বিদায় দিয়ে। তাৰ এনেয়ে বেয়া লাগে।

এদিন দুজনী সৰু ছোৱালী তাৰ দোকানৰ পৰা বাদাম নিবলৈ আহিল। মুৰাদে সিহঁতৰ মুখলৈ চালে—সিহঁত দুয়োজনী ধুনীয়া।

"—তোমালোকক কি লাগে? মুৰাদে সুধিলে।

"বাদাম দিয়া—"

সি দুয়োকে চাৰি পয়ছাৰ বাদাম দিলে। দুয়ো লৈ এটি দুটিকৈ চোবাই আগ বাঢ়িল স্কুলৰ পিনে।

সিফালৰ পৰা আৰু দুজনী ছোৱালী আহিছিল। সিহঁতেও বাদাম চোবাই আহিছে।

—"কঁৰ পৰা আনিলা ?" সিহঁত ছুজনীয়ে শুধিলে।

"বুঢ়া পাণৱালাৰ পৰা"—মুৰাদৰ দোকানৰ পৰা বাদাম নিয়া ছোৱালী ছুজনীয়ে কলে। কথাবাৰ ঠহৰ্ কৰে আহি মুৰাদৰ কাণত পৰিলহি। সি সিহঁতলৈ ঘূৰি চালে।

—"নতুন দোকানীৰ পৰা নানা কিয়, বহুত বেছি দিয়ে।" আন ছুজনীয়ে কলে।

আটাই কেইজনী গল গৈ।

মুৰাদৰ দোকানৰ অলপ আঁতৰতে আৰু এখন নতুন পাণ খিলিৰ দোকান বহিছে। সেইখন ৰামসিং তেৱাৰীৰ। মুৰাদে তাৰ দোকান খনৰ ফালে চালে। ধুনীয়াকৈ সজোৱা জকমকীয়া দোকানখন—সি চকু ঘুৰাই আনিলে।

সৰু ছোৱালী ছুজনীৰ কথাষাৰ তাৰ আকৌ মনত পৰিল।

—"বুঢ়া পাণৱালা ?……বুঢ়া পাণৱালা…… "

সি আৰ্চীখনত নিজৰ মুখখন চালে। আৰ্চীখনত সি দেখিলে সোতাৰা-সোতোৰা হোৱা, ডাড়িয়ে ঢকা এখন মুখ, বগা চুলিবে ঢকা এটা মূৰ কোটৰত সোমোৱা ছুটা চকু, গাঁত হোৱা ছুটা খোলেৰে ছুখন গাল। সি ভালকৈ চালে। তাৰ দৃষ্টিশক্তিও বহুত ছুৰ্ব্বল, তথাপি সি যি দেখিলে সি বিশ্বাস কৰিবলৈ টান পালে। এইটো মানুহকতো সি কোনো দিন দেখা নাই !

সি দোকানৰ পৰা ওলাই আহিল। তাৰ দোকান ঘৰটোও একেবাৰে পুৰণি,—জৰাজীৰ্ণ হৈ গৈছে। টিনৰ সৰু চাল ছুখনত দ'ম খোৱা শেলাই। কিন্তু তাৰ দোকানৰ পিছ ফালৰ জবি গছজোপা ইমান শকত আৰু ডাঙৰ হ'ল কেতিয়া ? সিদিনা মাথোন অকণমান পুলিটো আছিল !

নাই, সি নিজেই নজনাকৈ পৃথিবীখন কোনোবা সময়ত বহুত পুৰণি হৈ গ'ল। একেবাৰে পুৰণি হৈ গ'ল।

সি আকৌ দোকানলৈ আহিল, আকৌ এবাৰ আৰ্চীত তাৰ মুখখন

চালে। নাই, সিদিনা দেখা ভেকাটো আৰু নাই। তাৰ ঠাইত আছে এটা বুঢ়া মানুহ।

বুঢ়া মানুহ,- -এবা।

সি বাহিৰলৈ চালে, বেলিটোৰ হালধীয়া পোহৰবোৰ হালধীয়া নৰাণীবোৰৰ ওপৰত শুই আছে। সেই নৰাণীৰ ওপৰেদি এদল ছোৱালী হাঁহি-মাত্তি ক'ৰাবলৈ গৈছে।—যেন ক'ৰবাৰ বহুত দূৰলৈ গৈছে। সি সিহঁতলৈ ভালকৈ চালে।

একেবাৰেই অচিনাকী ছোৱালীদল। সি কাকো চিনি নাপায়। একেবাৰে নতুন ছোৱালী। নতুন দোকানৰ দোকানীটোৱে ৰ' লাগি সিহঁতৰ ফালে চাই আছে। পকা চুলিবোৰ চিকুটি চিকুটি মুৰাদ বহি থাকিল। তাৰ কাৰণত পৰিব ধৰিলে আকাশৰ পৰা পৃথিবীলৈকে বিয়পি থকা মৌন মৰণৰ এটা ঘণ নিশ্বাস।

সি আৰু বহাৰ পৰা উঠিব নোৱাৰিলে।

———

# পৰ্বত আৰু ভৈয়াম

মৰিশালিৰ চিতাৰ জুইৰ পোহৰত সি বিচাৰি লৈছিল তাৰ আন্ধাৰে-ঢকা জীৱনৰ দুৰ্গম বাটটো। আনৰ দৰে আলোকৰ উৎসৱ কৰিবৰ সুযোগ তাৰ নাছিল ; তথাপি আনৰ দৰেই, যোৱাৰ কাৰণে সি আছিল এচেৰেঙা পোহৰৰ প্ৰয়াসী। তাক লাগে তাৰ জীৱনৰ মেঘে-ঢকা দুৰ্যোগৰ নিশাৰ আন্ধাৰৰ মাজত এফেৰি পোহৰ। সি বিচাৰিলে, সি জীৱন পাত কৰি বিচাৰিলে। পালে পোহৰ বিচাৰি পালে। ৰাজ প্ৰাসাদৰ উৎসৱ-দীপালীৰ আলোক নহয় চিতাৰ জুইৰ পোহৰ।

চিতাৰ জুয়েও পোহৰ দিয়ে! তাৰ কাৰণে সেয়ে যথেষ্ট—সিমান কম পোহৰতে সি তাৰ সৰু জীৱনটোৰ ঠেক বাটটো চিনি লব পাৰিব। সি খোজ ললে।...

দূৰত এৰি অহা তাৰ গাৱঁৰ সৰু ঘৰটোৰ ফালে এবাৰ সি ঘূৰি চায়—আন্ধাৰৰ মাজত, বহুত দূৰত, সি দেখে তাৰ গাঁৱলীয়া জুপুৰিটো, তাৰ সৰু সৰু ভায়েক দুটি, তাৰ ভনীয়েকজনী আৰু তাৰ মাক—অনাটনৰ হেঁচাত, অভাৱৰ উৎপীড়নত, চিন্তাৰ জড়তাত দুৰ্ব্বল হোৱা তাৰ মাকৰ শুকান মুখখন ; অযত্নত শিথিল হোৱা মাকৰ তেল-নোহোৱা দুডাল-এডাল পকা চুলিবোৰ, আৰু—আৰু তাৰ স্মৃতিসনা সেই বনগজা চোতালখনত ফটা-কাপোৰ পিন্ধি উমলি থকা তাৰ ভায়েক দুটা আৰু অকণমানি ভনীয়েকজনী।

আৰু তাৰ চকুৰ আগত—প্ৰফেচাৰৰ ধুনীয়া ঘৰটো, তাৰ 'পৰ্টিক'ৰ' ৰেইলিঙ'ত বগোৱা সেউজীয়া লতাৰে সৈতে ধুনীয়া কজলা ফুলবোৰ ; আৰু আবেলিৰ ছাঁ-পৰা ঘাঁহনিখনত প্ৰফেচাৰৰ জীয়েক মৃণালৰ লগত তাইৰ সৰু ভায়েক দুটা আৰু সৰু ভনীয়েকজনী। সিহঁতবোৰ হৃষ্ট-পুষ্ট, সুঠাম, বগা ; ফুলৰ ৰেণুৰ দৰে কোমল মূল্যবান সুগন্ধি 'পাউডাৰ'বোৰ

আনি সিহঁতৰ কোমল মুখবোৰ যেন একোপাহ ফুলা ফুলৰ দৰে কৰি তুলিছে।

সি চাই থাকে। সি দেখে ইহঁত ধুনীয়া—ইহঁতৰ দামী চিকণ কাপোৰবোৰেৰে সিহঁত বৰকৈ ধুনীয়া; আৰু সেই সমানকৈ কটা যাহনিখন, পৰ্টিকৰ লতাজোপা, বেলিৰ পোহৰত চকমকাই উঠা খিৰকিৰ নীলা-ৰঙা আৰ্চীবোৰ, সকলো ধুনীয়া···সকলো সুন্দৰ!

খন্তেকৰ কাৰণে সি সকলো পাহৰি যায়। ক্ষন্তেকৰ কাৰণে তাৰো ধুনীয়া হবৰ মন যায়। তাৰ সেই নিজৰ ৰূপটোৰেই, সেই অৱস্থাটোৰেই, তাৰো সেই মৃণালজনীৰ দৰে, মৃণালৰ ভায়েকইঁতৰ দৰে কোমল, বগা ভৰি লৈ তেনেকুৱা ঘাঁহনিত খোজ কাঢ়ি ফুৰিবৰ মন যায়, তেনেকৈ সৰু সৰু ফুলবোৰ ছিঙি আনি বননিত সিঁচি দিবৰ মন যায়···

মৃণালে তাৰ ফালে হঠাৎ চাই দিয়ে, সি লাজ পায়, তাৰ সপোন ভাগি যায়—তাৰ নিজৰ দুৰ্ব্বলতাক ধিকাৰ দিবৰ মন যায়! কিমান এটা বেয়া মানুহৰ দৰে সদায় দেখা এই মৃণালজনীক সি আজি চাই আছিল!

মৃণালে মিচিকাই হাঁহে, গাৰ চেলেংখন ভাল কৰি লয়, আৰু এনেয়ে কাণৰ ওচৰৰ ঢিলা চুলিখিনিৰ ওপৰত হাতৰ জোঙা আঙুলিকেইটা বুলায় আৰু তাৰ পৰা মুখ ঘূৰাই নি পশ্চিমৰ বেলি মাৰ যাৰ ধৰা হেঙুলীয়া আকাশখনৰ ফালে চায়। চাই থাকে, হয়তো—কোনোবা এটা কবিতাৰ ভাষাত এই সৌন্দৰ্য্যৰ প্ৰকাশৰ তুলনা বিচাৰে!······ 'এনেকুৱা এটা সন্ধিয়াৰ বুকত বিশ্ব-স্ৰষ্টায়ো এবাৰ নিজক পাহৰি হয়তো কিবা এপাহ পুৱাৰ শেৱালীৰ বুকত নিজক বিচাৰি পাবৰ চেষ্টা কৰিব পাৰে!'······কিজানি মৃণালে ভাবে!

আৰু সি—সিও সেই একেখন আকাশলৈকে, একে ফাললৈকে, একেই ৰহস্যৰ মাজলৈকে এবাৰ চাই লয়।—সেই গোধূলিৰ দেশ, তাৰ সিপাৰে আন্ধাৰ! সি দেখে—বৈজ্ঞানিকৰ চকুৰে সি চায়—সেই তেজিয়া দুৰণিত ৰঙা হোৱা বেলিটো—তাতেই চিৰদিন থিয় দি আছে—

মথোন ঘূৰিছে এই পৃথিৱীখন। কিয় ? পৃথিৱীখন মিছাতে ঘূৰি মৰিছে কিয় ? এই সীমাহীন আৱৰ্ত্তন-বিৱৰ্ত্তময় মাজে মাজে ঘূৰি ঘূৰি নিজেই ই পুৰণি হৈ গৈছে কিয় ? কি সাৰ্থকতাৰ আশাত, পাৰহীন শূন্যৰ বুকুত মিছাতে বাগৰি মৰিছে পৃথিৱীখন ? কৰ'বাৰ এটা আন্ধাৰ পৰ্ব্বতৰ গাত, নাইবা কোনোবা মহাসাগৰৰ এটা ঢৌত খুন্দা খাই ই ভাগি গুৰি হৈ নেযায় কিয়……?

কিন্তু সি দেখে—সন্ধিয়া যেন আৰু ধুনীয়া, আৰু মধুৰ হৈ তাৰ কাৰণে আগবাঢ়ি আছে। এনেয়ে সি চাই থাকে। শেৱালী জোপাৰপৰা পাতল গন্ধ এটা আনি বতাহজাকে গোটেই খনতে সিঁচি দি যায়।

তাৰ আশাবোৰ কৱিতা হৈ জাগি উঠে। সি যেন এই পৃথিৱীখনৰ বহুত কথাকে শিকি পেলাইছে।… ……

সিহঁতৰ 'মেছ'টোৰ অন্য আটাই কেউটা ল'ৰা ফুৰিবলৈ যায়—ফুকন, হাজৰিকা, মিশ্ৰ আৰু চলিহা। সি নেযায়। তাৰ এই নগৰৰ কাষৰীয়া বহা ঘৰটোৰ নিৰ্জ্জনতাখিনি ভাল লাগে। সিহঁতৰ চোতলাৰ বননিতে ইজিচেয়াৰখন পাৰি সি কিবা কিতাপ এখন মেলি লয় আৰু তাৰ মাজতে কিবা বিচাৰি আপোন পাহৰি বহি থাকে। হয়তো তাৰ মনটো ঘূৰি ফুৰে কোনোবা অচিন দেশত কোনোবা অচিন মানুহৰ লগত। তাৰ ভাল লাগে!

চলিহাহঁতে তাক জানে। তাৰ সকলো জানে। তাৰ মৰমৰ কিতাপবোৰৰপৰা তাক সিহঁতৰ লগত ব্যস্ততাৰ মাজলৈ টানি নিনিয়ে। তাক তাৰ কিতাপৰ লগতে এৰি সিহঁত গুচি যায়, হয়তো ক'ৰবাত খেলিবলৈ, ক'ৰবাত কিবা সভাত বক্তৃতা দিবলৈ…নহলে এনেই ফুৰিবলৈ।

আৰু সি, তাৰ কিতাপখনেই তাক জোৰে। ক'ৰবাৰ অচিনা লিখকৰ বুকুৰ তেজ দি লিখা কিতাপবোৰ—সিহঁতৰ মাজত সোমাই থাকিয়ে সি তৃপ্তি পায়। তাৰ চকুৰ আগৰ ব্ৰহ্মপুত্ৰখন, তাৰ বুকুত ঔাতৰেদি যোৱা নাৱৰীয়াবিলাকৰ সৰু নাওবোৰ, আৰু তাৰ সিপাৰে-

কুঁৱলীয়ে ঢাকিব ধৰা ধূসৰ পাহাড়বোৰৰ ওখ-চাপৰবোৰ, আৰু তাৰো সিপাৰে সেই বগা-মেঘমনা বহল আকাশখন। তাৰ সোঁফালে প্ৰফেচাৰৰ উচ্চ ঘৰ—ধুনীয়া ঘ্ৰাহনি—আৰু, আৰু···। ভাড়াঘৰত 'মেছ' কৰি সি আৰু তাৰ দৰে তাৰ লগৰীয়া কেইটা থাকে, পঢ়ে। প্ৰফেচাৰ দত্তই বৰ্ত্তমান সিহঁতৰ অভিভাৱক। প্ৰফেচাৰৰ ঘৰৰ কাষতে ওলাওঁতে, সোমাওঁতে, চকুৰে দেখাতে সিহঁতৰ মেছটো।

মৃণাল ধুনীয়া। মৃণালৰ সৌন্দৰ্য্য আছে, দেহাৰ লাৱণ্য আৰু সৌষ্ঠৱ আছে। মৃণাল যথা সম্ভৱ আধুনিক। চলন-ফুৰণ, কথাবতৰাত উচ্চ শিক্ষিতাৰ গৰ্ব নেথাকিলেও, গাম্ভীৰ্য্য আৰু প্ৰকাশৰ আভাস আছে।

সিহঁত সেইটো মেছত থাকিবলৈ লোৱাৰ এমাহমানৰ পিছৰ এটা আবেলি।

'সেই যে বহি, কিতাপ পঢ়ি আছে, সেইটো কোন ল'ৰা অ?"—প্ৰফেচাৰ দত্তই মৃণাক সোধে। দত্ত বিজ্ঞানৰ প্ৰফেচাৰ।

"আমাৰ ক্লাচৰ লৰা, প্ৰবোধ নে কি নাম"—সৰুকৈ মৃণাই কলে।

"অ' হেৰা প্ৰবোধ"—প্ৰফেচাৰে অলপ চিঞৰি তাক মাতিলে। সি কিতাপৰপৰা মুৰ তুলি চালে, কিবা এটা ভুল শুনা বুলি সন্দেহ কৰিলে।

"চাওঁ এই পিনে আহাচোন—তোমাকে মাতিছো।"

কিতাপখনত এটা চিন দি-সি প্ৰফেচাৰৰ ঘৰ পালেগৈ। বিশেষ কামত যোৱাৰ দৰে মৃণাল সোমাই গ'ল।

"বহা—অ' তুমি ইয়াতে থাকা?"

"হয়।"

"কিয় হোষ্টেলত নেথাকিলা দেখোন—?"

অলপ অপ্ৰস্তুতৰ দৰে হৈ সি কবে, "ইয়াতেই ভাল লাগিছে।"

অলপ পৰৰ নিস্তব্ধতাৰ পিছত দত্তই সুধিলে—"দেউতাৰে কি কাম কৰে?"

প্ৰবোধৰ মুখ খন ৰঙা পৰি গ'ল। সি লাহে লাহে কলে—

"দেউতা নাই, সৰুতে ঢুকাল—"

অলপ অপ্ৰতিভ হৈ সোধাৰ দৰে প্ৰফেচাৰে সুধিলে—"ভাণ্ডৰ ককাইদেৱেৰা আছে ?"

"নাই, ময়েই হে ভাণ্ডৰ—"

"তোমাতকৈ সৰু আৰু আছেনে নাই ?"

"আছে—" প্ৰবোধে ক'লে।

প্ৰফেচাৰৰ সৰু লৰাটোৱে ৰূপৰ বটাটোত দুখন তামোল দি গ'ল। তাৰ চকুৰ আগত ভাহি উঠিল—সেই মলিয়ন, ফটা কাপোৰ পিন্ধিভাৰ মৰমৰ ভায়েক দুটা, সিহঁতৰ অবুজ মুখত বিৰিঙি উঠা শৈশৱৰ সৰল আনন্দৰ ৰহনখিনি। সি লৰাটিৰ ফালে চালে—সুন্দৰ, সুঠাম, নিপোটল চেহেৰা, পৰিষ্কাৰ কাপোৰ কানি, ঠিক তাৰ সৰু ভায়েকটোৰে সমনীয়া।

"অ' খোৱা, তামোল এখন খোৱা"—

পাণ্ডলকৈ হাঁহি এটা মাৰি প্ৰবোধে ক'লে—"তামোল মই নেখাও—"

'এ—নোখোৱা ? চাহ এটোপাকে দে অ' মৃণা। অ,' তোমাৰ থকা-মেলাৰ একো অসুবিধা হোৱা নাইতো ?"

"বৰ্তমান ভালেই চলিছোচোন।"

"বাৰু ভালেই হৈছে দিয়া। পঢ়া যেনে-তেনে, হোষ্টেলতকৈ মেছত থকা বৰং ভালহে, অ'। আমাৰ মৃণালে তোমালোকৰ লগতে পঢ়ে নহয়—?"

সি বিমোৰত পৰিল। মৃণাক সি দেখিছে, চিনি পায়,—কিন্তু তথাপি যেনেতেনে ক'লে—"হয়—"

মৃণাই একাপ চাহ আৰু অলপ পাতলীয়া মিঠাই আনি দিলে। সি প্ৰফেচাৰৰ কিতাপৰ আলমাৰিটোৰ ফালে চাই থাকিল।

"অ মৃণাইতো তোমাক চিনিয়েই পায়"—প্ৰফেচাৰে কলে। ৰঙা-চঙা পৰি মৃণা ভিতৰলৈ গুচি ল'ল, হয়তো ভাবিলে—'কি যে মানুহ দেউতাটো'—

চাহ খাই সি শুচি আহিল। ইজি চেয়াৰখনত এৰি-অহা তাৰ কিতাপখন আজি আৰু সি নপঢ়িলে, সি ভিতৰলৈ সোমাই গ'ল। খিৰিকিখনেদি আকৌ এবাৰ প্ৰফেচাৰৰ ঘৰৰ ফালে চালে—কাকো নেদেখিলে।······

মৃণা তাৰ সহপাঠিনী—মৃণা ছোৱালী!

···প্ৰায়ে একেলগেই কলেজলৈ যায়—প্ৰবোধ আৰু মৃণা। তাৰ লগত মৃণাই আন কলেজৰ ছোৱালীৰ দৰে জুখি জুখি কথা নকয়, সম্পূৰ্ণ সহৃদয়তা আৰু কুণ্ঠাহীন আত্মীয়তাৰে সিহঁতে কথা বতৰা পাতে। মৃণা তাৰ বহুত ওচৰ চাপি আহে।

"আপোনালৈ মোৰ ভয়েই লাগে"—হাঁহি মাৰি মৃণাই কয়।

"—কিয়?"

"আপুনি ইমান কিতাপ পঢ়ে—"

"অ' সেইকাৰণে। মইনো কি কিতাপ পঢ়ো? আৰু পঢ়িলেও বা মইতো আৰু আপোনাৰ লগত যুদ্ধ দিবলৈ নেযাও"—হাঁহি প্ৰবোধে কয়।

"কোনে জানে! আপুনি হয়তো আপোনাৰ কিতাপৰ নায়ক-নায়িকাবোৰ লৈ এদিন যুদ্ধ ক্ষেত্ৰতে নামি পৰিব—আপোনাৰ তলত জানো কমবোৰ হিৰ' (hero) হিৰইন্ (heorin) আছে।

কথাৰ আচল অৰ্থটো সি্ নুবুজিলে, বুজিবৰ চেষ্টাও নকৰিলে, সদায় সৰল ভাৱেই সি মৃণাক বুজি আহিছে। তাইৰ কথাত কিবা জটিলতা থাকিলেও তাৰ আনন্দৰ তলত সি ক'ৰবাত সি লুকাই পৰিল।

মৃণায়ো যে কিতাপ নপঢ়ে, সেইটো নহয়, কিন্তু তাৰ সমান নহয়, তাৰ নিচিনাকৈ নহয়,তাতেই হয়তো তাৰ ওপৰত মৃণাৰ এটা হিংসা হয়।

তাৰ ভাল লাগে। কলেজটো এনেয়ে তাৰ ভাল লাগি উঠে। আগৰ দৰেই বহি বহি সি কিতাপ পঢ়ি যায়, তাৰ শত-সহস্ৰ কিতাপৰ কোনোবা এজনী পৰিচিতা নায়িকাৰ লগত সি মৃণাক বিজাই চাব খোজে। কিয় জানো বিজনি হেৰাই যায়।

বহি থাকোঁতেই কেতিয়াবা তাৰ চৌপাশে আন্ধাৰবোৰ নামি আহে। সি যেন এই আন্ধাৰৰ মাজত নিজক লুকাই ৰাখিবলৈ যত্ন কৰে। তাৰ চকুৰ পতাত আন্ধাৰবোৰ পাতলকৈ লাগে। তাৰ চকুযোৰ মুদখাই যাব খোজে। সেই আন্ধাৰৰ মাজত ভাহি উঠে কৰবাৰ এটা জুপুৰিঘৰ, হয়তো এটোপা তেলৰ অভাৱত আজিৰ এই সন্ধিয়া তাত এটি টিনৰ চাকিও জ্বলা নাই; হয়তো জুইৰ টিমিক-টামাক পোহৰৰ কাষত লেপেটি কাঢ়ি বহি তাৰ সৰু ভায়েক দুটাই পঢ়িছে কিবা এটা ল'ৰা-ফুচুলুৱা কবিতা "লিখা পঢ়া কৰে যেই ঘোৰা গাৰী······"

চলিহাঁহঁত আহি তাৰ মৌনতা ভাঙি দিয়ে। সি আকৌ পোহৰৰ জীয়া বাস্তবৰ মাজলৈ ঘূৰি আহে; তাৰ পিছত আৰম্ভ কৰি দিয়ে কিবা এটা ডাঙৰ আলোচনা, কিবা ফিল'চফি, তাৰ লগত তৰ্ক কৰে; হাঁহে, আকৌ গম্ভীৰ হৈ পঢ়া মেজখনৰ কাষ চাপে।

তাৰ নতুন দিনবোৰ পুৰণি হৈ আহে। কোনো বিশেষ সোৱৰণি নৰখাকৈয়ে সিহঁত হেৰাই যায়। নিৰ্ব্বিকাৰ দিনবোৰ তাৰ প্ৰাণৰ ভাষা বুজিবৰ চেষ্টা নকৰাকৈয়ে নুবুজাকৈয়ে পাৰ হৈ যায়। ধোৱাই পৰিষ্কাৰ কৰি দি যোৱা কাপোৰবোৰৰ দৰেই দুদিনতে তাৰ নতুন দিনবোৰ মলিয়ন হৈ আহে ঠিক সি পিন্ধি মলিয়ন কৰা কাপোৰবোৰৰ দৰেই, সি ৰাখিব নোৱাৰে।

কিন্তু তাৰ মাজতো ক'ৰবাৰ কিবা এটা পৰিষ্কাৰ, নিৰ্ম্মল, ধুনীয়া আশাই আহি তাৰ হিয়াখন পোহৰাই যায়।

আবেলি যেতিয়া সি আৰু মৃণা ফুৰিবলৈ যায় সি যেন দেখে মৰিব ধৰা বেলিটোৰ মুখত এটা জীয়া হাঁহি, ব্ৰহ্মপুত্ৰৰ পাৰৰ শুকান শিলচটাত যেন কিবা এটা ৰসৰ উৎস!

হুয়ো গৈ বহে। পানীকলৰ ওচৰতে ওখ আলি বাটটোৰ কাষৰ কেঁচা ঘাঁহনিত সিহঁত বহে। সিহঁতৰ চকুত পৰে অবিৰাম বৈ থকা বিশাল ব্ৰহ্মপুত্ৰখনৰ গভীৰ, শব্দহীন, সোঁতটো, তাৰ পানীৰ বুকুত নচা

আবেলি বেলিব কঁপি থকা প্ৰতিচ্ছবিটো, আৰু ভাটিৰ সোঁতত উটি যোৱা কোনোবা শেষৰ পথিকৰ নাও এখন। পানীকলৰ মেচিনটোৰ ঘটং ঘটং শব্দটো লুইতৰ সোঁতৰ লগতে মিলি স্বাভাবিক যেন হৈ পৰিছে। তাৰ কাৰণে কোনেও অশান্তি বোধ নকৰে।

নীৰৱে দুয়ো বহি থাকে প্ৰবোধ আৰু মৃণা। সিহঁতৰ মুখৰ ভাষা চকুৰ দৃষ্টিতে হেৰাই যায়।

"ব'লক আৰু যাওঁ" মৃণাই কয়।

দুয়ো উঠে আৰু সেই দিনাৰ কাৰণে লুইতখন শেষবাৰ চাই লৈ লাহে লাহে পাহাৰৰ বেঁকা বাটটোৰেদি নামি আহে। দক্ষিণ ফালৰ সেউজীয়া পাহাৰটোৰ ফালে চাই মৃণাই কিবা সৰু ছোৱালীজনীৰ দৰে সোধে এনেয়ে, হয়তো নিস্তব্ধতা কৰিবৰ কাৰণেই।

"আপোনালোকৰ তাত পাহাড় আছে ?"

"পাহাড় ওঁ আছে" সি দক্ষিণলৈ ঘূৰি চায় আৰু কয় "কিন্তু—"

মৃণাই তাৰ মুখৰ ফালে চাই হাঁহে।

"কিন্তু তাৰ মাজত এনেকুৱা "পিচ" দিয়া আলিবাট নাই, তাত কেৱল পাহাড় হে আছে।"

"কিয় ? আলিবাট নাই ? তেন্তেহলে তাত সোমালে আৰু ওলাই অহাই টান"

"টান নহয়, নোৱাৰি। তাৰ মাজলৈ এবাৰ গ'লে আৰু উভতি আহিবলৈ বাট বিচাৰি পোৱা নেযায় উভতি আহিব নোৱাৰে"

"আৰু ইয়াত পাবিনে কি ? এই পাহাড়টোৰ মাজত সোমালে আপুনি বাৰু উভতি আহিব পাৰিব নে ?"

"অ' হয়তো ইয়াতো নোৱাৰি। কিন্তু ইয়াৰপৰা উভতি যাবই লাগিব" কিবা অস্বাভাৱিক কৰুণ মাতেৰে সি ক'লে।" বৰ বিস্ময় আৰু কৌতূহলেৰে মৃণাই তাৰ মুখলৈ চালে তাৰ ভাবুক মুখখনলৈ।

"উলটিনো যাব লাগিব কিয় ?" পাতলকৈ হাঁহি মৃণাই শুধিলে।

মৃণাই জানে তাৰ উত্তৰত সি কিবা এটা ডাঙৰ দার্শনিক বক্তৃতা দিব। প্ৰবোধৰ এনে নাটকীয় বক্তৃতা মৃণাই প্ৰায়েই শুনিছে, শুনি ভাল পায়।

"উলটি যাব লাগিব এটোপা পানীৰ কাৰণে"

"পানীৰ কাৰণে!"

"এৰা, মানুহক পানী লাগে। জীয়াই থাকিবলৈ জীৱনৰ ৰস লাগে।"

"কিয় সৌ ঝৰণাটো আছে দেখোন" মৃণাই জানে, সি এনেকুৱা অসম্ভৱ জটিল কথাবোৰ ভাবি, তাৰ কিবা এটা বেমেজালিত নিজক পেলাই দি ভাল পায়।

"ঝৰণাটো! অ' আছে, কিন্তু সদায় নেথাকে। এদিন শুকাই যাব, আৰু এতিয়া পানীৰ তলত লুকাই থকা শুকান শিলবোৰ ওলাই পৰিব। তেতিয়া পাহাড়টো নীৰস হৈ যাব—" তাৰ মাতটো এটা পৰ্বতৰ শুকান ঝৰণাৰ কান্দোনৰ দৰেই করুণ, সিক্ত।

"তেতিয়া এই ব্ৰহ্মপুত্ৰখন থাকিব দেখোন। তাৰে পানী খাব পাৰিব "হাঁহি মৃণাই কয় আৰু বৈ যোৱা নৈখনৰ ফালে চায়।

"ওঁ পাৰি। কিন্তু কিন্তু যিয়ে এবাৰ পৰ্বতীয়া ঝৰণাৰ পানী খাইছে, সি আৰু ব্ৰহ্মপুত্ৰৰ ঘোলা পানী খাই তৃপ্তি নেপায় পাব নোৱাৰে।"

মৃণা বৈ গ'ল। সিও বৈ গ'ল। মৃণাই তাৰ মুখলৈ চালে, মৃণাই হাঁহি দিলে। সিও হাঁহিবৰ চেষ্টা কৰিলে; নোৱাৰিলে।

"আপুনি কিতাপ পঢ়া এৰি দিয়ক"

"এতিয়া বোধকৰো মই কিতাপ পঢ়া নাই"

দুয়ো হাঁহিলে।

* * *

সি মৃণাৰ বিষয়ে বহুত কথা ভাবে। মৃণাই জানে সি দুখীয়া মৃণাই জানে সি নিঃস্ব, তাৰ একো নাই। তথাপি কিমান তৃষিতৰ দৰে মৃণাই তাৰপৰা কিবাবোৰ আদায় কৰি লব খোজে। তাৰ যেন বহুত

আছে, তাৰ যেন সকলো আছে। কিন্তু কিয় ? সাধাৰণ এটা পৰিচয়, জীৱনৰ বাটত হেৰাই পোৱা সাধাৰণ এটা মুহূৰ্তৰ চিনাকি, তেন্তে কিয় মৃণাই এই ছুদিনকে, এই সুদা ছুদিনকে বহুত স্মৃতিৰে ভৰাই ল'ব খোজে। তাৰপৰা মৃণাৰ কি লাভ হ'ব ! মৃণাই পিছত এই অযথা গোটাই লোৱা স্মৃতিবোৰ মচি পেলাব পাৰিব ?

মাইকী ছোৱালী হয়তো পাৰিবও পাৰে। কিন্তু সি····?

সি জানো ভুল কৰিছে ? সিতো ৰাতিৰ আন্ধাৰৰ মাজেদিয়ে যাবৰ কাৰণে সাজু আছিল। কোনেও নজনা তাৰ জীৱনটো সি নিশাৰ আন্ধাৰৰ মাজেদিয়ে শেষ কৰি দিবৰ আয়োজন কৰিছিল ; মৃণা আহিল কিয় ? তাৰ আন্ধাৰৰ মৌনতা ভাঙি, সপোনৰ উপচাৰ লৈ মৃণা আহিল কিয় ?

সঁপোনতকৈ ক্ষন্তেকীয়া সপোনতকৈও নিবিড়· আন্ধাৰ ভাল সি জানে ; তথাপি সপোন আছে। নিবিচৰাকৈয়ে আন্ধাৰৰ মাজতে সপোন আছে।···সপোনৰ সিপাৰেদি আকৌ আন্ধাৰ ··কিন্তু সপোনত জানো একোৱেই নাই ?

প্ৰবোধক কেন্দ্ৰ কৰি চলিহাহঁতে নানা আলোচনাৰ সৃষ্টি কৰি দিয়ে, কিন্তু মৃণালক লৈ তাৰ আগত বিশেষ একো ক'ব নোৱাৰে। সিহঁতে জানে সি বেয়া পাব তাৰ খং উঠিব আৰু হয়তো অভিযান কৰি তাৰ কিতাপবোৰ বুকুত বান্ধি ক'ৰবালৈ গুচি যাব। তথাপি তাক জোকোৱাৰ লোভ সিহঁতে সামৰিব নোৱাৰে।

"প্ৰফেচাৰ দত্তৰ লাইব্ৰেৰিটো বাস্তবিকে ভাণ্ডৰ"

"ভাণ্ডৰ হলেইতো আৰু নহয়, তাৰ কাৰণে পঢ়োঁতা, তই কিবা আৰু কিতাপ পঢ়নে ?"

"পঢ়িবৰ মন যায়। পিছে আকৌ আলমাৰি খুলি ভাল কিতাপ বাছি দিওঁতা হলেহে !"

"কিয় ? বাছি দিলেহে কিতাপ পঢ়িব পাৰ ?"

"চাবিৰে তলা খুলিব মইয়ো জানো, প্ৰফেচাৰৰ চাকৰটোৱেও জানে।

কিন্তু তাৰ ভিতৰত কি আছে  সেইটো জানোতাই খুলি নেদেখুৱালে মই আৰু সেই চাকৰটো দুয়োটা একে।”

“কিয় ভিতৰৰ কথা দেখোন প্ৰবোধেও জানে।”

“কি ভিতৰৰ কথা জানো অ?” প্ৰবোধে সুধিলে।

“এই প্ৰফেসৰৰ ভিতৰৰ অৰ্থাৎ বাহিৰা কিতাপ পঢ় নহয়, সেই, অৰ্থাৎ মৃণালে ভিতৰখন তোক খুলি দেখোৱায়। অৰ্থাৎ”

“মৃণালে মোক ভিতৰখন খুলি দেখুৱায়। অৰ্থাৎ ” সি খঙেৰে সিহঁতৰ ফালে চালে।

“কিতাপৰ আলমাৰিৰ ভিতৰখন অ’। আৰু নো কিটো খুলি দেখুৱাব? কিন্তু সঁচাকৈয়ে এটা কথা প্ৰবোধ”

“কি?”

প্ৰফেচাৰৰ, অৰ্থাৎ এই মৃণালহঁতৰ ঘৰৰ তই ইমান সোনকালে আপোন হৈ গলি! বাৰু, তইতো আজি কালি থাকো বুলিলে তাতে বেচ”।

“মৃণা অৰণ্যে আনতকৈ বহুত ফৰৱাৰ্ড।”

“চুপ, গৌৰী—” খঙেৰে সি ক’লে।

“ৰাজমোহন, ভাত হৈছেনে নাই?” চলিহাহঁতে ৰান্ধনিটোক চিঞৰ লগালে।......

* * *

সি মৃণালহঁতৰ ইমান আপোন হৈ পৰিছে কিয়! হয়তো, ইমান সোনকালে সিহঁতৰ কিমানখিনি সি অধিকাৰ কৰি পেলাইছে। মৃণা, সৰল মৃণাজনী কিমান মুক্তভাৱে, কিমান আত্মীয়ৰ দৰে তাৰ আগত তাইৰ কথাবোৰ কৈ দিয়ে! আৰু প্ৰফেচাৰ কি এটা বিশ্বাসত মৃণাৰ গোটেই ভাৰটো তাৰ ওপৰতে দি যেন নিশ্চিন্ত হৈ পৰিছে। ইয়াৰ কি অৰ্থ থাকিব পাৰে? সি ভাৱে, একো সিদ্ধান্ত সি কৰি উঠিব নোৱাৰে।

* * *

পূজাৰ বন্ধৰ আগতে এদিন!

সন্ধিয়াৰ পাতল কুঁৱলীবোৰে ধীৰে ধীৰে ব্ৰহ্মপুত্ৰৰ ওপৰত থাহি পৰিবৰ আয়োজন কৰে। সিহঁত গৈ ব্ৰহ্মপুত্ৰৰ পাৰৰ কেঁচা বননিত বহে আৰু নৈৰ ফালে চাই থাকে। ব্ৰহ্মপুত্ৰৰ পানী বহুত শুকাই গৈছে। সিহঁতৰ চকুৰ আগৰ খাজুৰী গছজোপাৰ পাতবোৰৰ মাজেদি সিহঁতে চাই ৰয়, উজনীলৈ নাও বাই যোৱা অকলশৰীয়া নাৱৰীয়া এটাৰ সৰু নাওখন আৰু বঠাৰ কোবত লৰা পানীত তাৰ কঁপা ছাঁটো। কুঁৱলীত ঢাক খাব ধৰা সেই পাহাড়কেইটাৰ মাজেদি ক'ৰ মাণিক বিচাৰি যেন সি যাব লাগিছে দূৰলৈ

"নাৱেৰে উজাই যাবলৈ বেছি জোৰ লাগে কি জানি" মৃণাই কয়।

"এৰা, উজাই যাবলৈ বেছি জোৰ লাগে। পিছে ভটিয়াই যোৱাৰ সুখকণ পাবৰ কাৰণেই বহুতে উজাই যায়"

"সঁচাকৈয়ে ভটিয়াই যোৱাত বৰ সুখ আছে। যিটো সোতেদি সি উজাই গৈছে, সেইটো সোতেদিয়ে সি সহজে ভটিয়াই আহিব পাৰে"

"কিজানি নোৱাৰে। এবাৰ যিটো সোঁতেদি সি নাও লৈ গ'ল, আকৌ তাৰ নাৱে আৰু সেই সোঁত পানীৰ লগ ধৰিব নোৱাৰে।"

"কিয় ?"

"সেইটোৱেই আমাৰ কাৰণে সত্য"

"বাৰু হ'ল থক, আপুনি সদায় সাধাৰণ কথাবোৰক মিছাতে জটিল কৰি লয়।"

'কিয়, মইতো সাধাৰণক আৰু সহজ কৰিয়ে লব খোজো, কিন্তু আমাৰ এই সহজ জীৱনটোৱেই কিমান জটিল !"

"আপুনিহে জটিল কৰি লৈছে।" অকাৰণত এটা ল'নী সুৰত মৃণাই কয়।

"মই ভাবো সহজ কৰি লওঁ। মোৰ জীৱনটো সহজ কৰি লওঁ ! কিন্তু দিনে দিনে নিজেই সি জটিল হৈ গৈছে"

"অ' নাৱৰীয়াটো নেদেখাই হ'ল "কথাৰ সুৰ সলাই মৃণাই কলে। "সি কিজানি তাৰ যাব লগা ঠাই পালেগৈ।......হয়তো বাট বিচাৰি নেপাই ক'ৰবাতো সোমাবগৈ পাৰে"

"বাট আকৌ বিচাৰি নেপাব কিয়?"

"লুইতৰ সোঁতত কতৰ বহা যে ঘৰ উটি গৈ চিনচাব নাইকিয়া হৈ গৈছে, তাৰ বহাটো যে উটাই নিব তাত আৰু কি আচৰিত হবলগীয়া আছে? সোঁতে পালে সকলোৰে বহা উটাই লৈ যায়"

"আপোনাৰ বহাটোও নে?" হাঁহি মৃণাই সুধিলে।

"মোৰ বহাও। পানীৰ সোঁতে হয়তো নহয় সময়ৰ সোঁতে। সময়ৰ সোঁতে, আমাৰ জীৱনৰ বহুত কথাকে উটাই লৈ যায়, উলটি আহি আৰু আমি একো নেপাওহি, শুকান বালিৰ চট শূন্য..."

"আপুনি যে কিয় ইমান দুখবাদী হ'ল!"

"বাৰু এতিয়া যাওঁ। কুঁৱলীবোৰ বৰকৈ পৰিছে।"

সিহঁত ঘূৰি আহে। শেষ আহিনৰ পাতল কুঁৱলীৰ মাজে মাজে সিহঁত খোজ কাঢ়ি কাঢ়ি গুচি আহে। তাৰ অলপ চেচা লাগে, মাজে মাজে মৃণাৰ কাপোৰৰ ওপৰেদি বৈ অহা উপত বতাহ একোছাটি তাৰ গাত লাগেহি, অলপ সময়ৰ কাৰণে তাৰ গৰম লাগে। সি তাৰ চৌদিশ বেঢ়ি থকা চেচা কুঁৱলীৰ মাজতে একণি জীৱনৰ উত্তাপৰ সহাঁৰি পায়।

আৰু মৃণা বৰ গম্ভীৰ হৈ, বৰ বিষাদেৰে ধীৰে-ধীৰে তাৰ কাষে কাষে আহি থাকে। অযথা, অহেতুক এটা দুখেৰে কুঁৱলীয়ে ঢকা আকাশখনৰ দৰে তাইৰ বুকুখন ভৰি উঠে। এই হিয়াধুনি কান্দি ফুৰিব খোজা প্ৰবোধটোক তাইৰ পুতৌ কৰিবৰ মন যায়, মৰম কৰিবৰ মন যায়, কিবা এটা চেনেহৰ কথা কৈ দিবৰ মন যায়।

কিন্তু নোৱাৰে। সন্ধিয়াৰ সেই মৌনতাৰ মাজেদিয়ে সিহঁত গৈ ঘৰ সোমায় গৈ। মৃণাক ঘৰত থৈ সি তাৰ মেছলৈ গুচি যায়।

* * *

পূজাৰ বন্ধত সি ঘৰলৈ গ'ল।

তাৰ মাকৰ, তাৰ ভায়েকহঁতৰ, তাৰ ভনীয়েকজনীৰ কিমান আনন্দ! সিহঁতে যেন তাক বৰ কিবা ডাঙৰ কথা এটা ক'ব, এটা বৰ, ভাল বস্তু খুৱাব! তাৰ মাকৰ চকুৰ কোণেদি দুটোপা লোতক বাগৰি যায়, এই কাত্তিমহীয়া ঘৰত যে একো নাই গাঁৱত আকাল! সিহঁতৰ খাবলৈ নাই। বাৰীৰ কাষৰ ধানদৰাত ফুলৰি মেলিছে ধান হ'বলৈ আৰু কত দিন লাগিব!

"ককাইদেউ, মই যে কৈছিলো বল আনিছ?"

"অ' এইবাৰ মোলৈ চোলা এটা আনিম বুলি কৈছিলি নহয়। কেনেকুৱা চোলা আনিছ ককাইদেউ?"

সি ভায়েক দুটাক বুকত সুমাই লয়; একো ক'ব নোৱাৰে।

তাৰ বাধা দিয়াৰ শত চেষ্টা সত্বেও চকুৰ পানী বাগৰি আহে। কলেজত সি কেনেকৈ চলে ইহঁতেতো নেজানে। ঘৰলৈ আহিবৰ সময়তো যে সি পইচা ধাৰলৈ লৈহে আহিছে!

বল, চোলা, পৃথিৱীৰ কোনো ডাঙৰ বস্তু নহয়। কিন্তু তাৰ ভায়েক দুটাৰ কাৰণে!

প্ৰীতি, চাওঁ মোৰ বাকচটো খোলচোন তাত কিবা আছে" ভায়েক দুটাৰ লৰ মাৰি গৈ বাকচটো সাবটি ধৰে।

"চাওঁ গুচ্।" সিহঁতক আঁতৰাই প্ৰীতিয়ে ককায়েকৰ বাকচটো খোলে। দুটামান চকলেট' দুপইচীয়া দুটা বেলুন, কেইখনমান ক'ৰবাৰ ফুলগছ আদিৰ ছবি……।

আৰু সিহঁতৰ আনন্দ এনেকুৱা এখন মাটিৰ পৃথিৱীৰ বিনিময়তো হয়তো তেনে আনন্দৰ এটি কণাও পোৱা নেযায়। সাত ৰজাৰ মাণিক পোৱাৰ দৰে সিহঁতে কাড়া-আজোৰা কৰি বুকুত সুমাই লয় চকলেটৰ বাকচটো, ওঠত গুজি লয় পেঁ' কৈ বাজি উঠা বেলুনটো, আৰু সিহঁতৰ মুখত ফুটি উঠে আনন্দৰ সীমাহীন তৃপ্তি।

সি হাঁহে। কিবা এটা দুখত, কিবা এটা অব্যক্ত বেথাত সি হাঁহে। মৰা মানুহৰ হাঁহিৰ দৰে তাৰ হাঁহিটো শুকান কৰুণ।

ভায়েকহতে সিহঁতৰ বলৰ কথা, চোলাৰ কথা পাহৰি যায়। মাকে এমুঠি ভাতৰ জোগাৰ কৰে। এটা আলুগুটি ভাজি তাক ভাত দিয়ে। ভাতৰ পাতত বহি তাৰ সৰ্‌ সৰ্‌ কৰে চকুলো বাগৰি আহে। ভায়েকহতে আহি তাৰ ওচৰতে বৈ ভাতখোৱা চাই থাকে। চাই থাকে তাৰ মুখখনলৈ তাৰ ভাতৰ কাঁহীখনলৈ, আৰু সেই ভজা আলু ছুডোখৰলৈ।

সি সিহঁতক কাষলৈ মাতি আনি আলু কেইডোখৰ ভাগ কৰি দিয়ে। মাকৰ মুখৰ ফালে অলপ ভয়েৰে এবাৰ চাই সিহঁতে হাত মেলে।

"যা এইকেইটা ইয়াৰপৰা তই খাচোন বাৰু ইহঁতক পিচেও দিবি।" মাকে তাৰ ভায়েক দুটাক বাহিৰ উলিয়াই দিব খোজে।

"বাৰু খাওকচোন ইহঁতে খাওকচোন ইহঁতে। মোৰ দেখোন ভোকেই লগা নাই।" কিবা কিছুমান দুখেৰে, কিবা কিছুমান অসহ্য বেদনাৰে তাৰ বুকুখন ভৰি পৰে। সি ভাতৰ পাতৰপৰা উঠি আহে।

দূৰত বৈ প্ৰীতিয়ে চাই থাকে। তাই বুজে, তাই অলপ ডাঙৰ হৈছে। তাই জানে ককায়েকৰ ভোক কিয় নাই, কিহেৰে তাৰ পেট ভৰি গৈছে! আৰু তাৰ মাকে ভাবে নগৰত থাকি ভাল খাই খাই আমাৰ ইয়াত মন নবহা হৈছে। গধূলিলৈ পাক এটা মাৰিব লাগিব। পিছে যে চাউলেই নাই! ক'ৰবাৰপৰা কিবা এটা কৰিব লাগিব আৰু লোণ তেল?

"অ প্ৰীতি" সৰুকৈ মাকে মাতে "তোৰ হাতত ক'তো পইচা নাইনে?"

"এটা থাকিব পায়, সেইদিনা কল বেচিছিলো নহয়"

"মুঠেই এটা বাৰু।"

গা-পা ধুই প্ৰবোধ গাঁৱৰ ফালে ফুৰিবলৈ যাবলৈ ওলাল। বাকচ

মেলি সি তাৰ ধোৱা কাপোৰ এসাজ পিন্ধি ললে। পিন্ধি থকা মলিয়ন হোৱা সাজ সোলোকাই থ'লে।

"ককাইদেউ, এই চোলাটো চুটি হলে মোক দিবি দেই"

"কেলেইনো চুটি হ'ব অ' চোলাটো ?"

"বাক ফাটিলেই দিবি তেনেহলে"

"কেলেই ?"

"পিন্ধিম। মোৰ-দেখোন চোলাই নাই"

"তোৰ গাত জানো এইটো খাব ?"

"হাতকেইটা চুটি কৰি ল'ম, হ'বতোন"

"মোকো এটা দিবি অ' ককাইদেউ "সৰু ভায়েক টোৱেও চিঞৰি উঠে।

"হেৰ, মই পিছে কি পিন্ধিম ?" হাঁহি সি কয়।

"বাক নেলাগে তেনেহলে ককাইদেউ। হেই, মুখুজিবি ভাইটি, ককাইদেৱে পিন্ধিব লাগে নহয়।" ডাঙৰটোৱে সৰুটোক বুজনি দিয়ে।

"তোৰ চোলা-কাপোৰ বৈছো নহয় ভাইটি" প্ৰীতিয়ে অলপ খঙৰ সুৰত কয়।

"দৰ্জীয়ে জানো সী দিব ?

প্ৰবোধৰ চকু দুটা আকৌ পানীৰে ভৰি উঠে। তাৰ কান্দি দিবৰ মন যায়। এই অকণ অকণ লৰা দুটা আহিয়ে সিহঁতে পৃথিৱীৰ এই নিৰ্ম্মম কালটোৰ বাঢ় অভিজ্ঞতা অৰ্জন কৰাত লাগি গৈছে। খাবলৈ ভাত বিচাৰিব লাগে পিন্ধিবলৈ কাপোৰ ব'ব লাগে, সীয়াব লাগে আকৌ দৰ্জীক পইচা দিব লাগে।

সিহঁতৰ দৰে লৰাই কত ভাত গুৰিয়াই পেলাই দিছে। কত মূল্যবান কাপোৰ ভৰিৰে গছকি ফুৰিছে। ভাত কাপোৰ ক'ৰপৰা আহে, কি, তাক জানিবৰ সিহঁতৰ আৱশ্যক নকৰে। ভাতলৈ লোভকৰা, কাপোৰক মৰম কৰা ছিঃ। সেইবোৰ সিহঁতে নেজানেই।

সিহঁতে গছকি পেলাই দিয়া এডোখৰ এটা-কাপোৰ দুই পাৰৰ কাৰণে ইহঁতে কিমান সাধনা কৰিব লাগে!

তাৰ মনত ধিক্কাৰ লাগে। দিনবোৰ ইমান লাহে লাহে গৈছে কিয়? আৰ দেড় বছৰ, আৰু ওঠৰ মাহ, আৰু এবছৰ ছমাহ।

কেতিয়া যে শেষ হব! কেতিয়া যে তাৰ মুক্তি হব! সি বি, এ পাছ কৰিব তাৰ ভায়েকহঁত এটা গ্রেজুৱেটৰ ভায়েক হব। সি সিহঁতক ভাত দিব, কাপোৰ দিব, সুখ দিব, আনন্দ দিব। সি সিহঁতক বহুত খিনি নতুন কথা শিকাই দিব। পৃথিৱীত ভাতৰ কোনো মূল্য নাই, কাপোৰৰ কোনে মূল্য নাই, ঘৰবাৰী কোনো বস্তু নহয়। ঘৰবাৰী, ভাতপানী, কানিকাপোৰ সকলোতকৈ সি বেছি মূল্যবান, তাৰ ভায়েক দুটা বেছি মূল্যবান, প্রীতি বেছি ধুনীয়া আৰু তাৰ মাক বেছি মহিমান্বিতা।

কিন্তু দেড়বছৰ! তাৰ মন যায় যেন দুহাতেৰে টানি ধৰি সি সময়ক এই দেড়টা বছৰক একে উশাহতে শেষ কৰি দিব। আৰু সৃষ্টি কৰি লব তাৰ নতুন অভিজাত জগতখন! নেযাই-নুপুৱাই এই দিনকেইটাৰ সিপাৰেই বৈ আছে তাৰ নতুন জীৱনৰ সুপ্রভাত, তাৰ সিপাৰে পোহৰ, মুকলি ধুনীয়া...... ।

ৰাতি তাৰ বিচনাখনতে বহি সি পঢ়িবলৈ লয়। তাৰ মৰমৰ মেক্সীম গৰ্কীৰ কিতাপ এখন। ঘৰত এখনো মেজ নাই, এখনো চকী নাই, কিতাপখন কোলাতে সুমাই লৈ সি টিমিক্ ঢামাক কৈ জ্বলি থকা তেল নাইকিয়া চাকিটোৰ পোহৰত জুমি জুমি পঢ়ি যায়।

"হেৰ' শুই থাক আৰু চাকিতভেল নাই, কি পঢ়িছ?" মাকে ভিতৰৰ-পৰা চিঞৰি কয়। ফু মাৰি চাকিটো নুমাই সি শুই পৰিল।

গাঁৱলীয়া জীৱনৰ নিৰলসতাত গধূলীতে গাঁৱৰ সকলো মানুহ শুই নিঃপালি দিয়ে। চউদিশে নিস্তব্ধ নীৰৱ, তাৰ ভাল লাগে। ইমান দুঃখ-কষ্ট, অভাৱ-অনাটন লৈও ইহঁত ইমান শান্তিৰে টোপনি গৈছে। তাৰ বেয়া লাগে। হয়তো এনেকুৱা নিৰলস নিস্তব্ধতাৰ মাজতে

কোনোবাদিনা সিহঁতে সিহঁতব জীৱনৰ সুৰ হেৰুৱাই ক'ৰবাৰ অতলৰ তলত লুকাই পৰিব। সিহঁত হেৰাই যাব বাতিৰ এই নিঃশব্দ এন্ধাৰৰ মাজতে সিহঁকে চেতনা হেৰুৱাই পেলাব! পৃথিৱীৰ কোনেও তাৰ গম নেপায়!......

* * * * *

আকৌ ক্লাচ বহে। সি আকৌ কলেজলৈ যায়। মৃণা আকৌ কলেজলৈ যায়, তাৰ কলেজৰ স্মৃতিবোৰ আকৌ তাৰ মনলৈ ঘূৰি আহে। আকৌ সি কিতাপবোৰ পায়, আকৌ তাৰ মাজত হেৰাই থাকিলৈ অৱসৰ পায়, আকৌ লুইতৰ পাৰ, আকৌ মৃণা, আকৌ সেউজীয়া ঘাঁহনি।

"থিয়'লজিখন দেখোন মোৰ বৰ ভাল লগা নাই একো আগ গুৰি নাইকিয়া কথা" মৃণাই কয়। তেতিয়া সিহঁতৰ বি, এৰ টেষ্ট পৰীক্ষা ওচৰ চাপি আহিছে।

"মোৰো থিয়'লজিখন ভাল নেলাগে। থিয়'লজিখন আলোচনা কৰি কি লাভ মযো ভাবি নেপাওঁ। মানুহৰ কাৰণে ঈশ্বৰ-বিজ্ঞানৰ যে কিবা ভাবিব লগা আছে মোৰ কবৰ মন নেযায়। ঈশ্বৰৰ বিষয়ে কিবা ভাবিব লগা থাকিলে, ঈশ্বৰকে ভাবিবলৈ এৰি দিব লাগে। তেওঁৰ বিষয়ে তেওঁ নিজেই আটাইতকৈ বেছি জানে। এই হাজাৰ হাজাৰ দুখকষ্টৰ মাজত পৰি থকা মানুহে সুখত থকা ঈশ্বৰৰ স্বভাৱ-চৰিত্ৰৰ আলোচনা কৰি মূৰ ঘমোৱাৰ কোনো আৱশ্যক নাই। নিজৰ অকণমান জীৱনটোকে বুজিব নোৱাৰে, নিজৰ কাৰণেই ভাবিবলৈ সময় নাই, আকৌ ভাবি মৰে ঈশ্বৰৰ কথা। মানুহৰ দুখকষ্ট ঈশ্বৰৰ ধেমালি" কিবা এটা বিদ্ৰোহৰ, কিবা এটা প্ৰতিবাদৰ সুৰত সি কলে।

"কিন্তু ঈশ্বৰেতো কোনো দিন কোৱা নাই, মোৰ কথা ভাবা, মোক ভক্তি কৰা, মোৰ পূজা কৰা" হাঁহি হাঁহিয়েই মৃণাই কয়।

"নাই কোৱা কিন্তু এবা, হয়তো নাই কোৱা কিন্তু যাক ভাল পাব লগা থাকে, যাব পূজা কৰিব লগা থাকে, তাক এনেয়ে মানুহে ভাল পায়, এনেয়ে পূজা কৰে, এনেয়ে তাৰ কথা ভাবে"

"কিয় ?

"কিয় ক'ব নোৱাৰো। হয়তো সি ভাবি ভালপায়, ভালপায় ভালপায় পূজা কৰি আনন্দ পায় ; হয়তো তাৰেই ভুল।"

"ভালপোৱাটো বেয়া যদি, ভুল যদি ভাল নেপালেই দেখোন হয় সেইটোতো সহজে কৰিব পাৰে"

প্ৰবোধে মৃণাৰ মুখলৈ চালে। হঠাৎ মৃণা ৰঙা পৰি উঠিল। তাই যেন ক'ৰবাত মুখ ঢাকি লৰি পলাব তাই যেন লাজতে মৰি যাব। তাই অনুভৱ কৰে যেন বৰ অসাৱধান ভাৱে, বৰ দুৰ্বলভাৱে তাইৰ কিবা এটা নিজৰ কথাকে কৈ দিলে এই উদাসী প্ৰবোধটোক।

পাতলকৈ হাঁহি প্ৰবোধে ধীৰে ধীৰে কৈ গ'ল "নোৱাৰে, মানুহে, হয়তো মানুহ কাৰণেই, সিমানখিনি কৰিব নোৱাৰে। বেয়া পায়ে, ভুল কৰিয়ে সি ভাল পায়।"... ...

সিহঁতৰ থি'য়লজি আহি, ভগৱানতত্ত্ব আহি ক'ৰবাৰ মানুহ-তত্ত্বৰ লগত মিহলি হৈ পৰে। শুনিবলৈ সাজু নথকাকৈয়ে, জানিবৰ আয়োজন নকৰাকৈয়ে, সিহঁতে পৰস্পৰৰ কিবা বহুত গোপন কথা জানি লয়। কিন্তু তাৰ আগতে, জানিবলৈ আশা নকৰাকৈয়ে প্ৰবোধে জানি লয় তাৰ কাৰণে মৃণাক ইমান বা ইয়াতকৈ বেছি বুজাবো কোনো অৰ্থ নাই, মাত্ৰ এটা সাময়িক উপলব্ধি ; হয়তো মৃণাৰ ডেকা-বয়সৰ এটা বুজিব নোৱাৰা আগ্ৰহ ক্ষণস্থায়ী, অধীৰ .....

তাৰ পিছত, যেতিয়া মৃণাই বুজিব পাৰিব, তাইৰ নিজৰ আৰু প্ৰবোধৰ ভৱিষ্যতৰ মাজত কিমান স্বৰ্গমৰ্ত্ত্যৰ পাৰ্থক্য বৈ আছে, তাই হয়তো সেইদিনা এটা উপহাসৰ হাঁহি মাৰি নিজকে আজিৰ এনে এটা দিনৰ কাৰণে, এনে এযাৰ কথাৰ কাৰণে ধিক্কাৰ দিব, অপমান বোধ কৰিব।

আৰু প্ৰবোধে তাকে জীৱনৰ সম্বল কৰি, কঙালৰ দৰে বুকত সাৱটি লৈ ফুৰাব এই আজিৰ দিনৰ, এই আজিৰ মৃণাৰ এটা স্মৃতি।

মৃণাই জানো বুজা নাই ?

আৰু প্ৰফেচাৰৰ তাৰ প্ৰতি মৰম, তাৰ প্ৰতি বিশ্বাস কিয় ? তাৰ জানো অৰ্থ নাই ? সিওতো বি, এ পাছ কৰিব, সিওতো গ্ৰেজুৱেট হ'ব। তেন্তে.... ?"

তাৰ কিবা এটা অসম্ভৱ আশা কৰি পেলাবৰ মন যায়, তাৰ এটা ধুনীয়া সপোন দেখিবৰ মন যায়, তাৰ কিবা এখন নতুন জগতত তাক আৰু মৃণাক একেলগে দেখিবৰ মন যাব খোজে।

তাৰ মৰম, ভালপোৱা, যৌৱন, তাৰ গোটেই মানুহটো তাৰ বিনিময়ত মৃণা।

কিন্তু মৃণাক মৃণা কৰি ৰাখিবলৈ সেয়ে যথেষ্ট হব জানো ?

......অহা সপ্তাহত টেষ্ট......

ইংৰাজীৰ ক্লাচ হৈছিল। প্ৰফেচাৰ চাটাৰ্জ্জীয়ে কিবা প্ৰসঙ্গত সুধি পেলালে, "বি-এ পাছ কৰি ইংলণ্ডৰ ফালে কোন কোন যাবা ?"

প্ৰফেচাৰে ধেমালি কৰিছে প্ৰবোধে ভাবিলে। ইংলণ্ডলৈ যোৱাৰ নিচিনা এটা সপোনৰ কথা সি কোনো দিন ভবাই নাই তাৰ জীৱনত। সি হাঁহিলে।

অলপ ইতস্ততঃ কৰি সৰু সৰু মাতেৰে মৃণাই ক'লে "মই যাম"

"বৰ ভাল কথা" প্ৰফেচাৰ চাটাৰ্জ্জীয়ে ক'লে। তাৰ পিছত কৈ গল ইংলণ্ডৰ উচ্চশিক্ষাৰ প্ৰণালী, শিক্ষাদানৰ নিয়ম আৰু বহুত।

প্ৰবোধৰ কাণত নোসোমাল। তাৰ হাঁহি মাৰ গল, তাৰ যেন এবাৰ মৃণাৰ মুখলৈ চাবলৈকো ভয় লাগিল। বিলাতলৈ যাবলৈ ওলোৱা মৃণা আৰু সি......

গৌৰৱৰ কাৰণে, সুখ্যাতিৰ কাৰণে, মৃণাৰ সন্মুখত বৈ আছে এটা ৰঙীণ উজ্জ্বল ভৱিষ্যত, আৰু তাৰ সন্মুখত কিবা এটা অনিশ্চিত আন্ধাৰৰ ভয়াবহ কালছবি কুখ্যাতিৰ মাজত, অগৌৰৱৰ মাজত,

অজ্ঞতাৰ আৱৰণত হেৰোই যাবৰ কাৰণে, এটা ক্ষীণ পথ। সি তাকে নিজৰ বুলি লব লাগিব ; অন্য বাট তাৰ নাই……।

পৰীক্ষা হৈ গল……শেষ পৰীক্ষা।…

* * *

বেললৈ তেতিয়াও কিছু বেলি আছে। সি শেষ বিদায় লবৰ কাৰণে প্ৰফেচাৰ দত্তৰ ঘৰলৈ গল।

মৃণা আছিল। তাৰ লগত আগৰ দৰেই ঘৰুৱাভাৱে কথা আৰম্ভ কৰিলে। কিবা এটা সঙ্কোচত সি যথাযথ উত্তৰ দিলে। এতিয়া আৰু তাৰ কথাত জটিলতা নাই।

কোনোদিন নেদেখাৰ দৰে সি মৃণাৰ মুখখন এবাৰ চাই ললে। তাৰ এনেদৰে চোৱাৰ একো অৰ্থ বুজি নোপাৱাৰ দৰে মৃণায়ো এবাৰ তাৰ মুখলৈ চালে।

সি উঠি পৰিল।

"আপুনি কেতিয়ামানকৈ যাবগৈ ?" সহজ ভাবেই সুধিলে যদিও, তাৰ মাতৰ করুণতাত মৃণা চকখাই উঠিল। সি মৃণাক মাতিছে, সদায় মাতিছে ; কিন্তু আজি তাৰ মাতত… ?

নিজক সংযত কৰি মৃণাই কলে "পৰীক্ষাৰ ৰিজাল্ট ওলাওকচোন এখোন, পৰীক্ষা বা কেনে হয়"

"অ' ৰিজাল্ট ওলোৱাৰ পিছত হে যাব তেনেহলে ?"

"হয়।"

"ভাল, আমালৈ চিঠি-পত্ৰঅ' আপুনি ইংলণ্ডৰ বিষয়ে আমাৰ অসমীয়া কাকতলৈ প্ৰবন্ধ-পাতি দিব আৰু। মোৰতো সেইবোৰ পঢ়ি বৰ ভাল লাগে

"এ, সেইবোৰ নো আপুনি কি পঢ়িব ?"

"কিয় মইতো সকলো পঢ়ো, আৰু আপুনি লিখিব যেতিয়া মোৰ পঢ়ি বৰ ভালেই লাগিব।"

মৃণাই একো নকলে পাতলকৈ হাঁহিলে।

"ভাল, যাও আৰু, মোৰ বেলবো সময় হ'ল" প্ৰবোধ ক'লে।

"যায় ? কলৈ ?"

"বৰ্ত্তমান ঘৰলৈকে যামগৈ। তাৰ পিছত, এবা, তাৰ পিছত সেইটো আৰু সেইটো ঠিক কৰি দিব।"

"আপুনি আৰু ইয়ালৈ নাহে ?"

"আহিনো কি কৰিম" সি হাঁহিবৰ চেষ্টা কৰিলে। তাত ফুটি উঠিল এখন ভাগি গুৰি হৈ যাব খোজা হিয়াৰ কান্দোন।

"কিয় ?"

"আমাৰ মেছৰ লবাকেইজন যাবগৈয়ে। আৰু—আৰু—ইয়ালৈ" সি আৰু কব নোৱাৰিলে ; তাৰ মাতটো ভিভিতে হেৰাই যাব খুজিলে।

"আপোনালোকৰ তাত জানো অকলে ভাল লাগিব ?"

"ভাল ? বহুত কিতাপ বান্ধি লৈছো ; যেনেতেনে ভাল লগাব লাগিব।"

"কিতাপনো আৰু সদায় কিমান পঢ়িব ?"

"পাৰিম কিজানি। তাততো আৰু কোনও কিতাপ নপঢ়িব লৈ নকয়।" মৃণাই এবাৰ করুণভাৱে তাৰ মুখলৈ চালে। সি পঢ়ি প্ৰায় শেষ কৰা প্ৰফেচাৰৰ কিতাপৰ আলমাৰিটোৰ পৰা তাৰ দৃষ্টিটো একৱাই মৃণাৰ চকুত থাপি ক'লে ভাল থাকিব আৰু।"

* * *

তাৰ কলেজীয়া জীৱনৰ, তাৰ নগৰীয়া জীৱনৰ অধ্যায়টো শেষ কৰি প্ৰবোধ সোমাই পৰিল গাঁৱৰ আৱৰ্জ্জনা ভৰা কদৰ্য্য জীৱনৰ আন্ধাৰৰ মাজত। তাৰ মাকৰ আশা ভৰসা, ভায়েক ছুটাৰ কামনা আৰু প্ৰীতিৰ উদাস আকাঙ্ক্ষাৰ কোনোটোকে সফলতাৰ এটি ইঙ্গিতো দিব নোৱাৰি সি ভাৱে কি কৰিব ! সেই অনাটন, অভাৱ, দুৰ্ভিক্ষ ৰোগ, মৰক আৰু সি গ্ৰেজুৱেট। আগৰ দৰে তাৰ কাপোৰ এতিয়া ধোবাই নোধোৱে, তাৰ ভৰি আৰু জোতাৰ সম্বন্ধ বহুত আঁতৰি গৈছে।

মূৰত চুলি আৰু আঙুলি কেইটা আছে

ভায়েকহঁতক সি এখন কাপোৰো দিব পৰা নাই, প্ৰীতিক সি এজুৰি কাণফুলি লৈ দিব পৰা নাই। আৰু তাৰ মাকৰ সেই ফটা বিছাখন আৰু কুৰি ঠাইত ফটা সীয়নিমৰা মেখেলাখন দেখি দেখি তাৰ আমনি লাগি যায়, খঙত তাৰ কান্দি পেলাবৰ মন যায়। কিয়? ইয়াৰ একো প্ৰতিকাৰ সি নকৰে কিয়, কৰিব নোৱাৰে কিয়?

আকৌ কাতিমহীয়া আকাল আছে। আকৌ তাৰ ভায়েক দুটাই সুদা পেটে স্কুললৈ যায়, শুকান মুখ কেইখন লৈ উভটি আহে। প্ৰীতিৰ মলিয়ন শাৰীখন—তাক ধুবলৈ এডুখৰি চাবোন অসম্ভৱ।

সি চাই থাকে। কিবা দৃষ্টিৰে সি প্ৰীতিৰ ফালে চাই থাকে। প্ৰীতি আৰু মৃণা অসম্ভৱ। মৃণাৰ লগত প্ৰীতিৰ সাদৃশ্য ক'ত? ছিঃ, প্ৰীতিৰ লগত মৃণাৰ নাম মনত পেলোৱাৰ অৰ্থ মৃণাক অপমান কৰা। এই চৰু-ছাইৰ দাগ লগা কাপোৰ পিন্ধা প্ৰীতি আৰু এতিয়া বিলাতৰ কৰবাৰ কুৰি মহলাৰ ওপৰত বিলাতী ধোবাই ধোৱা কাপোৰ পিন্ধা মৃণাই জীৱনৰ প্ৰাচুৰ্যৰ মাজত নিজক বিলাই দিছে। তাৰ চকুযোৰ সেমেকি উঠে। সি প্ৰীতিৰ করুণ মুখখনলৈ চায় কিমান ধুনীয়া কিমান স্নিগ্ধ, কিমান গভীৰ।…"অ' প্ৰীতি" সি এনেয়ে প্ৰীতিক মাতি দিয়ে।

'কি ককাইদেউ' ভাই লৰি আহে।

"এৰা, একো নহয়। কাম এটা কৰচোন; সেই মই যে আনিছিলো বাকচটো কিতাপবোৰ তাতে সোমাই থাকিল, পাৰিলে সেইবোৰ উলিয়াই ৰ'দত দেছোন, অতদিনে ভেকুৰা লাগিব পায়।"

তাৰ সৰু ভায়েকটোৱে তাৰ চকুৰ আঁৰত নি তাৰ জোতাজোৰ নিজৰ ভৰিত সুমাই চোচোৰাই ফুৰে। ককায়েকৰ ভৰি ডাঙৰ, ঢিলা জোতাজোৰ তাৰ অকণি অকণি ভৰি কেইখনিত সুমাই তাৰ যে কি আনন্দ! জোতা পিন্ধাৰ গৌৰৱ!

প্ৰবোধ সোমাই আহে। সি বেগাবেগিকৈ জোতাজোৰ সোলোকাই

তাৰ সক হাতখনেৰেই তাৰ ধূলিবোৰ মোহাৰি থৈ লব মাৰিলে। প্ৰবোধে থিয় দি চালে। তাৰ মুখত ফুটি উঠিল এটা বিদ্ৰূপৰ করুণ হাঁহি সি চাই বল তাৰ আধাপুৰণি জোতাজোৰৰ ফালে……

*    *    *

দু বছৰ পাৰ হৈ যায়।

অ'ত এমাহ, ত'ত দুমাহ কাম কৰি কৰি, আৰু বেছি ভাগ ঘৰত বহি থাকি দুটা বছৰ তাৰ কাটি গ'ল। সিও বহুত পুৰণি হৈ গ'ল। কোনো নিগাজী কাম সি নেপালে।

ৱাৰ্ণাৰ্ডশ্বৰ 'মে'জৰ বাৰবাৰাৰ' ( Major Barbara ) পাতনি খনত সি চকু ফুৰাইছিল—'to be poor is a sin',—পিয়নটোৱে এখন জৰুৰি চিঠি দি গ'ল। শ্বিলঙত ডি, পি, আইৰ অফিচত এটা কাম' ওলাইছে। উমেশৰ অনুৰোধ, সি যেন ইণ্টাৰভিউৰ কাৰণে শ্বিলঙলৈ তৎক্ষণাত আহে। উমেশ তাৰ পুৰণি বন্ধু।

'ব্যাগখন আৰু চুটকেচটো লৈ সি যাত্ৰা কৰিলে। মাকে এবাৰ আকাশৰ ফালে চালে, প্ৰীতিয়ে কিন্তু চালে প্ৰবোধৰ চকু দুটালৈ।……

শ্বিলং পোৱাৰ দুদিনৰ পিছত

"মই যাওঁ আৰু উমেশ" বেগাবেগিকৈ সোমাই আহি প্ৰবোধে ক'লে।

"কিয় ? কি হ'ল, কাক ল'লে ?"

"গোপাল দুৱৰাক, তেওঁ ফাৰ্ষ্ট ক্লাচ চেকেণ্ড আৰু দদায়েক এম. এল, এ।"

"তোৰ একো আশাই নাই ?"

"আশাতো কেতিয়াবাই নাইকিয়া হৈ গৈছে।"

"কিন্তু সেই বুলি তই গুচি যাবি কিয় ? এটা ডাঙৰ উৎসৱ ওলাইছে, চাই যা।"

"কি উৎসৱ ? ক'ত ? মোৰ এতিয়া সময় নহব।"

"সময় নহব কিয় ? মাত্ৰ কালিৰ দিনটো পৰিছিলৈ বিয়াই।"

"কাৰ ?"

"অপূৰ্ব ডাক্তৰৰ, সেই যে ভিয়েনাত ডাক্তৰি পাছ কৰি আহিছে যোৱা বছৰ।"

"কাৰ লগত ?"

"কিয় মৃণাল প্ৰফেচাৰ দত্তৰ জীয়েক। সিদিনাচোন অক্সফৰ্ডৰ পৰা ডিগ্ৰী লৈ আহিছে, তই কিজানি মৃণালক চিনিও পাব পাৰ।"

"অ, মৃণালৰ বিয়া—অপূৰ্ব ডাক্তৰৰ লগত ওঁ—"

"এৰা, বৰ ধুমধামৰ বিয়া হ'ব কিন্তু। তই থাক, চাই যাবি আৰু খায়ো যাবি।"

মোৰ দেখোন কাপোৰ-কানিয়েই নাই। খদ্দৰৰ ধুতি-পাঞ্জাবী পিন্ধিতো আৰু তালৈ যাব নোৱাৰি।"

"অ' সিও এটা কথা! তোক কিবা আৰু প্ৰবোধ বুলি নিচিনিব নে ?"

"বৰ ওখ পৰ্বত সিমান বগাব নোৱাৰিম পায়।"

"তোৰো কথা আৰু।"

"বাৰু ঘৰৰপৰা আহোঁগৈ। মাইঁতে আকৌ বৰ কাম এটা পালো বুলি বাট চাই আছে।"

মুটিয়াটোৱে মালবোৰ নি গুৱাহাটীৰ 'বাছত' তুলি দিলে। প্ৰবোধ বাছৰ এচুকত উঠি বহিল। এবাৰ সি শ্বিলং পাহাৰৰ ওপৰৰ ধুনীয়া ঘৰবোৰৰ ফালে চালে, ক'ৰবাৰ বেণ্ড পাৰ্টিৰ বাজনাৰ শব্দ আহি তাৰ কাণত পৰিলহি। সি ঘূৰি বহিল।

পাহাৰৰ একাবেঁকা বাটেদি বাছখন চলি যাব ধৰিলে ভৈয়ামলৈ-নামনিলৈ। পিছত এৰি আহিছে বিপুল ৰাজধানী খন, তাৰ মনত লাগিল। সিও যেন এৰি আহিছে তাৰ জীৱনৰ ৰাজধানীখন তাৰ মনত লাগিল সিও যেন নামি গৈছে তললৈ নামনিলৈ সেই যন্ত্ৰৰ বাছ গাড়ীখনৰ দৰেই। কিয় ? ইমান তললৈ সি নামি গৈছে কিয় ? তাৰ সকলো আশা-বাসনা এৰি, তাৰ সকলো সপোন এৰি, তাৰ

কোনোবা দিনৰ চিনাকি মৃণাক এৰি সি কিয় নামি গৈছে? কলৈ নামি গৈছে? তাৰ ঘৰলৈ?

কিন্তু তাকতো এইদৰে উভতি যোৱা, এনেদৰে সুদাহাতে ঘূৰি যোৱা কোনোৱে আশা নকৰে। উপবাসী বাসনা লৈ বৈ আছে তাৰ মাক, তাৰ ভনীয়েক, তাৰ ভায়েক ছুটা··· ··।

ছিঃ কি অভিশপ্ত সি। তাৰ জীৱনটো কেৱল এটা ঠাট্টা, কেৱল এটা উপহাস। সি অপদাৰ্থ, সি অকৰ্ম্মণ্য, সি অপূৰ্ব্ব ডাক্তৰ নহয়।

সি সি একো নহয়

"বাবু নামক আৰু"

চক্‌মক্ খাই সি বাছৰপৰা নামি পৰিল। ইমান দীঘল বাট ডোখৰ কেতিয়া শেষ হ'ল সি গমকে নেপালে।

"বাবু কুলী?"

"হুঁ ৰেলষ্টেচন"

সি এবাৰ গুৱাহাটীৰ পানীকলৰ পাহাৰটোৰ ফালে চালে স্বপ্নাবিষ্টৰ দৰে নিজে নিজেই কলে "ব্ৰহ্মপুত্ৰখন কিজানি আজিও বৈ থাকিব পায়—" আৰু মুটিয়াটোৰ পিছে পিছে খোজ ললে ষ্টেচনলৈ।

গুৱাহাটীত ৰ'বৰ ঠাই তাৰ নাছিল।

———

# অকাৰণ

বিশেষ অভাৱনীয়ভাৱে নহয়, সাধাৰণভাৱেই আমাৰ চিনাকি হ'ল।

বৰদিনৰ বন্ধত কলেজৰ অন্য ল'ৰা বৰ বেছি ঘৰলৈ নাহে। মোৰ কিন্তু বন্ধ হলেই ঘৰলৈ অহা এটা ডাঙৰ ব্যাধি আছিল। হাতত পইচা নেথাকিলে কাৰোবাৰ পৰা ধাৰলৈ লৈ হলেও আহো, এক প্ৰকাৰ নিচা।

ৰাতি ৪-৩০ বজাত ফৰকাটিং ষ্টেচনত নামিলো। ডিচেম্বৰ মাহৰ কন্‌কনীয়া জাৰ। মাফলাৰ খনেৰে কাণমূৰ ভালকৈ ঢাকি, ৰাগখন গাত মেৰাই, প্লেটফৰ্মত ৰৈ চাইছো আৰু কাক লগ পাওঁ। ষ্টেচনৰ লাইটৰ পোহৰবোৰো ডাঠ কুঁৱলীৰ হেচাত নিষ্প্ৰভ হৈ পৰিছে। ষ্টেচনত নমা সকলো মানুহ জাৰত ঠেৰেঙা লাগি ঠিয় হোৱা ঠাইতে ঠিয় দি অচল হৈ পৰিছে, কাৰো মুখত কথা নাই।

অলপ পিছতে আমি অহা ৰেলখন ষ্টেচন এৰি গ'ল। ষ্টেচনটো বৰ পাতল লাগিল।

মোৰ মালবস্তু বিশেষ নাই। গাত জাপি লোৱা কাপোৰখিনি আৰু এটা সৰু এটাচী কেচ।

চিগাৰেট এটা জলালো।

গোলাঘাটৰ গাড়ী যাব পুৱা ৬-৪০ মিনিটত। ইমানখিনি সময় ৰ'ব লাগিব।

মোৰ আগৰ কোনোবা এটা কম্পাৰ্টমেণ্টৰ পৰা নমা এজনী ছোৱালী মোৰ কাষ চাপি আহিল। মুখলৈ এনেয়ে চালো। চকুৰ টোপনি আৰু জাৰে এজনী ছোৱালীৰ মুখলৈ ঐৎসুক্যৰে চোৱাৰ স্পৃহা নাইকিয়া

কৰিছিল। ছোৱালীজনী মোৰ চিনাকি ; তৃতীয় বাৰ্ষিকৰ উপমা। কলেজত বহুত দিন দেখিছো, একপ্ৰকাৰ সদায় দেখিছো।

আজিলৈকে কোনো ছোৱালীক উপযাচি, আগধৰি মতা নাই। আজিও মতাৰ কোনো আৱশ্যক অনুভৱ নকৰিলো।

উপমা মোৰ ওচৰ চাপি আহিল, আৰু মুখৰ ফালে চাই সহজ ভাৱে ক'লে "অ' আপুনিও আহিছে। গোটেই বাটটোত ক'তো দেখাকে নেপালো।"

"ময়ো আপোনাক নেদেখিলো। আপোনাৰ মালপত্ৰ বেছি আছেনেকি ?"

"বৰ বেছি নাই। আমাৰ গাড়ীলৈ কিজানি বহুত দেৰী থাকিব পায়। ৰেটিং ৰুমতে বহিবগৈ লাগিব।।"

এটাচীটো হাতত লৈ মই উপমাৰ লগে লগে আহিলো। কেউপিনে চালো, কুলি-মালি ক'তো নাই। অগত্যা উপমাৰ সৰু ট্ৰাঙ্কটোৰ দুয়োমূৰে দুয়ো ধৰি, দুহাতে নিজৰ নিজৰ এটাচীকেটা লৈ আমি ৰেটিং-ৰুমত ৰলোহি। উপমাক তাতে ঠিয় হ্বলৈ দি মই এডাল মম কিনি আনিলো। ৰেটিং ৰুমত লাইট নাছিল। ডাঙৰ স্কাৰ্ফখন থকা সত্ত্বেও উপমাৰ জাৰ লাগিছিল। "বে'চ জাৰ পৰিছে নহয়নে ?" চকীখনত বহি উপমাই ক'লে। "ডিচেম্বৰ মাহ। এই সময়ত জাৰ পৰিবই"—বুলি কৈ ময়ো ওচৰৰে ইখন চকীত বহিলো। হঠাৎ মনত পৰিল এপিয়লা চাহ খালে জাৰ অলপ যাব। উপমাক বহিবলৈ কৈ মই ষ্টলখনৰ পৰা দুপিয়লা গৰম চাহ কিনি আনিলো। একোন'কৈ চকুত স্পষ্ট তৃপ্তিৰে উপমাই হাত পাতি লৈ ক'লে, "ইমান ৰাতিও চাহ বেচিছেনে ?"

"কি কৰিব পইচাৰ কাৰণে ৰাতি-দিন একাকাৰ নকৰিলে চলে কেনেকৈ ? জাৰ, টোপনি—সেইবোৰলৈ মন কৰিলে জীৱিকা অৰ্জন হয় ক'ব পৰা ?"

একো নকৈ উপমাই চাহৰ পিয়লাত মুখ দিলে।

চাহ পিয়লা খাই মোবো অলপ ভাল লাগিল। জাৰ আৰু টোপনি অলপ কমা যেন পালো।

"আপোনাৰ ৰাগ-টাগ নাই জানো? শুদা স্কাৰ্ফখনেৰে জাৰ পোৱা নাইনে?" উপমাৰ ফালে চাই জাৰ পোৱা যেন অনুমান কৰি ক'লো।

"এৰা, স্কাৰ্ফখনে জাৰ ৰাখিব পৰা নাই! ৰাগ-টাক নাই। ৰেজাইখন বেডিঙতে বন্ধা আছে।"

মই বহাৰ পৰা উঠিলো, আৰু গাত লৈ থকা ৰাগখন উপমালৈ আগবঢ়াই দি ক'লো "আপুনি যদি বেয়া নেপায়, মোৰ এই খনকে অলপ লওক, মোৰ গৰমকোট চুৱেটাৰ আছে।"

"নেলাগে, বেয়া নেপাব। জাৰত থকা মোৰ খুব অভ্যাস আছে আৰু অলপতে ৰাতি পুৱাবই দেখোন" উপমাই কলে।

"ৰাতি পুৱাবৰ সময়তহে বেছি জাৰ হয়। আপুনি যদি মই গাত লৈ অহা কাপোৰ বুলি বেয়া নেপায়, তেন্তে লওক। জাৰ সহ্য কৰা অভ্যাস থাকিলেও, এনে সময়ত গাত ঠাণ্ডা লগোৱা ভাল নহয়।"

"আপোনাৰ জাৰ নেলাগিব জানো?"

"তিৰ্ব্বেতৰ লামাৰ দৰে বহুত জাপি আহিছো, জাৰৰ বাপেকৰো দাঁত নাই মোৰ গা চুবলৈ—" মোৰ কথা শুনি উপমাই সৰুকৈ হাঁহি ৰাগখন হাত মেলি ললে। মই ভাল পালো।

চকলেট ৰঙৰ ৰাগখনেৰে ভৰিহাত সকলো ঢাকি উপমা চকী খনতে গুম মাৰি বহিল। উপমাৰ চকচকীয়া বগা, ধুনীয়া মুখ খনত এটা গাঢ় শান্তি যেন উদ্ভাসি উঠিল। উপমাৰ মুখলৈ চাই মোৰ ভাল লাগিল। উপমাৰ মিহি চুলিবোৰ অলপ আউলি-বাউলি হৈছে। মমৰ পোহৰত উপমাৰ সৰু ইয়েৰিং জোৰ তিৰবিৰাই উঠিছিল।

মই আকৌ এটা চিগাৰেট জ্বলালো।

এবাৰ ভাবিলো কলেজৰ ল'ৰাবোৰে এবাৰ কথা শুনিবৰ কাৰণে হামবাও কাঢ়ি মৰা ছোৱালীবোৰৰ ভিতৰতে উপমাও এজনী নহয় জানো? উপমাৰ, বা এই কলেজৰ ছোৱালীবোৰৰ এনে কি বিশেষত্ব

আছে, যে ল'ৰাবোৰে সিহঁতৰ ওচৰেদি যাবৰ কাৰণেও আদৰণীয়া হয় ? এই উপমাৰ বিষয়েই আমাৰ হোষ্টেলৰ ল'ৰাবোৰৰ মাজত আলোচনা হোৱা কত দিন শুনিছো।

অথচ, মোৰ ৰাগথন গাত লৈ বহি থকা এইজনীয়েই উপমা। "আপোনাৰ ফাইনেল পৰীক্ষাৰ সময়তো যে ঘৰলৈ আহিল ? বিশেষ কিবা কাম আছে নেকি ?" সহজভাৱে উপমাই সুধিলে। "কাম একো নাই। কলেজত পৰীক্ষা, ঘৰত আকৌ কি কাম থাকিব পাৰে ? পিচে ছুটী পালেই ঘৰলৈ অহা মোৰ এটা অভ্যাস হৈ গৈছে॥"

মোৰ কথাবাৰ শুনি উপমাই অলপ হাঁহিলে তাৰ পিছত ছোৱালীজনী হঠাতে গহীন হৈ পৰিল। মই স্পষ্টকৈ লক্ষ্য কৰিলো, ছোৱালীজনীৰ প্ৰফুল্ল মুখখন যেন ম্লান হৈ গ'ল। মই মমডাললৈ চালো। ঠিকেই জ্বলি আছে।

চিগাৰেটটোত এটা দীঘলীয়া টান মাৰি মই ক'লো "আপোনাৰ পৰীক্ষালৈতো মোতকৈও কম সময় আছে। আপুনিনো ঘৰলৈ কেলেই আহিল ?"

জোৰ কৰি হাঁহি উপমাই ক'লে "আমাৰ বড়দিন আছে নহয়।"

"গুৱাহাটীত দেখোন কৰিব পাৰিলেহেঁতেন ?"

"পাৰিলোহেঁতেন, পিছে ভাবিলো গোলঘাটতে সদায় কৰি আহিছো এইবাৰো কৰোগৈ।"

"মোৰ লগত ঠিক মিলিছে আপোনাৰ। ময়ো কোনোদিন ঘৰৰ বাহিৰত ঈদ বকৰিদ কৰা নাই। হেজাৰো বন্ধু থাকক, আই-বোপাই ভাই-ককাইৰ লগত নেথাকিলে, এই উৎসৱবোৰ উৎসৱ যেনেই নেলাগে। নহয় জানো ?"

উপমা মনে মনে থাকিল। মই ভাবিলো কিজানি উপমাৰ টোপনি আহিব খুজিছে। হাজাৰ হওক, ছোৱালী মানুহ। ওৰে ৰাতিটো চাগৈ বহি আহিছে।

"আপোনাৰ অলপ টোপনি অহাৰ নিচিনা লাগিছে নহয় ?" মোৰ কথাষাৰ শুনি উপমাই চকু দুটা মেলি মোৰ চকুলৈ চালে।

"নাই. এতিয়ানো আৰু টোপনি আহিবনে ? ৰাতি পুৱাবৰে হ'ল কিজানি।"

মই বাহিৰৰ ফালে আৰ্চিৰ খিৰিকিখনেদি চালো। ঘোপমৰা কুঁৱলী একো ধৰিব নোৱাৰি !

আৰু কুঁৱলী আৰু এটা মৰণকাতৰ নিৰৱতাই গোটেই ষ্টেচনটো চানি পেলাইছিল। এটা শান্ত, শিথিল নিৰৱতাত নিশা-শেষৰ পৃথিৱীখন ক্লান্ত হৈ পৰিছিল। আমাৰ কাষৰ মমডাল জ্বলি আছিল নিৰবে, অকলশৰে।

উপমা খৃষ্টান। কথাষাৰ ভাবি মোৰ অলপ অস্বস্তি লাগিল। যীশুৰ ধৰ্ম্ম যেন কেৱল বগা মানুহবোৰৰ কাৰণেহে, ইউৰোপ আমেৰিকাৰ কাৰণেহে। ভাৰতবৰ্ষত যেন খৃষ্টধৰ্ম্মই খাপ নেখায়। আৰু অসমীয়া মানুহ খৃষ্টান হোৱাটো যেন একেবাৰে অস্বাভাৱিক কথা এটা মোৰ এনে কিমান ধাৰণা আছিল। কিন্তু খৃষ্টান হোৱা সত্ত্বেও দেখোন উপমা সম্পূৰ্ণ অসমীয়া হৈয়ে আছে। ধৰ্ম্মৰ ফালৰ পৰা উপমাৰ পৰিচয় নিবিচাৰি, ভাইৰ মানুহৰ পৰিচয়টো বিচাৰেই বেছি মধুৰ-মই ভাবিলো।

উজনীৰ পৰা এখন মালগাড়ী আহিল। হঠাৎ ষ্টেচনৰ নিস্তব্ধতা ভাগিল। আৰু গাড়ীখন অলপ বৈ গুচি যোৱাৰ লগে লগে যেন হঠাৎ ৰাতিটোও চাট্ কৰে শেষ হৈ গ'ল।

মই বাহিৰলৈ ওলাই আহিলো। কুঁৱলী সত্ত্বেও এতিয়া ৰাতি পুৱাল বুলি সহজে অনুভৱ কৰিব পাৰি। ষ্টেচনৰ কোনো মানুহ কিন্তু উঠা নাই।

বহি থাকি থাকি ভৰিবোৰত শিৰামূৰিয়ে ধৰিছিল। অলপ পাইচাৰি কৰি ভাল লাগিল। মোৰ অলপ পিছতে উপমাও ৱেটিং ৰূমৰ পৰা ওলাই আহিল। তেতিয়া ফৰকাটিং-যোৰহাট ৰেলখন ছেদৰ পৰা

আনি লাইনৰ ওপৰত ঠিয় কৰিছে। জাৰ আৰু এলাহতে এতেপৰ হাতৰ ঘড়িটো চোৱা নাছিল। চাই দেখো ছটাই বাজিল।

"আৰু ৪০ মিনিট আছে"

"এৰা, ভালেমান পৰ বাট চাব লাগে ইয়াত" উপমাই কলে।

"আপুনি এই কেইদিন ঘৰতে থাকিবনে, কেনিবা ফুৰিব মেলিবলৈ যাব? মই সুধিলো।

মোৰ কথাবাৰৰ কোনো উত্তৰ নিদি ততাতৈয়াকৈ উপমাই সুধিলে, "আপুনি কোন তাৰিখে ঘূৰিব?"

"যদি কতো একো নাই, ১ তাৰিখে ঘূৰিম। ২ তাৰিখে কলেজ সুখুলিব জানো?"

"মই যাম ২ তাৰিখেই। আপোনাক লগ পালে বেচ লাগিব।"

মই উত্তৰ দিবলৈ নৌ পাওঁতেই সক মটৰ গাড়ী এখন প্লেটফৰ্মলৈ সোমাই আহি আমাৰ আগতে ৰৈ গ'লহি। ৰোৱাৰ লগে লগে মটৰৰ দুৱাৰ মেলি এজনী গাভৰু মেম নামি আহিল। তেওঁৰ পিছতে নামি আহিল এজনী বুঢ়ী। সুন্দা ভৰি, গাত এখন এড়িয়া কাপোৰ লোৱা।

হঠাৎ উপমা গৈ বুঢ়ীক সাবট মাৰি ধৰি ক'লে "তুমিও আহিলা আইটা? ইমান জাৰ।"

তাৰ পিছত বুঢ়ীৰ বাহু-বন্ধনীৰ পৰা মুক্ত হৈ উপমাই মেমজনীক হেণ্ডচেক দি গুদ্‌মৰ্নিং দিলে। মই নিশ্চল হৈ ঠিয়দি থাকিলো। "তহত ভালেমান ৰাতিতে পালিহিনেকি উপা!" বুঢ়ীয়ে সুধিলে। আহি পাবৰ ডেড় ঘণ্টামানহে হৈছে। বৰ বেছি পৰ হোৱা নাই।" উপমাই ক'লে আৰু তিনিও মোৰ ফালে আগবাঢ়ি আহিল।

ইংৰাজীতে মেমজনীয়ে ক'লে "যথেষ্ট কষ্ট পালা নহয় উপা? মই ভালেমান ৰাতিহে শুইছো আজি। ঠিক সময়ত সাৰকে নেপালো।" কৈ তেওঁ ভাওৰকৈ হাঁহিলে।

"আহিলযে ভাৰ কাৰণে বহুত ধন্যবাদ। দেৰী হোৱাৰ কাৰণে কোনো কথা নাই" কৈ কৈ উপমা ষ্টেইটিং ৰুমৰ ফালে আগবাঢ়িল।

মেমজনীয়ে উপমাই ধৰি মোক একপ্ৰকাৰ উপেক্ষা কৰিয়ে মাল পত্ৰবোৰ আনি মটৰত ভৰালেহি। মোৰ এটাচীটোও উপমাই আনি মটৰত নিজৰ মালৰ লগত জাপি দিলে।

"মোৰটো দিয়ক" হাত মেলি ক'লো।

"আহক, আপুনি মোৰ লগতে পিছৰ চিটতে বহিব" উপমাই ক'লে।

"মই বকৰাবামুনলৈহে যাম।"

"বুজিছো, আপোনাক গোলাঘাটত ৰেল ধৰাই দিবহে লাগিছে। আহক, উঠক।"

ইতস্ততঃ কৰি মই কলো "নেলাগে মিছাতে কষ্ট কৰিব। মই ৰেলতে যাম ইয়াৰ পৰা। আপোনালোক যাওক।"

'আপোনাৰ ৰাগখন লৈ বে'চ উম পাইছো, এতিয়া সেই উম ভাঙি ৰাগখন আপোনাক কেনেকৈ দি দিওঁ।" হাঁহি উপমাই কলে।

"ৰাগখন আপুনি লৈ যাওক, গুৱাহাটীত মোক দিব।"

"আহক, আহক, জাৰত ঠিয় হৈ থাকিব নেলাগে।" মটৰৰ দুৱাৰখন মেলি ধৰি, একপ্ৰকাৰ জোৰ কৰিয়ে উপমাই মোক ক'লে। উপায়ন্তৰ নেদেখি মটৰত উঠিলো, উপমাও মোৰ কাষতে বহিল। আগৰ চিটত বুঢ়ী আৰু মেম, মেমে ষ্টিয়েৰিং ধৰিলে।

পিছলৈ ঘূৰি চাই বুঢ়ীয়ে মোক দেখুৱাই সুধিলে "এওঁ কোন উপা?"

"মই লোৱা এই ৰাগখন এখেতৰে" মুখটিপি হাঁহি উপমাই ক'লে! মোৰ পৰিচয়টো শুনি মোৰো হাঁহি উঠিল।

বাহিৰে-বাহিৰেই মোক গোলাঘাট ষ্টেচনত নমাই থৈ উপমাহঁত গললৈগে। মই ৰেলেৰে আহি ঘৰ পালোহি।

১ তাৰিখে গুৱাহাটীলৈ ঘূৰিব নোৱাৰিলো, গতিকে উজুটিবৰ সময়ত উপমাক লগ ধৰিব নোৱাৰিলো।

চিনাকি ছোৱালী এজনীৰ লগত তেনেকৈয়ে বেছি চিনাকি হলো।......

গুৱাহাটীত গৈ আকৌ উপমাক লগ পালোগৈ, মোৰ লগত এটা সৌহাৰ্দ্দৰ ভাব গঢ়ি তুলিবলৈ যেন উপমাৰ এটা উদগ্ৰ উৎকণ্ঠা জন্মিছিল! দৈনিক লগ ধৰি কোৱা কথাবোৰৰ পৰা মোৰ তেনে ধাৰণা হ'ল।

উপমাই প্ৰত্যেক দিনেই মোক লগ ধৰে আৰু বেচ মুকলিভাৱে কথাবতৰা পাতে, মোৰ প্ৰিপেৰেচন কেনে হৈছে সোধে, আৰু মোৰ ঘৰৰ চিঠি-পত্ৰ আহিছেনে খবৰ লয়। এনে ঘনিষ্ঠতাই মোকো উপমাৰ বিষয়ে অলপ চিন্তা কৰিবলৈ বাধ্য কৰালে, কিন্তু আগৰে পৰা মই আছিলো নাৰীসঙ্গ-বৰ্জিত নিৰস জীৱ, অঙ্ক লৈ আই-এ পাছ কৰিছো। নিজৰ এজনী ভনী, তাইৰ লগতে কোনোবা দিনা হাঁহি ধেমালি এটা কৰা মনত নপৰে। উপমাৰ চিন্তাই বেছি আক্ৰমণ কৰিব নোৱাৰিলে। তথাপি যেতিয়াই উপমাক দেখো, উপমা সদায় অস্বাভাৱিকভাৱে গহীন, লগৰ ছোৱালীবোৰৰ লগতো বিশেষ হলিগলি নাই অথচ ছোৱালী-জনী সৰবৰহী বহুত ছোৱালীয়ে কোৱা শুনিছো। সদায় উপমাই কিবা এটা ভাবি থাকে, কিবা এটি বিশেষ চিন্তা লৈ ফুৰে, কৃত্ৰিম চেষ্টা সত্বেও উপমাৰ এই চিন্তাৰ প্ৰকাশ ধৰা নপৰি নেথাকে।

আনকি কেতিয়াবা মোৰ লগতো তেনেদৰে গহীন হৈয়েই কথা পাতে। মইতো হাঁহিব বা হাঁহি তুলিব নেজানোৱেই, কাজেই অলপ পৰ কথা পতাৰ পিছত দুয়ো কথা বিচাৰি নোপোৱা হওঁ। কেইবাদিনো সুধিম বুলিও উপমাৰ এই গাম্ভীৰ্যৰ কাৰণ কি, সুধিব নোৱাৰিলো। কথাটো যেন উপমাৰ সম্পূৰ্ণ ব্যক্তিগত, তাৰ উত্থাপন কৰা যেন মোৰ পক্ষে অপ্ৰাসঙ্গিক।

এতিয়াও আমাৰ হোষ্টেলৰ ল'ৰাবোৰৰ মাজত উপমাৰ কথাৰ আলোচনা হয়, কেতিয়াবা সেই প্ৰসঙ্গতে কোনোবা এটাই মোৰ

বিষয়েও এটা গবেষণামূলক আলোচনা কৰি পেলায়। মই আপত্তি বা প্ৰতিবাদ কৰিবৰ বিশেষ কাৰণ বিচাৰি নেপাওঁ। মোৰ শূন্য ( zero )ৰ মূল্যৰ বিষয়ে চাৰিপাতৰ এটা অঙ্ক কৰা যেনে অৰ্থহীন, মগজু খৰচৰ কাৰবাৰ, সিহঁতৰো তেনেকৈ উপমাৰ বা উপমাৰে মোৰে বিষয়ে একেলগে যিকোনো এটা আলোচনা কৰা এটা অকাৰণ সময় নষ্টৰ আহিলা। শূন্যৰ মূল নিৰূপণ কৰিবৰ কাৰণে অঙ্ক কৰি মূৰ ঘমোৱা দেখিলে যদি কোনোৱে মোক বলিয়া নোবোলে, তেন্তে এটা অবাস্তৱ আলোচনা কৰাৰ কাৰণে সিহঁতক বলীয়া বুলি অভিযোগ আনিবৰ মোৰ কোনো অধিকাৰ নাই মই ভাবো।

শনিবাৰ! ছুটীৰ শেষত লাইব্ৰেৰীৰ কিতাপ নিবৰ কাৰণে বৈ আছো। উপমা আহি একাষলৈ মাতি নি ক'লে "কালিলৈ আপুনি ক'ৰবালৈ যাবনেকি?"

"নাই, এই পৰীক্ষাৰ সময়ত আৰু কলৈ যাম! কিয় সুধিলে?"

অলপো ইস্তস্ততঃ নকৰি উপমাই ক'লে "কালিলৈ আপুনি আমাৰ তালৈ এবাৰ আহিবনে?"

"ছাত্ৰীবাৰীলৈ? আয়ৌ, মই নোৱাৰো। অতবোৰ ছোৱালীৰ মাজত মই কি কৰিমগৈ?"

"ছোৱালীবোৰৰ মাজলৈ যাব নেলাগে নহয়, মোৰ তালৈ যাব।"

"পিছে যাবলৈ দিব জানো? মোৰ যে কোনো সম্পৰ্কীয়া ছোৱালী নাই তাত। কোনোবা নেথাকিলে বোলে যাবলৈকে নিদিয়ে।"

"মই আপোনাতকৈ সৰু। মোক আপোনাৰ ভনী বুলি ক'বলৈ বেয়া পাব নেকি?" কোমল ধুনীয়া চকু দুটা তুলি মোৰ মুখলৈ চাই উপমাই ক'লে।

উপমাৰ কথাষাৰ শুনি হঠাৎ মোৰ ফটা সাথৰৰ ভাঙনি বিচাৰি পোৱা যেন লাগিল। মই মাথোন হাঁহিলো।

"...বাৰু তেন্তে যাম। আপুনি কিন্তু অলপ আগবাঢ়ি আহিব নহলে মই তাৰ একো চিনি নেপাওঁ।"

"সিমানখিনি নিশ্চয় কৰিবৰ বুদ্ধি মোৰ আছে। আপুনি মাথো উপা কি হয় বুলি কোনোবাই সুধিলে, ভনী হয় বুলি ক'ব। পাৰিব নহয়।"

"পাৰিম, কিয় নোৱাৰিম।"

"আপোনালোকৰ বহুতেই আকৌ নিজ ভনীয়েকৰ বাহিৰে অন্য ছোৱালীক ভনী বুলি মাতিব বা ভাবিবই নেজানে।"

এজনী ছোৱালীৰ মুখত আমাৰ ল'ৰাবোৰৰ এনে এটা সমালোচনা মই আশা কৰা নছিলো, উপমাৰ কথাষাৰ মই ভাল নেপালো।

উপমাই হয়তো বুজি পালে, তপৰাই ক'লে "আপোনাক যদি মই অকণো ভয় চিন্তা নকৰাকৈ ককাইদেউ বুলিব পাৰো, আপুনি মোক ভনী বুলিবলৈ ভয় খাইছে কিয়?"

"ভয় খোৱা নাই, আপোনাক ভনী বুলি ক'ব পাৰিলে মোৰ সচাকৈয়ে মনত আনন্দ লাগিব, কিন্তু মই ভাবিছো তাৰ পৰা কিবা লাভ হ'ব জানো?"

"লোকচান যেতিয়া নাই, লাভ নহলেইবা" স্বাভাৱিক গহীন-ভাবে উপমাই ক'লে; তাৰ পিছত কলে"চাবি বজাৰ আগতে যাব দেই।"

পিছদিনা ছাত্ৰীবাৰীলৈ গ'লো। উপমাই আগবঢ়াই নিলেহি। একেবাৰে নিজৰ কোঠালৈ। বাটত ছোৱালীবোৰে দেখিলে যদিও, কোনোৱে একো সুসুধিলে। মই ভাল পালো, কিন্তু উপমাৰ কাপোৰ-কানিৰ অৱস্থা দেখি অলপ আচৰিত হলো। যথেষ্ট পুৰণি এজোৰ মেখেলা চাদৰ পিন্ধিছে। চোলাটোও পিঠিতে এডোখৰ ফিচিকি ফটা। হাতত চুড়ি খাক একো নাই।

উপমাৰ কোঠাৰ চকীখন বহি প্ৰথমে অলপ আচহুৱা যেন লাগিল। তাতোকৈ আচহুৱা যেন লাগিল উপমাৰ সাজ পাৰখিনি।

পাতলকৈ হাঁহি উপমাই ক'লে "আমি ছোৱালীবোৰ বাহিৰত

অলপ কৃত্ৰিম হৈ পৰো। আমাৰ আচল ৰূপটো আনে ধৰিব নোৱাৰে যদি হে আমি নজনাওঁ।"

এই কথাষাৰৰ কোনো জৱাব দিয়াৰ দৰকাৰ মই অনুভৱ নকৰিলো।

উপমাৰ কোঠাটো অনাম্বৰ, পঢ়া মেজৰ কাষতে এখন ক্ৰচবিদ্ধ যীশুৰ ছবি, এখন সৰু কেলেণ্ডাৰ, আৰু দুখন নে এখন ফটো, আৰু বিশেষ একো নাই। যীশুৰ ক্ষত-বক্ষ উদাৰ সৌম্য ছবিখন মোৰ ভাল লাগিল। যেন মালিকৰ অত্যাচাৰ প্ৰতিৰোধকাৰী কোনোবা এটা কাৰখানাৰ ক্ষীণকায় বনুৱা নিজস্ব মৰ্যাদা ৰক্ষাৰ কাৰণে সঙ্গীনৰ খোচ বুকু পাতি লৈছে। যীশুৰ ছবিখন দেখি মোৰ এই কথাষাৰ কিয় মনত পৰিল ভাব নেপালো, কিন্তু আহিল।

"আপোনাক এনেয়েহে মাতি আনিলো। সকলো ছোৱালী যৰে নহওক একোজন সম্পৰ্কীয় আত্মীয় ইয়াত আছে। তেওঁলোক আহি আমাৰ ছোৱালীবোৰৰ খবৰ বাতৰি কৰি যায়, কিন্তু মোৰ কোনো নাই" কথাষাৰ সহজভাৱেই ক'লে যদিও, উপমাৰ মাতটোত এটা অকথিত বেদনাৰ ইঙ্গিত আছিল। মই ছবিৰপৰা মুখ আঁতৰাই উপমাৰ মুখলৈ চালো।

"ইয়াত আপোনাৰ কোনো নাই?"

উপমাই হাঁহিলে। অলপ পৰ ভাবি ক'লে "আপুনি নাই জানো?" কথাষাৰ শুনি বৰ তীব্ৰভাৱে আকৌ উপমাৰ মুখলৈ চালো। হঠাৎ সংস্কাৰগত ভাব এটা মনলৈ আহিল উপমা নীচ নেকি।

কিন্তু মোক বেচি ভাবিবৰ অকনো অৱকাশ নিদি উপমায়ে আকৌ ক'লে "মোৰ মনচনবোৰ অলপ আচৰিত ধৰণৰ। কেতিয়াবা আনকি মই নিজেই বুজিব নোৱাৰো কিয় কেতিয়াবা অকাৰণতে একোটা অহেতুক হেপাহে মনটো অস্থিৰ কৰি তোলে। এই চকচোন, মোৰ লগৰ অন্য ছোৱালীবোৰ যেতিয়া Lover, admirer, এইবোৰৰ চিন্তাত আত্মহাৰা,

তেতিয়া মোৰ মনত আকাঙ্ক্ষা জন্মে এজন ককাই বিচাৰি লবৰ। একেবাৰে সহোদৰৰ নিচিনা, সহোদৰতকৈও বেছি এজন ককাই। যি মোক আপুনি নুবুলি তই বা তুমি বুলিব, যি মোক উপমা নুবুলি আইতাই মতা দৰে উপা বুলি মাতিব।"

আন্তৰিকতা আৰু একাগ্ৰতা দি উপমাই কথাবোৰ কৈছিল। মোৰ উপমালৈ মৰম লাগিল। মই সুধিলো।

'আপোনাৰ নিজা ককাইদেৱেক নাই?'

"আপুনি ভাবিছেনেকি যে নিজ ককাইদেউ থকা সত্ত্বেও অন্য এজন ককাইদেউ বিচৰা মোৰ বিলাসীতা, মোৰ ইমান মন যায় যেন কোনোবা এজন ল'ৰা আহি মোক উপা বুলি মাতিব, উপদেশ দিব, আজি আপুনি অহাৰ দৰে আহি খবৰ কৰিবহি নিতৌ, প্ৰতি শনিবাৰে, ৰবিবাৰে। আপুনি নেজানে ককাইদেউ নথকাটো কিমান দুখৰ কথা!"

উপাৰ কথাবোৰ এটা নুবুজা সাধুকথা যেন লাগিল।

"অকণমান বহক দেই। আমাৰ ছোৱালী এজনীয়ে আপোনাক চাম বুলিছে। তেওঁক মাতি আনো, নহলে বেয়া পাব।"

মই বহি থাকিলো। কোঠাটো নিস্তব্ধ, অন্যান্য কোঠাত ছোৱালী-বোৰে নিজ নিজ আত্মীয়ৰ লগত কথাবতৰা পাতিছে। ফটো কেখন চালো। এখন উপাৰ নিজৰ, এখন গ্ৰুপ, এখন এজনী বুঢ়ীৰ। বুঢ়ীজনী কেতিয়াবা ক'ৰবাত দেখা যেন মনত লাগিল।

লগত এজনী ছোৱালীৰে সৈতে উপা সোমাই আহিল। ছোৱালী-জনীয়ে মোক নমস্কাৰ দিলে। উত্তৰ দিলো। তাৰ পিছত ছোৱালীজনী আগবাঢ়ি আহি ক'লে "অ' আপুনিয়েই উপাৰ দাদা। উপা জনীয়ে আকৌ বি হে লুকুৱায়। তেওঁৰ দাদাকক যেন আমি খাই হে পেলাম।"

ছোৱালীজনী বে'চ বাংঢালি। নামটো মই নাজানো। ছোৱালী

জনী আছি উপাৰ বিচনাখনতে বহিল। পিছতে দুৱাৰ খন বন্ধ কৰি উপাও আহি বহিলহি। মই চকীখন ঘূৰাই তেওঁলোকৰ মুখামুখি বহিলো।

উপা অকাৰণতে আৰু বেছি ৰঙা পৰিছে।

"আপুনি কেনেকুৱা নেজানো। কিন্তু এই উপাজনী এক অদ্ভুত ছোৱালী। সদায় বহি বহি কেৱল ভাবি থাকিব, অথচ কি ভাবে কাকো নকয়। কি দৰকাৰ বাৰু ইমানকৈ ভাবিবৰ ?"

"মই আকৌ ভাবিবই নেজানো" মোৰ কথা শুনি মোৰ লগতে দুয়ো হাঁহিলে।

"এৰা প্ৰত্যেকৰে ধৰ্ম বেলেগ-বেলেগ। কোনোবাই নভবাকৈ থাকিব নেজানে, কোনোবাই আকৌ ভাবিবই নেজানে। এই মোৰ কথাকে ধৰক, এনেই কথাই অকথাই হাঁহি থকাৰ কাৰণে কি মই কম গালি খাইছো, কিন্তু তথাপি মই নেহাঁহি নোৱাৰো, অথচ এই উপাজনীয়ে কোনোদিন নেহাঁহেই।" কৈ ছোৱালীজনীয়ে আকৌ হাঁহিলে। মই উপাৰ মুখলৈ চালো। উপাই হুহাঁৰ নিচিনা কৰিলে।

"ধৰ্ম্মটো কোনোৱে ওপজোতেই লৈ নাহে। আমাৰ জীৱনৰ অৱস্থাই আমাক একোটা বিশেষ ধৰ্ম্মৰ মাজত আৱদ্ধ কৰি পেলায়। আমি বাধ্য হৈ একোটা বিশেষ ধৰ্ম্মৰ অনুগামী হৈ পৰো। কোনোবাই ইহাৰ ধৰ্ম্ম লয়, কেনোৱে কন্দাৰ লয়, জীৱনে যাক যেনেদৰে গঢ়ে" উপাই ক'লে।

"থোৱা থোৱা, দাদাৰৰ আগত তোমাৰ ফিল'চফীৰ জ্ঞানখিনি এতিয়া বক্তৃতা দি ঘোষণা নকৰিলেও চলিব। তোমাৰ ধৰ্ম্মটো আৰু বুজিবলৈ বাকী নাই। অতদিন হ'ল দাদাৰক এবাৰ আমাৰ ইয়ালৈ আনিব নোৱাৰিলা। আজি তেখেত নিজ গুণে আহিল কাৰণে, এতিয়া তোমাৰ ধৰ্ম্ম-ফিল'চফী সকলো ওলাইছে।"

হাঁহি ক'লো "উপাক কলেজত সদায় লগ পাওঁই। ইয়ালৈনো কি কৰিবলৈ আহো ?"

উপমাৰ নামটো উপা বুলি মোৰ মুখৰ পৰা ওলোৱা শুনি উপাৰ মুখখনত এটা শান্ত পৰিবৰ্তন আহিল।

"বাৰু দিয়া, এইবাৰৰ পৰা দাদা সময় পালে সদায় আহিব। এতিয়া আৰু বহিবানে যাবা ককাইদেউ ?"

সম্বোধনটো মোৰ সহজ যেনেই লাগিল।

"অ', এবা যাওঁ। তোমালোক থাকা।"

"তুমি আকৌ তামোল খাবলৈ ধৰিছানেকি ?"

"নাই ধৰা।

"সুধিছে তেখেতক তামোল যাচানে উপা ? তুমি দেখিছো অদ্ভুত।"

"মই অদ্ভুত বুলিতো আজিয়ে প্ৰথম কোৱা নাই। নোখোৱা জনক খাবলৈ যাচি ফৰ্মেলিটি কৰাৰ বিলাসীতা মোৰ নাই।"

"কিন্তু চাহতো তেখেতে খায়। এই প্ৰথম আমাৰ ইয়ালৈ আহিল, তুমি এনেকৈ সুদা মুখেৰে পঠাই দিবানে ? হলেইবা তোমাৰ দাদা, এতিয়াতো আলহী।" ছোৱালীজনীয়ে ক'লে।

"হ'ব বীণা, ককাই-ভনীৰ সম্বন্ধটো চাহ-তামোলেৰে পকা নকৰিলেও জহিপমি নেযায়। তুমি যাবাগৈ আহা ককাইদেউ।"

মই অনুভৱ কৰিলো উপাৰ মাতত এটা লুকাব খোজা উত্তেজনা। মই লাহে লাহে ওলাই আহিলো।

"তুমি ৰ'বা দেই বীণা। মই ককাইদেউক আগবঢ়াই দি আহো।"

খটখটিত নামি উপাই ক'লে। বীণা আমাৰ লগত আহিল।

মই লাহে লাহে খোজ ললো। লগে লগে, লাহে লাহে খোজ কাঢ়ি কাঢ়ি উপা।

"আপোনাক হঠাতে বহুত কষ্ট দিলো। আপুনি বেয়া পাইছে-নেকি ?" উপাই অলপ কঁপা মাতেৰে সুধিলে।

"এবাৰ তুমি বুলি আকৌ আপুনি বোলাতহে কষ্ট পাইছো," মই ক'লো আৰু উপাৰ মুখখনলৈ চালো।

উপাৰ মুখখন অস্বাভাৱিকভাৱে বঙা পৰিছে।

তেনেহলে আপুনি, তুমি, বেয়া পোৱা নাই ককাইদেউ ?”

“নাই পোৱা উপা। কিন্তু জীৱনত তুমি এক নতুন কথা শিকালা” উপাই কিবা এটা গভীৰ ভাৱে ভাবিছিল। লাহে লাহে ক'লে “স্কুল কলেজততো আমি আগৰ দিনৰ পুৰণি কথাবোৰকে শিকো। এবাৰ নতুন কথা জীৱনৰ মাজলৈ হঠাৎ আহি পৰেই যদি, তাত বেয়া পাবলৈ কিটো আছে ?”

“বেয়া পোৱা নাই। কিন্তু মই ভাবিছো—”

“অ' মই আৰু আগ নেবাঢ়ো দেই। তুমি যোৱাগৈ দেই ককাই-দেউ” কথা পাতি পাতি ছাত্ৰীবাবীৰ কম্পাউণ্ডৰ গেটৰ মুখ পাই হঠাৎ বৈ গৈ উপাই ক'লে।

মই ঘূৰি উপাৰ মুখলৈ চালো, উপায়ো চালে। লাহে লাহে উপাই ক'লে “আচৰিত নহয়নে ? মোৰ যেন আপোনাৰ মুখলৈ চকু তুলি চাবলৈকে ভয় লাগিছে।”

মই পাতলাই হাঁহিলো।

“আহো দেই উপা।”

“বাৰু যোৱাগৈ দেই ককাইদেউ।”

গুচি আহিলো।

বেলিটো তেতিয়া এটা নতুন পোহৰত বাঙলী হৈ উঠিছে। মোৰ বহুত কথা বুজি নোপোৱা যেন লাগিল। মাত বুজি নোপোৱা, ভাষা বুজি নোপোৱা, সম্বন্ধ বুজি নোপোৱা, কোনোবা এখন দূৰণীৰ দেশৰ পৰা যেন মই ওলাই আহিছো। তাত যেন মানুহবোৰে মানুহবোৰক চিনি নেপায়, যাৰ যাক যি মন যায় সেই বুলিয়ে মাতে। উপাৰ কথা মনত পৰিল। তাৰ পিছত মনত পৰিল পৰীক্ষাৰ কথা। ছোৱালীবোৰ কিজানি তেনেকুৱাই হ'ব পাৰে। আগেতেতো কোনোদিন কোনো ছোৱালীৰ সংস্পৰ্শলৈ অহা নাই।

পৰীক্ষালৈ সৰহ দিন নাই আৰু।

সদায় উপাক কলেজত লগ পাওঁ। কথাবতৰা নোখো। ল'ৰাবোৰৰ এটা নতুন গৱেষণাৰ বিষয় ওলাল। মোৰ নিচিনা এটা ল'ৰাই কেনেকৈ এইবোৰ ছোৱালীৰ লগত কথাবতৰা পতা শিকিলো! যেতিয়া ছাত্ৰীবাৰীৰ পৰা ইকাণ-সিকাণ কৰি উপা মোৰ কিবা সম্বন্ধৰ ভনী হোৱাৰ ৰহস্যজনক কথাবাৰ আমাৰ হোষ্টেলৰ ডেকাইঁতৰ কাণত পৰিলহি, ভালেমানেই মোক নিমুৱা, নাৰী-প্ৰতাৰক বুলি স্থিৰ কৰি আনন্দ উপভোগ কৰিলে। অৱশ্যে সিইঁতৰ সমালোচনাৰ কাৰণে নহয়, কিন্তু নিজৰ কৰ্তব্য বুলিয়ে মই পঢ়াত আগতকৈ বেছি মনোযোগ দিলো। শুনাকৈয়ে কোনো কোনোৱে ক'লে ভণ্ড।

উপাইঁতৰ বছৰেকীয়া পৰীক্ষা হৈ গ'ল। তৃতীয় বাৰ্ষিকৰ পৰা এইবাৰ উপাই প্ৰমোচন পাব। পৰীক্ষা বেয়া হোৱা নাই উপাই ক'লে। মোৰ শেষ পৰীক্ষালৈ তেতিয়াও প্ৰায় এমাহ বাকী।

টেষ্টৰ পিছত আৰু ক্লাচ কৰা নাই। হোষ্টেলতে পঢ়িছো। কাচিৎ কেতিয়াবাহে কলেজলৈ যাও।

উপাই এখন সৰু চিঠি দি পঠালে

'ককাইদেউ,

মই পৰহিলৈ যামগৈ। যোৱাৰ আগতে তুমি এবাৰ মোৰ ইয়ালৈ আহিবা। তোমাৰ পঢ়া অলপ খটি হব। কিন্তু উপাৰ কাৰণে সিমানকণ ত্যাগ নিশ্চয় কৰিবা। আমাৰ ক্লাছৰ অন্যবোৰ ছোৱালী প্ৰায় গলেই। তুমি জৰুৰ আহিবা দেই। মই বাট চাই থাকিম।

ইতি—
তোমাৰ মৰমৰ
"উপা"

পিছদিনা বাতিপুৱাৰে পৰা বৰষুণ। প্ৰথম বাৰিষা নামিছে। চ'তৰ নিৰস, শুকান দিনবোৰৰ শেষত, বৰষুণৰ কোমল পৰশ

মিহলি বাৰিষাৰ আগমনী বেচ মনোৰম। লগে লগে মাৰিছে এজাক চেচা-লগোৱা বতাহ।

দুই বজাত, ছাতি এটাৰ জোগাৰ কৰি লৈ ওলাই গলো। উপাজনী যাবগৈ। পৰীক্ষা নিদিও মানেনো পঢ়াৰ ক'ত অন্ত পৰিব? বৰষুণ একে লেঠাৰিয়ে চলি আছে। গালৈ বোকাৰ চিটিকনি অহা সত্বেও, নতুনকৈ হোৱা বোকাত খোজ কাঢ়ি মোৰ ভাল লাগিল।

পোনে পোনে ছাত্ৰীবাৰীলৈ সোমাই গ'লো।

উপা নিজৰ কোঠাত বহি আছিল। খিৰীকিয়ে মোক দেখি বেগাবেগীকৈ নামি আহিল।

"তুমি আহিলা ককাইদেউ ?" উপাৰ মাতত তৃপ্তি।

"বৰ বৰষুণ দিছে।" বাৰাণ্ডাত উঠি, ছাটিটো জপাই, মই ক'লো।

"ছাটি থোৱা, আহা।"

উপাৰ পিছে পিছে খোজ ললো উপাৰ কোঠালৈ।

"মই জানো, মই যেতিয়ালৈকে নেমাতো, তুমি কেতিয়াও নাহা।"

"সময়ৰ বৰ টান পৰিছে উপা—"

"নহয়, সেইবাবে মই অকণো-বেয়া পোৱা নাই। অন্য ল'ৰাবোৰৰ দৰে তুমি যে ছোৱালীৰ লগত হলিগলি কৰি ফুৰিবলৈ ভাল নোপোৱা, সেইটো জানি সঁচাকৈয়ে তোমাক মোৰ ভক্তি কৰিবৰ মন গৈছে।"

"তুমি ভাবিছা, তোমাৰ কথা মই পাহৰি গ'লো। নাই পাহৰা জানিছা উপা। পিছে"

"তুমি কি, মই বহুত আগতে জানো। বাৰু এতিয়া বহা, তুমি নহাৰ কাৰণে মই কোনো অভিযোগ অনা নাই। দেখিছাই।"

হোষ্টেলটো প্ৰায় একেবাৰেই নিস্তব্ধ। কোনোবা এটা কোঠাত কোনোবা ছোৱালীয়ে কেৰম খেলিছিল বোধকৰো। কেৰমৰ গুটিৰ খুটুক-খাটাক শব্দ আমাৰ কাণত পৰিছিলহি।

"তুমি যাবলৈ ওলালা উপা ?"

"পৰীক্ষা হৈ গ'ল নহয়। ইয়াতনো ক'ত থাকিম ? আৰু থাকিয়েইবা কৰিম কি ?"

"ঘৰতনো গৈ কি কৰিবাগৈ ?"

"ঘৰত ?" উপা অলপ পৰ ৰ'ল। তাৰ পিছত ক'লে "ঘৰত আইতা আছে নহয় ?"

মই উপাৰ মুখলৈ চালো।

"বৰ বৰষুণ দিছে নহয়নে ? তুমি যে এনে বৰষুণত আহিবা মই আশাই কৰা নাছিলো।"

"এৰা।" মই ক'লো।

"মই অন্য ছোৱালীবোৰৰ লগতে পৰহিয়ে যোৱাৰ কথা আছিল।"

"নগলা কেলেই ? পইচা-পাইৰ অসুবিধা হৈছেনেকি ?"

উপাই পাতলাই হাঁহিলে।

"তোমাক এবাৰ লগ পাই যাবৰ কাৰণেই থাকি গ'লো।" উপাই মোৰ মুখলৈ চালে। উপাৰ চকু দুটা উজ্জ্বল আৰু শান্ত।

"এৰা, ছোৱালীবোৰৰ ঘৰলৈ মৰম কম। য'তে থাকে, তাকে ঘৰ বুলি থাকি যাব পাৰে। মোৰ যে আকৌ ঘৰলৈ হেপাহ। এবাৰ গৈ চাই নাহিলেগৈ যেন ঘৰটো কৰবালৈ লৰ মাৰিব। তোমাৰ বাৰু ঘৰলৈ যাবৰ মন নেযায় কিয় উপা ?"

"মোৰ ঘৰেই নাই" এটা এটাকৈ উপাই ক'লে।

উপা বহাৰ পৰা উঠি গ'ল।

"মোৰ এলবামটো চাবানে কৰাইদেউ ?"

"ওঁ চাওঁ দেখুওৱাচোন। তোমালোকৰ ছবি-ছবি একো নেদেখি-লোৱেই।"

কিতাপৰ বাকচটো মেলি উপাই এটা সৰু এলবাম উলিয়াই, লবৰ কাৰণে মই হাত মেলিলো।

"মই দেখুৱাম ৰ'বা। তুমি নিজে চিনি নেপাবা।" বাকচটো বন্ধ কৰি উপা বিচনাখনৰ ওপৰলৈ আহিল, মই চকীখন ওচৰ চপাই কাষ চাপি গলো।

উপাই এখন এখনকৈ ফটোবোৰ দেখুৱাই গ'ল। বিশেষ ভাল

ফটো এখনো নাই। গাত চোলাকাপোৰ নোহোৱা এটি সৰু ছোৱালী দেখাত ৰোগী হাত ভৰিবোৰ খীণ, পেটটো ওলোৱা। সৰু ফ্ৰক পিন্ধা এজনী পাঁচ ছয় বছৰীয়া ছোৱালী মূৰৰ চুলিবোৰ চুটি চুটি। এজনী কপাহী মেখলা ৰিহা পিন্ধা গাঁৱলীয়া তিৰোতা এজনী চুটি ফ্ৰক পিন্ধা হাঁহি থকা মেম, এজনী বাৰ তেৰ বছৰীয়া ছোৱালী। ক'ৰবাৰ এটা স্কুলঘৰ, তাৰ পিছত করুণ চকুৰে দেখিবলৈ ধুনীয়া এজনী গাভৰু ছোৱালীৰ গ্ৰুপ, উমানন্দ বশিষ্ঠাশ্ৰম, উপা আৰু বীণাৰ এটা গ্ৰুপ ইত্যাদি। কিছুমান ফটোৰ ৰং উঠি গৈছে। যথেষ্ট পুৰণি।

"কেনে দেখিলা ?"

"ফটো আকৌ কি কেনে দেখিম, মানুহবোৰ নেদেখাকৈ ফটো কেনেকুৱা হৈছে কেনেকৈ ক'ম ?"

"শেষৰ খন ?"

"অ' তোমাৰ খন ? সেইখনতো ভাল হবই। পিছে তুমি তেনেকৈ কন্দনামুৱা হৈ আছিলা কেলেই ?"

"কেলেই, মই হাঁহি থকা নাই জানো ?"

"মই হ'লে কান্দি থকা যেনেহে দেখিছো।"

"বাকী ফটোবোৰ চিনিলানে ?"

"উঁহো আগে নেদেখা মানুহৰ ফটো কেনেকৈ চিনিম ?"

"এৰা, তুমি কি চিনিবা ? কেতিয়াবা মোৰ নিজৰে নিচিনা যেন লাগে, সেইবোৰ মোৰ ছবি।"

কথাবাৰ শুনি মই আকৌ এলবামো হাতলৈ ল'লো। বৰষুণ জাক আৰু বেছিকৈ আহিছে, মেঘবোৰে আকাশখন চাটি ৰাখিছে, এটা গোমোঠা আন্ধাৰত দিনটোৱে সন্ধিয়াৰ ৰূপ ধৰিছে। মই আৰু উপা বহি আছো অকলই। লাহে লাহে উপাই ক'লে "তাকে ক'ম বুলি আজি তোমাক মাতি আনিছো, তুমি শুনি ভাল পোৱা বা নোপোৱা, মই তোমাক কৈ থৈ যাম, আকৌ কিজানি কোৱাৰ সুযোগ নেপাওঁৱেই।"

মই তীব্ৰভাবে উপাৰ চকুলৈ চালো। উপাৰ কাণমুখ ৰঙা পৰিছে,

এটা উদ্বিগ্নতাৰ চিন উপাৰ মুখখনত প্ৰকট হৈ উঠিছে। খিৰিকিখনেদি বাহিৰৰ ফালে চাই চাই, নিজকে কোৱাদি উপাই লাহে লাহে কৈ গ'ল।

"..... সমাজে বৌতি মানুহজনীক বিচৰা নাছিল, বিচাৰিছিল বৌতিৰ যৌৱনৰ বলি। বৌতিয়ে বহুত পলমকৈ বুজিলে যে এই বলিৰ পৰা বৌতিৰ নিজৰ কোনো লাভ নহয়, সেয়ে নিজৰ প্ৰাণ দি বৌতিয়ে সমাজৰ ইজ্জত ৰক্ষা কৰিলে।"

মই উপাৰ মুখলৈ চালো। উপাই মোৰ হাতৰ পৰা এলবামটো লৈ এখন ফটো দেখুৱাই ক'লে "এই ছোৱালীজনীৰ কথা কৈছো, বাপেকৰ পৰিচয় নোহোৱাকৈয়ে তাই উপজিল। তেওঁ আছিল ভদ্ৰ সমাজৰ ধন-যশ থকা এজন ভদ্ৰলোক। নিজৰ নাক বচাবৰ কাৰণে, সময় অহাৰ আগতেই নিজক সমাজৰ গুচী গণ্ডীৰ ভিতৰলৈ নি ললে। এইৰ মাক সমাজৰ পৰা বাহিৰ ওলাল, পিছে তেওঁৰ কপাল ভাল, বেছি দিন সমাজৰ বাহিৰত থাকিব লগা নহ'ল। প্ৰসূতি শয্যাতে তেওঁ পৃথিৱীৰ লগত সম্বন্ধ ছিন্ন কৰি গুচি গ'ল।"

মই উপাৰ মুখলৈ বিস্ময়েৰে চালো, উপা কিন্তু এটা আত্মগভীৰ বেদনাত উত্তেজিত হৈ উঠিছে।

"জানা ককাইদেউ, মই কেনেকৈ ডাঙৰ হলো?" মোৰ মুখলৈ চাই উপাই ক'লে, আৰু এলবামত বিচাৰি বুঢ়ী জনীৰ ফটোখন উলিয়ালে। "এই বুঢ়ীজনী দেখিছা? এঁৱেই মোৰ হ'ল আইতা। বুঢ়ীৰ কোনো নাছিল। বুঢ়ী আছিল একপ্ৰকাৰ ঠিক মোৰেই নিচিনা। বুঢ়ীয়ে সকলো শেষ কৰি আহি জীৱনৰ এটা মূৰত ঠিয় দিছিলহি, আৰু মই সকলো আৰম্ভ কৰিবৰ কাৰণে জীৱনৰ দুৱাৰমুখত বৈছিলোহি। বুঢ়ীয়ে সকলো আশা আকাঙ্ক্ষাৰ শেষ কৰি ঠিয় দিছিলহি শেষ প্ৰান্তত, মই আকৌ বুঢ়ীয়ে গছকি শেষ কৰি অহা বাটটোকে অতিক্ৰম কৰিবলৈ এবোজা অবুজ আশা লৈ আগ বাঢ়িছিলো।"

বুঢ়ী আছিল মিছন হাইস্কুলৰ চকীদাৰণী, স্কুল কম্পাউণ্ডৰ অলপ আঁতৰতে বুঢ়ীৰ জুপুৰীটো, তাতে থাকে বুঢ়ী আৰু ময়ো।”

“তুমি এইবোৰ কাৰ কথা কৈছা উপা ?”

“মোৰ নিজৰ কথা। ৰ'বা, শুনা। আজিলৈকে কাকো কোৱা নাই। তুমি বিশ্বাস কৰিব পৰা নাই, নহয় ককাইদেউ, কিন্তু তোমালোকে বিশ্বাস কৰিব নোৱাৰা ঘটনাবোৰেই যে আমাৰ ছোৱালীবোৰৰ জীৱনত ঘটে। এইবোৰ জীৱনৰ বাহিৰা খবৰ নহয়, জীৱনৰ ভিতৰুৱা খবৰ। এই চোৱা—”

উপাই গাত চোলা কাপোৰ নোহোৱা ৰোগী সৰু ছোৱালী এজনীৰ ফটোখন এল্‌বামটোত উলিয়ালে।

“কথাবোৰ মোৰ মনত নাই, কিন্তু আইতাই কেতিয়াবা সময় পালে সকলো কয়। আৰু আইতাৰ কোনো স্বাৰ্থ নাই যেতিয়া সঁচা কথাকে কয়।

উপা অলপ ৰ'ল। মই উপাৰ মুখলৈ চালো, লাহে লাহে, উপাই কৈ গ'ল “গৰু-ছাগলীৰ পোৱালীতে মাক মৰিলে, গিৰিহঁতে আল-পৈচান ধৰি তুলি-তালি ডাঙৰ কৰে। কিন্তু মানুহৰ বেলা নিগাজী আইবোপাই নেথাকিলে, অনাথক চাওঁতা কোনো নাই। আইতাই চকীদাৰণী কাম কৰে। ছোৱালীবোৰ ঘৰৰ পৰা স্কুললৈ আনে, আকৌ ঘৰত থৈ আহেগৈ। ভাল মানুহৰ ছোৱালী—জানোচা অলপ ইফাল সিফাল হৈ কিবা খুঁট লাগে, জানোবা নিকপ কপীয়া সমাজৰ ব্যৱহাৰৰ কাৰণে অশুচী হয়।......আইতাই প্ৰায়ে ভাত নেৰান্ধে। বৰ্ডিঙত থকা ছোৱালীবোৰৰ বাচন-বাটি মাজি দিয়ে ছোৱালীবোৰে দুটামান ভাত দিয়ে। সেই ভাত কেইটা নেখাই আইতাই ঘৰলৈ লৈ আহে। আমি দুয়ো ভাগ কৰি খাওঁ। কেতিয়াবা আইতাই ভাত আনিবৰ কাৰণে বাটছাই থাকি পেটৰ কলমলনিত থাকিব নোৱাৰি, লাহে লাহে গৈ ময়ো বৰ্ডিং পাওঁগৈ। মই হৈ পৰো ছোৱালীবোৰৰ খেলনা। বৌতিৰ গাখীৰ খাবলৈ নেপাই কণীয়া হলো, গতিকে দেখিবলৈও আপচু হৈ

পৰিছিলো হয়তো। তেতিয়াই আমাৰ তাৰ ছোৱালী এজনীয়ে মোৰ ফটো লৈছিল এইটো তাৰ কপি আয়ে খুজি আনিছিল, কিন্তু জানা ককাইদেউ মই নমৰিলো, লোকৰ চুৱা-পাতনিৰ খায়ো মই জীয়াই থাকি পাঁচ বছৰীয়া হ'লো অৱশ্যে এতিয়াৰ দৰে তেতিয়া মই মৰাৰ কথা অকণো ভাবিবই নেজানিছিলো। মই মাথোন ভাবিছিলো জীয়াই থকাৰ কথা। স্কুলৰ অন্য ছোৱালীবোৰৰ দৰে বাঢ়ি উঠাৰ কথা।"

"আইতাই ছোৱালীবোৰে ফটো বুলি পেলাই দিয়া মেখেলা চোলা যি পায় বুটলি লৈ আহে আৰু নতুনকৈ সি মেলি মোৰ মেখেলা ফ্ৰক যি হয় এটা সাজি দিয়ে। মই নতুন কাপোৰৰ চোলা জীৱনত প্ৰথম পিন্ধিছো কেতিয়া জানে ? যেতিয়া মই আঁঠ বছৰীয়া।"

"কেতিয়াবা এনেকুৱা হয়েই উপা।"

"মই অস্বীকাৰ কৰা নাই, কিন্তু কেতিয়াবা নহয়, এইবোৰেই হৈছে আমাৰ জীৱনৰ আনে-নেদেখা ৰূপ। অ' তাৰ পিছত এটা বৰ হাঁহি উঠা কাণ্ড হ'ল।"

মই উপালৈ চালো।

"মোৰ তেতিয়া পাঁচ বছৰ মান হৈছে। আইতা কামলৈ ওলাই গলে মই পিংপিঙাই ফুৰো। ক'ৰবাত পানীয়ে-ছুনিয়ে পৰোগৈ বুলি আইতাই মোক নি স্কুলৰ ছোৱালীবোৰৰ পিছতে বহুৱাই থব ধৰিলে। মোৰো ভাল লাগিল, তাৰ পিছত এদিন হাতত পালো এটা কিতাপ, আইতাই এজনী ছোৱালীৰ পৰা খুজি দিলে। তাতকৈ আনন্দৰ ঘটনা হয়তো মোৰ জীৱনত আৰু ঘটা নাই। হয়তো দৰাঘৰৰ পৰা পঠোৱা অলঙ্কাৰ পিন্ধি ছোৱালী এজনীৰ যেনে লাগে মোৰো তেনে লাগিছিল।'

মই এল্‌বামটোৰ ছবিবোৰ লিৰিকি বিদাৰি উপাৰ কথাবোৰ শুনি যাব ধৰিলো।

"আকৌ নতুন আশাই মনটো চঞ্চল কৰি তুলিলে। জীয়াই থকাৰ অহেতুক দুৰাশাটোৰ লগে লগে 'পঢ়াৰ' এটা উদগ্ৰ হেপাহে মোক একপ্ৰকাৰ বাউলী কৰি তুলিলে, লগে লগে আইতাৰ উদগনি।"

“চকীদাৰণীৰ জীয়েক যি দিনা পাঠশালাৰ বৃত্তি পাই মিচন হাইস্কুলত নাম লগালে, সেই দিনা যে আইতাৰ আনন্দ। লগে লগে হাইস্কুলৰ ‘মিচ’ৰো চকু পৰিল মোৰ ওপৰত। অলপ খৰৰাখৰাৰ কৰা, পুৰণি গাউন ফ্রক একোটা দিয়া, এইবোৰ চলিব ধৰিলে। লাহে লাহে আইতা আৰু মোৰ দুখন বাচন হ’ল। মই বৰ্ডিংৰ ছোৱালীবোৰৰ লগতে খাবলৈ পাওঁ, ‘মিচে’ খৰচ দিয়ে।

কোন দিনা ঠিক মনত নাই, নিজেই মুবুজাকৈ সেই ক্রুছবিদ্ধ যীশুক মোৰ ত্ৰাণকৰ্ত্তা বুলি লৌকিক ঘোষণা কৰিলো। তাৰ লগে লগে আন্তৰিক বিশ্বাসো কৰিলো যে মানুহৰ উদ্ধাৰৰ কাৰণে বহুত ঋষিমুনিয়ে, বহুত সাধক-মহাপুৰুষে প্ৰাণ বিসৰ্জন দি গৈছে, গতিকে আৰু ভয় নাই, আৰু ত্যাগৰো প্ৰয়োজন নাই।”

“এদিনৰ কথা। তেতিয়া মোৰ মেট্রিক পৰীক্ষা হৈ গ’ল। সকলো ছোৱালী ঘৰাঘৰি গ’ল। মোৰতো কলৈকো যাবলৈ ঠাই নাই। গতিকে প্ৰায়ে দুপৰীয়া মই কাষৰে গীৰ্জাটোলৈ গৈ টুংটুংকৈ পিয়ানোটো বজাই সময় কটাও আৰু ভৱিষ্যতৰ এটা ধূৰঁলী-কুৰঁলী ছবি আঁকো।

“বাহিৰত ৰ’দ। গীৰ্জাটোৰ বহল ভিতৰখনত কোনো নাই। মই গৈ পিয়ানোটোৰ কাষত বহিলোগৈ। বেৰত এখন বৰ ডাঙৰ যীশুৰ ছবি আছিল। তাত চকু পৰিল, গীৰ্জাৰ ভিতৰখন কাঁহ পৰি জীণ যোৱা, নিৰৱ। যীশুৰ ছবিখনৰ ফালে চাই হঠাৎ দেখিলো যেন যীশুৰ বুকৰ পৰা কল্‌কল্ কৰে কেঁচা তেজৰ সোত বাগৰি আহিছে, দেখি মোৰ গাৰ নোমবোৰ শিয়ৰি উঠিল। মই বেগাবেগিকৈ গীৰ্জাৰ পৰা ওলাই ঘৰলৈ দৌৰ দিলো, মোৰ মনত লাগিল যেন মোৰ কলুষিত জীৱনৰ নিশ্বাস স্পৰ্শই ছবিৰ যীশুৰো পবিত্ৰতা নষ্ট কৰি দিলে। তাৰপৰা মই কোনো দিন অকলে গীৰ্জালৈ যোৱা নাই।”

উপা ৰ’ল।

“তুমি আচৰিত আচৰিত কথা কৈছা উপা” মই ভগা ভগা মাতেৰে ক’লো।

উপাই হাঁহিলে।

"জীৱনৰ গতি-সঙ্গতিৰ লগত মানসিকতাৰ এটা সম্বন্ধ আছে। মই তাৰ হাত সাৰিব নোৱাৰিলো।"

"কিন্তু তুমি দেখোন তোমাৰ নিজৰ বিষয়ে একোকে কোৱা নাই। এইবোৰতো তুমি নিজে কৰা নহয়, এইবোৰৰ কাৰণে দুখ কৰা বা আনন্দ কৰা একে কথা।"

"নাপিতে বেয়াকৈ আপোনাৰ চুলিখিনি কাটি দিয়াৰ কাৰণে আপুনি জানো আমাৰ আগত লাজ নেপায়? সকলোৱেই জানে আপোনাৰ মূৰৰ চুলি বেয়া হোৱাৰ কাৰণে আপোনাৰ অকণো দায়িত্ব নাই, কিন্তু নাপিতকতো কোনোৱে দোষাৰোপ নকৰে।"

মই উত্তৰ বিচাৰি নাপালো।

"অ' মই মেট্ৰিকতো বৃত্তি পালো কুৰিটকীয়া, আৰু এতিয়ালৈকে তাৰেই মায়া এৰিব পৰা নাই।"

বৰষুণ তেতিয়াও দি আছে। মই ভাবি নোপালো, ইমান উত্তেজনাৰে এই পুৰণি কথাবোৰ মোক জনাবৰ উপাৰ কি দৰকাৰ আছিল।

"সঁচাকৈয়ে উপা, তোমাৰ জীৱনটো আচৰিত।" মই একো কবলৈ বিচাৰি নেপাই ক'লো।

"যিখিনি শুনিলে তাত 'আচৰিত' একো নাই, আচল আচৰিত কথাটো মই এতিয়াও তোমাক কোৱাই নাই। অ' বেয়া নেপাবা দেই, মোৰ সম্বন্ধৰ লাগবান্ধ নোহোৱা হৈ গৈছে, কেতিয়াবা 'তুমি', কেতিয়াবা 'আপুনি'। কি কৰিম? তুমি বুলি মাতিব পৰা আপোন মানুহতো মোৰ কোনোৱেই নাই।"

"বাক 'আপুনি' 'তুমি' বি বোলা মই বেয়া নেপাওঁ। ককাইদেউ যেতিয়া বুলিছা, আপুনি তুমিয়ে তাৰ মূল্য কমাব নোৱাৰে।"

"নোৱাৰে ঠিক কৈছা, মই প্ৰথম দিনাই বুজিছিলো যে তুমি মোক বুজিবা।"

"আজি ৰবযুণ নেৰিবই কিজানি," বাহিৰ ফালে চাই উপাই ক'লে—"মোৰ কেতিয়াবা বৰ আচৰিত লাগে এই ৰবযুণবোৰ। ক'ত যে লুকাই থাকে ইমানবোৰ ৰবযুণ! আকাশখনলৈ চালে ধৰিবই নোৱাৰি।"

"এৰা ঠিক তোমাৰে নিচিনা। অ' পিছে তোমাৰ আৰু আচৰিত কি কৈছিলো?"

"এৰা, বৰ আচৰিত। বাৰু, চিঠিবোৰ নেদেখুৱাও, অন্য এদিন চাবা।"

"কিহৰ চিঠি?"

"প্ৰেমৰ।"

"ধেৎ।"

"হয়। মোৰো প্ৰেমত পৰা মানুহ এই দুনীয়াত আছে। ভাবি মোৰ আচৰিত লাগে।"

"কোনে দিছে প্ৰেমৰ চিঠি?"

"বহুতেই, আৰু সকলোলৈকে মই উত্তৰো দিছো।" মই উপাৰ মুখলৈ তীক্ষ্ণভাৱে চাই সুধিলো "কি উপা?

"ও চিঠিৰ উত্তৰ দিয়াৰ ভদ্ৰতা মোৰ আছে। হলেইবা প্ৰেমৰ চিঠি, অন্য চিঠিৰ উত্তৰ দিলে যেতিয়া অপৰাধ নেলাগে, প্ৰেমৰ চিঠিৰ দিলেনো কিয় দায় লাগিব?"

"কিন্তু, এজনৰ প্ৰেমৰ চিঠিৰ উত্তৰ দিয়াটো বুজিব পাৰো, কিন্তু সকলোৰে?"

"মোৰ কোনো অসুবিধা নহয়। যেয়ে প্ৰেম জনাই চিঠি লিখে তালৈকে মই কৃতজ্ঞতা জনাই উত্তৰ লিখো, আৰু লিখো, যদি আপুনি মোৰ প্ৰেমত পৰিছে, তেন্তে আপুনি মোক বিয়া কৰাব লাগিব। আশাকৰোঁ এই চিঠিৰ উত্তৰত আপোনাৰ পৰা বিয়াৰ প্ৰস্তাৱ পাম।"

"সেইদৰেও তুমি লিখিব পাৰা? কি উত্তৰ পোৱা?"

"উত্তৰ কোনোৱে নিদিয়ে। কাৰণ গাভৰু ছোৱালী দেখিলে প্ৰেমত

পৰি বিলাসীতা কৰিবলৈ বিচৰা স্বাভাৱিক। কিন্তু যি মাত্ৰই প্ৰেমৰ ঠাইত বিয়াৰ কথা কোৱা যায়, সেই মাত্ৰই প্ৰেম চেচা পৰি যায়। কাৰণ মই জানো প্ৰেম আৰু বিয়া একে বস্তু নহয়। কলেজীয়া ডেকাৰ তথাকথিত প্ৰেমৰ কোনো দায়িত্ব নাই, কিন্তু সামাজিক বিধি-নিয়মিত প্ৰতিপালিত হোৱা বিয়াৰ এটা দায়িত্ব আছে। এই দায়িত্ব লবলৈ আমাৰ ডেকাহঁতৰ সাহ নাই।"

"তুমি এইবোৰ কি কৰিছা উপা?"

"আচৰিত ভাবিছে নহয়? কিন্তু মোৰ আটাইতকৈ আচৰিত লাগে যে কিয় আৰু কেনেকৈ মোৰ নিচিনা এজনী ছোৱালীকো ভাল পাবলৈ বিচাৰিব পাৰে।"

"সেইটো কোনো আচৰিত নহয়। তোমাৰতো ৰূপ গুণ একোৰে অভাৱ নাই।"

"প্ৰেমৰ কাৰণে হয়তো ৰূপ-গুণেই যথেষ্ট, কিন্তু জীৱনৰ কাৰণেতো সেয়ে যথেষ্ট নহয়। আমাৰ গোটেই জীৱনটোতো প্ৰেম নহয়। অলপমান হয়তো প্ৰেম, কিন্তু বাকীখিনি নিষ্ঠুৰ জীৱন। তাৰ লগত গুণৰ কিবা সম্বন্ধ থাকিলেও, ৰূপৰ কোনো সম্বন্ধ নাই।"

দুয়ো কিছু পৰ মনে মনে থাকিলো। উপাক মোৰ বৰ বুজিব নোৱাৰা যেন লাগিল। উপাৰ মুখলৈ আকৌ চালো। ধুনীয়া গঢ়িত উপাৰ মুখখন, গালবোৰ কোমল, বঙা। উপাৰ মুখখনলৈ চাই উপাৰ সৰু, দুখীয়া জীৱনটোৰ প্ৰতি মোৰ এটা অহেতুক মৰম লাগিল, কিমান বিচিত্ৰ উপাৰ জীৱনটো!

"সন্মুখত কি আছে মই দেখিছো। জানো তাৰ মাজেদিয়ে নগলে মোৰ ৰক্ষা নাই কিন্তু নিজৰ বিৰুদ্ধে হলেও, মই সাৱধান হৈ যাবৰ কাৰণে দৃঢ় সঙ্কল্প," উপাই কলে।

উপা বহাৰ পৰা উঠিল আৰু বাকচটো মেলি এলবামটো সুমুৱাই থলে। মই বাহিৰৰ ফালে চালো, ৰবৰুণ অলপ পাতলি আহিছে। তলত দুই এজনী ছোৱালীৰ মাত শুনিলো। সিহঁতৰ জীৱনৰ লগত

উপাৰ জীৱনটো এনেয়ে এবাৰ বিজাই চালো। নতুনত্ব হয়তো ক'তো নাই। উপাৰ জীৱনত যি প্ৰাচীনতাৰ প্ৰভাৱ, ইহঁতৰ জীৱনতো সেই একে প্ৰাচীনতা, তথাপি উপাৰ নিজে-গঢ়া জীৱনটোৰ প্ৰতি মোৰ এটা শ্ৰদ্ধা জন্মিল।

"মই কাইলৈ যামগৈ। ঘৰলৈ গ'লে আমাৰ, মোৰ তাত এবাৰ জকৰ সোমাবদেই ককাইদেউ।"

"তুমি তাৰ কাৰণে নকলেও হ'ব।"

"নকলে নহয় কাৰণেহে কৈছো। যদিওবা নোযোৱা, এবাৰ কথা কও দেই।"

"কোৱা উপা।"

"মোৰ জীৱনটো বৰ অসুখী, একেবাৰেই অসুখী, যক্ষ্মা ৰোগীৰ বুকুৰ ভিতৰখনৰ দৰেই মোৰ জীৱনৰ ভিতৰটো, বেদনাৰ পোকবোৰে কুটি কুটি খাই শেষ কৰি নিব লাগিছে। অকলেই থাকি ভাল লাগে। কিন্তু এই ল'ৰাবোৰৰ ভাল পোৱা, ছোৱালীবোৰৰৰ মৰম, সেইবোৰে মোক অধীৰ কৰি তোলে। মৰম মই অকনো সহ্য কৰিব নোৱাৰো। মৰমত অকণমান আনন্দ পোৱা যেন লাগিলেই মোৰ মনত লাগে যেন মই ভুল কৰিব ধৰিছো। মই শিয়ৰি উঠো, তুমিও মোক মৰম নকৰিবা দেই।"

"কালিলৈকে তুমি যাবাগৈ নহয় উপা?"

"হুঁ।"

"মই আক পৰীক্ষা শেষ হলেহে যাম। তুমি গৈ পোৱাৰ চিঠি এখন দিবা দেই।"

মই বহাৰ পৰা উঠিলো, উপাও যেন আত্মস্থ হ'ল।

"যোৱাইনেকি ককাইদেউ, মোৰ আক কিছুমান কথা কৱ লগা আছিল নহয়।"

"সকলো শুনিম বাক উপা।"

উপাই মোৰ চকুলৈ তাইৰ ধুনীয়া চকু দুটা তুলি চালে।

"মই সকলো বুজিছো উপা, মাথোন মনত ৰাখিবা অন্য কোনো নেথাকিলেও তোমাৰ ককাইদেউ এটা আছে, সি তোমাৰ কথা সদায় মনত ৰাখিব. এতিয়া যাওঁ দেই উপা"

"ওঁ, মই কাইলৈ যামগৈ।"

"বাৰু, মই ষ্টেচনলৈ যাম। খৰছ-তৰছ আছেনে নাই?"

"কেইটকামান আছে, আৰু কেইটাকামান হ'লে ভাল হয়, পাৰিলে দিবা।"

"বাৰু—"

বৰষুণ জাক তেতিয়া প্ৰায় এৰিছে। লাহে লাহে গুচি আহিলো। লগে লগে আহি উপাই আগ বঢ়াই দিলেহি। কপাউণ্ডৰ মুখ পাই উপা ঘূৰিলে আৰু ক'লে—"এইবোৰকে তুমি আকৌ ভাবি নেথাকিবা, এইবোৰ মই নিজেই নেভাবো, আজি এনেইহে ক'লো। তুমি মোৰ ককাই যেতিয়া, এইবোৰ জনা উচিত—সেই কৰণে।"

লাহে লাহে উপাৰ পৰা বিদায় লৈ গুচি আহিলো।

* * * *

এবছৰ পাৰ হৈ গল। মই বি, এ, পাছ কৰি কলিকতাত এম, এ আৰু ল'ত নাম লগাই প্ৰথম পৰীক্ষা দিলো।

দদাইদেৱে চিলঙত কাম কৰে। পৰীক্ষাৰ পিছত ঘৰলৈ নাহি চিলঙতে আছোগৈ। পাৰিলে গৰমৰ দিন কেইটা কটাও। কাম-বন একো নাই; বৰষুণ নিদিলে ঘূৰো, আৰু বৰষুণ দিলে দুৱাৰ-খিৰিকি মাৰি ঘৰতে সোমাই থাকো। কলেজীয়া বন্ধুবোৰৰ দুই চাৰিখন চিঠি আহে, তাৰ উত্তৰ লিখো। বেছি দূৰ ভৱিষ্যতৰ কথা নেভাবো। পৰীক্ষাৰ ৰিজাল্টৰ কাৰণেই মাত্ৰ বাটচাই থাকো। কেতিয়াবা একো কাম নেথাকিলে কলেজৰ দিনবোৰৰ কথা সোঁৱৰো। তেতিয়া উপাৰ কথা মনত পৰে।

এদিন উপাৰ এখন চিঠি পালো—

"মৰমৰ ককাইদেউ"

তুমি অভিনন্দন জনাই লিখা চিঠিখন পাই বৰ ৰং পালো। তুমি এতিয়াও মোৰ খবৰ ৰাখিছা দেখিছো। মই আগতে জানিছিলো ফাৰ্ষ্ট ক্লাছ নেপাওঁ বুলি, পোৱা অন্যায়। চেকেণ্ড ক্লাছ যে পালো সেয়ে বহুত। কিন্তু এই অনাৰ্ছ পাই মোৰ কোৰে কাটি আপদ চপোৱাহে হ'ল। পাছেই নকৰা হলে ভাল আছিল। ইয়াত 'মিছে' মোক আৰু পঢ়িবৰ কাৰণে আমেৰিকালৈ পঠাব খুজিছে। মই বাৰু আমেৰিকালৈ গলে মানুহে নেহাঁহিবনে? আজিলৈকে মোৰ বুলি মুৰ সুমুৱাবলৈকে ঘৰ এডোখৰ নাই। এতিয়াও আছি আইতাৰ জুপুৰীটোতে সোমাই আছোহি, কি কৰিম বাৰু ককাইদেউ? 'মিচে' কৈছে 'তুমি যাবই লাগিব'। মই সিদিনা কলো যে মোৰ ককাইদেউক কথাষাৰ সোধো, তাৰ পিছত যি হয় কৰিম।

আনহাতে তাতোকৈ হাঁহি উঠা কাণ্ড। মই যেন হমিয়পেথিক ডাক্তৰৰ ঔষধৰ বাকচ এটাহে, যিহতে খটোৱা যায় তাতে হয়, যি ৰোগেৰে ঔষধ বিচাৰে, তাকে পায়। কোনোবা এখন সভা নে মহাসভাই প্ৰস্তাৱ পাছ কৰি মোলৈ কপি পঠাইছে। তেওঁলোকে হেনো মোৰ বি, এ, পাছ কৰাৰ কথা শুনি বৰ আনন্দ পাইছে। তেওঁলোকে মোক আকৌ ধৰ্ম্মত তুলি লব খোজে, মাত্ৰ মই সম্মতি জনালেই হয়। মোৰ সুধিবৰ মন গৈছে কাক তেওঁলোকে ধৰ্ম্মত তুলি ল'ব খুজিছে— 'চকীদাৰণীৰ জীয়েক' উপাক, নে বি, এ, পাছ উপাক।

"চকীদাৰণীৰ জীয়েকক' কেতিয়াও নহয়, কিন্তু মই যে বি, এ, পাছ নেলাগে, আমেৰিকাত বৰ ডাঙৰ কিবা এটা পাছ কৰি আহিলেও, 'চকীদাৰণীৰ জীয়েক' হৈ থাকিয়ে গৰ্ব্ব-বোধ কৰিম। মোক আকৌ ধৰ্ম কেলেই? বৌতি জীয়াই থাকোতেও তো এই ধৰ্ম আছিল' মই বোৰ্ডিঙৰ চুৱা ভাত খাই হাতৰ ঠাৰি চেলেকিবৰ সময়তোতো এই ধৰ্ম আছিল, কিন্তু বৌতিৰ পৰা ধৰ্মৰ কোনো কাম অহাৰ আশা নেদেখিয়ে বোধকৰোঁ বৌতিৰ খবৰ ধৰ্মই নললে। কিন্তু আজি মই কিবা এটা দৰকাৰী বস্তু। এটা বস্তু, মানুহ নহয়। আজি ধৰ্মই মোক বিচাৰিছে,

কাৰণ আজি মই হাবিৰ মাজৰ কাঠ হৈ থকা নাই, মই আজি মিস্ত্ৰীৰ ঘৰৰ কুণ্ডত দিয়া কাঠ। যি ইচ্ছা পালেং, ড্ৰিসিং টেবিল সাজি আজি সমাজে নিজৰ শোৱা-কোঠা, ড্ৰইং-ৰুম সজাব পাৰে।

অ' দুই এজন চিভেল্‌ৰাছ ডেকাৰ পৰা ইতিমধ্যে বিয়াৰ প্ৰস্তাৱো আহিছে। এই ধৰ্মান্তৰ গ্ৰহণ কৰিলেই মোক বিয়া কৰাবৰ কাৰণে প্ৰস্তুত। মোৰ বৰ হাঁহি উঠিছে ককাইদেউ। বিয়া কৰাব মোক, অথচ মই সলনি কৰিব লাগে মোৰ ধৰ্মটো, তেনেহলে ধৰ্মটো বিয়া নকৰাই মোক মানুহজনীক বিয়া কৰাব খুজিছে কিয়? হিন্দুৱেই হওঁ, মুছলমানেই হওঁ বা খ্ৰীষ্টানেই হওঁ, মইতো নিৰ্জীৱ নামঘৰ বা মছ্‌জিদ বা গীৰ্জ্জাঘৰ নহও, যে মোৰ ওচৰলৈ আহিলে কোনোবাই গা ধুই আহিব লাগিব, বা কোনোবাই অজু কৰি আহিব লাগিব, নাইবা কোনোবাই ক্ৰচ এটা পিন্ধি আহিব লাগিব! মোক তেনে মানুহ হিচাপে কোনোৱে নিবিচাৰে, বিচাৰে কোনোবা এটা ধৰ্মৰ প্ৰতিনিধি হিচাপে।

অ' সকলোলৈকে উত্তৰ দিছো। সকলোকে কৈছো মই ককাইদেউক নোসোধাকৈ একো উত্তৰ দিব নোৱাৰো। এতিয়া তুমিয়ে কোৱা, আমেৰিকালৈ যাম নে, ধৰ্মান্তৰ গ্ৰহণ কৰি স্বৰ্গলৈ যাম? তুমি যিহকে কোৱা তাকেই কৰিম।

বাৰু ককাইদেউ, তোমাৰে মোৰে যিটো সম্বন্ধ, সেইটোৱেই জানো আচল ধৰ্ম নহয়।' ৰক্ত বা সমাজৰ সম্পৰ্কহীন দুটা মানৱ প্ৰাণে যেতিয়া বিনা সংকোচে নিজক ইটোৱে সিটোৰ আগত সম্পূৰ্ণ মুক্ত কৰি দিব পাৰে, সেয়ে জানো প্ৰকৃত মানৱতাৰ সম্পৰ্ক নহয়? অকনো স্বাৰ্থ নোহোৱাকৈ, মানুহক মানুহ হিচাপে বিচাৰ কৰি বুকত সুমাই ল'ব পৰাতকৈ ডাঙৰ আন কিবা ধৰ্ম:যে থাকিব পাৰে মই ভাবিবই নোৱাৰো।

অ' বহুত লিখিলো উত্তৰ দিবা দেই, আমেৰিকালৈ যাম বুলি ভবাত সচাকৈয়ে আনন্দ লাগিছে। যদি যাওঁ, তাৰ পৰাও মই তোমালৈ চিঠি দিম, তুমি উত্তৰ দিবা দেই। মোৰ মৰমৰ ককাইদেউ, মই যোৱাৰ পিছত আইতাৰ অলপ খবৰ ৰাখিবা দেই।

সচাকৈয়ে তোমাক যে মোৰ, 'ককাইদেউ', মৰমৰ 'ককাইদেউ' বুলি ইমান ভাল লাগে!

তোমাৰ মৰমৰ ভনী
—উপা— '

দদাইদেউৰ ছোৱালী কেজনীয়েও উপাৰ চিঠিখন পঢ়িলে. সিহঁতে খুক্‌খুকাই হাঁহিলে। মোৰ খং মুঠিল মই জানো উপা যি প্ৰাণ-ধৰ্মত বিশ্বাসী, সেই ধৰ্মৰ পৰা ইহঁত বহুত দূৰত। ইহঁত শাস্ত্ৰীয় ধৰ্ম, সমাজ-ধৰ্ম আৰু মন্দিৰ, মছ্‌জিদৰ ধৰ্মৰ সন্তান। জীৱন-ধৰ্ম সিহঁতৰ ধৰ্মজগতৰ বাহিৰত।

চিঠিৰ উত্তৰ কেইদিন মানৰ মূৰত দিলো।

*　　*　　*　　*

আমাৰ পৰীক্ষাৰ ৰিজাল্ট ওলাল। ভালকৈ পাছ কৰিছো। চিলং এৰি ঘৰমূৱা হলো। আকৌ কলিকতালৈ যোৱাৰ কিবা এটা দিহাকৰিব লাগে।

উপাই মোৰ পৰীক্ষাৰ খবৰ নিশ্চয় পোৱা নাই, ভাবিলো উপাৰ তাত সোমাই যাম, উপাই ভাল পাব।

গোলাঘাট ষ্টেচনত নামিলো। মালপত্ৰ ষ্টেচনতে এৰি উপাৰ তালৈ খোজ ললো।

মিছন স্কুলৰ কম্পাউণ্ড পাই পোনেই চকীদাৰণীৰ ঘৰটোলৈ খোজ ললো চাৰিউদিশ নিৰৱ যেন লাগিল।

"আইতা" চাপৰ ঘৰটোৰ দুৱাৰ মুখত বৈ মাতিলো। উপাক নেমাতো—বেয়া পাব।

আকৌ এবাৰ মাতিলো, থৰকৃবৰক্ কৰি বুঢ়ী ওলাই আহিল। এবাৰ মোৰ মুখলৈ চালে, যেন মোক চিনিবৰ চেষ্টা কৰিলে, তাৰ পিছত চিনি পাই হঠাৎ বাউলীৰ দৰে মোক সাবট মাৰি ধৰি চিয়ঁৰি উঠিল—"ভাল আহিলি ঐ বোপাই, কাক চাবলৈ আহিলি!"

"উপা ক'ত? গ'লেই নেকি?

"উপা? ক'ৰ আৰু উপা আছে অ' বোপাই, তাই গ'লগৈ, তাই গলগৈ ঐ বোপাই।"

বুঢ়ীৰ কান্দোনৰ অৰ্থ মই নুবুজিলো।

কান্দোন শুনি বৰ্ডিঙৰ ছোৱালীবোৰ কাষ চাপি আহিল। "উপা কলৈ গ'ল ?"—ছোৱালী এজনীক সুধিলো। কন্দনামুৱা হৈ ছোৱালী-জনীয়ে ক'লে – "কালি ঢুকাল।"

"কি ?" বজ্ৰাহতৰ দৰে মই বৈ গলো।

"টাইফয়দ্ হৈছিল, নেবাচিল।"

মোৰ মূৰটো ঘূৰাব ধৰিলে, বননিতে মই বহি গ'লো। বুঢ়ীয়ে কিন্তু বহিবলৈ নিদিলে, হাত এখনত ধৰি টানি টানি ক'লে—"উপাক চাবলৈ আহিছ বোপাই। আহ সৌজনী তাই তাতে শুই আছে"

নতুন কবৰটোৰ কাষ নোপোৱালৈকে বুঢ়ীয়ে মোৰ হাতখন এৰি নিদিলে।

উপাৰ নতুন কবৰটোৰ কাষত ঠিয় দিয়াৰ লগে লগে জৰ্‌জৰ্ কৰে মোৰ চকুৰ পানী বাগৰি আহিল। সকলোৰে আগতে মই হাও হাও কৈ কান্দি দিলো। মোৰ বুকুখন যেন ভাগি গুৰি হৈ গৈছে। পৃথিবীখন যেন এটা ভীষণ ভুঁইকপৰ জোকাৰত পাতালৰ তললৈ খহি গৈছে।

'মিছ্' আহি মোৰ কাষতে ৰলহি।

বুঢ়ীয়ে আকৌ হাও হাও কৰে কান্দি চিঞৰি উঠিল—'উপাই যাবৰ সময়লৈকে তকৃতকাই আছিল। খালি, 'ককাইদেউ অ' 'ককাইদেউ অ' কৰিয়ে গল! মৰিবৰ আগে আগে মোৰ মূৰটো মুখৰ ওচৰলৈ টানি নি কলে—"আইতা ককাইদেউলৈ মোৰ ইমান মৰম লাগে।" আৰু একো কব নোৱাৰিলে, মাত বন্ধ হৈ গল। উঃ।"

মোৰ ৰুদ্ধ কণ্ঠ ভেদ কৰি চিৎকাৰ ওলাই আহিল—"উপা" কেঁচা কবৰটোৰ পৰা কোনো প্ৰতিধ্বনি নাহিল।

"কবৰৰ ওচৰত কান্দিব নেপায়" সান্ত্বনা দিয়াৰ সুৰতে 'মিছে' ক'লে তাৰ পিছত সুধিলে --উপা আপোনাৰ কি হয় ?"

মই মূৰ ডাঙি চালো—হঠাৎ চিয়ঁৰি উঠিলো—"উপা, উপা মোৰ ভনী, মোৰ ভনী—উঃ উপা—"

———

# কবিতাৰ জন্ম

ওখ ৰাজ-অট্টালিকাটো। ওপৰৰপৰা চকুত পৰে দক্ষিণৰ তিনি মাইল দূৰৰ পাৰশ্য উপসাগৰৰ অসীম ব্যাপ্তি—তাৰ নীল পানীবোৰ সিপিনে বহুত দূৰত, চকুৰে নেদেখাত, দিগন্তৰ লগত মিলি গৈছে—কোমল, অসীম নীলা!

আকাশৰ নীলাবোৰ দূৰণিৰ পৰশত গলি গলি সাগৰৰ নীলা বুকুত জৰি পৰিছে। সিহঁতৰ মিলনৰ সীমাৰেখাত দিগন্তৰ ছাঁ-পোহৰে এখন মায়াৰ ধুঁৱলি-কুঁৱলী আৱৰণ তৰি দিছে।

অসীম দূৰণি আৰু নীলা—আৰু একো নাই!

অট্টালিকাৰ ওপৰৰপৰা উত্তৰ-পূবলৈ দেখা যায় ৰাজনগৰৰ ৰং-বিৰঙৰ ঘৰ-বাৰীবোৰ। শাৰী-শাৰী ঘৰবোৰৰ মাজেদি দীঘল বেঁকা আলিবাটবোৰ অকাই-পকাই গৈ ক'ৰবাত নেদেখা হৈ গৈছে। সৰু সৰু পৰুৱাৰ দৰে লানিয়ে-লানিয়ে মানুহবোৰ অহা যোৱা কৰিছে। মানুহবোৰ নেদেখি—মাত্ৰ দেখা যায় সিহঁতৰ অহা-যোৱা কৰাবোৰ।

সিহঁতৰ ব্যস্ত কোলাহলৰ শেষ কঁপনিটো বতাহত উটি আহি ৰিণিকি ৰিণিক কাণত পৰেহি, কিন্তু সি অট্টালিকাত কোনো উকমিৰ সৃষ্টি কৰিব নোৱাৰে। বহুত দূৰত মছ্‌জিদৰ ওখ মিনাৰ এটা দেখা যায়,—তাৰপৰা মোৱজ্জেনৰ আজান ধ্বনি বতাহত ওপঙি আহে।

প্ৰাসাদৰ উত্তৰ-পশ্চিম ফালে, বহুত দূৰ দেখা যায় ধূসৰ উচ্চ এল্‌বাৰ্জ পৰ্ব্বতৰ শাৰীবোৰ। ৰ'দত তাৰ কিৰীটিৰ বগা তুষাৰবোৰ গলি গলি বাগৰি আহে। নিজৰি বাগৰি অহা তুষাৰমালাৰ শিলত ঠেকেচা খোৱা বগা ছিটিকনিবোৰত ৰ'দৰ জিলিঙনি পৰি তিৰ বিৰাই উঠে।

তাৰ পিছত—এটা সৰু নিজৰা—পৰ্ব্বতৰ বুকুৰপৰা অকাই-পকাই

বাগৰি আহিছে। কেতিয়াবা পৰ্ব্বতৰ শেলুৱা শিলত খুন্দা খাই তাৰ পানীবোৰ ওফন্দি উঠি, সোঁত ভাগি জিৰ্ জিৰ্ কৈ সৰি পৰিছে। তাৰ সেই মৃদু শব্দটো বতাহত কঁপা গছৰ পাতৰ শব্দৰ লগত মিহলি হৈ আহি যেন কেতিয়াবা অট্টালিকাটোৰ জালিকটা ৰঙা আইনাৰ খিড়িকীৰ কলপতীয়া পৰ্দ্দাবোৰৰ আঁচলৰ কঁপনিটোত ভাহি উঠি বাগৰি যায়।

নিস্তব্ধ, দুপৰ নিশা—নগৰৰ জনকোলাহল নিশাৰ বুকুত হেৰাই যোৱাৰ পিছত মাথোঁ। শুনা যায়—এই নিজৰাটোৰ অবিৰাম কুলু কুলু সুৰ আৰু তাৰ সুৰত কান্দি উঠা, এলৱাজত খুন্দা খাই ঘূৰি অহা দক্ষিণ সাগৰৰ বতাহ জাকত এটা শীতল শিহৰণৰ মুখৰ মৌনতা।

পৰ্ব্বতটোৰ নামনিত সেউজীয়া বহল বননি—সিপিনে দূৰত নীলা—তাৰো দূৰত ধূসৰ হৈ গৈছে। বননিখনৰ একাষে এখন কিচ্‌মিচৰ বাগিচা।

সাগৰৰ বতাহজাকে যেন ইয়াৰ কেঁচা কিচমিচবোৰৰ ৰস চুহিবৰ কাৰণেই বাৰে বাৰে আহি সিহঁতৰ গাবোৰ জোকাৰি যায়।

অট্টালিকাৰ চৌধাপত বুকুৱা ওখ শিলৰ প্ৰাকাৰ—চাৰিওফালৰপৰা অট্টালিকাটো দৃঢ়ভাৱে বেৰা। ঠিক সো-মাজতে শিলৰ প্ৰকাণ্ড সৌধটো, পৃথিৱীৰ শ্ৰেষ্ঠ ভাস্কৰে নিজ শক্তি আৰু কল্পনাৰ সকলো সৌষ্ঠৱ দি ইয়াক গঢ়ি তুলিছে। বগা মাৰ্ব্বলৰ মাজে মাজে একোডোখৰ নীলা, ৰঙা মাৰ্ব্বল। দুৱাৰৰ চৌকাঠবোৰ জাংফাই শিলেৰে সজা। সুউচ্চ তিনিমহলাৰ ওপৰত "ছাদ" তাৰ চৌদিশে এবুকুৱা ওখ শিলৰ "পাৰাপেট্"। কেইজোপামান সেউজীয়া আঙুৰৰ লতা তলৰপৰা বগাই ওপৰৰ "ছাদ' ত উঠিছেগৈ।

লতাবোৰ কোমল। পাষাণৰ বুকুত মৰম বিচাৰি সিহঁতে নিৰস সৌধটোৰ ভিভিত মেৰিয়াই ধৰিছে। সিহঁতৰ চিৰশ্যামল আকাঙ্ক্ষাবোৰ সেউজীয়া হৈ ডালে পাতে বিৰিঙি পৰিছে।

তলত —।

অট্টালিকাটোৰ সন্মুখত এখন বহল ফুলনি—গোলাপ, নাৰ্জী, ছামেলি, "বছ্‌ৰা ৰাণী" আদি সুগন্ধি ফুল আৰু নানা বৰণৰ সৰু সৰু সেউজীয়া লতা। শাৰী শাৰীকৈ ৰোৱা এই ফুলবোৰৰ মাজে মাজে সেউজীয়া ঘাঁহনি। সিহঁতৰ ওপৰত ফুলৰ চুপহিবোৰ ছিগি ছিগি সৰি পৰিছে। লতাবোৰ বগাবৰ কাৰণে মাজে মাজে একোটা অনুচ্চ জালিকটা শিলৰ খুটা, সিহঁতক লতাবোৰে তেনেই সাৰটি ঢাকি ধৰিছে। উদ্যানৰ মাজতে এটা কৃত্রিম নিজৰা—তাৰ পৰা সুগন্ধি পানী জিৰজিৰকৈ অনবৰত নিয়ৰৰ দৰে পৰিব লাগিছে। কজলা শিলেৰে বন্ধোৱা নিজৰাটোৰ পাৰত কেইটামান খটখটি পানীলৈকে নামি গৈছে। চৌধাপৰ জালিকটা পকা ঘেৰটোত আঙুৰ আৰু অন্যান্য লতাৰ পাতল জাল। অট্টালিকাৰ পিছফালে এটা বহল সৰোবৰ,---ফটিকৰ ধাৰ যেন পৰিষ্কাৰ পানীৰ মাজত ৰঙা পদুমবোৰৰ গৰৱী পাহীবোৰ বতাহত ঢলি পৰে।

সেইটো ৰাজ অট্টালিকা।

অট্টালিকাৰ চৌধাপৰ বাহিৰত পশ্চিমফালে এটি সৰু ঘৰ। তাৰ চাপৰ থাপৰিৰ চাল কেইখন আঙুৰ লতাবোৰে ঢাকি ধৰিছে। চোতাল-খনত কোমল কেঞ্চাবন।

বনবোৰ সেউজীয়া।

বাচুলা, চেনা আৰু লোৰ সৰু হাতুৰিটো ভিতৰলৈ দলি মাৰি থৈ মানুহটো তাৰ জুপুৰিটোৰ বাৰান্দাত বহিল। ওপৰৰপৰা নামি অহা সোণ-বৰণীয়া আঙুৰৰ লতাডাল আহি তাৰ গালেদি বাগৰি গ'ল। সি আকৌ এবাৰ লতাডাল টানি আনি তাৰ গালত বৰ মৰমেৰে সানি ললে। সুঠাম লতাডালৰ পৰশটো যেন তাৰ বৰ মিঠা লাগিল।

সেইটো তাৰ বহা।

মানুহটো কৃশ—অলপ দীঘল; চুলিবোৰ দীঘল—কেকোৰা। হাত-ভৰিবোৰ লাহী। আঙুলিবোৰ দীঘল, জোঙা। তাৰ বৰণ ৰঙা। অলপ শুকান গাল দুখনত এটা পাতল ৰাঙলী আভা। কামৰ

পৰা উলটি অহা তাৰ ক্লান্ত শৰীৰটোৱে তাক বৰ ধুনীয়া দেখি। তাৰ গাত এটা পাটৰ দীঘল চোলা। ডিঙিত এখন পাটৰ কোমল গামোচা। তাৰ ঢিলা পাটৰ পাঞ্জাবীটো ধূলি লাগি অলপ মলিন হৈছে।

সি তাতে বহি ৰ'ল। আবেলিৰ ৰঙা পোহৰবোৰ অট্টালিকাৰ ওপৰৰ আঙুৰৰ লতাবোৰৰ গাত পৰিলহি। লতাপাতৰ সেউজীৰ মাজত লুকাই থকা সিহঁতৰ কেঁচা সোণৰ বৰণটো জিলিকি উঠিল। বেলিৰ ৰঙা পোহৰবোৰ যেন কঁপি কঁপি আঙুৰ লতাবোৰৰ মাজলৈ সোমাই গৈছে, আৰু তাৰ পৰশত সিহঁতৰ জীৱনৰ কুমলীয়া অণুবোৰ উৎফুল্ল হৈ উঠিছে।

নির্ণিমেষ চকুৰে সি সেইফালে চাই ৰ'ল। অট্টালিকাটোৰ সিপাৰৰ পাতল মেঘে-ঢকা ওখ নীলা আকাশখন তাৰ চকুত পৰিল। সেইফালেই চাৱনিখিনি বিলাই দি সি বহি থাকিল।

অট্টালিকাৰ ৰঙা, নীলা পাথৰবোৰতো ৰ'দ পৰেহি।

অট্টালিকাৰ ওপৰৰ ছাদৰ ওপৰত বাগৰি ফুৰা আঙুৰৰ শ্যামল পাতবোৰৰ মাজত এখন মুখ দেখা গ'ল। এখন ৰঙা উজ্জ্বল মুখ, এযুৰি আয়ত তেজাল চকু, আৰু একোচা দীঘল কেকোৰা চুলি। সি চাই ৰ'ল। সেই চকু যুৰিৰ দুৱাৰত যেন অনন্ত ভাষাই জীৱনৰ উচ্ছল মদিৰাৰে মুক্ত-ধাৰাৰ দৰে মুখৰিত হবলৈ বাট বিচাৰি ফুৰিছে।

আবেলিৰ ৰ'দত জিলিকি উঠা কাণৰ হীৰাৰ সৰু পার্চী-দুলবোৰ চুলিবোৰে মাজে মাজে উৰি আহি ঢাকি ধৰিছেহি। মুখৰ জীৱন্ত বাঙলী আভাবোৰ সেন্দুৰী গাল দুখনৰ ওপৰত বিয়পি পৰিছে। এটা কোমল লাৱণ্য চকুৰ গুৰিৰ বেছি ৰঙা দুকণিৰপৰা যেন নিগৰি পৰিছে। ধুনীয়া ঠোঁতৰিটোৰ ওপৰত এটা কমনীয় আভা, ৰ'দৰ ৰঙা পোহৰত অপৰূপ হৈ উঠিছে।

আৰু সেই চকু দুটা—গাঢ় নীলা, কোমল চকু দুটা—তাৰ মাজত যেন অসীম বিশ্ব লুকাই গৈছে, সিহঁতৰ দৃষ্টিৰ বুকুত যেন সৃষ্টিৰ অতল মাধুৰী গোপনে হেৰাই গৈছে। তাৰ হাঁহো-হাঁহো সজল কোমলতা-

খিনিত যেন বিশ্ব-স্রষ্টাৰ সৌন্দৰ্য্য-সম্ভাৱনাৰ শেষ পূৰ্ণতাখিনি থুপ খাই বিকশি উঠিছে…………

চুলিৰ সেই কোমল ঢৌবোৰৰ মাজত লাৱণ্যসনা সৌন্দৰ্য্যৰ যেন অভিসাৰ আয়োজন।

আৰু মুখখন—মানুহৰ হাতত দি যোৱা সেই কোনোবা সুমসৃণকৰ পোহৰ খিনি,—সেই মুখখন—যেন মানৱ দৃষ্টিৰ বহুত দূৰৰ, জাগতিক বাস্তৱৰ বহুত আঁতৰৰ এটা সপোন-পাৰৰ স্বপ্নকথা তাৰ নিজত্ব আছে, কিন্তু তুলনা হয়তো নাই। চাব পাৰি, অনুভৱ কৰিব পাৰি, কিন্তু বিবেচনা কৰিব নোৱাৰি। তাৰ প্ৰকাশৰ ভাষা, তাৰেই সৌন্দৰ্য্যৰ বুকত হেৰাই গৈছে।

গাভৰুৱে 'পাৰপেট'ৰ ওপৰত বগাই ফুৰা আঙুৰত হাত দুখন দি দূৰলৈ কিবা এটা চায়—তাৰ সেই জুপুৰিটোৰ ফালে। তাৰ চকুত পৰে এটা বগা, সৰু ডিঙিত এডাল সৰু হাড়—ৰ'দত জলমলাই উঠিছে। কিন্তু দুষ্ট বেলিৰ পোহৰটোৱে হয়তো হাৰ ডালৰ সৌন্দৰ্য্যক লাজ দিবলৈকে বেছি ৰক্তিম লাৱণ্য মুখখনিত সানি দিছে।

আঙুৰ-লতাৰ দৰে গাভৰুৰ সোণবৰণীয়া হাত দুখনে ৰতাহে উৰুৱাই নিয়া জীয়া পাখী যেন পাতল, আকাশী ৰঙৰ 'ক্ৰিবাণ' খন টানি আনি বুকুখন ঢাকি ললে।

সি দেখে—সি চাই থাকে। সি মাতিবলৈ, কথা কবলৈ, অনুভৱ কৰিবলৈ পাহৰি যায়। মাথোন সি চাই থাকে—চাই থকাৰ কথা পাহৰি গৈ সি চাই থাকে।

কেতিয়া গাভৰু অদৃশ্য হৈছে, তাৰ গম সি নেপায়। গধূলিৰ আন্ধাৰে পৃথিৱীখন ছাটি ধৰে। আঙুৰ লতাবোৰৰ ওপৰত ধীৰে ধীৰে আন্ধাৰৰ আৱৰণখন খহি পৰে। তাৰ চকুৰ দৃষ্টিখিনি আন্ধাৰে আহি কাঢ়ি লৈ যায়। এটা হুমুনিয়াহেৰে সি জুপুৰিটোৰ ভিতৰলৈ সোমাই যায়।

তাৰ মমডাল সেই নিশা নজ্বলিল।•

* * * *

কাবেওৰ গাভক ৰাজকন্যা—ৰজাৰ একমাত্ৰ জীয়াৰী। অকলে ইয়াত থাকে—নিৰ্জ্জন সাগৰ-উপকূলৰ এই ৰাজহৰ্ম্ম্যত। মালী-মালিনী, দাস-দাসী, আঙুৰ-ফুল, নিজৰা, সৰোবৰ, উদ্যান, সৌৰভ-আৰু জীৱনৰ প্ৰাচুৰ্য্য!

আৰু বাহিৰৰ সেই জুপুৰিটো।

সি এটা খনিকৰ—ভাস্কৰ। পাষাণত হাতুৰি-চেনাৰে সি দিয়ে জীৱনৰ অভিব্যক্তি–ৰূপ ৰহণ। নিৰ্ব্বাক, নিশ্চল, প্ৰাণহীন শিলবোৰ তাৰ সৰু আঙুলি কেইটাৰে সি জীৱন্ত, প্ৰাণময় কৰি তোলে। তাৰ ৰূপ-সপোনৰ কল্পনাবোৰ থুপ খাই খাই তাৰ সৃষ্টিৰ মাজত সোমাই পৰে। শিলৰ ওঁঠত—পাষাণৰ চকুত হাঁহি বিৰিঙি উঠে। পাথৰৰ ফুলত সৌৰভৰ আভাস বিয়পি যায়। প্ৰকৃতিৰ ফুল মৰহি যায়, পাহি সৰি যায়, কিন্তু তাৰ ফুল—সি চিৰন্তন—তাৰ পাপৰি কালৰ বতাহে ছিঙি দিব নোৱাৰে। বিধাতাৰ লগতেই যেন তাৰ সৃষ্টিৰ প্ৰতিযোগীতা!

প্ৰাণৰ সৌন্দৰ্য্যবোধ, চেনা, বাচুলা আৰু হাতুৰি—তাৰ সৃষ্টিৰ আহিলা।

আৰু কঠিন শিলবোৰ।

সি নতুনকৈ আহিছে। ৰাজধানীত ৰজাৰ নতুন ৰাজপ্ৰসাদত সি কাম কৰে। সাধাৰণ কাম। আৰু বহুত ৰাজমিস্ত্ৰী আছে। সি মাত্ৰ এটা সাধাৰণ খনিকৰ।

মমডাল নজ্বলোৱাকৈয়ে তাৰ বহা ঠাইতে সি শুই থাকিল গোটেই ৰাতি।

পিছদিনা। পুৱাতে সি কামলৈ যায়, হাতত তাৰ হাতুৰি, চেনা আৰু বাচুলাখন। কিন্তু আজি তাৰ কামত মন নবহে। শিল এডোখৰৰ ওপৰত চেনাটো বহুৱাই লৈ সি তাৰ সৰু হাতুৰিটোৰে তাৰ মূৰত মাৰে; কিন্তু তাৰ অমনোযোগিতাতেই নে কিয়, শিল ভাগি এৰাই যায়। হাতুৰিৰ মাৰ তাৰ হাতত পৰেহি। তাৰ একো কৰা নহয়।

'আজি মোৰ একো নহৱ' সি তাৰে নিজ হাতে কাটি উলিওৱা মূৰ্ত্তি এটাত ভেঁজা দি বৈ ভাবে আৰু তাৰ চেনাটোৰ মুখটো চায়। আগদিনাৰ দৰে আজিও ভাত চোক আছে—কিন্তু...........

সি আকৌ চেনা-হাতুৰি তুলি লয়, কিন্তু আজি শিলডোখৰেই কিবা চনকা হৈ গ'ল হব'লা। হাতুৰিৰ কোবচেনাতপৰে—চন্ চন্ কৈ শিলবোৰ এৰাই যায়। কিবা এটা দুখত সি বহি যায়। নোৱাৰাৰ কিবা এটা বিফলতাত তাৰ নিজৰ ওপৰতে খং উঠিব খোজে। অসামৰ্থ্যৰ এটা বিষাদে তাৰ মনটো আগুৰি পেলায়। সি জানো আজি আগৰ মানুহটো নাই? কি নাই? কোনে এই পৰিৱৰ্ত্তন আনি দিলে? কিবা এটা তাৰ মনত পৰে। সি চেনা-হাতুৰি লৈ কাম এৰি তাৰ জুপুৰিটোলৈ বেগ দি ঘূৰি আহে।

দুপৰৰ ৰ'দবোৰ গলি-গলি অট্টালিকাটোৰ ওপৰত সপি পৰিছে। নগৰৰ জনকোলাহল ইয়াৰ নিস্তব্ধতাৰ মাজলৈ প্ৰবেশ কৰিব পৰা নাই। চৌদিশ নিস্তব্ধ, নীৰৱ। আঙুৰবোৰ জঁয় পৰি গৈছে। আকাশৰ বুকুত তাৰৰবোৰ পাতল হৈ বিয়পি পৰিছে।

অট্টালিকাৰ পিছফালৰ সৰোবৰটোত ৰাজ-কুমাৰীয়ে গা ধুইছে, সি দেখে। তাৰ চেনা-হাতুৰি সি নজনাকৈয়ে তাৰ হাতৰপৰা খহি পৰে। লাজ পাহৰি, বিবেক পাহৰি, ভয় পাহৰি, মনুষ্যত্ব পাহৰি সি চাই ৰয়। সৰোবৰৰ পানীৰ কজলা বৰণৰ লগত কুমাৰীৰ গাৰ তেনেই পাতল কজলা আৱৰণখিনি অদৃশ্য হৈ গৈছে। মাত্ৰ দেখা যায়—এটা বগা সুঠাম গা, গাৰ ওখ-চাপৰ ৰেখাবোৰক পৰশি যোৱা পানীৰ ছিটিকনিবোৰ, আৰু নিজক উটাই দি ওপঙি থকা গাভৰু ৰাজকুমাৰীৰ লৱনু অবয়বটো। কেতিয়াবা চুলিবোৰ আহি বুকুখন ঢাকি ধৰিছে। কেতিয়াবা আকৌ সৰোবৰৰ ফুলিব-খোজা পদুম-কলিবদৰে ৰাজকুমাৰীৰ ওখ বুকু দুটি এৰি চুলিবোৰ আঁতৰি গৈছে।

কঁকালৰ জিলজিলীয়া পাতল কাপোৰডোখৰো যেন গাত নৰব। সি চাই ৰয়। কি কৰিছে সি নিজেই কব নোৱাৰে। সৰোবৰৰ পৰা

উঠি ৰাজকুমাৰীয়ে সাজপাৰ সলায়,—এটা মুহূৰ্তৰ কাৰণে সি দেখে ৰাজকুমাৰীৰ গোটেই মানুহজনী! তাৰ পিছত—নতুন সাজপাৰে ৰাজকুমাৰীৰৰ ধুনীয়া গাটো ঢাকি ধৰে।

পখিলাজনীৰ দৰে লৰি আঁচল উৰাই ৰাজকুমাৰী আন্ধাৰলৈ সোমাই যায়। আৰু সি?

* * * *

আবেলি। আগদিনাৰ দৰে বেলি আকৌ এল্‌বাৰ্জ পৰ্ব্বতৰ দক্ষিণৰ ফালে ঢলি যায়। আকৌ এবাৰ শেষ বাৰৰ কাৰণে এল্‌বাৰ্জৰ টিঙৰ শুকুলা বৰফবোৰ জিল্‌মিলাই উঠে। আঙুৰবোৰে সোণালী ৰহণ গাত সানে।

ফুলনিলৈ সোমাই আহি ৰাজকুমাৰীয়ে শুই থকা হৰিণাজনীক জগাই দিয়ে। গাত টুপুৰকৰে চৰ এটা মাৰি দি কয়—'আঙুৰ খাবি?'

হৰিণাজনীয়ে মূৰটোৰে ৰাজকুমাৰীৰ ভৰিত খুন্দিয়াই দিয়ে।

আজিও ৰাজকুমাৰীৰ গাত আন দিনাৰ দৰে পাতল সেউজীয়া বৰণৰ সাজ—ভৰিৰ ফুলকৰা বহল পায়জামাটো; গাত দীঘল একেবৰণৰ একেকাপোৰৰ আভৰণ। কাপোৰবোৰ যেন পৰী সূতাৰেহে বৈছে—ইমান পাতল! ঈষৎ পাতলা, নীলা ফিৰাণখন বুকুৰপৰা বতাহে উৰুৱাই লৈ গৈ গোলাপৰ কাঁইটত লগাই দিয়ে। আগবাঢ়িব খোজা ৰাজকুমাৰীৰ কাপোৰ টানখাই গোটেই বুকুখন ওলাই পৰে। সাজপাৰৰ পাতল আৱৰণ ভেদি যেন বিশ্বৰ পুঞ্জীভূত সৌন্দৰ্য্যৰাশি প্ৰকাশ বিচাৰি চঞ্চল হৈ উঠে। তাত যেন মাতৃত্বৰ আয়োজনৰ কোনো আভাস নাই, উদ্বেল, উচ্ছল যৌৱনৰ অনাবিল বিকাশৰ মাধুৰী—জীৱনৰ পূৰ্ণতাৰ অভিব্যক্তি!

নিজেই লাজ পাই উঠাৰ দৰে হৰিণাজনীৰ মুখখনত ধৰি ৰাজকুমাৰীয়ে হাঁহি কয়—'এই গোলাপ ফুলবোৰৰ কাঁইটবোৰ আৰু! উঘাল নাইকিয়া

কৰি পেলাব লাগে নহয় ?' হৰিণাক্ষীয়ে আঙুৰৰ পাতবোৰ চেলেকে মাত্ৰ। তাৰ পিছত হৰিণাক্ষীক তাতে এৰি তেওঁ বঙা, বগা গোলাপ ফুলবোৰ ডালে সৈতে ছিঙি বুকুৰ মাজত সুমুৱাই লয়। ফুলৰ কোমল পাহিবোৰ যেন বুকুত লাগি শিঞৰি উঠে! ফুলৰ হাঁহিটো ৰাজকুমাৰীৰ ওঁঠৰ হাঁহিটোৰ মাজত ক'ৰবাত হেৰাই যায়।

ফুলবোৰ কিমান ম্লান!

তাৰ পিছত ৰাজকুমাৰী বননিত বহে। সেউজীয়া কেঁচা বনবোৰত গাটো উঠাই দি দীঘল দি শোৱে আৰু এপাহ এপাহকৈ কোচৰ ফুলবোৰ ঝৰণাটোৰ পানীলৈ দলিয়াই দিয়ে। দুপাহমান ফুল চুলিত গুজি লয়, আকৌ সোলোকাই পেলায়, তাৰ পিছত ঝৰণাটোৰ পাৰলৈ আহি তললৈ পেটপেলাই মাৰ্ব্বলৰ চেঁচা পাৰটোত শুই পৰে আৰু এনেই পানীবোৰ ওপৰলৈ ছটিয়ায়। ঢিলা কাপোৰবোৰ ওলমি গৈ ওলাই পৰা বগা বুকুখনৰ প্ৰতিচ্ছবিটো ঝৰণাৰ নিৰ্ম্মল পানীত কঁপি উঠে। মূৰৰপৰা দুডালমান চুলি ওলাই গালেদি বাগৰি গৈ ঝৰণাৰ পানী ছোৱেগৈ।

নিশাৰ ক'লা চুলিবোৰ আকাশৰ গালেদি বাগৰি আহি ধীৰে ধীৰে পৃথিৱীক ছোৱেহি। ঝৰণালৈ পেলাই দিয়া গোলাপ এপাহ হাত মেলি তুলি লৈ ৰাজকুমাৰী লাহে লাহে প্ৰাসাদলৈ সোমাই যায় গৈ।

শিল্পী খনিকৰ চকুৰ আগত সেই নিশা জ্বলি উঠিল এডাল নতুন মমৰ পোহৰ। তাৰ নিজৰ মমডাল আৰু তাৰ জ্বলাবৰ ইচ্ছা নহল।

সেইৰাতি তাৰ ঘৰৰ আন্ধাৰবোৰ সি দেখা পোৱা এটা নতুন পোহৰেৰে ভৰি ভৰি পৰিল।

* * *

ভাবিব নোৱাৰা কিবা এটা ভাব লৈ সি পিছদিনা আকৌ কামলৈ যায় তাৰ চেনা, বাটুলা আৰু হাতুৰিটো লৈ। আগদিনাৰ সেই তাৰ চেনাত কোবত ভাগি এৰাই থোৱা আঁকজা শিলডোখৰত বহি সি কিছুপৰ থিয় দি থাকে। আকৌ কিবা ভাবে এনেয়ে; একো নকৰাকৈয়ে তাৰ কপালৰ ঘামবোৰ বৈ আহে। আজিৰ ৰ'দটো কালিতকৈয়ো চোকা

হৈছে ওলাইছে হ'বলা! সি ঘামবোৰ তাৰ থুতৰিটোৰ পৰা মোহাৰি মোহাৰি ভাবে। তাৰ হাত ভৰিবোৰ আজি বৰ অচল লাগে! তাৰ শক্তি যেন বহুত কমি গৈছে! তাৰ বেয়া লাগে। সদায়, সহজে, মৰিয়াই শিলৰ বুকুত ৰূপ দি আহিছে সি, সিয়ে কাটি উলিওৱা সেইবোৰ শিলৰ স্তম্ভ। সিয়ে তাৰ এই দুখন হাতেৰেই কটা। কিন্তু আজি তাৰ শক্তিখিনি যেন একেবাৰেই নাইকিয়া হৈ গৈছে।

সি আকৌ বহে। সি আৰু তাৰ দৰে ভাস্কৰবোৰে সাজি উলিওৱা সেই প্ৰাসাদটোৰ কাৰু-কাৰ্য্যবোৰ এবাৰ চায়—সেইবোৰ যেন তেনেই শুকান—ক'তো যেন প্ৰাণ নাই, অনুভূতি নাই, জীৱনৰ প্ৰতিৰূপ নাই, সৌন্দৰ্য্যৰ অভিব্যক্তি নাই। ফুল-কটা, জালিকটা সেই শিলবোৰ যেন সাধাৰণ শিলতকৈয়ো বেয়া হৈ পৰিছে। এই ফুল-জালিবোৰে যেন সিহঁতক কদৰ্য্য আৰু কুৰূপ কৰি তুলিছে।

সি অতিষ্ঠ হৈ উঠে, থিয় দি বাহিৰৰ ফালে চায়, ৰ'দ। ৰ'দৰ পোহৰত যেন পৃথিবীখন গলি যাব। দূৰত, বহুত দূৰত তাৰ চকুত-পৰা ৰাজকুমাৰীৰ সু-উচ্চ প্ৰসাদটো তাৰ গাত মেৰাই থকা, দেখা-নেদেখা, আঙুৰৰ জঁয় পৰি যোৱা লতাবোৰ আৰু তাৰ সিপাৰে সেই ধুনীয়া নীলা আকাশখন ৰ'দৰ পোহৰত যেন বহল হৈ আৰু দূৰলৈ আঁতৰি গৈছে।.........

কিন্তু আজি সি কাম কৰিব লাগিব। কালি তাৰ একো কাম হোৱা নাইকিয়া। এই বগা শিলডোখৰত সি তাৰ সৃষ্টিৰ বহণবোৰ সানি দিব লাগিব। তাৰ বুজি-নোপোৱা ভাৱবোৰক সি ৰূপ দিব লাগিব অভদিন সি যেনেকৈ কৰি আহিছে।

চেনাৰ মূৰটো শিলডোখৰত থৈ সি হাতুৰিৰ কোব এটা মাৰিলে। আকৌ চন্ কৰি এডোখৰ শিল এৰাই গ'ল। সি বৈ গ'ল। তাৰ বেয়া লাগিল তাৰ কান্দিবৰ মন গ'ল। কিয়? এই শিলডোখৰ বেয়া নেকি? নহয় ইয়াত আৰু তাৰ নহব!

একো নেভাবি সেই থিয় হৈ থকা গধুৰ চেঁচা শিলভোখৰ সি কান্ধত তুলি ললে আৰু তাৰ জুপুৰিটোৰ ফালে বেগ দিলে।

আজি সি নিজমনে তাৰ ঘৰত বহি স্তম্ভ কাটি উলিয়াব।......

ঘৰৰ আগৰ বননিখনত ঘুপুহ কৰে শিলাভোখৰ পেলাই সি পৰি যায়। দুপৰৰ ৰ'দ, শিলৰ গধুৰ ভাৰ, আৰু তাৰ শৰীৰৰ দুৰ্ব্বলতাই তাক সংজ্ঞাহীন কৰি পেলায়।

কিন্তু তাৰ মনত আছে—কৰ্ত্তব্যলৈ মনত আছে। সি সংজ্ঞা ঘূৰাই পায়। সি উঠি বহে। তাৰ চকুত পৰে আঙ্‌ুৰে মেৰিওৱা ৰাজকুমাৰীৰ অট্টালিকাটো। সি ওপৰলৈ চায়—

ওপৰৰ তিনিমহলাত দুৱাৰ-খিড়িকী মেলি দি ৰাজকুমাৰী শুই আছে। দূৰৰ দক্ষিণ সাগৰৰ বুকুৰপৰা এজাক বতাহ আহি ৰাজকুমাৰীৰ গাল-মুখ পৰশি ওলাই গৈছে।

সি চাই ৰয়। ৰাজকুমাৰীৰ আবেশ-সনা মুদ খোৱা চকু দুটা দীঘল চেলাউঁৰিযোৰৰ তলত যেন কেনেকুৱা হৈ উঠিছে। ধৰ্কধকীয়া মুখখন ঈষৎ গৰম লাগি, পকা আঙ্‌ুৰৰ ৰঙা ৰহণবোৰ যেন তাৰ ওপৰত বিয়পি পৰিছে। কেকোৰা, কোমল চুলিবোৰ বতাহে উৰাই উৰাই নিছে। আৰু একো চকুত নপৰে, বহল দুৱাৰখনেদি ওলাই থকা সিমানকে সি দেখে। অভিভূতৰ দৰে সি চাই ৰয়। ৰাজকুমাৰীৰ গোটেই মুখখনত, চুলিকোচাত আৰু বতাহে মলচি যোৱা কোঠাটোৰ গোটেই পৰিস্থিতি-টোত, আনকি উষ্ণ ৰ'দত কোমল হৈ পৰা গোটেই পৃথিৱী খনত যেন কি এটা তন্দ্ৰাতুৰ আবেশ—এটা স্মৃতি-হেৰোৱা সপোন, এটা বিয়পি পৰা পৰীৰ দেশৰ কল্পনা।

তাৰ চকু যেন আৰু তাৰপৰা সি ঘূৰাই আনিব নোৱাৰে।

"এইটো ঠিক এইটো মূৰ্ত্তিকে মই জীয়াই ৰাখিব লাগিব, চিৰজীৱন অনন্তকাল" হয়তো সি, নহলে তাৰ ৰূপস্ৰষ্টা মানুহটোৱে হাতুৰি-চেনাক নীৰৱে কয়!

স্থিৰ-প্ৰতিজ্ঞ দৃষ্টিৰে সি আকৌ এবাৰ ৰাজকুমাৰীৰ সপোনসনা ওঁঠত লাগি থকা পাতল মিচিকিটো চায়, আৰু চায়, বাট হেৰুৱাই আকুল হৈ

ঘূৰি ফুৰা দক্ষিণ-সমীৰে উৰাই নিব খোজা চুলিৰ অকণি টোৰোৰ। আৰু ছুপৰীয়াৰ সেই নিৰ্জন নিস্তব্ধতাৰ মুগ্ধ আৱেশখিনি!...

সি শিলডোখৰ তাৰ বেৰত আঁওজাই থিয় কৰে। ওলমি আছি তাৰ মুখত পৰা আঙুৰ লতাডাল আঁতৰাই থৈ, সি তাৰ বাচুলা খন লৈ শিলৰ গাত কোব মাৰে। নীৰৱ, নিঠৰ নিস্তব্ধতা ভঙ্গ কৰি এটা শব্দ হয়—খটং। সি চক খাই উঠে। ইমান কঠিন, কৰ্কশ শব্দ! ৰাজকুমাৰীৰ নিদ্ৰাত ব্যাঘাত ঘটালেনেকি? সি দলি মাৰি বাচুলাখন পেলাই থৈ ৰাজকুমাৰীৰ কালে চালে।

ৰাজকুমাৰীয়ে বাগৰ সলাইছে। ৰাজকুমাৰীৰ ধুনীয়া মুখখন আৰু তাৰ চকুত নপৰে। চকুত পৰে ক'লা, কেকোৰা চুলিকোচা, আৰু ৰাজকুমাৰীৰ সোঁহাতৰ ওলমি-পৰা মৃণাল বাহুটো।

"মই ৰাজকুমাৰীৰ সপোন ভাঙিছো। ইঃ মই অপৰাধী। মই ৰাজকুমাৰীৰ শান্তিত ব্যাঘাত ঘটাইছো—খঙত ৰাজকুমাৰীয়ে মোৰ ফালে পিঠি দিছে" সি ভাবে।

তাৰ ভয় লাগে, তাৰ বেয়া লাগে, নিজকে তাৰ বৰ মূৰ্খ যেন লাগে। তাৰ কান্দি পেলাবৰ ইচ্ছা হয়, তাৰ ক্ষমা খুজিবৰ ইচ্ছা হয়, ৰাজকুমাৰীক কিবা ক'বৰ ইচ্ছা হয়।

এটা চঞ্চল উদ্বিগ্নতাত সি তাৰ জুপুৰিটোৰ ভিতৰলৈ সোমাই যায় আৰু তাৰ চেঁচা শিলৰ মজিয়াখনত লেপেটি কাঢ়ি বহি লয়গৈ। অট্টালিকাৰপৰা ৰাজকুমাৰীৰ মইনাটোৱে কিবা এটা গাই উঠে। ৰ'দত তাৰ মাতটো কঁপি কঁপি ভাহি আহি তাৰ কাণত পৰেহি। সি চকু ছুটা মুদি দিয়ে।... ..

সি কিবা ক'ব। কিবা—বৰ প্ৰয়োজনীয় কিবা এটা সি তাৰ ৰাজকুমাৰীক ক'ব। সি ঠিক কৰে। কিন্তু কি ক'ব আৰু কেনেকৈ ক'ব? কেতিয়া ক'ব, ক'ত ক'ব—কিয় ক'ব........?

কিয় ক'ব?—সি একো ভাবি নেপায়! সি ৰাজকুমাৰীক কিবা ক'ব; কিন্তু কিয় ক'ব, কি ক'ব?...

নহয়, সি লিখিব—চিঠি লিখিব। কিন্তু কি লিখিব? সি তো একো লিখিব নেজানে! বাজকুমাবী আছে আৰু সিও আছে; তেন্তে চিঠি সি কিয় লিখিব? একো সমিধান সি বিচাবি নেপায়! কিন্তু তথাপি সি যেন লিখিবই লাগিব। একো কথা নেথাকিলেও, সি বাজকুমাবীলৈ চিঠি এখন লিখিব।…কি?—

* * *

হঠাৎ এজাক টান বতাহ মাৰে। ব'দৰ কঠিন পোহৰবোৰক ঠেলি এডোখৰ ক'লা ডাৱৰ আকাশখনৰ ভিতৰলৈ সোমাই আহে। দূৰৰ কিচি্মিচৰ লতাবো্ৰ খন্তেকৰ কাৰণে আকৌ ঠন্ ধৰি উঠে। কোনো দুৰ্য্যোগ নহয়—এইদৰেই হৈ আহিছে,—পাৰস্য সাগৰৰ বতাহে এইদৰে ঘন ব'দৰ পিছত, পানীৰে, বৰষুণেৰে, আঙু্ৰ লতাৰ আবেদন, কিচ্মিচ বনৰ অনুৰোধ শুনি আহিছে—ৰক্ষা কৰি আহিছে। এইদৰেই হঠাৎ ব'দৰ পাছত মেঘ আহে, ডাৱৰ আহে ঢল আহে। আবেলিৰ মুকলি পৃথিৱীখন আন্ধাৰ কৰি হুৰ্ হুৰ্ কৰে উত্তাল জলধাৰা নামি আহে। তাৰ জুপুৰিটোৰ চালৰ আঙু্ৰবোৰৰ আগেদি পানীবোৰ তললৈ নামি আহে।

এখন সাঁচিপাত, এটা ম'ৰা পাখিৰ কাপ, আৰু এটা মহীধৰাত চিঞাহি লৈ সি চিঠি লিখিবলৈ বহি যায়।

বাজকুমাবীলৈ তাৰ চিঠি—নাৰীলৈ পুৰুষৰ চিঠি।

উপলব্ধিৰ নতুন প্ৰভাত!

জুৰ্ জুৰকৈ বৰষুণবোৰ পৰি আছে। চিঞাহিত কমলটো তিয়াই লৈ সি তাৰ প্ৰাণৰ ভাষাৰ আঁচনি কৰে—।

"প্ৰিয়া মোৰ"

চিঠি? নহয়। বিশ্বৰ সেই প্ৰথম কবিতা; অন্তৰ প্ৰকাশৰ সেই প্ৰথম সপোন-লেখা "প্ৰিয়া মোৰ।"

কি লিখিছে সি নিজেই ক'ব নোৱাৰে। তাৰ কাণত পৰে বৰষুণৰ চম্ চম্ শব্দ—চকুযোৰ তাৰ আধা মুদখোৱা।

"প্ৰিয়া মোৰ" সি কৈ যায়। এবাৰ চায়, সি কি লিখিছে—"প্ৰিয়া

মোৰ" ই কি ভাষা! 'মোৰ প্ৰিয়া,' 'মোৰ সখা', 'মোৰ চেনেহী', সি চিৰদিন কৈ আহিছে—কোৱা শুনি আছিছে; কিন্তু আজি এয়া সি কি লিখিছে? 'প্ৰিয়া মোৰ'?

তাৰ আনন্দ লাগে সি কিবা লিখিব পাৰিছে! কবিতা? সি ক'ব নোৱাৰে, সি নেজানে। জানে সি লিখিছে, ৰাজকুমাৰীলৈ সি চিঠি লিখিব পাৰিছে। তাৰ আৰু বেছি আনন্দ লাগে। তাৰ চকুৰপৰা এটোপা পানী চাঁচিপাত-খনত সৰি-পৰে টুপুৰকৈ। সি চকুলো টোপা চায়, চাঁচিপাত খন চায়—চকুলো টোপা ক'লা চিঞাহিৰে লিখা আখৰ খিনিৰ ওপৰত পৰি বিয়পি যায়।

চকুপানী তাৰ কথা জীৱনত সি কোনোদিন ভবা নাই। কিন্তু আজি সি ভাৱে; আজি যেন ইয়াৰ কিবা অৰ্থ আছে। তাৰ আকৌ ৰং লাগে ভাবি, চকুলোৰো অৰ্থ আছে

"প্ৰিয়া মোৰ" সি লিখি যায়—

"দখিণ-সমীৰ-ছুটি বেদন-বলিয়া ৰ'ত

হেৰোৱা পথৰ আঁত বিচাৰি চুনাই—

সেই মোৰ মানসৰ ৰূপৰ কুটীৰটিতে

দেখা দিয়ে জীৱনৰ নতুন পুৱাই!....

সি চিঠি লিখিছে, কিন্তু ই কি চিঠি! সি কি ক'ব খুজিছে? কি কৈছে? এয়া জানো চিঠি হৈছে? সি একো বুজিব নোৱাৰে; অভিভূতৰ দৰে সি মাথোন নিজৰ লিখাখিনি ঘূৰাই ঘূৰাই পঢ়ে। তাৰ সৰু জুপুৰিটোত কোনো নাই। সি আৰু ভাৱৰীয়া ৰতনৰ কোমল আন্ধাৰ-খিনি আৰু তাৰ আগত আধালিখা চিঠিখন।

গধূলি হৈ আছে। তাৰ সপোনৰ ৰূপবোৰ ভাষাত জী উঠে তাৰ চৌদিশে সি কৰা এটা অদৃশ্য পৰশৰ উষ্ণতা অনুভৱ কৰে। কাৰ যেন অভিসাৰৰ আড়ম্বৰেৰে তাৰ সৰু ঘৰটো ভৰি পৰিছে।

"তোমাৰ মুৰল চুলি,

একাবেকা বৈ অহা

মুক্ত প্ৰাণ নিজৰাৰ স্ফূৰ্তি—
এতিয়া আন্ধাৰ হৈ
আবৰি ধৰিছে মোৰ কণ চকু দুটি—
তোমাৰ কাষত মই বন্দী আজি নেলাগে মুকুতি।

সি তাৰ মমডাল জ্বলায় আৰু অলপ বহি ৰবৰুণৰ জিপ জিপ শব্দ কাণ পাতি শুনে। আকৌ সি বৰ আগ্ৰহেৰে চিঠি লিখাত লাগি যায়........

সি লিখি যায়। তাৰ চিঠিখন লিখি ইমান ভাল লাগিছে। কিন্তু কিয় ভাল লাগিছে? তাৰ আগত জ্বলি থকা মমডালৰ পোহৰখিনি যেন বৰ উজ্জ্বল হৈ উঠে।....

চিঠি লিখাতে তাৰ ৰাতি পুৱাই যায়।

পিছদিনা

সি ঘৰৰ পৰা বাহিৰ নোলায়। গোটেই দিনটো বহি সি কেৱল তাৰ নতুন ভাষাৰে চিঠি লিখি যায়। কোনোবাৰৰ কথাৰ ভাব সি বুজে তাৰ আনন্দ লাগে। কোনোবাৰৰ একো অৰ্থ সি বুজি নেপায়; তথাপি তাৰ আনন্দ লাগে। নিজেই লিখা কথাখিনি সি বুজি নেপায়, সি নিজেই বুজিব নোৱাৰা কিবা লিখিব পাৰিছে। কিমান আনন্দৰ কথা।

ইখনৰ পিছত সিখনকৈ সি ৰাজকুমাৰীলৈ চিঠি লিখি যায় ব্যস্ত হৈ, অতীষ্ঠ হৈ, অনুপ্ৰাণিত হৈ।

"মই আৰু নোৱাৰো লিখিব,
নিজে তুমি কৰি ল'বা শেষ"

এবাৰ তাৰ কলমৰ মুৰত আহে। কিয়, মই আৰু লিখিব নোৱাৰোঁ। কিয়? মোৰ তো একো কোৱা হোৱা নাই একো লিখা হোৱা নাই, তেন্তে নোৱাৰোঁ বুলি কলোঁ কিয়?

দিনটো পাৰ হৈ যায়। ধ্যানস্থৰ দৰে মমডাল আগত জ্বলাই লৈ গোটেই ৰাতি সি ভাবে, আকৌ তাৰ চিঠিবোৰ পঢ়ে তাৰ ৰাজকুমাৰীলৈ

দিয়া চিঠিবোৰ। ক'তা? তাৰ নিজস্ব কথাতো একো কোৱা নহল! কেৱল তাৰ লিখাৰ মাজেদি ৰাজকুমাৰীকেই জীৱন্ত কৰি তুলিলে সি। ৰাজকুমাৰীৰ চকু-মুখত সোমাই থকা জীৱন্ত ভাষাবোৰ তাৰ চিঠিত দেখোঁ প্ৰাণময় ছন্দ হৈ বিকশি উঠিছে! আৰুতো একো নাই—কেৱল ৰাজকুমাৰী, কেৱল তুমি। এইবোৰ কি চিঠি হ'ল?

ৰাতি পুৱায়। বাহিৰ ওলাই সি দেখে ৰাজকুমাৰীৰ ফুলনিখন আজি বৰষুণৰ পৰশত নতুন ৰূপেৰে জীৱন্ত! সেউজীয়া বনবোৰ স্বচ্ছ, বিমল, শ্যামল হৈ উঠিছে। পুৱাৰ ৰ'দ পৰি তাৰ ঘৰৰ চালৰ আঙুৰ জোপাৰ পাতবোৰ সজীৱ হৈ, ছন্দময় হৈ উঠিছে। তাৰ ভাল লাগিল। 'পৃথিৱীখন বৰ ধুনীয়া' সি ভাবিলে।

'সৌ গোলাপ ফুলবোৰ বৰ ধুনীয়া; আৰু—আৰু ধুনীয়া......' এনেতে তাৰ চকুত পৰে আগদিনা অনা শিলডোখৰ। এ, শিলডোখৰ এনেয়ে ইয়াতে পৰি থাকিল।

ৰাতি সি সেই কথা পাহৰি গৈছিল।

মই কাম কৰিবলৈকে পাহৰি গৈছোঁ—সি দুখেৰে কয়, আৰু শিলডোখৰ ভিতৰলৈ সুমুৱাই নিয়ে। তাৰ আকৌ কৰ্তব্যবোধ জাগি উঠে।

তাৰ চিঠিবোৰ একাষৰীয়া কৰি থৈ সি চেনা-হাতুৰি লৈ শিলডোখৰ কটাত লগি যায়।

চোকা চেনাটোৱে কতাৰ ইচ্ছানুযায়ী কঠিন শিলডোখৰ নিৰ্ব্বিবাদে কাটি যায়। এটি ঘুণো বেছিকৈ এৰাই নপৰে। আগৰ দৰে চন্ চন্ কৰি শিলবোৰ এৰাই নেযায়। বৰ আনন্দেৰে, বৰ তৃপ্তিৰে, সি কাটি যায়।

আজি আৰু সি চিঠি নিলিখে। আজি সি এই স্তম্ভটো কাটি শেষ কৰিবই! তাৰো যেন শক্তিবোৰ আজি ক'ৰপৰা নতুন হৈ আহিছে।

আবেলি হৈ আহে। ৰাজকুমাৰী এবাৰ ছাদৰ ওপৰলৈ যায়, দূৰৰ

ধূসৰ এলবাৰ্জ পৰ্ব্বতটোলৈ এবাৰ চায়। নিজৰাটোৰ কুলু-কুলু শব্দটো শুনিবৰ কাৰণে কাণ দিয়ে।

খট্—খট্—খট্—কিবাএটা শব্দ আহিবাজকুমাৰীৰ কাণতপৰেহি। ক'ৰপৰা আহিছে? ৰাজকুমাৰীয়ে কেউফালে চায়। জুপুৰিটোলৈ চকু পৰে,—দেখে কৃশ, দুৰ্ব্বল, ক্ষীণ এটা মানুহে হাতুৰি আৰু চেনা লৈ শিল এডোখৰ কাটিব লাগিছে। তাৰ শুকান মুখত এটা হাঁহি, দুৰ্বল চকুত সৃষ্টিৰ গৌৰৱ সামৰ্থ্যৰ, সফলতাৰ আনন্দ!

ৰাজকুমাৰীয়ে চাই ৰ'ল—জুৰ জুৰ কৰে এবাই যোৱা সি কটা শিলৰ গুড়িবোৰ, মন্ত্ৰচালিতৰ দৰে চলা তাৰ হাত দুখন আৰু তাৰ নিৱিষ্ট দৃষ্টিটো। তাৰ চকুত যেন ক'ৰবাৰ অনাৱিষ্কৃত মহাদেশযাত্ৰাৰ বিশ্বস্ত ইঙ্গিত – দূৰৰ—বহুত দূৰৰ।

কিন্তু মানুহটো ইমান ক্ষীণ! সি ক ৰপৰা শিল কাটিবলৈ শক্তি পাইছে? ৰাজকুমাৰীয়ে চাই ৰ'ল সি কটা মূৰ্ত্তিটোৰ ফালে। এটা মূৰ্ত্তি কিবা ধুনীয়া, বগা মূৰ্ত্তি!

ৰাজকুমাৰীৰ কথা সি ক'ব নোৱাৰে। সি আজি এবাৰো ৰাজকুমাৰীৰ ফালে উলটি চোৱা নাই।

তাৰ ভিতৰখনক লৈয়ে সি ব্যস্ত!

সন্ধিয়াৰ আৱৰণে পৃথিৱীৰ মুখত কিবা এটা শেষ হোৱাৰ ছবি আঁকি দিয়ে।

শেহ নিশা!

তাৰ মূৰ্ত্তিটোৰ ওপৰডোখৰ কাটি শেষ হয়। তাৰ মমডালৰ বগা পোহৰত বগা শিলৰ মূৰ্ত্তিটো জীৱন্তৰ দৰে জিলিকি উঠে।

মাত্ৰ অলপমান সি কাটিছে। এটা নাৰী-মূৰ্ত্তিৰ মূৰৰপৰা ডিঙিলৈকে তলডোখৰ তেতিয়াও শিলা হৈয়ে আছে।

এটা নাৰীৰ মূৰ্ত্তি। পুৰঠ গাল, মুদা চকু, দীঘল বৈ পৰা চেলাউৰি, কেকোৰা-কেকুৰি-দীঘল মেলা চুলি, ওঁঠত বিৰিঙি উঠা এটি হাঁহি-তাত আছে বিশ্ব-সৃষ্টিৰ আয়োজন।

মানুহৰ ইমানখিনিকে যেন কোনোবা তন্দ্ৰালসা যুৱতীৰ ইমান-খিনিকে যেন সি তাৰ জীৱনত দৃষ্টিৰ ছুৱাবেদি দেখা পাইছিল।

সি তাৰ চেনা-হাতুৰিযোৰ থয়। জ্বলি থকা মমডাল হাতত লৈ তাৰ মূৰ্ত্তিটোৰ ফালে চায়। তাৰ মুখখনত এটা স্বৰ্গীয় আভা বিয়পি পৰে। এটা অপৰিসীম তৃপ্তিত তাৰ চকু ছুটা উজ্জল হৈ উঠে।

কিবা এটা যেন সি কৰিব পাৰিছে! আনন্দত যেন তাৰ মূৰটো ঘূৰাই যাব খুজিছে! সি মূৰ্ত্তিটোৰ গাত ধৰি ঢলি পৰে। হাতৰ মমডাল জ্বলি জ্বলি শেষ হওঁ হওঁ হৈ আহে।… ·

সি যেন আজি অলপ বিশ্ৰাম লব খোজে। তাৰ এবাৰ মনত পৰে প্ৰথম দিনা ৰাজকুমাৰীক দেখাৰপৰা সি একো খোৱা নাই। এটা আঙুৰৰ ৰসো তাৰ মুখত পৰা নাই। সি যেন আজি কিবা এটা খাব, তাৰ কণ্ঠ শুকাই গৈছে।…

বলেৰে তাৰ শৰীৰৰ আটাইখিনি শক্তি দি সি এবাৰ চকু ছুটা মেলিলে।

মমৰ পোহৰত তাৰ চকুত পৰিল—মূৰ্ত্তিৰ ছডাল-এডাল চুলিয়ে ঢকা নিপোতল গাল ছুখন, সেই সপোনসনা মুদখোৱা চকুযোৰ আৰু—আৰু সেই হাঁহি-লাগি-থকা ওঁঠ ছুটা!

তাৰ সকলো শক্তি যেন শেষ হৈ আহিছিল। শেষবাৰ সি তাৰ সকলো পুৰুষত্বেৰে চকু কেইটা মেলি এবাৰ গোটেই মূৰ্ত্তিটোলৈ চালে। মাত্ৰ মুখখনক সি ৰূপ দিছে; তলডোখৰ এতিয়াও শিলা হৈয়ে, পাষাণ হৈয়ে আছে!

'একো নহল' মুখ ফুটাই সি ক'ব খোজে, "ইমানেই জানো? গোটেই খিনি তো এদিন দেখিছিলোঁ।" তাৰ এটা হুমুনিয়াহ আহে। কিন্তু সি কথা কব নোৱাৰে। তাৰ কণ্ঠ শুকাই কাঠ হৈ গৈছে।

মূৰ্ত্তিটোৰ পিঠি ফালে পৰি থকা চেনা হাতুৰিযোৰ সি আকৌ হাতত তুলি ল'ব খোজে।

তাৰ চকুযোৰ মুদখাই আহে।

তাৰ মৰমৰ চেনা হাতুৰিযোৰ আনিবৰ কাৰণে হাত মেলি সি ঢলি পৰে মূৰ্ত্তিটোৰ গাত, ক্ষীণ হাত দুখনে মূৰ্ত্তিৰ ডিঙিটো মেৰাই ধৰে। শুকাই যোৱা তৃষিত ওঁঠ দুটা মূৰ্ত্তিৰ ওঁঠ দুটাত লাগি ৰয়। তাতে যেন সি জীৱনৰ একণি ৰস বিচাৰিছে।

তাৰ চকু দুটা আৰু মেল নেখায়।...

*　　　　*　　　　*

চাৰিটা ওঁঠ শিল আৰু মাটি!

মমডাল তাৰ হাততে পুৰি শেষ হৈ যায়।

আকৌ বেলি ওলায়—অট্টালিকাৰ আঙুৰ লতাবোৰ নাচি উঠে। পুৱাতে উঠি ৰাজকুমাৰী এবাৰ ছাদলৈ যায়। তাৰ জুপুৰিটোলৈ চায়। দেখে মূৰ্ত্তিটোৰ ডিঙিত সাৱটি ধৰি সি থিয় দি আছে নিস্পন্দ, নিস্পলক। তাৰ ওঁঠ দুটা মূৰ্ত্তিৰ ওঁঠৰ লগত মিলি গৈছে।

কিছুপৰ ৰাজকুমাৰীয়ে চাই ৰ'ল। কিয়? মানুহটো এনেদৰে আছে কিয়? ৰাজকুমাৰী ছাদৰ পৰা নামি-আহিল। মেলা চুলিৰে তাৰ জুপুৰিটোলৈ লৰ দিলে।...

পুৰি শেষ হোৱা মমবোৰ তাৰ হাতত লাগি আছে। আৰু একো নাই।

শেষ।

"প্ৰিয়া মোৰ" ঘৰটোৰ ভিতৰত সোমাই ইফালে-সিফালে চাওঁতে ৰাজকুমাৰীৰ সাঁচিপাতবোৰত চকু পৰে। তাৰ পিছত পঢ়ি পঢ়ি পায় তাৰ শেষৰ কবিতাটো।

"মই আৰু নোৱাৰো লিখিব—
　　　　নিজে তুমি কৰি ল'বা শেষ"—

*　　　　*　　　　*

অট্টালিকাৰ সন্মুখৰ ফুলনিখন।

সেই কৃত্ৰিম নিজৰাটোৰ পাৰত ফুলনিৰ ঠিক সোমাজতে মাৰ্ব্বলৰ

এটা কবৰ। তাৰ দক্ষিণত এটা শিলৰ স্তম্ভ পোতা আছে। এখন মুখ মেলা চুলিৰে এজনী গাভৰুৰ মূৰ্ত্তি-মুদা চকু।

হৰিণাক্ষনীক লগত লৈ ৰাজকুমাৰী আহি তাৰ কাষত বহে। সেউজীয়া আঙুৰ লতাই মেৰোৱা সেই মূৰ্ত্তি-কটা স্তম্ভটোলৈ এবাৰ চায়। তাৰ পিছত চাই থাকে সেই বগা মাৰ্বলৰ কবৰটোলৈ। বেলি লহিয়ায়। ৰাজকুমাৰীয়ে হাতত থকা ফুলৰ কৰণিটোৰ পৰা সাঁচিপাত কেইখনমান উলিয়ায় আৰু পঢ়ে। তাৰ পিছত ধীৰে ধীৰে আন্ধাৰ নামি আহে। একোচ ফুল ছিঙি আনি ৰাজকুমাৰীয়ে কবৰৰ ওপৰত ছটিয়াই দিয়ে। তাৰ পিছত এটা হুমুনিয়াহেৰে ধীৰে ধীৰে উঠি যায়।

তাৰ চিঠিবোৰ ৰাজকুমাৰীয়ে পাইছে, পঢ়িছে। কেতিয়াবা এনেই বহি ভাবিছে আৰু চকুৰ পানীবোৰ মোহাৰি বুকুত সুমুৱাই লৈছে।

কিন্তু ফুলনিৰ মাজত কবৰৰ দক্ষিণত পোতাই থোৱা সেই সি কটা বগা শিলৰ মূৰ্ত্তিটো কাৰ ৰাজকুমাৰীয়ে চিনি পাইছিল জানো?...... ?

---

# চিৰকুমাৰ

কোনেও নজনাকৈ নহয়, বহুতৰ জনাৰ মাজেদিয়ে, স্নেহাস্পদসকলৰ বিদ্রূপৰ আশীৰ্বাদ মূৰত লৈ মণিক ভাল পাইছিলো। মণিক ভাল পাবৰ কাৰণে যত্নৰ আৱশ্যক হোৱা নাছিল। বাটেদি যাওঁতে লোকৰ ফুলনীৰ ফুলা গোলাপ এপাহ দেখি আনন্দ পোৱাৰ দৰে মণিকো প্ৰথম যিদিনা দেখো, সিদিনা মণিক এটা আনন্দৰ বস্তু যেনেই লাগিছিল। মণিৰ গোটেই গাভৰু ছোৱালীজনীৰ মাজেদি মই দেখিছিলো কোনোবা অচিনা চিকাৰীৰ জালত পৰি মৰিবলৈ লৰি যোৱা এজনী বন-হৰিণীৰ অধীৰ চঞ্চল বেগ।

মণি মোৰ হিয়াৰ শূন্য পৰি থকা ঠাইবোৰ অধিকাৰ কৰি বহিল। তাইৰ গভীৰ ধুনীয়া চকুহুটাৰ কোমল খিনিত মোৰ কাৰণে আছিল এটা অন্তহীন, অসীম, স্নিগ্ধতাৰ শব্দহীন ভাষা। মণিৰ চকুহুটাৰ মাজেদি মই দেখিছিলো বিশ্বক পোহৰ কৰি তোলা সৌন্দৰ্য্যৰ বিন্দু বিন্দু ৰূপৰ সুধা-কণা। আৰু বহুত ছোৱালীয়ে, মণিৰ দৰে বহুত গাভৰুয়ে, মোৰ চকুলৈ চাইছে, ময়ো বহুতৰ চকুৰ মাজত সুন্দৰৰ ইঙ্গিত বিচাৰিছো; কিন্তু ক'তা? মণিৰ চকুৰ মণিহুটাৰ পোহৰখিনিতো কাৰো চকুত নেদেখিলো। মণিৰ চকুহুটি ইমান জীয়া। ইমান তেজাল। ইমান ধুনীয়া।

মণিক ধুনীয়া দেখিছিলো, মণিক ভাল পাইছিলো, মুখৰ সহজ কথাবোৰ কবিতাৰ দৰে জটিল হৈ উঠিছিল। বুকুৰ জটিল কবিতাবোৰ ভাব-মুকলি হৈ সহজ হৈ পৰিছিল। নিজৰ ওচৰতে সেইদিনা মই অবোধ্য হৈ পৰিছিলো। মণি মোৰ বুকুৰ কাষতে থাকিও কোনোবা আৰব্য উপন্যাসৰ অন্তগিৰিৰ ৰাজকুমাৰীৰ দৰে শূন্যত প্ৰাসাদ সাজি ওপঙি থকা চুব-নোৱাৰা, ঢুকি নোপোৱা কিবা এটা যেন লাগিছিল। মণিৰ ধুনীয়া

চকু দুটাৰ মাজেদি সোমাই গৈ দেখিছিলো, দিগন্ত-প্ৰসাৰি নীলাৰ মাজত অসীম বিস্তৃতি লৈ মণি পৃথিৱীৰ ওপৰত প্ৰেমৰূপে নিগৰি পৰিছে। তাৰেই আবেশত মোৰ মেলিথকা চকুজোৰ মুদ খাই গৈছে, এটা তন্দ্ৰালস অৱচেতনাৰ মাজেদি মই উঠি গৈছো!

—সেইদিনা কবিতা লিখা নাছিলো।

তাৰ পিছত মণি বিদিনা হেৰাল, মোৰ মৰমৰ সজাটোৰ দুৱাৰ মেলি যিদিনা মণি উৰি গ'ল, আৰু সুদা সজাটো বুকত বান্ধি মই পৰি ৰলো —অকলশৰে, ভাবিছিলো মণিৰ বাটত ক'ৰবাৰ নাম নজনা ওখ পাহাড় এটা খহি পৰি বাট ভেটি ধৰিব। এটা অকাল বজ্ৰপাত পৰি মণিক বাটতে অচেতন কৰি পেলাব,—মণি উলটি আহিব; মণি আকৌ মোৰ ওচৰলৈ ঘূৰি আহিব! মোৰ মৰমৰ ডোলডালত ভৰি দি দি মণি বাটবুলি আহি মোৰ ওচৰ পাবহি!

—মণি নাহিল।

মোৰ আশাভৰা প্ৰতীক্ষাক বিমুখ কৰি নিজৰ বাটত মণি গুচি গ'ল। চকুলো গোট খাইখাই মোৰ দৃষ্টিক দুৰ্বল কৰি আনিলে। নেদেখা ভগৱানক দোষাৰোপ কৰি এবাৰ আকাশখনৰ ফালে চালো। নিৰ্বিকাৰ আকাশক বহুত কলো, তাৰ নীলাবোৰৰ মাজত লুকাই থকা উদাসীন নিৰৱতাক এবাৰ গালি পাৰিলো।

আকাশে একো নেমাতিলে।

মোৰ দৰে কত সৰ্বহাৰাই ভগৱানক চিঞৰি চিঞৰি ভাগৰি পৰিছে, ক'তা! ভগৱানে জানো সাৰ পাইছে কোনোবা দিনা? খেলাৰ পুতলা নিজ হাতে ভাঙি শিশুৱে মাকক চিঞৰি কান্দে; মাকে দহৰন এৰি কন্দা শিশুক কোলাত তুলি লয়। চকুৰ পানী মচি দি শাঁত কৰে। শিশুৱে তাৰ পুতলাৰ কথা পাহৰি টোপনি যায়। কিন্তু বিশ্ব শিশুৰ এই অবিৰাম কান্দোনত ভগৱানৰ দেখোন আজিও চকু মেলিবৰ হোৱা নাই!

সেইদিনা 'দুখে মোক কৰিলে দেৱতা'। দেৱতাৰ দৃষ্টি লৈ সেইদিনা

দেখিলো মোৰ মণি হেৰোৱা নাই। মোৰ চৌদিশ ঘেৰি মণিৰ পৰশ কোমল স্মৃতি ৰূপে বিয়পি আছে। মোকেই কেন্দ্ৰ কৰি মণিৰ অদেহী জীৱনটোৱে মোৰেই প্ৰতীক্ষাত মোক ঘেৰি আছে।

বহি বহি এটা কবিতা লিখিলো। দুখৰ হেচাত ভাববোৰ কঁপি কঁপি ছন্দৰ ভাষাত প্ৰকাশি উঠিল। তাৰ প্ৰতিটো শব্দত বিৰিঙি উঠিল বেথাকাতৰ এখন হিয়াৰ কলিজা গলিযোৱা চকুলো। তাৰ পিছত খাটা খন লুকাই থলো।

যেতিয়াই মণিৰ কথা বেছিকৈ মনলৈ আহে, তেতিয়াই একোটা কবিতা লিখো। কল্পনাৰ সহচৰী লৈ মণিয়ে মোৰ প্ৰেৰণাত জুই জ্বলাই দিয়ে। মোৰ কবিতাবোৰৰ মাজেদি নিতৌ মণিক পাওঁ। মণি গ'ল—কবিতা আহিল। কবিতাক মই মণিৰেই প্ৰতিবিম্ব বুলি সাবটি ধৰিলো।

বিড়ি বিচাৰি মোৰ বিচনাখন দাঙি অচিন্ত্যই এদিন গোটেইখিনি আৱিষ্কাৰ কৰি পেলালে! সি জানে মই মণিক ভাল পাইছিলো। কিন্তু মণি যেতিয়া নাই, সি হয়তো ভাবিছিল, মণিৰ লগত এতিয়া আৰু মোৰ কোনো কথাবতৰা নাই। সি ডাঙৰকৈ হাঁহিলে আৰু ক'লে— "ইপিনে তোৰ বিয়া পাতিছে আৰু তই এতিয়াও এইবোৰ প্ৰেমৰ নে বিৰহৰ কবিতা লিখিছ'? পিছে তোৰ এই 'তুমিজনী কোন? মণিনে কি? নে অন্য কোনোবা অ' ভৱ?"

"মোৰ বিয়া পাতিছে বুলি তোক কোনে ক'লে অ?"

"কোনে ক'লে? মোক আকৌ ক'ব লাগেনেকি? মই যে নিজেই ঠিকঠাক কৰিছো—"

"ছোৱালী কোন?"

"তই একেবাৰে কবি হৈ গলি ভৱ। তই এটা অসম্ভৱ। তোৰ বিয়া, তই ছোৱালী আনিবি আৰু কোন ছোৱালী ক'ব নোৱাৰ!"

"বিয়াখনতো মই পতা নাই, কেনেকৈ জানিম? ছোৱালীজনী বাৰু বগা নে?"

"ক'লা মোৰ চকুত লাগেনেকি? বিমলকুমাৰীক যদি কোনোবাই ক'লা বুলি কয়, তেন্তে সি কণা।"

"ক'ৰ বিমল-কুমাৰীনো অচিন্ত্য?"

"বাক এতিয়া থাওক। ফুলশয্যাৰ দিনা চিনি লবি। বিমলক-ই চিনি নেপায়!"

"পিছে মই যে বিয়া নকৰাও।"

"কাক?"

"কাক নহয়, কাউৰী। কাকোৱেই বিয়া নকৰাও"

"বহুত দেখিছো, তোৰ নিচিনা বিয়া নকৰাও বুলি কবিতা লেখা ডেকা মানুহ। ছমাহ মানৰ মূৰত সকলো পাহৰি কবিতাৰ খাটা-খনেৰে বিয়াৰ দিনা ভোজৰ-চৰুৰ তলত জুই ধৰি নতুন সঙ্গীনী লৈ ...ইত্যাদি।"

"তহঁতৰ কাৰণে বিয়াটোৱেই জীৱনৰ সকলো। প্ৰেম বুলি বস্তু এটাৰ কোনো অৰ্থ তহঁতৰ কাৰণে নাই।"

"তেজ মঙহৰ মানুহৰ আকৌ কিহৰ প্ৰেম। বিয়াটোৱেই প্ৰেম, প্ৰণয় সকলো। বিয়া নোহোৱাকৈ লোকৰ ঘৰৰ গাভৰু ছোৱালীৰ লগত চুৰকৈ কথা পাতি, চুৰকৈ চুমা এটা খোৱাটো তহঁতৰহে প্ৰেম, আৰু তাৰ কাৰণে কবিতা লিখি কবি হোৱাটো..."

"আৰু নিচিয়ৰিবি অচিন্ত্য। প্ৰেম কি তই নেজান। জানিবও নোৱাৰ। তোৰ জন্ম হোৱা উচিত আছিল কালিদাসৰো আগৰ শতিকাত। তই বৰ অসমৰ 'প্ৰডাক্ট' হুলি অ'।"

"বাৰু হওক, পিছে তোৰ বিয়াখন বৰ সময় মতে পতা হৈছে। সেইটোত তোৰ কোনো আপত্তি নেথাটে।"

"কিন্তু মই বিয়া নকৰাও বুলি তোক ক'লোৱেই।"

অচিন্ত্যাই একো নেমাতিলে। কবিতাৰ খাটাখন জেপত ভৰাই ওলাই যাব ধৰোতেই তাক ধৰি পেলালো। টনা-আজোৰাত দুটামান

পাত্ত তাৰ হাতত্তে থাকিল। বাকীখিনি আনি বাকচত ভৰালো। তাৰ হাতত পৰা খিনি লৈ সি দৌৰ মাৰিলে।

* * * *

দিনবোৰ গুচি যায়, মই পুৰণি হৈ আহো। মণিৰ স্মৃতিয়ে নতুন নতুন ৰূপ লৈ মোৰ কবিতাৰ মাজত বিকশি উঠে। মই বুজিব নোৱাৰা-কৈয়ে কেতিয়াবা একোটা বৰ ধুনীয়া দুখ লগা কবিতা লিখি পেলাও। মণিয়ে ভাব, অনুভূতিয়ে ভাষা, মোৰ বুকুৰ মাজৰ বেদনাতুৰ মানুহটোৱে ৰূপ দি কবিতাক প্ৰাণস্পৰ্শী কৰি তোলে। কেতিয়াবা কবিতাৰ মাজত মণি হেৰাই যায়, থাকে কেৱল কবিতা।

তিনি মাহ মানৰ পিছত। অপ্ৰত্যাশিতভাৱে "অঞ্জন" খন হাতত পৰিল। প্ৰথম পৃষ্ঠাতেই দেখিলো মোৰ কবিতা এটা! আচৰিত হৈ গ'লো। "অঞ্জনত" মোৰ কবিতা ক'ৰ পৰা ওলাল? ই নিশ্চয় অচিন্ত্যৰ কাম। সি কাঢ়ি নিয়া খাটাৰ পাতাটো নিশ্চয় সি সম্পাদকলৈ পঠাই দিলে।

পঢ়িলো। পঢ়ি বৰ ভাল লাগিল। আৰু কোনে কোনে মোৰ কবিতাটো পঢ়িব তাৰ এটা ধাৰণা কৰিবৰ চেষ্টা কৰিলো। কোনোবা শাৰীত হোৱা ছপাদোষ এটাৰ কাৰণে নিজেই অনুতাপ কৰিলো। সেইটো শুদ্ধ কৰি আকৌ এবাৰ পঢ়িলো। "অঞ্জন"ৰ চিনি-নোপোৱা সম্পাদকজনৰ প্ৰতি এটা কৃতজ্ঞতা জনালো গোপনে।

আবেলি অচিন্ত্যই আহি কৈ গ'ল যে মই কবি। ক্ৰমে—

সাধাৰণ জীৱনৰ পৰ্য্যায়টো অতিক্ৰম কৰি এটা অসাধাৰণ মানুহ হোৱাৰ কামনাত উত্তেজিত হৈ উঠিলো। চিৰকুমাৰ থাকিম—অনেক বাধা সত্বেও সেই প্ৰতিজ্ঞা ৰক্ষাৰ চেষ্টাত থাকিলো।

চিৰকুমাৰ আৰু কবি। দুয়োটাই অসাধাৰণ। মোৰ জীৱনযাত্ৰাটো হ'ব অকলশৰীয়া, সাধুকথাৰ কোনোবা প্ৰেমিক মজ্নুৰ দৰে, মোৰ জীৱনক কেন্দ্ৰ কৰি জন-সমাজত নানা গল্প সৃষ্টি হ'ব। আৰু সেই গল্পৰ

তেজমগুহ গঢ়ি তুলিব মোৰ কবিতাই। মোৰ কবিতাত মানুহে বিচাৰি পাব আচল প্ৰেম, গাঢ় অনুৰক্তি, অচলা অনুৰাগ।

কবিতা লিখাত লাগিলো। অদৃশ্যভাৱে মণিয়ে মোক সহায় কৰিব ধৰিলে। মৰমী মণি মোৰ কবিতাৰ প্ৰাণৰূপে মোৰ ভিতৰৰ মানুহটোক সজাগ কৰি দি মোৰ কাৰণে জীৱনৰূপে ঠিয় দি ৰ'ল। নিতৌ নতুন কবিতাৰ মাজেদি মোৰ আঁত-হেৰোৱা জীৱনটো এটা নতুন ছন্দত, এটা বেহাত উটি যাব ধৰিলে। প্ৰকাশিত কবিতাৰ প্ৰত্যুত্তৰত অহা অভিনন্দনৰ আশীৰ্বাদে মোৰ জীৱনটোক গৌৰৱান্বিত কৰি তুলিলে। 'প্ৰেম মৰে, নমৰে প্ৰেমিক, এয়ে হ'ল মোৰ কবিতাভাগৰ মূল বস্তু। ······কাব্যসেৱী সমাজে নতুন দৃষ্টি লৈ মোৰ ভিতৰখনৰ ফালে চালে।

বিয়া তল পৰিল।

কবিতা লেখা ; কোনোৱে নেদেখো ফুলৰ ৰং সানি ৰামধেনুৰ সৌৰভ দি নতুন নতুন কবিতা সজাই পৰাই উলিয়াও। জীৱনটো এটা সপোনসনা আদৰ্শবাদৰ স্ফুৰণৰ সোতত উটাই দিবৰ প্ৰয়াস কৰো। চিৰকুমাৰ আৰু কবি, চিৰকুমাৰ কবি।

বিভা বৰুৱাই কবিতা পঢ়ে, কবিতা বুজেও। ছোৱালীৰ পক্ষে সেইটো হেনো গৌৰৱৰে কথা, কিয়নো কেতেকী ফুলৰ গোন্ধ আনকি ফেটি সাপেও ভাল পায় যদিও, কেতেকী ফুলে নিজে নিজে বুজি নোপোৱাৰ দৰে, ছোৱালীৰ বাহিৰে-ভিতৰে কবিতাৰ জীৱন্ত প্ৰকাশ থাকিলেও, ছোৱালীবোৰে হেনো কবিতা ভাল পোৱা দূৰৰ কথা, বুজিকে নেপায়। বিভা বৰুৱাৰ এই গুণটোৰ কাৰণে তেওঁ প্ৰশংসাৰ পাত্ৰী।

ছোৱালীবোৰে নিজৰ ভিতৰত থকা গুণখিনিক, আনৰ আগত, বিশেষকৈ পুৰুষৰ আগত যেনেতেনে প্ৰকাশ কৰি ভাল পায়, গৌৰৱ অনুভৱ কৰে। তুমি বৰ ভাল ৰান্ধিব জানাহে স্নেহ," বুলি ভাতৰ পাতত বহি কোৱা মানে, "আমাৰ ৰন্ধাও আপোনাৰ ভাল লাগিবনে ?" বোলাৰ লগতে যে স্নেহই বাটি ভৰি থাকিলেও আৰু অলপ আঞ্জা দিবই তাত কোনো ভুল নাই।

বিভাৰ কিন্তু কবিতাত ৰাপ থকা সঁচা কথা, কাৰণ আছে। বিভাবে দেউতাক পুৰণি ধৰণৰ অলপ সাহিত্যিক-যথেষ্ট কিতাপ পত্ৰ পঢ়ে, অসমীয়া, বঙালী, ইংৰাজী, দৰকাৰী আলোচনী প্ৰায় আটাইকেউখন ৰাখে। ঘৰত মানুহ বিভাৰ বাপেক আৰু বিভা, চাকৰটো তৃতীয় পুৰুষ। গতিকে বিভাই পঢ়াৰ যথেষ্ট সুযোগ পায়। তাৰোপৰি বাপেকৰ পৰা উত্তৰাধিকাৰ সূত্ৰে পোৱা সাহিত্যৰ ৰসপানৰ অনুৰক্তি।

ডাকত এখন চিঠি দি বিভাই মাতি পঠালে—বিশেষ দৰকাৰত মই যাব লাগে। আমাৰ ঘৰৰ পৰা বিভাইঁতৰ ঘৰ প্ৰায় দেড় মাইল দূৰ, চাকৰটোৰ হাততো চিঠিখন দিব পাৰিলেহেঁতেন। নিদিলে। দীঘল খোলা পাঞ্জাবীটো আৰু অলপ ডাঠ ধৰণৰ ধুতি এখন ঢিলাকৈ পিন্ধি, চেণ্ডেলজোৰ ভৰিত সুমাই চুলিখিনিত অযত্নৰ চিন ৰাখি ওলাই গলো। তেতিয়া চাৰে তিনিটা বাজিছে।

বিভাই বাটচাই আছিল,······

সময় আৰু সুবিধা কৰিব পাৰিলে প্ৰায়েই বিভাইঁতৰ ঘৰলৈ যাওঁ। বিভাই কবিতাৰ বিষয়ে এটা ডাঙৰ প্ৰশ্ন তুলি ধৰে। যথেষ্ট গাম্ভীৰ্য্য ৰক্ষা কৰি, তাৰ এটা যথাযথ সমাধানৰ প্ৰয়াস কৰো। প্ৰকৃত কবি হ'বৰ কাৰণে সাধাৰণ মানুহৰ সাংসাৰিক সম্বন্ধ আদিৰ পৰা আঁতৰি থাকিব লাগিব-এয়ে আছিল বিভাৰ ধাৰণা। বিয়াই কবিতা ধ্বংস কৰে—এই আছিল বিভাৰ মত। মই তাৰ প্ৰতিবাদ নকৰো। এই সকলো আলোচনা যে মোৰ কবিতা আৰু মোৰ অবিবাহিত জীৱনৰ চিৰ-অচঞ্চল প্ৰেমক কেন্দ্ৰ কৰি গঢ়ি উঠিছে, মই বুজো। তাৰ কাৰণে প্ৰায়েই মই সাজু থাকো। বিভাৰ যথেষ্ট সমালোচনা-শক্তি আছে।

এদিন হঠাৎ কিবা এটা কথাত উত্তেজিত হৈ মোৰ মুখৰ আগতে বৈ থকা বিভাক সাবটি ধৰি চুমা খাই দিলো। বিভা কোন আচৰিত নহৈ মাত্ৰ ৰঙা পৰিল। কিছুপৰ দুয়ো মনে মনে থাকিলো। তাৰ পিছত পাতলকৈ হাঁহি বিভাই ক'লে—"চুমা খোৱাটো কোনো

অস্বাভাৱিক কথা নহয়, সি ইতৰ জন্তুৰে মৰমত ইটোৱে সিটোৱে কামোৰাকামুৰি কৰাৰ এটা সভ্য সংস্কৰণ।'

মই বিভাৰ মুখৰ ফালে চালো। হাঁহিটো আৰু পৰিস্ফুট কৰি বিভাই ক'লে, "কিন্তু এটা কথা অস্বাভাৱিক লাগিল, আপুনি কবি হৈয়ো অন্য সাধাৰণ মানুহৰ দৰে মোক গালতহে চুমা খালে, মই ভাবিছিলো কবিবোৰে ওঁঠত হে চুমা খায়"।

তাত আৰু অলপো থাকিবৰ শক্তি নহল। বিভাৰ পৰা বিদায় নোলোৱাকৈয়ে গুচি আহিলো। বাপেক নাছিল। কোঠা সোমায়ে দেখো মোৰ মেজত সেই মাহৰ নতুন "ন লেখাৰু" খন। সূচীখন চালো। মোৰ কবিতা এটা ওলাইছে। আৰু কোনোবা এজন অচিনাকি লিখকে, মোৰ কবিতাত 'প্ৰেম আৰু অতীন্দ্ৰিয়বাদৰ' বিষয়ে এখন সমালোচনা-মূলক ৰচনা লিখিছে। আগে কবিতাটো পঢ়িলো, তাৰ পিছত ৰচনাখন পঢ়িলো। তাত মোৰ দৈনন্দিন জীৱনৰ এটা বিমলিন ৰূপ দিবৰ চেষ্টাও কৰিছে। আৰু বহু পংক্তি উদ্ধাৰকৰি মোৰ কবিতাত অতীন্দ্ৰিয়বাদ প্ৰতিষ্ঠা কৰিছে। গধূলি হৈ আহিল। "ন লেখাৰু" খন জপাই থৈ ওলাই গলো।

নিজৰ কবিতাবোৰ পঢ়ো। মনত লাগে সঁচাকৈয়ে ধুনীয়া লিখিছো। কিন্তু মণি কোন? মণি কি? মণি নামটো মনত পৰিলেই উচাপ খাই উঠো। মণিতো নহয়, বিভা। সেইদিনা মই চুমা খোৱা বিভা। মণি নাই, মণি কোনোদিনেই নাছিল।

সেইদিনাৰ পৰা বিভাহঁতৰ ঘৰলৈ যোৱা নাই।

*　　　*　　　*

চৌধ দিন পিছৰ কথা।

কবিতা এটা লিখি শেষ কৰিছো। শেষৰ শাৰী দুটা :—

"দেহাৰ সিপাৰে তুমি
সেয়ে প্ৰিয়া কৰো অনুভৱ
তোমাৰ প্ৰাণৰ বাণী,
দুগালত চুমি।"

বেণুক লগত লৈ বিভা আহি সোমাল। আচৰিত হৈ গ'লো। অলপ ভয়ো লাগিল। আনন্দও পালো যথেষ্ট। বিশেষকৈ এগৰাকী নতুন শিষ্যা পোৱাৰ গৌৰৱত।

কবিতাৰ খাটাখন বন্ধ কৰি দুয়োকো বহিবলৈ দিলো। বেচ ভক্তি সহকাৰে দুয়ো বহিল। নম্ৰতাত যেন বেণুতকৈ বিভা আজি অলপ চৰাহে।

অহাৰ কাৰণ সুধিলো।

বিভাই কলে "কাৰণ ডাঙৰেই, কিন্তু আপোনাৰ কাৰণে সি বিশেষ ডাঙৰ নহয়। কালিলৈ আমাৰ "সেউজী-সংঘৰ" বৈঠক পাতিছো।"

"এনে অসময়ত নো "সেউজী-সংঘ" পাতিলে কিয় ?"

"আপোনাক অভিনন্দন জনা কাৰণে। শ্ৰীযুত সৰস্বতী ফুকন সভাপতি হবলৈ মান্তি হৈছে। আপোনাক আমি নিমন্ত্ৰণ কৰিছো অতিথি হিচাপে, কিন্তু আপুনি নিজৰ বিষয়ে কিছু ক'ব লাগিব"।

অলপ হাঁহি ক'লো—"নিজৰ বিষয়ে নো মই কি ক'ম ? "কিয় ? আপুনি মানুহজন কিমান ওখ, ডাওৰ, ভাত কিমান খায়, খোজ কেই বেগেত কৰি দিয়ে।"

মই আকৌ হাঁহিলো।

"নিজৰ বিষয়ে কি ক'ব লাগে নেজানে যদি, আনৰ বিষয়ে যি জানে তাকে ক'ব।"

"আনৰ বিষয়ে নো কি জানো ?"

"কিয় আপোনাৰ অতীন্দ্ৰিয়বাদ আৰু অন্যান্য কবিৰ অতীন্দ্ৰিয়বাদ, আপোনাৰ প্ৰেম, আৰু অন্যান্য কবিৰ প্ৰেম।"

"বাৰু হৈছে, হৈছে। মই পৰাপক্ষত যাম বাৰু, কিন্তু কিবা যে ক'ব পাৰিম আশা নাই।

'নহয় যাবও লাগিব, ক'বও লাগিব। আপোনাক লৈ আমি কিমান গৌৰৱ অনুভৱ কৰো।"

বিভাইঁত বিদায় লৈ গ'ল। যাবৰ সময়ত মই শুনাকৈ বিভাই

বেণুক ক'লে, "দেখিলা বেণু, আজি তোমাৰ ভয় ভাগিলতো। আৰ্টিষ্ট, কবি, সাহিত্যিক এই মানুহবোৰ দূৰৰ পৰাহে দেখিলে ভয় লগা, ওচৰৰ পৰা আমাৰে একে মানুহ, আমালৈহে ভয় কৰে।"

মই দুগুনাৰ ভাও জুৰিলো।

বৰ সমাৰোহ আৰু জাকজমকভাৱে সভা শেষ হ'ল। বিভাই সম্পাদকীয়ত, বেণুৱে অভিনন্দনত, বীণা দাসে বক্তৃতাত মোৰ প্ৰশংসা আৰু মোৰ কবিতাৰ সূক্ষ্ম সমালোচনা কৰিলে। জীৱনৰ প্ৰতি ক'ত নতুন দৃষ্টি আছে, প্ৰেম কিদৰে দেহাৰ সীমা অতিক্ৰমি আকাশৰ ফালে উৰ্দ্ধমুখী হৈছে. তাৰ আলোচনা কৰিলে। কিছুমান কথা মই নিজেই বুজিব নোৱাৰিলো দিও, গম্ভীৰ হৈ হাঁহিলো। মইও এটা সৰু বক্তৃতা দিলো। বহুত হাতচাপৰি পৰিল।

সভা ভাগিলত বিভাই মোক ঘৰত আগবঢ়াই থবৰ কাৰণে লগে লগে মোৰ ঘৰলৈকে আহিল। অচিন্ত্যও কিছুদূৰ আহিছিল, কিন্তু পদ্মাক অকলে যোৱা দেখি সি পিছ পৰিল।

তেতিয়া গধূলি।

ল'বাটো বজাৰ কৰিবলৈ গ'ল। গাকৰ তলত, ৰান্ধনীশালত জুইশলাটো বিচাৰিলো নেপালো।

"নেলাগে চাকি জ্বলাব আহক" বিভাই চিঞৰি ক'লে, "মইনো কি অচিনাকি ছোৱালী জনী! কতদিন দেখিছে। তাৰ উপৰি আজি গোটেই দিনটো দেখিছেই। এতিয়া আৰু লেম লগাই নেচালে নহয়নে?"

অগত্যা ওলাই আহিলো।

"এঃ ইমান আন্ধাৰত কেনেকৈ বহি থকা যায়?" নিৰুপায়ত পৰি ক'লো।

"কিয় আপোনালোক, কবিবোৰে বোলে আন্ধাৰতহে বেছি দেখে, য'ত কোনো ছোৱালী নাই, তাতো এজনী ধুনীয়া ছোৱালী দেখে।" মই ইয়াতে বহিয়ে আছো, তেওঁ আপুনি মোক দেখা নাইনে?"

বিভাজনীৰ কথাবোৰ অসম্ভৱ।

আন্ধাৰতে আহি বাৰান্দাৰ চ'কা খনতে এমূৰে বিভা আৰু আন মূৰে মই দুয়ো বহিলো।

"কিয় আজি মিছাতে মোক অপমানবোৰ কৰিলা বিভা?"

"আপোনাক অপমান! কি কয় আপুনি?"

"অপমান নহয় আৰু কি? ক'ৰ অতীন্দ্ৰিয়বাদ, ক'ৰ দেহাতীত প্ৰেম সেইবোৰ দেখোন মই কোনো দিন ভবাই নাই।"

"আপুনি নেভাবিবতো। সেইবোৰতো আপোনাৰ গাত নাই, আপোনাৰ কবিতাতহে আছে। আপোনাক যেতিয়া কবি হিচাপে সমালোচনা কৰা যায়, তেতিয়া আপোনাক মানুহে কবিতাবোৰৰ মাজতহে বিচাৰিব, ইয়াত, এই গধূলিৰ আন্ধাৰত মোৰ লগত যে চ'কাত বহি আছে সেইটোতো কোনেও নেভাবে নিবিচাৰে।"

বিভাৰ কথাবোৰে গা বিন্ধি গলেও তাৰ সুৰটোত যেন অকণো বিদ্ৰূপ নাই। ভালেই লাগিল, সন্ধ্যাৰ কামছায়াৰ মাজেদি ওপঙি অহা চোতালৰ আৰ ফুলজোপাৰ পাতল গোন্ধটো, আৰু মোৰ গাৰ কাষতে থকা বিভাৰ চুলিৰ পৰা অহা কোমল সৌৰভ খিনিয়ে আমাৰ চাৰিওকাষৰ নিস্তব্ধতা ভৰাই তুলিলে।

এবাৰ আলিবাটৰ ফালে চালো। অলপতে হয়তো বয়টো বজাৰৰ পৰা আহি পাবহি।

এই আন্ধাৰত কোনো নোহোৱা ঘৰটোত মই আৰু বিভা! মোৰ নিজকে অলপ অপ্ৰস্তুত যেন লাগিল। বিভাই গোটেই পৰিস্থিতিটো বুজিও যেন বিদায় লবৰ কোনো প্ৰয়াস নকৰিলে।

"আপোনাৰ অকলশৰে থাকিবলৈ ভয় নেলাগেনে? নিস্তব্ধতা ভাঙি বিভাই সুধিলে।

"ক'তা নেলাগেতো?"

"আৰু লগেৰে থাকিবলৈ?"

"লগেৰে থাকিবলৈ আকৌ ভয় লাগিব কিয়?"

"এতিয়াই দেখোন মই লগত থকাত আপুনি ভয় কৰিছে ?"

"ভয় কৰিছো ? কোনে ক'লে ?"

"তেনেহলে আপুনি ইমান নিষ্প্ৰাণৰ দৰে বহি আছে কিয়? আপুনিতো ভাবিছে মই আপোনাৰ ওচৰৰ পৰা গলেই ৰক্ষা।"

"একেবাৰে মিছা কথা বিভা, মই সেইবোৰ একো ভবা নাই। তুমি মোৰ কাষত বহি আছা, মোৰ কিমান ভাল লাগিছে—"

"সঁচাকৈয়ে নেকি ?" বিভাই কলে। কিন্তু বহা ঠাইৰ পৰা অকণো নলৰিল। আন্ধাৰতে বিভাৰ হাতখন ধৰি গোটেই মানুহ-জনীকে মোৰ বুকুৰ মাজলৈ টানি আনিবৰ চেষ্টা কৰিলো। বিভা বহা ঠাইৰ পৰা নলৰিল। কিন্তু তাইৰ গোটেই গাটো মোৰ বুকৰ মাজত ঢলি পৰিল। বহুত পৰ বিভা মোৰ বুকুৰ মাজত পৰি থাকিল বিনা প্ৰতিবাদে হয়তো তৃপ্তিৰেই।

মোৰ গাৰ পাতল কঁপনি অনুভৱ কৰি বিভাই হয়তো বুজি উঠিল। বিভা সংযত হ'ল আৰু মোৰ পৰা মুক্ত হৈ ক'লে।

"ক্ষমা কৰিব ইমানখিনিলৈকে আমি মুক্ত, কিন্তু ইয়াতকৈ বেছি নহয়। ৰাতি হ'ল, যাওঁ আৰু, নহলে আকৌ বিচাৰিয়ে ওলাবহি।" মোৰ ডিঙি শুকাই গৈছিল। একো কব নোৱাৰিলো। অলপ যত্ন কৰি আধাভগা মাতেৰে কলো "বিভা, বিভা"..... ।

"ব'লক মোক অলপ-আগবঢ়াই থৈ নাহে জানো ?"

বিভা আগ বাঢ়িল। পিছে পিছে ময়ো ওলাই গলো।

"আজিও বাৰু আপুনি কবিতা লিখিব পাৰিবনে ?" বাটত বিভাই শুধিলে।

"কবিতা ? সি এটা ফাঁকি বিভা, তাৰ কোনো অৰ্থ নাই, কোনো সাৰ্থকতা নাই, ৰামধেনুৰ পোহৰৰ নিচিনা সি মাথোন দেখাত ধুনীয়া, কিন্তু কাৰো বাট পোহৰ নকৰে।"

"আপুনি ৰাওকগৈ আৰু, এই ডোখৰ মই যাব পাৰিম"।

আকৌ সাবটি ধৰি বিভাক এটা চুমা খালো, তাৰ পিছত বিভা গ'লগৈ।

*　　　*　　　*

কিছুদিন বিভাক লগ পোৱা নাই। কবিতাও লিখা নাই।

এদিন বিভাই মাতি পঠালে। কবিতাৰ কথা পাতিলে, চাহ দিলে, অলপ দেশৰ কথা পাতিলে, তাৰ পিছত মোক আগবঢ়াই থবলৈ আহিল।

"কথা এটা ক'বৰ কাৰণে মাতিছিলো" বিভাই কলে। "কবিতা অলপ বুজিলেও প্রেম অকণো নুবুজো। তথাপি এইটো জানো আপোনাক জীৱনত সদায় পোৱা হলে জীৱনটো হয়তো সুখতে কাটিলেহেঁতেন, কিন্তু তাৰ দ্বাৰা আপোনাৰ ডাঙৰ অপকাৰ কৰা হব। আপোনাৰ কীৰ্ত্তিৰ, আপোনাৰ যশস্যাৰ, আপোনাৰ কবিতাৰ আৰু আপোনাৰ প্রতিভাৰ ঘোৰ অৱমাননা কৰা হব। গতিকে মই নিজেই মাইতক কৈ মোৰ বিয়া পতাইছো। অহা মাহমানতে বিয়া হ'ব কিজানি। মই এনেদৰে থাকিলে আপোনাৰ সুনামত কালিমা পৰিব" অনর্গল কৈ গ'ল বিভাই।

"কিন্তু বিভা তুমি ..."

"নহয়, নহয়, মোতকৈ আপোনাৰ কবিতা বহুত ডাঙৰ, মোৰ প্রেমতকৈ আপোনাৰ কাব্যগৌৰৱ বহুত উচ্চ মোৰ স্বাৰ্থতকৈ আপোনাৰ জীৱন।"

"তুমি এই কথাবোৰ আজি কিয় কৈছা বিভা ?"

"হয়তো আৰু কবলৈ নেপাম কাৰণে। বাৰু আপুনি যাওকগৈ আৰু, এতিয়া জানো আৰু মোক চুমা খাব পাৰিব ?"

গোটেই শৰীৰটো মোৰ অৱশ হৈ পৰিছিল। বুকুৰ কাষতে থকা বিভাক এনেয়ে বিদায় দিলো। সাবটি ধৰি এটি চুমা খাবৰ শক্তি নহ'ল।

বিভাৰ বিয়া হৈ গ'ল।

এতিয়াও মই চিৰকুমাৰ।

মণি—মণি হয়তো নাছিল, কিন্তু বিভা—বিভাতকৈ কৱিতা ডাঙৰ জানো ? তেন্তে আজি মই কবিতা লিখিব নোৱাৰো কিয় ?

———

# শেহৰাতিৰ জোনাক

উচ্ছৃংখল !······জীৱনৰ প্ৰাচীন, আদিম মানৱতাৰ উত্তৰাধিকাৰী দাস। জীয়াই থকাৰ ঘোৰ পূজাৰী। পুৰুষত্বৰ লজ্জাহীন গৌৰৱ লৈ তাৰ কামনাৰ ভোগ-উৎসৱৰ বীভৎস আয়োজন। সি পুৰুষ, সি ডেকা। সেয়েই হয়তো সংযমহীন বৰ্বৰতা লৈ সি কৰে তাৰ যৌৱনৰ অশ্বমেধ যজ্ঞ। আনক নিৰ্যাতন, নাৰীক, দুৰ্বলক, নিজৰ দেহাৰ শক্তিৰে উৎপীড়ন, আৰু কেতিয়াবা অভিজাতৰ ওপৰত নিষ্পেষণ, আক্ৰমণ তাৰ নিত্য-নৈমিত্তিক ব্যৱসায়। নিজত্বই তাৰ কাৰণে সকলোতকৈ ডাঙৰ সত্য। সকলোৰে দুঃখকষ্টৰ বিনিময়ত, সকলোৰে অসন্তুষ্টিৰ পৰিৱৰ্তে সি বিচাৰি উলিয়াই লয় তাৰ নিজৰ কাৰণে এটা সুখৰ, এটা আমোদৰ অৰ্বাচীন সূত্ৰ। সেইটো তাৰ নিজৰ যশস্যা।

ছমিৰ গুণ্ডা।······হয়তো সি আজিৰ এই ছমিৰ গুণ্ডা নহ'লহেঁতেন, যদি অতুল সম্পত্তি এৰি তাৰ বাপেক সকতে মৰি নগ'লহেঁতেন, তাক পাঁচ বছৰীয়াতে এৰি তাৰ মাহীমাকে যদি আকৌ বিয়া নকৰালেহেঁতেন। আৰু তাৰ মাক—কিয় ? তাৰ মাকেই বা কিয় তাক মুকলি পৃথিৱীত এৰি থৈ সকতেই গুচি গ'ল! তেওঁ জীয়াই থকা হ'লেতো আজি সি এনেদৰে বাধাহীন, শঙ্কাহীন বৰ্বৰ গুণ্ডা নহ'লহেঁতেন, আজিৰ ছমিৰ নহ'লহেঁতেন।

মাৰপিট, মদ, বেশ্যা। মাৰপিট সি কৰিবই লাগিব। তাৰ বাহুত শক্তি আছে, শক্তিৰ পৰীক্ষাতো সি কৰিব লাগিব। জনতাৰ সুখ-শান্তিক ঠেলি তাৰ নিজৰ সুখৰ ৰাজ্য জয় কৰি লবই লাগিব ; আৰু মাৰপিট কৰা, ডকাইতি কৰা যে তাৰ আৱশ্যক। তাৰ চকু আছে, সি দেখিছে তাৰ আগতে কোনোবাৰ সুখৰ সোঁতত কোনোবাই ভেঁটা দি বহি লৈছে! সেই ভেঁটা সি ভাঙি দিবই লাগিব।—তাৰ সুখৰ কাৰণে

নাইবা কাৰোবাৰ সুখৰ কাৰণে। কি শুনিছে, তাৰ নিজৰ অধিকাৰত থকা ভোগৰ সামগ্ৰী, কোনোবা দুৰ্বলৰ শান্তিৰ আশ্ৰয় বলীয়ে কাঢ়ি নিছে। তাৰ কাণত পৰিছে বুভুক্ষু কামনাৰ আৰ্তনাদ। সেয়ে তাৰ যুঁজা, তাৰ শক্তিৰ পৰীক্ষা কৰা।

আৰু মদ,—মদ লাগে নিজক পাহৰাই ৰাখিবৰ কাৰণে। সংস্কাৰৰ মাজত থকা, নিয়মৰ মাজত থকা অচেতন মানুহৰ পৰা, সীমাৰ হেঁচাত চেপা খাই থকা আদৰ্শৰ পৰা নিজক মুক্ত কৰি আপোন মনৰ নিজভোলা গৌৰৱত নিজক চাবৰ কাৰণে তাক লাগে মদ। তাক লাগে কেঁচা আঙুৰৰ চেঁচা ৰস। তাৰোপৰি সংযমহীন শৰীৰটোৰ স্নায়ুবোৰত জীৱনৰ গতি সচল ৰাখিবৰ কাৰণে তাৰ ভোগৰ প্ৰাচুৰ্যত নিজৰ শক্তিৰ পৰিচয় দিবৰ কাৰণে তাক লাগে মদ!

আৰু নাৰী,—সেইটো তাৰ দাবী, তাৰ পৌৰুষৰ, তাৰ দেহাৰ সেইটো জয়জয়ন্তী, তাৰ সৰ্বগ্ৰাসী কামনাৰ উত্তপ্ত মুক্তিৰ মাজত নাৰী, নাৰীৰ দেহা তাৰ কাম্য, তাৰ প্ৰাপ্য—সুন্দৰৰ নামত, মঙ্গলৰ নামত, প্ৰেমৰ নামত সি নাৰীক নিবিচাৰে ; সি বিচাৰে তাৰ শৰীৰৰ প্ৰয়োজনত, তাৰ যৌৱনৰ অনুৰোধত, তাৰ শক্তি প্ৰমাণৰ, তাৰ প্ৰাণ-প্ৰমাণৰ আৱশ্যকত।

নাৰীৰ লগত প্ৰেম—হুঁঃ, দুৰ্বলতা! প্ৰেম কি? ভালপোৱা ; ভাল পাই নিজৰ কৰিব বিচৰা, কিন্তু যেতিয়া নিজৰ কৰি পোৱা হৈ যায়, তেতিয়া? তেতিয়া আৰু প্ৰেম নহয়, তেতিয়া প্ৰবঞ্চনা! প্ৰেমৰ নামত তেতিয়া এই একে কামনাৰেই পূজা। পোৱাৰ পিছত আৰু নাৰী প্ৰেমৰ নহয়, নাৰী ভোগৰ, ব্যৱহাৰৰ! তাৰ যুক্তি।

এগিলাচ মদৰ দৰেই তাৰ নিচা, নাৰীৰ মোহৰ মাদকতা। তাৰ পিছত, গিলাচ যেতিয়া শুকাই যাব, স্নায়ুত যেতিয়া তেজৰ কঁপনিৰ উত্তাপ কমি আহিব, তেতিয়া মই আৰু তুমি একে দুয়ো ভাল, দুয়োৰে নিচা নাই। মাত্ৰ এই পাৰ্থক্য মোৰ নিচা এৰাইছে আৰু তোমাৰ নিচা লাগিবলৈ নেপোৱাকৈয়ে গিলাচ শুকাই শেষ হৈ গৈছে। তেতিয়া

তুমি আৰু মই হুয়ো একে। ভোগ যৌৱনৰ, সাৰ্থকতা সেয়ে তাৰ যৌৱনৰ, তাৰ জীৱনৰ নিজে-গঢ়া দৰ্শনৰ তৰ্কবাদ।

ছমিৰ তাক সকলোৱে চিনে, গুণ্ডা বুলি, উচ্ছৃংখল বুলি অসংযত বুলি, আনকি অধম বুলি তাক সকলোৱেই চিনি পায়। ৰাতিবোৰ তাৰ কাৰণে আছে আনন্দৰ হৈ, তৃপ্তিৰ হৈ; আকাশৰ তৰাতকৈ, ৰাতিৰ আন্ধাৰেই তাক বেছি চিনি পায়। ৰাতিবোৰে তাক দিয়ে—একোটা নিত্য-নতুন বৰ্বৰ আনন্দৰ মুক্ত উপলব্ধি। জীয়াই থকাৰ উপাসক ছমিৰ 'ধৰ্ম, আৰে ধৰ্মেৰে কি কৰিবি? তোৰ চকুৰে নেদেখা মানুহৰ ভয়ত লুকাই থকা সেই বিধাতাটোৰে কি কৰিবি; কণাই বৃহস্পতি চোৱাৰ দৰে এই 'নেদেখা জনক' পূজা কৰি তোৰ কি হ্ব? তইতো বেছি কণা হৈ গৈছ। আৰু এই মছিদটো এইটো কি? ইয়াৰ মানে কি? অত হেজাৰ টকা খৰছ কৰি এই মাৰ্বলৰ মছিদ সাজিলে, তোৰ কি লাভ হ'ব? তোৰ এই মছিদ-সজা মাৰ্বলৰ টুকুৰাবোৰেৰে যদি 'ছাৰাবৰ' পিয়লা সাজিলিহেঁতেন, বহুতে আনন্দত দিন কটাব পাৰিলেহেঁতেন! ধৰ্মই তইঁতক কণা কৰিছে। বাৰু থাকিলেই এজন বিধাতা, তাৰ আকৌ পূজা কৰিব লাগে কিয়? একো নহয়, ভুল।' সেইটো তাৰ নিজৰ ধৰ্মমত!

এইদৰেই ছমিৰৰ দিনবোৰ যাব লাগিছে। জোৱাৰ উঠা সাগৰৰ সোঁতৰ দৰে, বাট-পাহৰা বৰদৈচিলাৰ দৰে, এটা অন্তহীন সান্ত্বনাৰ আবেগত, এটা তৃপ্তিৰ অৰ্বাচীন গৌৰৱত। পৃথিৱীক সি চায় পাৰ্থিৱ চকুৰে; তাৰ চাৰিওফালৰ প্ৰকৃতিত সি দেখে, প্ৰতিটো ফুলৰ পাতত সি দেখে এটা উদ্ধত কামনাৰ আহ্বান। ৰাতিৰ আন্ধাৰে তাক মাতে ভোগৰ কাৰণে. নাৰীৰ ৰূপে তাক মাতে নিজৰ পৌৰুষৰ প্ৰমাণ দিবৰ কাৰণে, তাৰ জীৱনে তাক মাতে এটা আত্মবিস্মৃত হৰ্ষৰ কাৰণে, এটা সংযমহীন ব্যক্তি-স্বাৰ্থৰ পূৰ্ণতাৰ কাৰণে।

তাৰ দিনে কমি অহা ঐশ্বৰ্যই, তাৰ যৌৱনৰ শাৰীৰিক শক্তিয়ে, তাৰ পোৱাৰ গৌৰৱে, তাৰ ভোগকেই সমৰ্থন কৰে। তাৰ ঘৰৰ পৰা

অলপ দূৰতে মছিদটো ; পূৱা-গধূলি নিতৌ তাৰ কাণত পৰে 'আজানৰ' মাত তাৰ খং উঠে। পৃথিৱীত আৰু অন্য কাম নাইনে ? সৰ মাৰি মছিদলৈ আহি সেই-সেই ? ইহঁত ক'ৰবাত যুদ্ধ কৰিবলৈ নেযায় কিয় ? অতদিনে এইদৰে টেটুফালি চিয়ৰি কিটো পাইছে ? পূজাৰ সলনি সেই নিৰ্বিকাৰ চকুমুদি খোৱা জনৰ লগত যুঁজ নকৰে কিয় ? কেতিয়াবা খণ্ডত তাৰ মছিদটো ভাঙি পেলাবৰ মন যায়, তাৰ সেই ওখ মিনাৰটো উঘালি নৈত পেলাই দিবৰ মন যায় !

নগৰখনৰ প্ৰায় মাজতেই তাৰ ঘৰ। দহ বৰ্গ মাইলৰ সৰু নগৰ খনৰ হাই-উৰুমিবোৰ তাৰ নিচেই চিনাকি। সেই গণ্ডগোলবোৰৰ মাজৰে সিও এটা গণ্ডগোল, এটা উৰুমি, ধুমুহা, বজ্ৰপাত, শিল-বৰষুণ তাৰ লগৰে সিও এটা তেনেকুৱাই কিবা, আকস্মিক, দুৰ্বৃত্ত, দুৰ্দম উচ্ছৃংখল।

* * *

তেতিয়া ৰাতি এবাৰ বাজি গৈছে। চাৰিওফালে আন্ধাৰ। নগৰৰ একাষাৰ সৰু গলিটোৰ নিস্তব্ধতাত আন্ধাৰৰ আৱৰণ সনা। গলিৰ কাষৰ সৰু ঘৰ এটাৰ দুৱাৰখন লাহেকৈ মেল খালে। এটা ডেকা আৰু এজনী ছোৱালী দুৱাৰখনেদী ওলাই আহিল। দুয়োৰে শৰীৰত অৱশ দুৰ্বলতাৰ চিন। কাপোৰকানি দুয়োৰে পাৰ্যমানে সংযত।

"বেগাই যোৱাগৈ—"ছোৱালীজনীয়ে কলে। ডেকাই উলটি নেচাই আগবাঢ়ি আহি পদূলিমুখ পালেহি।

"কোন ?"

চক্‌মক্ খাই ডেকাই মূৰ তুলি চালে।

"কোন ? তই ইয়াত কিয় ? তক ক'লৈ আহিছিল ? ক'ৰ ? ক'ৰ ?"

ভয়ত ডেকাটো কঁপিব ধৰিলে।

"নেমাত কিয় ? কাৰ হুকুমত ইয়ালৈ আহিছিল।

তাৰ পিছত কথা-বতৰা নাই। ছমিৰৰ মোঁচা-ভুকু চৰৰ ফলত

ভেকা মাটিত ঢলি পৰিল। নাকেদি তেজ ওলাব ধৰিলে। ঘৰটোৰ ভিতৰৰ পৰা কোনোৱে ওলাই নেচালে।

ছুৱাৰখন ঠেলা মাৰি মেলি ছমিৰ সোমাই গ'ল। মোহিনীয়ে আথেবেথে কৰি তাক বহিবলৈ দিলে, সি ঠিয়দি ৰ'ল।

"সি কোন ?"

"সি ? কোন সি ?" এটা মাৰাত্মক মিচিকি মাৰি তাই তাৰ চকুলৈ চালে।

"সি ইয়ালৈ অহা নাছিল ?"

"ইয়ালৈ ? কোন ? তোমাৰ বাহিৰেতো ইয়ালৈ কোনো আহিব নোৱাৰে"।

"তেন্তে সি কিয় আহিছিল ?" সি মোহিনীৰ চকুলৈ চালে। প্ৰসাধিন সনা তাইৰ মুখ খনত সি দেখিলে এটা অসংযত অলসতাৰ চিন। তাইৰ চুলিবোৰৰ মাজত লুকাব নোৱাৰা কিবা এটা ব্যস্ততাৰ বিশৃংখলতা। তাৰ চকু কেইটা বেছি ৰঙা পৰিল!

"মোহিনী" তাই চকু তুলি চালে।

"জান, মই তোক মাহে যিমান টকা দিওঁ, এই টকাৰ চাৰিভাগৰ এভাগেৰে মই নৱাবৰ জীয়েকক বিয়া কৰিব পাৰো।"

মোহিনীয়ে মাত্ৰ হাঁহিলে—বাৰাঙ্গনাৰ কলুষ-কুটিল হাঁহি।

"হাঁহিছ ?"

ছমিৰৰ একেটা ঘোচাতে মোহিনী মাটিত পৰি গ'ল।

"চুকণী, মোৰ অতখিনি পায়ো তোৰ হেঁপাহ নপলাল!" খঙত সি কি ক'ব বিচাৰি নেপালে।

"মইতো তোমাৰ তিৰোতা নহওঁ। সেইটো আমাৰ কামেই"—মাটিতে বহি ক্ৰুদ্ধভাৱে মোহিনীয়ে ক'লে।

"এঁ, সেইটো তোৰ কামেই ?" বৰ বিস্ময়েৰে এবাৰ সি মোহিনীৰ মুখৰ ফালে চালে। তাত যেন সেই লেমটোৰ পোহৰত সি দেখিলে তাইৰ গালত তাৰ দৰে শত শত কামুক পুৰুষৰ ওঁঠৰ দাগ অবৈধ

সম্ভোগৰ ক'লা ৰেখা, প্ৰসাধনৰ আৱৰণেৰে অতদিন তাৰপৰা লুকাই ৰাখিছে।

লাহে লাহে তললৈ মূৰ কৰি সি ওলাই আহিল। মোহিনী গণিকা—বেশ্যা—তাৰ মনত লাগিল।

চোতালৰ মুখৰ পৰা ডেকাটো উঠি গৈছে। তাৰ মন গ'ল সি যেন তাক বিচাৰি উলিয়াই তাৰপৰা ক্ষমা বিচাৰিব।

······আকৌ সেই মছিদটো, তাৰ ঘৰলৈ অহাৰ বাটত সদায় সেই নিৰ্জীৱ মছিদটো, সি এবাৰ মূৰ তুলি চালে। ভিতৰত তিনিডাল ম'ম জ্বলি আছে।

তাৰ ভয় লাগি উঠিল। জীৱনত কোনো দিনে অনুভৱ নকৰা কিবা এটা ভয়ে তাৰ মনটোত ঠাই ললে। সি লৰ মাৰি তাৰ ঘৰত সোমাই দুৱাৰখন বন্ধ কৰি দিলে।

* * *

মদ—মদ · পদ্মা।

নহয়, মোহিনী আৰু নহয়; পদ্মা। এইবাৰ পদ্মা, সেই বুঢ়াটোৰ ছোৱালীজনী। তাই বেশ্যা নহয়, তাই বেছ ধুনীয়া।

হঠাতেই চিনাকি হৈ গ'ল। মটৰৰ আগত পৰিব ধৰোঁতে সেই বুঢ়াটোক বচাই দি সি পদ্মাৰ লগত চিনাকি হৈ পৰিছে। সেই একেই চকুৰে সি পদ্মাকো চায়, যি চকুৰে পৃথিৱীৰ সকলো তিৰোতাক সি চাই আহিছে। নাৰী ভোগ্য, নাৰী পুৰুষৰ কামনাৰ আহুতি, পদ্মাও সেয়ে।

কিন্তু সি দেখি আচৰিত হয়, মোহিনীৰ দৰে গাভৰু হৈয়ো, ধুনীয়া হৈয়ো, পদ্মা কিয় মোহিনীৰ দৰে মুক্ত নহয়, স্বচ্ছন্দ নহয়। তাই যেন কিয় কথাবোৰ জুখি জুখি কয়, হাঁহিটো পুৰাকৈ নেমাৰে, চকুৰ চাৱনি শেষ কৰি দি চাব নোৱাৰে। তাৰ বৰ অসন্তৰ যেন লাগিল। সি যেন পদ্মাক ঠিক বুজিবই পৰা নাই।

অকল পদ্মাই জানো? তাৰ উপৰি, পদ্মাৰ সেই বুঢ়া বাপেকটো

সিহঁতে কথাবতৰা পাতিলে কেনেকৈ শুনি থাকে, চাই থাকে। সি ভাবি নেপায় তাৰ আৰু পদ্মাৰ মাজত এটা বুঢ়াৰ কি আৱশ্যক। এহাল ডেকা গাভৰুৰ মাজত কিয় এটা মিল নোখোৱা বুঢ়াই এনেদৰে বাধা হৈ ঠিয় দিয়ে। তাৰ কেতিয়াবা পদ্মাক এটা ডাঙৰ কথা কৈ দিবৰ ইচ্ছা হয়, তাইৰ বুঢ়া বাপেকটোৰ অনাৱশ্যকতাৰ কথাৰাৰ বুজাই দিবৰ মন যায়। কিন্তু নোৱাৰে। পদ্মাক মৰম দেখি, ভক্তি দেখি সিও কেতিয়াবা ভাবিব খোজে যেন সেই বুঢ়াটোৰ ভিতৰত ভক্তি কৰিব লগা, মৰম কৰিব লগা কিবা এটা আছে ; কিন্তু ক'ত আছে সি দেখা নেপায়।

"তুমি আৰু তোমাৰ দেউতাৰক লৈয়েই ব্যস্ত" কেতিয়াবা সি কৈ দিয়ে।

তাই তাইৰ ধুনীয়া চকু দুটা তুলি চায়।

"আৰু তোমাৰ ভাবিব লগা একোৱেই নাইনে ?"

"আৰু নো কি ভাবিব লগা আছে ? দেউতাৰ বাহিৰেতো আৰু মোৰ কোনো নাই। দেউতা নহলে মই ক'ত থাকিম ?"

"কিয় মোৰ লগত ?" অকণো ভূমিকা নকৰি সহজভাৱে সি কৈ দিলে।

"হয়তো আজি আপোনাৰ লগতেই থাকিব লগা হলহেঁতেন যদি আপুনি দেউতাক নবচালেহেঁতেন।"

"তেন্তে ?"

"সেই কাৰণে দেউতাৰ কথা ভবাৰ লগতে আজিকালি আপোনাৰ কথাও ভাবিব লগাত পৰিছে !"

"মোৰ কথা, মোৰ কথা কিয় ভাবা ?"

"আপুনিয়েইতো দেউতাৰ প্ৰাণ ৰক্ষা কৰিলে।"

সি হাঁহিলে, কিবা এটা বুজিব নোৱাৰা তৃপ্তিৰ হাঁহি। তাই দেখিলে, হয়তো বুজিব নোৱাৰিলে, হয়তো বুজিবৰ চেষ্টাই নকৰিলে।

"দেউতাৰৰ প্ৰাণ ৰক্ষা কৰাৰ কাৰণেহে মোৰ কথা ভাবা ?" এটা কৰ্কশ হাঁহিৰে সি ক'লে। সি যেন বৰ কোমল কথা এবাৰ কৈছে।

"এৰা, সেই কাৰণেই !"

সি যেন তাইৰ কথাবোৰত বৰ এটা তৃপ্তি অনুভৱ কৰিলে।

"বাৰু ধৰি লোৱা, তোমাৰ দেউতাৰা আকৌ মটৰৰ আগত পৰিল।"

"নাই নাই কিয় পৰিব, এইবাৰ যে দেউতাক মই ঘৰৰ পৰা বাহিৰলৈকে যাবলৈ নিদিওঁ।"

"বাৰু ধৰি লোৱা, পৰিল। তেতিয়া ?"

"তেতিয়া ?" বৰ ভয়েৰে পদ্মাই তাৰ মুখলৈ চালে। তাইৰ দুয়োটা চকুত নিঃসহায় নাৰীত্বৰ নিৰৱলম্বন দুৰ্বলতা ! এটা কাতৰ শঙ্কাত তাই কঁপি উঠিল !

"তেতিয়া মোৰ লগতে থাকিবাতো ?" প্ৰশ্নৰ কোনো ইঙ্গিত নিদি নিশ্চয়তাৰ সুৰতেই সি ক'লে।

"আপোনাৰ লগতে ?"

"জানো, তুমিয়েইতো ক'লা।"

বৰ তৃপ্তিত সি পদ্মাৰ তাৰ পৰা গুলাই গ'ল। পদ্মাই যেন ছমিৰক বুজিব নোৱাৰিলে। আন সকলোৰে দৰে তায়ো জানে ছমিৰ গুণ্ডা, ছমিৰ জঘন্য, পিছে সিয়েতো তাইৰ বাপেকৰ প্ৰাণ ৰক্ষা কৰিলে। কিন্তু তাৰ মনটো যেন তাই অকণো বুজিবৰ চেষ্টা নকৰিলে, সি দেখিলে পদ্মা অসহায়, পদ্মা নাৰী, এজনী ছোৱালীৰ কথা তাতকৈ বেছি বুজাৰ তাৰ কাৰণে কোনো আৱশ্যক নাই।

তাইৰ মনটো মনৰ লগত তাৰ কোনো সম্বন্ধ নাই। ছোৱালীৰ আকৌ মন ! মনটোৰে তাই কি কৰিব। আত্মৰক্ষা ? মিছা কথা ! এটা ফাঁকি দিবৰ উপায়। সি এটা গৌৰৱ অনুভৱ কৰিলে। ছোৱালীৰ মনটোৰ কোনো মূল্য নাই। তাইৰ বাহিৰটোৱেই সকলো।

তথাপি যেন সি দেখিলে মোহিনী আৰু তাইৰ দৰে আন দহজনী ছোৱালী, আৰু পদ্মাৰ মাজত কিবা এটা পাৰ্থক্য আছে, তাই যেন সিহঁতৰ পৰা বেলেগ ! সি যেন পদ্মাৰ ওচৰলৈ সাৱধান হৈ যোৱাই

উচিত। তাৰ মুখত মদৰ গোন্ধ পালে যেন পদ্মাই তাক…তাক…কি কৰিব? 'মোক কি কৰিব?'

তথাপি কিয় জানো সি নোৱাৰে।

লাহে লাহে সি দেখিলে যেন পদ্মাৰ বাপেকে তাক সন্দেহ কৰিব ধৰিছে, সিহঁতে কথা পাতিলে তেওঁ ওচৰতে থাকে, পদ্মাৰ ওপৰত, তাৰ ওপৰত, তীক্ষ্ণ দৃষ্টি ৰাখে। সি অতীষ্ঠ হৈ উঠে।

* * *

"পদ্মা"

"কি?" দুৱাৰ মেলি ছমিৰ সোমাই আহিল।

শেষ মাঘৰ এটা দুপৰীয়া। গোটেই দিনটো কিণ্ কিণ্ কৰি বৰষুণ দি আছে। বেলি প্ৰায় নায়েই। দিনটো সন্ধিয়াৰ পাতল আন্ধাৰেৰে ঢকা। ভীষণ জাৰ পৰিছে। অতি কম মানুহেই বাহিৰলৈ ওলাইছে।

ছমিৰ সোমাই আহিল। তাৰ গাত এটা গৰম অ'ভাৰ কোট, মূৰত এটা গৰম টুপী।

হয়তো পদ্মাই সি আহিব বুলিয়ে আশা কৰি আছিল। সি যে যেই কোনো মুহূৰ্ত্তত আহি পৰিব পাৰে পদ্মাই জানে।

পদ্মা জুইৰ ওচৰত বহি আছিল, সিও জুইৰ ওচৰলৈকে গ'ল।

"বৰ ঠাণ্ডা পৰিছে।"

"এৰা, বৰ ঠাণ্ডা, তাতে বৰষুণ জাক পৰি আৰু জাৰ নমাইছে।"

"ইয়াৰ পিছতে জাৰ কমি আহিব আৰু।"

"এৰা দুদিনমান এনেকৈ বেছি জাৰ পৰাৰ পিছত জাৰ কমি যায়।"

"দেউতাৰা নাই?"

"সৌ ৰবিহঁতৰ ঘৰলৈ গৈছে, এই আহিব, বহক।"

"নবহোঁ'মই যাওঁ। পদ্মা" পদ্মাই মূৰ তুলি চালে।

"মই তোমাক এটা কথা ক'ম—"

"ভাল বাৰু" পদ্মাই বাহিৰৰ ফালে চালে।

"কিন্তু তোমাৰ দেউতাৰাৰ কাৰণে মই তোমাক কোনো কথা ক'ব নোৱাৰোঁ।"

"কিয় ?"

"সেইটো তুমিয়েই জানা।"

"কিয়, দেউতাই দেখোন একো মানা নকৰে। আপুনি সহজেই ক'ব পাৰে।"

ছমিৰে এবাৰ বাহিৰৰ ফালে চালে।

পদ্মাই তাৰ মুখলৈ চালে। এটা ভয়ৰ কঁপনি তাইৰ গোটেইটো গাৰ ওপৰেদি বাগৰি গ'ল। তাই নিজক সংযত কৰি সামৰি লবৰ ইচ্ছা কৰিলে। সিও পদ্মাৰ মুখলৈ চালে। ভয়ত শেঁতা পৰা পদ্মাৰ মুখখনত যেন হঠাৎ সি কিবা এটা ধূসৰ জ্যোতি দেখা পালে। সি নিজৰ অৱস্থাটোকে বুজিব নোৱাৰা যেন পালে।

সি নিজেই গম নোপোৱাকৈ লাহে লাহে কৈ গ'ল।

"তুমি মোক ঘিণ কৰানেকি পদ্মা ?"

"ঘিণ ? কিয় আপোনাক ঘিণ কৰিম কিয় ? মাত্ৰ"

"মাত্ৰ ? মাত্ৰ কি ?"

"একো নহয়" ভয়েৰেই তাই ক'লে ?

"একো নহয় ? তেন্তে 'মাত্ৰ' কি ? মোক ঘিন নকৰা কিয় ?"

"আপোনাক ঘিণ নকৰোঁ, কিন্তু আপোনাৰ কামবোৰলৈ মোৰ ভয় লাগে।"

"কামবোৰলৈ ?" সি আচৰিত হোৱাৰ দৰে পদ্মাৰ মুখলৈ চালে। পদ্মাই যেন এটা ডাঙৰ সাহস পালে। পাতলকৈ হাঁহি ক'লে "আপোনাৰ দোষবোৰক···"

"অ, মোক ঘিণ নকৰা, মোৰ দোষবোৰক··· ?"

সি বাহিৰৰ ফালে চালে। পদ্মাৰ মুখলৈ চাবৰ সাহ তাৰ নহল—

"তোমাৰ দেউতাৰা কেতিয়া আহিব ?" ক্ষণিক দুৰ্বলতাৰ পৰা নিজক মুক্ত কৰি, একো কথা বিচাৰি নোপোৱাৰ দৰে সি ক'লে।

"এইয়া আহি পাবহিয়েই, আপুনি অলপ বহক, অ' লৌৱা দেউতা আহিছেই হ'বলা"—প্ৰসন্ন মুখেৰে পদ্মাই বহুত দূৰেদি, অহা বাপেকৰ ফালে চালে।

"অ' তেন্তে নহব। পদ্মা তুমি এটা কাম কৰিব পাৰিবা?" পদ্মাই মূৰ তুলি চালে।

"তোমাক মই এটা কথা ক'ম অকলে।" তাৰ মাজৰ অভ্যস্ত মানুহটো জাগি উঠিল। "তুমি আজি ৰাতি সৌখিনিলৈ অলপ সময়ৰ কাৰণে যাব পাৰিবা?"

হঠাৎ পদ্মাৰ মুখখন আকৌ শেঁতা পৰি গ'ল, তাই পুনৰ বাপেক অহাৰ ফালে চালে।

"পাৰিবা?"

"দেউতাই যদি কয় পাৰিম, বাৰু" ভয়তেই তাই ক'লে। তাৰ মুখলৈ চাবলৈ তাইৰ সাহস নহ'ল।

"দেউতাৰে? অসম্ভৱ, দেউতাৰাক যদি জানিবলৈ দিয়া সকলো পণ্ড হ'ব। তুমি নিজে অকলে যাব লাগিব, পাৰিবা?" তাৰ চকুৰ কৰ্কশ দৃঢ়তাখিনি লৈ সি পদ্মাৰ মুখলৈ চালে।

ভয়ত বগা পৰি পদ্মাই কি জানো ভাবি ক'লে—"বাৰু"

"ঠিক?"

পদ্মাই বাহিৰৰ ফালে চাঁলে।

"ৰাতি এঘাৰ বজাত আজি ৰাতিয়ে, নেপাহৰিবা", কৈ কৈ সি ওলাই গ'ল। পদ্মাই এবাৰ গোমোঠা আকাশখনৰ ফালে চালে। তেতিয়া বাপেক আহি ভিতৰ সোমাইছেহি।

* * *

মদৰ জাল যেতিয়া এৰে, তেতিয়া ৰাতি এঘাৰ বাজি গৈছে। কি এটা সঙ্কোচত যেন সি পদ্মাৰ ওচৰলৈ যাবলৈ ভয় কৰিছিল।

লাহে লাহে সি ঘৰৰ পৰা বাহিৰ ওলাল। গাত তাৰ অ'ভাৰ কোটটো। কত ৰাতি সি এইদৰেই ওলাই গৈছে, তাৰ কামনাৰ

বুভুক্ষাক নিবৃত্ত কৰিবৰ কাৰণে। তাৰ প্ৰবৃত্তিৰ উত্তাপত সি পাহৰি গৈছে মাঘমহীয়া জাৰ, বদ, বৰষুণ! সি আগ বাঢ়িল।

এবাৰ হঠাৎ সি অনুভৱ কৰিলে, সি যেন আজি কিবা এটা চিন্তা কৰিছে। সি যেন আজি খোজবোৰ লাহে লাহে কাঢ়িছে। সি যেন কিবা এটা ৰহস্য অনুভৱ কৰিলে তাৰ নিজেৰেই কামবোৰত।

সি আজি ওলাই আহিছে পদ্মাৰ কাৰণে—এজনী নতুন ছোৱালীৰ কাৰণে; এটা নতুন অভিসাৰৰ মোহত। তথাপি তাৰ আজিৰ আনন্দটো যেন কিয় আন্তৰিক নহয়!

মাজ ৰাতি! এইখিনি পাওঁতে তাৰ বাৰ বাজি গৈছে।

ক'তা, পদ্মা ক'ত? সি কিউপিনে চালে। কোনো নাই; প্ৰায় সকলো শুই পৰিছে। 'পদ্মা নাহিল কিয়?' সি ভাবিলে, হয়তো পদ্মা আহি জাৰত ঠিয়দি থাকিব নোৱাৰি, মোক নেদেখি গুচি গৈছে। ইঃ ইমান চেঁচা কুঁৱলীবোৰ! ফেৰ্‌ফেৰিয়া বতাহ বুকুৰ মাজেদি সৰকি যায়। ইয়াতনো পদ্মা বহুতপৰ কেনেকৈ ঠিয়দি থাকিব? তাতে এই ৰাতি অকলে এজনী মাইকী ছোৱালী পদ্মা, হঠাৎ সি তাৰ চকুৰ আগত দেখিলে অথনি জুইৰ আগত দেখা পদ্মাৰ শেঁতাপৰা মুখখন। ইঃ তাই কেনেকৈ কঁপিছিল। হয়তো তাৰে ভয়তে" নিশ্চয় পদ্মা আহিছিল। সি কোৱামতেই পদ্মা আহি তাৰ কাৰণে বৈ আছিল। কত সময় ছাগে তাই ঠাওাত এইখিনিতে ঠিয়দি আছিল—সি ভাবিলে। সি নিশ্চয়কৈ ভাবিলে পদ্মা তাৰ কাৰণে আহিছিল, অসহ্য হৈ উলটি গৈছে। আচৰিত ৰকমে সি অনুভব কৰিলে যেন মানুহৰ ওপৰত এটা বিশ্বাসে, এটা অজান সমবেদনাই তাৰ হিয়াখন ভৰাই তুলিছে। মানুহ ইমান ভাল।

পদ্মা—পদ্মা—তাৰ কাৰণে আহিছিল। কিন্তু কিয়? তাইতো আহিছিল তাইৰ নিজৰেই ধ্বংসৰ কৰণে। সিতো তাইক মাতিছিল তাইৰে সৰ্বনাশৰ কাৰণে। তথাপি যে তাই আহিছিল। সি আচৰিত হ'ল। পদ্মাই মোক ঘিণো নকৰে, মাত্ৰ মোৰ কামবোৰলৈ ভয় কৰে,

মোৰ কামবোৰক ঘিণ কৰে কিয়, সেই কামবোৰত ময়ে কৰোঁ। তথাপি কোনো দিনে অনুভৱ নকৰা এটা ভাব সি অনুভৱ কৰিলে মানুহৰ কাৰণে। মানুহৰ ভিতৰত যেন সি দেখিলে এটা বৰ ধুনীয়া, এটা বৰ পবিত্র কিবা। সি হঠাৎ এটা আনন্দ অনুভৱ কৰিলে। সৰল হোৱাৰ আনন্দ, পদ্মাৰ দৰে সহজ হোৱাৰ আনন্দ, মানুহক ঘিণ নকৰাৰ আনন্দ। সি পৃথিৱীখনক অন্য ৰকমে অনুভৱ কৰা যেন পালে।

সি দূৰলৈ এবাৰ চালে। জোনৰ বগা জোনাক নিয়ৰবোৰৰ লগত মিহলি হৈ পৃথিৱীৰ বুকুত সৰি পৰিছে? ধুনীয়া কুঁৱলীবোৰে পৃথিৱীখনক কেলফালৰপৰা সাবটি ধৰি ঠেক কৰি পেলাইছে বহুত দূৰত জোনাক-মিহলি আন্ধাৰ—গহীন, নীৰৱ, নিঃশব্দ, কিন্তু কিমান ধুনীয়া। গোটেই জগতখন ইমান নিস্তব্ধ! মানুহবোৰ শুই পৰিছে। দিনৰ পোহৰৰ ব্যস্ত মানুহবোৰ—পুৱাৰ কোমল বতাহজাকৰ লগতে সাৰ পাই উঠে নীৰৱে, আৰু ৰাতিৰ নিঃশব্দ তৰাটোৰ লগতে নিঃশব্দ হৈ পৰে। কিমান ভাল। সাৰ শব্দই নাই, যেন সকলো মৰি গৈছে!

মৰি গৈছে? হুঁঃ মৰা; এই জোনাকবোৰৰ দৰে আত্মাটো এখন আন্ধাৰ কুঁৱলীৰ মাজত গলি মিহলি হৈ, নাইকিয়া হৈ যোৱা! তাৰ আজি মনত পৰিল কোনো দিনে নভবা মৃত্যুলৈ। মানুহ মৰে, আজিৰ এই মাজনিশাৰ পৃথিৱীখন দৰে সাৰ-শব্দ নাইকিয়া হৈ যায়। প্ৰাণ নোহোৱা হৈ যায়! তাৰ ভয় লাগিল। তাৰ অলক্ষিতেই অনাগত মৰণৰ ভয়ত সি কঁপি উঠিল! তাৰ নিজৰ মাজলৈ চাবলৈ সি বল বিচাৰি নেপালে। সেই ঠাই ডোখৰত সি আৰু থিৰেৰে থাকিব নোৱাৰিলে। দূৰৰ কুঁৱলীবোৰৰ ফালে চাই চাই সি সেই সৰু বাটটোৱেদি যাব ধৰিলে। তাৰ মনত বাৰে বাৰে পৰিব ধৰিলে পদ্মাৰ শেতা পৰা মুখখন আৰু মানুহৰ মৃত্যু, মানুহৰ জীৱনৰ শেষ হৈ যোৱা। জেপৰ পৰা হাত দুখন উলিয়াই সি এবাৰ চোলাটোত এনেই হাত ফুৰাই চালে। কুঁৱলীত তাৰ চোলাটো তিতি সেমেকো হৈ গৈছে। তাৰ গাটো এনেয়ে শিয়ঁৰি উঠিল।

এতোখৰ ভাৱৰৰ বুকুত জোনটো লুকাই পৰিল।

সি কুঁৱলীয়ে ঢকা আন্ধাৰৰ মাজত অনুভৱ কৰিলে তাক যেন কিবা এটা আন্ধাৰ কাৰাগাৰতে কোনোবাই তাৰ অজ্ঞাতেই বন্ধ কৰি ৰাখিছে। তাৰ মনত লাগিল সি যেন বৰ অকল, গোটেই পৃথিবীখনত যেন তাৰ কোনো নাই! তাৰ এবাৰ চিঞৰি মাতিবৰ ইচ্ছা হ'ল, কিন্তু ভয়তে তাৰ মাতটো ভিতিতে হেৰাই গ'ল। সি লাহে লাহে আগবাঢ়িব ধৰিলে। পৃথিবীখনৰ উদাস নীৰৱতাত সি অতীষ্ঠ হৈ উঠিল।

অকাৰণতে সি কাণ পাতিলে। তাৰ মনত হল তাক যেন কোনোবাই দূৰৰ পৰা চিয়ঁৰি ক'ব "অলকশৰীয়া, উভটি আহা, ইয়াত জুই আছে, গৰম আছে, শান্তি আছে, মই তোমাক ঘিণ নকৰোঁ! কিন্তু কোনে? পদ্মাই? তাৰ এবাৰ উভটি চাবৰ ইচ্ছা হ'ল। সি অনুভৱ কৰিলে যেন পদ্মাই তাক সঁচাকৈয়ে পিছৰপৰা চিয়ঁৰি মাতিছে।

হঠাৎ তাৰ কাণত পৰিল কাৰোবাৰ উচুপনি, তাৰ নিচেই কাষতে আলিটোৰ কাষৰে ঘৰ এটাৰ দুৱাৰ মুখত। সি আগবাঢ়ি গ'ল। ইমান ৰাতি ইয়াত কিহে কান্দিছে? সি ওচৰ চাপি গল। ক্ষীণ জোনৰ পোহৰত সি দেখিলে এটি শিশু প্ৰায় ৩।৪ বছৰীয়া। লৰাটোৱে জাৰত থৰ্-থৰ্ কৰি কঁপিছে, আৰু কান্দিছে! একো নেভাবি সি লৰাটোক তাৰ বুকুৰ মাজত সুমাই ললে। তাক দুয়ো হাতেৰে জোৰেৰে সাবটি ধৰিলে। কিবা এটা ভাষাহীন করুণাত তাৰ মনটো গলি উঠিল! কোনো জানো বাটৰ কাষত কঠিন শীতৰ ৰাতি, এই অজ্ঞ শিশুটোক এৰি গ'ল নিৰৱলম্বন, নিঃসহায়। যিমানেই সি শিশুটোৰ নিঃসহায়তাৰ কথা ভাবিলে, তাৰ মনত এটা অনুভূতি জাগিল, কিমান এটা ডাঙৰ সম্ভাৱনা লৈয়ো মানুহ কিমান নিঃসহায়, কিমান দুৰ্বল! মাঘৰ জাৰে, ৰাতিৰ আন্ধাৰে, মানুহৰ নিৰ্ম্মম ব্যৱহাৰে এই শিশুটোক মাৰি পেলাব পাৰে, নাইকিয়া কৰি পেলাব পাৰে! তাৰ মনত লাগিল, পৃথিবীত যেন মানুহৰ দুৰ্বলতাতকৈ করুণ আৰু একো নাই!

সি লৰাটোক আৰু জোৰেৰে সাবটি ধৰিলে। তাৰ কোমল

গালখনত তাৰ নিজৰ গালখন লগাই হেঁচি ধৰিলে। মৰমত তাৰ চকু দুটা মুদ খাই আহিব খুজিলে। স্বপ্নাবিষ্টৰদৰে সি অনুভৱ কৰিলে যেন এই শিশুটি কোনোবা জীৱনত এৰি অহা মানৱতাৰ এটা প্ৰাচীন বাৰ্ত্তা। এটা করুণাৰ শিহৰণেৰে সি অনুভৱ কৰিলে যেন এই কুঁৱলীয়ে ঢকা পৃথিবীখনতকৈ বহুত বেছি দুৰ্ব্বল!

তাৰ লৰাটোক কিবা এটা সুধিবৰ মন গল। কিন্তু তাৰ ধাৰণা হ ল যেহ তাৰ বুকুৰ উত্তাপ পাই লৰাটো শুই পৰিছে।

জোনটো ভাৱৰৰ বুকুৰ পৰা ওলাল। আকৌ নিস্তব্ধ পৃথিবীখনৰ জড় বুকুত কোমল পোহৰবোৰ বিয়পি পৰিল। তাৰ কাষৰ কুঁৱলীবোৰ ৰূপোৱালী হৈ উঠিল। সি দেখিলে চউদিশে এটা স্নিগ্ধ প্ৰশান্তি, এটা অচঞ্চল, ব্যাপক, গভীৰ নীৰৱতা; পৃথিবীত আৰু কোনো নাই, দুটা মানৱ-শিশু নিশাৰ বুকুত দুটা সৰু লৰা, সি আৰু তাৰ বুকুৰ অপৰিচিত শিশুটো! তাৰ ভাল লাগি উঠিল। শেহনিশাৰ জোনৰ পোহৰৰ দৰে তাৰ মনটো মুকলি লাগিল। সেই অচিনা শিশুটোৰ পৰশে যেন তাক সৰু কৰি পেলালে, মানুহ কৰি পেলালে, শিশু কৰি পেলালে।

এই জোনাকৰ অৰ্থ যেন এই শিশুটো, শেহনিশাৰ বতাহজাক যেন তাৰেই বুকুৰ কাতৰ নিশ্বাসৰ প্ৰতিধ্বনি। জোনৰ পোহৰত লৰাটোৰ মুখখন এবাৰ চাওঁ বুলি সি তাক বুকুৰ পৰা নমাই কোলাত বহুৱাই ললে। নিয়ৰত তিতা বনবোৰতে আঠু কাঢ়ি বহি সি তাৰ চকুৰ আগলৈ আনি লৰাটোৰ মুখখন চোৱাত লাগিল। তাৰ খীণ মুখখনত সি দেখিলে আত্মীয়তাৰ এটা অপৰিস্ফুট সাঁচ। চুমা এটা খাবৰ কাৰণে সি লৰাটোৰ মুখখন আকৌ তাৰ মুখৰ ওচৰলৈ চপাই আনিলে।

হঠাৎ এটা সৰু শব্দ কৰি ঘৰটোৰ দুৱাৰখন মেল খালে, লগে লগে এটা চিয়ঁৰ—"আই ঐ এইটো কোন?"

এজনী তিৰোতা আহি একে চোঁচাই তাৰ কাষ পালেহি, তেতিয়াও লৰাটো তাৰ কোলাতে।

সি মূৰ তুলি চালে। সি চৰণ পৰা মানুহৰ দৰে থৰ লাগি ৰৈ

গ'ল। এইজনীয়ে পুণি—

পুণিও বৈ গ'ল। একো মুখুজাৰ দৰে তাই তাৰ মুখলৈ চালে। হঠাৎ কিবা এটা খণ্ডত তাইৰ মুখখন বগা পৰি উঠিল। তাইৰ গাত নিজক সংযত কৰি লবৰ কোনো চেষ্টাই দেখা নগল।

কঁপা-কঁপা মাতেৰে ছমিৰে সুধিলে—"তই—পুণি, তই ইয়ালৈ ক'ৰ পৰা—ক'ৰ পৰা?" তাৰ মাতটো কিবা এটা ভয়ত ডিঙিতে শুকাই গ'ল।

"মই ইয়াত ক'ৰপৰা? কিয়, তই ইয়াত ক'ৰপৰা? আকৌ মোৰ পিছ লৈছ?" তাইৰ মাতটো খঙত কঁপি উঠিল।

"ৰাতি, এতিয়া তই ইয়ালৈ কেলেই আহিছিল পুণি?" বুকুত লৰাটো লৈয়ে, আঠুকাঢ়ি থকাত সি সুধিলে!

"কেলেই আহিছোঁ! ইয়ালৈ কেলেই আহিছোঁ! আৰু মোৰ থাকিবলৈ ঠাই ৰাখিছ নহয়? সেইটো—সে ইটো আছ" একেথাপেই তাই তাৰ বুকুৰ পৰা লৰাটো কাঢ়ি আনিলে।

"বৰ বাপেৰটো পাইছ" তাই চিয়ঁৰি উঠিল "যা আকৌ আহিছ যা ইয়াৰ পৰা; নহ'লে মানুহক চিয়ৰি দিম এতিয়া, যা যা" তাই চিয়ঁৰি উঠিল।

সি ঠিয় দিলে। এবাৰ সি পুণিৰ মুখৰ ফালে চালে, তাৰ চকু দুটা সি সেমেকা যেন পালে। তাৰ যেন ক্ষমা খুজিবৰ মন গৈছে। পুণিৰ হাতত ধৰি, পুণিৰ লৰাটোৰ হাতত ধৰি সি যেন ক্ষমা বিচাৰিব। সি কিবা এটা ক'ব খুজিলে, কিন্তু নোৱাৰিলে। এবাৰ সি ঘূৰি চালে— দেখিলে যেন এদল মানুহে তাক খেদি আহিছে। হঠাৎ এটা চিংকাৰ কৰি সি লৰ মাৰিলে। পুণিয়ে অবাক হৈ তাৰ লৰি যোৱাৰ ফালে চাই থাকি, অলপ পিছতে আন্ধাৰৰ ফালে আগ বাঢ়িল।

সি লৰিব ধৰিলে, কলৈ লৰিছে, কিয় লৰিছে একো নভবাকৈ সি লৰি যাব ধৰিলে। তাৰ মনত পৰিল এই পুণিজনী, আজি চাৰিবছৰৰ আগতে তাই কেনেকুৱা ধুনীয়া জনী আছিল। কিন্তু তাৰ কামনাৰ

কাৰণেই তাই কিদৰে সকলো হেৰুৱাই পেলালে। সম্ৰাজত তাইৰ ঠাই, জীৱনত তাইৰ অধিকাৰ, সামাজিক জীৱনৰ বৈধ তৃপ্তি কেনেকৈ তাই সকলো হেৰুৱাই পেলালে, তাৰেই পশুৰ অপৰাধত। আৰু আজি— আজি তাই এইদৰে নিশাচৰ ব্যৱসায় লৈ অভিজাতৰ কামনাত আহুতি দিছে নিজে উপযাচিকা হৈ, অভিসাৰিকা হৈ। পৃথিৱীত জীয়াই থাকিবৰ কাৰণে, তাইৰ কলঙ্কৰ স্মৃতি লৰাটিক জীয়াই ৰাখিবৰ কাৰণে, নিশাৰ আন্ধাৰৰ মাজে মাজে আজি তাইৰ কদাকাৰ জীৱনৰ দুৰ্ব্বহ জঘন্য যাত্ৰা।

তাৰ ভয় লাগিল, নিজৰ মাজলৈ উভটি চাবলৈকো তাৰ ভয় লাগিল। এই সকলোবোৰ যেন তাৰ কোনোবা এটা ভয়াবহ ৰাতিৰ এটা কদৰ্য্য স্মৃতি—তাৰ পৰা বহুত দূৰত দূৰত। তাৰ মাথোন বাৰে বাৰে মনত পৰিল, অলপ আগতে তাৰ বুকুৰ মাজত পোৱা উত্তাপ এটাৰ কথা। কিমান ধুনীয়া, কিমান আন্তৰিক; শিশুটো কিমান সবল! সি হয়তো তাৰেই শিশু, সি তাৰ পিতা!

পিতা! পিতা হোৱাটো কিমান দুৰ্বলতা, পুৰুষেতো নাৰীক নিবিচাৰে পিতা হবৰ কাৰণে, তাৰ মনত পৰিল পদ্মালৈ। তাইৰো পিতাক আছে। সেই বুঢ়াটো তাইলৈ কিমান মৰম, সন্তানলৈ কিমান মৰম, আৰু পদ্মাৰ মৰম সি যেন পিতৃত্বক মহিমাময় কৰি তোলে।

তেতিয়াও সি লৰিয়ে আছে। প্ৰায় তিনি ঘণ্টা সি কেৱল লৰিলে, বলীয়াৰ দৰে, নিজেই নজনাকৈ, সি কেৱল লৰিয়ে যাব ধৰিলে! কিয় লৰিছে, কলৈ লৰিছে সি নেজানে সি লাফ মাৰি যেন এই পৃথিৱীখন পাৰহৈ যাব, এই পৃথিৱীৰ সীমা শেষ কৰি অন্য এখন পৃথিৱীৰ পাৰত নামি পৰিব। এইটো জীৱনৰ চাৰিচাপ পাৰ হৈ যেন অন্য জীৱনৰ মাজত সোমাই পৰিব।

তেতিয়া পূবফালৰ আকাশখন ক্ৰমে বগা হৈ আহিছে! উষাৰ পাতল বতাহজাক গছপাতৰ মাজৰ পৰা বৈ আহি কোনোবা ফালে উটি গৈছে। জোনটিয়ে তাৰ দুৰ্ব্বল পোহৰখিনি বুকুত সাবটি পশ্চিমৰ ক'লা

আকাশখনৰ বুকুত লুকাই যাব খুজিছে, দূৰে দূৰে কুঁৱলীবোৰ আৰু ঘণ হৈ পৰিছে।

এটা তৃষ্ণা জাগিল। মোক পোহৰ লাগে, মোক নতুন পোহৰ লাগে সি পূব আকাশৰ ফালে চালে। সি এবাৰ নিজক ঘিণ কৰিব খুজিলে। কিন্তু কিয়? আনেই যেতিয়া, পদ্মায়েই যেতিয়া তাক ঘিণ নকৰে, সি নিজকে ঘিণ কৰিব কিয়? তাৰ যেন মানুহ হ'বৰ মন গ'ল, মানুহ হোৱাত যেন মানুহৰ কিবা এটা সাৰ্থকতা আছে।

কিন্তু পুণি পুণিয়ে জানো তাক ঘিণ কৰে? ক'তা তাইৰ লবাটিয়েতো তাক ঘিণ নকৰিলে। সি নিজক ঘিণ কৰিব নোৱাৰিলে, তাৰ কিবা এটা আশা কৰিবৰহে মন গল।

জাৰতে হয়তো চৰাইবোৰ গছৰ ডালত মনে মনে শুই আছে। ক'তো তেতিয়াও কোনো সাৰি-শব্দ নাই, শেহ ৰাতিৰ শেহ নীৰৱতাত জগতখন অৱশভাবে ঢলি পৰিছে! নীৰৱ, নিজম!

হঠাৎ তাৰ কাণত পৰিল দূৰণিৰ ক'ৰবাৰ এটা মছজিদৰ পৰা উষা-উপাসনাৰ আহ্বান ধ্বনি উটি আহিছে মধুৰ, দীঘল আজান "আল্লাহু আক্‌বৰ" 'আল্লাহ মহান্'। তাৰ কাণত পৰিল। হঠাৎ সি বৈ গল, সি কাণ পাতি শুনিলে। গোটেই জগতৰ টোপনি ভাঙি আকৌ আহ্বান আহিল 'নিদ্ৰাতকৈ উপাসনা ভাল।"

সি চকুদুটা ডাঙৰকৈ মেলি দিলে। সি যেন কিবা এটা ডাঙৰ টোপনিৰ পৰা সাৰ পাবৰ চেষ্টা কৰিলে। তাৰ বৰ স্নিগ্ধ লাগিল। চকুৰ পৰা দূৰত থকা সেই গাৱঁলীয়া সাধকৰ আহ্বান আজি তাৰ বৰ মধুৰ লাগিল। তাৰ খং নুঠিল। সি নিজেই দেখি আচৰিত হল 'আজান'ৰ মাত শুনি আজি তাৰ খং উঠা নাই।

সি আৰু অলপ আগবাঢ়ি গল। কুঁৱলীয়ে ঢকা ধুনীয়া গাওঁখনৰ সিপাৰেই যেন প্ৰভাতী অৰুণৰ দেশ পোহৰৰ গাওঁ। তাৰেই পোহৰ আহি পৰিছেহি গাঁৱৰ গছগছনিবোৰত, সৰু সৰু জুপুৰীবোৰত গাৱঁলীয়া শস্যবোৰত।

কেতিয়া যে সি এই গাওঁখনৰ মাজত সোমাইছেহি কবই নোৱাৰে। সক এটা জুপুৰীখৰৰ সন্মুখত আহি সি ৰ'ল। ভিতৰত শুনিলে কাৰোবাৰ মাত। সি সেই ফালে চালে। সক ঘৰটোৰ দুৱাৰখন মেল খালে। গৃহস্থনীয়ে তাইৰ গিৰিয়েকক সাজু কৰি উলিয়াই পঠাইছে—পামলৈ, হাল বাবলৈ বাবৰ কৰণে। জলপান মুঠি খাই সি আহি নাঙলটো ললে আৰু বেগাবেগীকৈ ওলাই গল।

দুমিৰে মানুহটোৰ যোৱাৰ ফালে চাই থাকিল। নিশাৰ আন্ধাৰ শেষ নৌ হওঁতেই সি ওলাই গৈছে হালবাবৰ কাৰণে, খেতি কৰিবৰ কাৰণে, সঁচ সিঁচিবৰ কাৰণে। তাৰ নাঙলৰ ফালেৰে সি ধৰণীৰ বুকুত ৰচনা কৰিব নতুনৰ সৃষ্টি, জীৱিকাৰ উপাদান। কিমান সুখত এই গাঁৱলীয়া গৃহস্থহঁত টোপনি যায় আৰু কিমান সুখত সিহঁতে সাৰ পায়। এই এটা জুপুৰীৰ মাজত কেনেকৈ এহাল বিশ্বৰ সনাতন পুৰুষ নাৰীয়ে সৰগ ৰচনা কৰিছে। সিহঁত আছে উৰ্ম্মিহীন সৰগত, সেই আদিম 'আদম' আৰু 'হাৱা'ৰ মিলন গৌৰৱ লৈ, দাম্পত্য তৃপ্তি লৈ জগতখনক সিহঁতে কিমান ধুনীয়া কৰি ৰাখিছে!

দূৰত সি শুনিলে ম'হ গুৱালৰ দীঘল উকি। সিহঁতে যেন সিহঁতৰ আনন্দ উৎসৰেৰে শুই থকা গোটেই পৃথিবীখনক সাৰ পোৱাই দিব।

সি আহি গৃহস্থনীৰ চোতালত ঠিয় দিলে। সি হাত দি চালে তাৰ ওঁঠ কেইটা কুঁৱলীত ফাটি গৈছে। হয়তো তাৰ পিয়াহো লাগিছে। কিন্তু তাৰ জাৰ লগা নাই। কিবা এটা নতুন উত্তাপত তাৰ ভিতৰখন গৰম হৈ উঠিছে।

গৃহস্থনী ওলাই আহিল মুখৰ ওৰণিখন অলপ টানি ললে। অলপ আঁতৰত ঠিয় হৈ তাৰ ভৰিৰ ফালে চাই সুধিলে—"আপুনি কাক বিচাৰিছে?"

সেপ ঢুকি দুটামুটাকৈ দুমিৰে সুধিলে "তেওঁ, তেওঁ কলৈ গৈছে?" ধুনীয়া এটা হাঁহি ওঁঠ দুটাত বিৰিঙাই মানুহজনীয়ে কলে "পামলৈ গৈছে। সৰিয়হ আলু কৰ-পাৰিবৰ হ'ল নহয়। এতিয়াৰ পৰা তলি

ঠিক নকৰিলে পিছত বতৰেবা কি কৰে কোনে জানে ?"

সি আধা-বুজা আধা-নুবুজাৰ দৰে ঠিয়দি থাকিল।

"আপোনাক কিবা লাগিব ?"

"এটোপা পানী" সি মৰুভূমিৰ শেষ পথিকৰ দৰে শুকান মাতেৰে ক'লে।

"চাহ পানী ?"

"নহয়, চেঁচা পানীয়েই হব"

মানুহজনীয়ে বাটচৰাটোতে তাক বহিবলৈ দিলে। তাৰ পিছত ভিতৰৰ পৰা এবাটি চেঁচা পানী আনি দিলে। সি বৰ তৃপ্তিৰে পানী বাটি পি খালে। সি অনুভব কৰিলে যেন এই গাৱঁলীয়া গৃহস্থনীৰ হাতত আজি সি পালে জীৱনৰ নতুন পানী! পানী বাটিয়ে তাৰ গোটেই গাটো চেঁচা কৰি দিলে। তাত যেন সি পালে সহস্র আঙুৰ মদিৰাৰ আস্বাদ। অলপ পৰ বৈ থাকি মানুহজনীহে সুধিলে "আপুনি ক'ৰপৰা আহিছে ?"

সি বাহিৰৰ ফালে চালে আৰু এনেই মুদ খাই আহিব খোজা চকু দুটাত কোনোৱা নেদেখা দেশৰ 'সপোন সানি কলে'—"সউ সিপাৰৰ পৰা"

হঠাৎ কিবা এটা মনত পৰাৰ দৰে সি উঠি পৰিল।

"জলপান এমুঠি"

"নেলাগে, নেলাগে আহিছোঁ।" সি ওলাই আহিল। নিয়ৰত তিতা বাটটোৰ সেউজীয়া বনবোৰত তাৰ ভৰি পৰিল।

তেতিয়া প্ৰভাত হৈ আহিছে। পূব আকাশৰ ডাৱৰবোৰ ৰাঙলী হৈ উঠিছে। সি দেখিলে কিবা এটা নতুন পোহৰ পৰি গোটেই পৃথিবীখন পোহৰ হৈ পৰিছে। ধুনীয়া হৈ পৰিছে। কিবা এটা স্নিগ্ধ আলোক লাগি সি নিজেও ধুনীয়া হৈ পৰিছে। অলপ দূৰত সি দেখিলে বৰ গছজোপাৰ তলৰ নামঘৰটো কুঁৱলীৰ আৱৰণৰ মাজত ধুনীয়া হৈ উঠিছে। তাৰ চকুত পৰিল দিনৰ পোহৰত সজাগ হৈ উঠা

স্নিগ্ধ শান্তি। সকলোতে সি দেখিলে কিবা এটা নতুন জেউতি। তাৰ গাতো যেন আহি পৰিছেহি। আজি প্ৰথম সি তাৰ নিজক অন্য এটা মানুহ হিচাবে পাবৰ ইচ্ছা কৰিলে। সি দেখিলে গোটেই জীৱনটো তাৰ নিজৰ। গতিকেই তাৰ নিজৰ জীৱনৰ স্বাৰ্থৰ বিষয়ে ভাবিবৰ মন গল।

সি তাৰ নিজৰ ভিতৰত অনুভৱ কৰিলে পৃথিবীখনৰ কাৰণে এটা মৰম, মানুহৰ কাৰণে এটা সমবেদনা, আৰু তাৰ নিজৰ কাৰণে এটা আশা।

গাওঁখন সি ধুনীয়া দেখিলে। মানুহবোৰ সি ধুনীয়া দেখিলে, আৰু বৰ অভাৱনীয়ভাবে সি নিজকে আজি ধুনীয়া দেখিলে, নতুন দেখিলে।

তেতিয়া বেলিৰ ৰঙা পোহৰবোৰ গোটেই পৃথিবীৰ ওপৰত বিয়পি পৰিছে।

———

# বাৰ-খৰৰ বৰষুণ

চিঠিখন 'লেটাৰ ব'ক্সটোত' ভালকৈ সুমাই থৈ আহি বিচনাখনত ওপৰলৈ মুখ কৰি শুলো। মনটো এটা গধূৰ ভাবৰপৰা মুক্ত হোৱা যেন লাগিল। এটা স্বস্তিৰ নিশ্বাস বুকুৰপৰা ওলাই আহিল।

আৰু এঘণ্টাৰ পিছত সেই মানুহটো আহিব সেই খাকী কাপোৰ পিন্ধা ডাক-ঘৰৰ মানুহটো আৰু সেই ঢোলটোত থকা চিঠিবোৰ তাৰ মোনাখনত ভৰাই লৈ গুচি যাবহি।

তাৰ পিছত আজি চাৰে আঠোটাৰ উজনিৰ গাড়ীত মোৰ চিঠিখন যাবগৈ। কালিলৈ, নহয় পৰহিলৈ তেওঁ নিশ্চয় পাব। আগবেলা ভাত খাই উঠি অফিছলৈ যাবলৈ কাপোৰ-কানি পিন্ধি ওলাওঁতেই, পিয়নটোৱে নি তেওঁক চিঠিখন দিবগৈ—ঠিক দিবগৈ।

আজি দুই তাৰিখ; পাঁচ তাৰিখে তেওঁ চিঠিখন নিশ্চয় পাব। ইছ চিঠিখন পঢ়ি তেওঁ মোক কেনেকুৱা বুলি ভাবিব!

এক তাৰিখে তেওঁ দৰ্মহা পাইছে। অতবোৰ টকা পাঁচ তাৰিখৰ ভিতৰতে খৰচ কৰি পেলাব নে? আঢ়ৈ শ টকা কেনেকৈ নো পাঁচ দিনতে শেষ কৰিব? মোৰ দেখোন আজি তিনিদিন পইচা এটাৰ লগতে দেখা-দেখি হোৱা নাই। পোষ্টকাৰ্ডটোৰ কাৰণে পইচা এক অনা আছিল কাৰণেহে!

কামিজটোৰ জেপত হাত দি চালো—এটা পইচাতো থাকিব লাগে! অ' মই যে লেফাফা এটা কিনি পেলাইছো! এক অনাৰ চাৰি পইচা গলে আৰু এপইচাও নাথাকে।

কিন্তু আৰু এটা পইচাও মোৰ হাতত নাই। থকা হলে ভাল আছিল। পিছে নাই!

বিচনাৰপৰা উঠিলো। কিবা এটা কৰিবৰ মন গ'ল। এটা ছিগাৰেট

খালে বেছ ভাল লাগিব। ইয়াঙেতো মই সিদিনা আধা খোৱা ছিগাৰেট ডোখৰ থৈছিলো। অ' কালি ৰাতি মই খালো যে!

আকৌ বিচনাখনত আগৰ দৰেই দীঘল দি পৰিলো। মোৰ চিঠিখন যাবগৈ পৰহিলৈ নিশ্চয় পাব। বাটত যদি ৰেলৰ কিবা দুৰ্ঘটনা নহয়।

লেমটোত তেল নাই হবলা। ঢিমিক-ঢামাক কৰি মিছাতে দিগদাৰি কৰি আছি। তেল নো থাকিব ক'ৰপৰা? কিমানদিন তেল কিনাই নাই! শলিতাডালেই জ্বলিছে শলিতাডালেই ভাল পোহৰ দিয়ে।

পৰহিলৈ মোৰ চিঠিখন তেওঁ পাব। মোৰ অৱস্থাৰ কথা বুজিব। বুজক। মই কিবা মিছা কথা লিখিছো নে? খাবলৈ নাই বুলি লিখাটো কিন্তু বৰ বেয়া কথা হ'ল। এৰা, সেই কথাটো লিখিব নালাগিছিল। যদি তেওঁৰ ঘৈণীয়েকে মোৰ চিঠিখন পঢ়ে, তেনে মোক কি বুলি ভাবিব? মোৰ নিচিনা ডেকা মানুহ এটাৰ খাবলৈ নাই! বৰ হাঁহিৰ কথা!

লাজ লাগে মোৰ মোৰ কোঠাটোৰ আন্ধাৰৰ মাজতে মোৰ বৰ লাজ লাগে। নহয়, মইতো সঁচা কথাকে লিখিছো। আজিতো একো খোৱাই নাই, কালিয়েবা কিটো খাইছো! ৰহিমৰ হোটেলত ছয় অনা ধাৰ হৈ গৈছে। কালিলৈকো আকৌ কিজানি তালৈকে যাব লাগে! সি যদি আৰু-ধাৰলৈ দিব নোৱাৰো বুলি কয়?

দিবই লাগিব। সিতো জানে, মই চিঠি লিখাৰ কথা। ৰহমানে দহ টকা বাপ পঠাবই। আঢ়ৈ শ টকাৰ দহ টকা। তাৰ কি হানি হব? তেতিয়া তাক দিব পাৰিম। সি নিদিওঁ বুলিব নে? ভোক লাগিছে। বাৰু ৰাতিটো যঁক। পুৱালৈ ৰহিমৰ তাতে খাব লাগিব। দুদিন নোখোৱাকৈ আৰু নোৱাৰি। কি:বাৰ যে ভাবিছো। শোৱা যাওক।

পৰহিলৈ পাঁচ তাৰিখে মোৰ চিঠিখন পাবগৈ। মোৰ টকাৰ যিমান আবশ্যক, ৰহমানে 'টেলিগ্ৰাম মনি অৰ্ডাৰ' কৰিবই সেইদিনাই! দহ টকা।

তাৰ কম নপঠায় পঠাব নোৱাৰে। মানুহেই বা কি বুলিব ? এহ্, মোৰ টোপনি নহা হৈছে। নহয় শুব লাগিব। নাখাই, নুশুই মই দেখিছো কিবা বেমাৰীহে হৈ গৈছো।

আন্ধাৰতে মুখখন হাতেৰে খেপিয়াই চালো। গাল দুখন সোমাই গৈছে হবলা। নহয়, আন্ধাৰতহে তেনে লাগিছে। অ' চুলিবোৰ বহুত দীঘল হৈ গৈছে।

বিচনাৰপৰা উঠিলো। বিচনাৰ কাষৰ পুৰণি মেজ খনতে আৰ্চীখন আছে, মুখখন চাই লোৱা যাওক। এ, লেমেই নাই! আন্ধাৰতনো কি দেখিম ? ৰাতি আৰ্চী চাব নাপায়। থাকক।

নহয়, শোৱা যাওক। পেটটোত কিন্তু একেবাৰেই একো নাই। তললৈ পেট কৰি শুই পৰিলো। গাৰুটো হাতেৰে খুন্দিয়াই কোমল কৰি ললো। বে'ছ, এইবাৰ টোপনি আহিব।

মই বৰ খীণাই গৈছো নেকি ? হাজৰিকাইঁতে সিদিনা তাকেই কৈছিল, মই হেনো বৰ মলিন হৈ গৈছো। হলোৱেই জানিবা, হাজৰিকাই কিয় কব ? মিছাতে মই নিবিচৰাকৈয়ে সি মোৰ বিচাৰ লয় কিয় ? মোক অনুগ্ৰহ কৰিব খোজে কিয় ?

পাই-পইচাৰ কিবা অসুবিধা হৈছে নেকি ? সি মোক কিয় সুধিব ? মোৰ যে তাৰ কথা শুনিবৰে মন নাযায়। মোৰ লগততো একেলগেই পঢ়িছিল। এতিয়া কাম পালে দেখি সি মোক পুতৌ কৰিব খোজে। কি দৰকাৰ ? মই খালো বা নাখালো তাৰ কি ? ৰহমানলৈ লিখিছো, তেওঁ দহোটা টকা পঠাব।

আৰু এই মীৰাজুনী। তায়ো আকৌ চহকী হব নোৱাৰিলে। মোৰেই নাই, সিহঁতক নো ক'ৰপৰা সহায় কৰিম ? আজি এই কেদিনতো খোৱাই নাই। মোক দেখিলেই কৈ দিব, "এই কেইদিন তুমি একো খোৱা নাই।"

কিয় কব ? কিয় ? সকলোৱে মোক পুতৌ কৰিবলৈ বিচাৰে কিয় ? মোৰ একো নাইকিয়া বুলি ভাবে কিয় ? এৰা, মোৰ নো কিটো আছে ?

সঁচাকৈয়ে মোৰ একো নাইকিয়া হৈ গৈছে। কিন্তু সেইবুলি মীৰা, সিহঁত দেখোন মোতকৈও দুখীয়া।

দুখীয়া! অ' মই দুখীয়া মানুহৰ নিচিনা হৈ গৈছো। দুদিন ভাত খাবলৈ নাপালেই মানুহ দুখীয়া হয় নে? কালিলৈতো মোৰ বহুত টকা হৈ যাব পাৰে। পৰহিলৈ তো ৰহমানে মোলৈ দহ টকা পঠাবই।

আঃ মোৰচোন টোপনিয়েই নহা হ'ল। ৰাতি ভালেমান হব পায়।

আকৌ বিচনাৰপৰা উঠিলো। আন্ধাৰে-মুন্ধাৰেই দুৱাৰখন মেলি বাহিৰলৈ ওলাই আহিলো। কুঁৱলী পৰিছে। মানুহবোৰ সকলো শুলে হব পায়। গোটেইখন গহীন হৈ পৰিছে। জোনটোও দেখোন বহুত তল পালেগৈ। আজি যে শুক্লা একাদশী! এহ্ তেনে, ৰাতি কিছু হ'ল।

বতাহজাক হলে চেঁচাকৈয়ে মাৰিছে।

অ' ৰেলখন গৈ থাকিব পায়। মোৰ চিঠিখন যে সেইখন ৰেলতে গৈছে। যাওক, যাওক, সোন কালে ৰাতি পুৱালেই ভাল। ৰেলখন জকৰ গৈ আছে, মোৰ চিঠিখনো নিশ্চয় গৈ আছে।

বৰ কুঁৱলী পৰিছে। শোৱাহে উচিত। আজি নো ইমান জাৰ লাগিছে কিয়? এতিয়া তো বিশেষ ঠাণ্ডা হবৰ হোৱা নাই। সেয়া, তৰাবোৰ মলিন হৈ গৈছে। ৰাতি পুৱাবৰে হ'ল নেকি?

আকৌ বিচনাখনত শুলোহি। নহয়, শোৱা যাওক। কালিলৈ হাজৰিকাই লগ পালে আকৌ ক'ব, 'তুমি বৰ খীণাই গৈছা।" নহয়, কালিলৈ তাক টান কথা শুনাই দিম। তাক লগ পালে টান কথা কব নোৱাৰো কিয়? সিনো কিমান ডাঙৰ চহকী!......

উঃ! বেলিৰ পোহৰটো ইমান টানকৈ ওলাইছে। মোৰ মূৰটো ঘূৰাইছে দেখোন। আজি চাৰি ভাবিখে, কালিলৈ—ঠিক কালিলৈ। এতিয়া ৰহিমৰ তালৈ যোৱা যাওক।

গাটো দুৰ্ব্বল লাগিছে। ডেকা মানুহৰ আকৌ গাটো ইমান দুৰ্ব্বল লাগে কিয়?

কামিজটো ৰব মলিয়ন হৈ গৈছে। অ' এই ভোখৰ যে ফাটিছেও! মোৰ আৰু এটা চোলা থকা উচিত আছিল।

চুলিবোৰ হাতেৰে ঠিক কৰি ললো। আৰ্চীখনত এবাৰ নিজক চালো। নাই আৰ্চীখন বেয়া হৈছে নিশ্চয়। মীৰাৰ আৰ্চীখনত এবাৰ ভালকৈ চাব লাগিব। অ' ডাড়ি যে বহুত গজি গৈছে। মইনো ইমান ক'লা হৈ গলো নে?

আকৌ ভোক লাগিছে। কিবা খাবই লাগিল। কালিলৈ বহমানৰ-পৰা মনি-অৰ্ডাৰ; মাত্ৰ আজিৰ দিনটো।

হাত-মুখ নোধোৱাকৈয়ে ৰহিমৰ হোটেললৈ খোজ ললো। এঃ, ভাত যে বহুত মানুহ বহি আছে। ইমানবোৰ মানুহৰ আগত খাবলৈ খোজা নহয়…অলপ ফুৰিয়ে অহা যাওক। কিন্তু ভোক যে ৰৰকৈ লাগিছে। নহয়, ডাঙৰ মানুহ সকলৈকেতো 'বিল' দিয়ে। ময়ো লিখি থৈ আহিম। কালিলৈ সি আচৰিত হৈ যাব।

"সদায় বাকী দিলে নো আমাৰ কেনেকৈ চলিব?"

"কেনেকৈ চলিব? মই খাম, নাখালে নো কেনেকৈ চলিব?"

"দিব নোৱাৰা যদি থাওক" উঠি আহিলো। খং উঠি গ'ল। আজি মোৰ ইমান অলপতে খং উঠিল কিয়?

"কালিলৈ মোৰ ভাৰপৰা পইচাখিনি লৈ আহিবা গৈ"—কৈ দিলো।

"নাই, থাওক। বেয়া পালে নেকি? এনেয়েহে কৈছো।"

পেটটোত হাত দি চালো, ভোক আছে। কিন্তু নহয়, সৌ মানুহবোৰে মোলৈ কেনেকৈ চাই আছে! মই যেন খাবলৈ নাপাইহে আহিছো!

ওলাই গুচি আহিলো। সি নাজানে কালিলৈ মোৰ টকা আহিব।

এতিয়াহে সি বুজিছে।

অ' মই অকাৰণতে আহি মীৰাহঁতৰ ঘৰৰ আগ পালোহি। হেঃ,

মিছাতে আছিলো কিয় ? বাক, মীৰাইহঁতৰ খবৰ লৈ যোৱা যাওক।

"তুমি যে কেনেকুৱা হৈ গৈছা !"

"ওঁ, হৈছাতো। এটোপা চা খাবা আহা।" মোৰ ওঁঠ দুটা শুকান দেখি কিজানি মীৰাই কলে।

"ওহোঁ, চাহ নাখাওঁ।"

"তেনেহলে অলপ বৈ ভাতকে খাই যাবা।"

"কিয় ?"

"আমাৰ ঘৰত খাবলৈ নো তুমি ঘিণ কৰা কেলেই ? আজি খাবই লাগিব।"

অ' মীৰাই মোক পুতৌ কৰিব খুজিছে ! মগনীয়াক দিয়াৰ দৰে মোঁক ভাত দিব খুজিছে ! কিন্তু মই মীৰাৰ ঘৰত-ভাত খাম কিয় ?

"এইমাত্ৰ ভাত খাই আহিছো আৰু নাখাওঁ।" এনেয়ে মিছা কথা কৈ দিলো। ইঃ, মই যেন আৰু ভাত আৰ্জ্জি খাবই নোৱাৰো ! মীৰা, মাইকী ছোৱালীজনী, তাই—তাই মোক ভাত খুৱাব !

তেনেহলে মীৰাই মই খাবলৈ নোপোৱাৰ কথা জানিছে নেকি ? জানিলেই বা, তাই মোক খুৱাব কিয় ? খাবলৈ মাতিব কিয় ? তাই নো কেলেই মোৰ মুখলৈ চায় ?

তাই আকৌ চকুপানী টুকিছে কিয় ? কি পাগলী এই মীৰাজনী !

"মই সঁচাকৈয়ে খাই আহিছো মীৰা ভাত খাই আহিছো।"

মৰম লগাকৈ তাইক কলো এবাৰ সঁচা কথা কোৱাৰ সমান দৃঢ়তাৰে তাইক কলো। তথাপি তাই···

"মীৰা, তুমি আকৌ কান্দিছা কিয় ?"

"মই জানিছো মই জানো।" মুখখন হাতেৰে ঢাকি তাই ভিতৰলৈ লব মাৰিলে। কি অসম্ভব এই মীৰাজনী ?

ক'তা, আজি দেখোন তাই মোক বহিবলৈ কবলৈকো পাহৰিলে। কেৱল ভাত খোৱাৰ কথা, মই যেন আৰু ভাত কোনোদিন চকুৰেই

দেখা নাই। কিন্তু সেইবুলি তাই কান্দিব কিয়? তাই মো মোৰ কি হয়?

বাক যাওক, কালিলৈ মোৰ টকা আহিব। তেতিয়া হাতত গুজি দি তালকৈ চৰ এটা দিব লাগিব। দুষ্ট ছোৱালী, এনেয়ে কান্দে আকৌ।

"বৈ থকাতকৈ বহোৱেই আহা মিলাদ!" ছিঃ, কিবোৰ ভাবি ভাবি মই এই হাজৰিকাৰ পদূলি-মুখত লৈ আহোঁছি। অ' সি হাঁহিছে। খিৰিকীৰ কাষত সৌজনী তাৰ ঘৈণীয়েক হ'বলা।

তায়ো হাঁহিছো! কেনেকুৱা তাইৰ মুখখন কেনেকুৱা হৈছে দেখিবলৈ! মীৰাৰ কন্দা মুখখনতকৈও বেয়া। কান্দিলে মীৰাজনীক ইমান ভাল দেখি!

ইহঁতে কিয় হাঁহিব। মোক দেখি হাঁহিবৰ ইহঁতৰ কি অধিকাৰ আছে? মইতো তাৰ ঘৰত ভাত বিচাৰি অহা নাই। তাৰ পদূলিত ৰলো বুলিয়ে সি হাঁহিব কেলেই?

অকাৰণতে মোৰ কাণ-মূৰবোৰ আকৌ ৰঙা পৰি যায়। মোৰ খং উঠিছে নেকি?

"ইমান ৰ'দত বাহিৰতে ৰ'লা কিয়? আহা, এটোপা চাহকে" ছিঃ, মই যে তাৰ চোতালত উঠিছোহি। মই আকৌ তাৰ চোতাললৈ আহিলো কেতিয়া?

চকু দুটা ডাঙৰ কৰি মেলি তাৰ মুখলৈ চালো। ইঃ তাৰ মুখত কি বিদ্রূপৰ হাঁহি! কিন্তু সি মোক বিদ্রূপ কৰিবৰ কি অধিকাৰ আছে? মই ভাত নাখাব পাৰো; কিন্তু সি জানিব কেলেই? মইতো মোৰ পেটটো মুখত লৈ ফুৰা নাই! তেন্তে সি ক'ত গম পালে যে, মই আজি একো খোৱা নাই।

পৃথিবীৰ সকলোৱে মোক পুতৌ কৰিবলৈ বিচাৰে! কি অধিকাৰত সিহঁতে মোক পুতৌ কৰিব খোজে? মইতো কাকো খোজা নাই। বহুমানক খুজিছো তেওঁ মোৰ পুৰণি বন্ধু, তেওঁ মোৰ দূৰ সম্পৰ্কীয়া ককাই, ককাই নহলেও ডাঙৰ মানুহ। ডাঙৰ মানুহ হলেওতো তেওঁ

মোৰ বন্ধু। আজি চাৰি বছৰ তেওঁৰপৰা আঁতৰি আছো, চাৰি বছৰ মাত্ৰ। আৰু তেওঁকো হাত পাতি খোজা নাই চিঠি দিছো। তেওঁ কালিলৈ এবা, কালিলৈ পামেই। দহ টকা, ঠিক দহ টকা!

আৰু এই হাজৰিকাটো! ভাবেহে যেন টকা আছে! "তোমাৰ ইয়াত মই চাহ খাবলৈ পৃথিৱীত বহুত ঠাই আছে। আজি মীৰাৰ তাতে।" তইঁতে হাঁহিছ? লাজ নাইকিয়া!

"বাৰু কালিলৈ যেতিয়া বহমানবপৰা টকা আহিব তেতিয়া।"

এহ্ মই যে নিজকে কৈছো! হাজৰিকাৰ চোতালবপৰা নো কেতিয়া গুচি আহিলো? নহয়, এইবাৰ তাক কৈ দিম তাৰ মুখৰ আগতে কৈ দিম, তোৰ মোক এইদৰে বিদ্ৰূপ কৰিবলৈ, পুতৌ কৰিবলৈ, বা খাবলৈ মাতিবলৈ কোনো অধিকাৰ নাই। আৰু সেই তোৰ···।

কিন্তু মোক ভোক লাগিছে কিয়?

এহ্ পুখুৰীৰ পানীবোৰো ৰ'দত গৰম হৈ গৈছে একাজলীতকৈ বেছি খাবই নোৱাৰি।

ডাৱৰবোৰ হলে ভাল দেখি। সেই উৰি গৈ থকা বগা ডাৱৰবোৰ। গছৰ পাতৰ মাজেদি দেখা টুকুৰা-টুকুৰ ডাৱৰবোৰ। গছজোপাৰ পাতবোৰো বৰ ধুনীয়া। গছৰ তলত এনেকৈ পৰি থাকিবলৈ বেয়া নহয় কিন্তু!

মীৰাজনীয়ে বেয়া পালে নেকি? তাইনো বাৰু আকৌ কান্দিলে কেলেই? মই চোন ভাত খালো বুলিয়েই কৈছিলো। কান্দিলে হলে মীৰাজনীলৈ বৰ মৰম লাগে। অ' মোৰ দেখোন ভোক নাইকিয়া হৈ গৈছে গাটো গৰম। জ্বৰ উঠিছে নেকি?

মীৰাজনীয়ে কিয় মোক মৰম কৰে? মোক খাবলৈ নোপোৱা দেখিলে কিয় কান্দে?

একোৱেইচোন ঠিককৈ ভাবিব পৰা নাই। ভাত—ভাতৰ কথাও আৰু ভাবে নে? কিন্তু এই মীৰা এই মীৰাজনীৰ কথা, একনী ছোৱালীৰ কথা, আকৌ কই ভাবিব লাগে কিয়?

ছিঃ গধুলীলৈকে গছৰ তলতে শুই কটাই দিলো নে ? কত মানুহে দেখিলে চাগৈ ! হাজৰিকায়ো দেখিলে কিজানি ! সি চাগৈ ভাবিছে, খাবলৈ নাপাই, পেটৰ ভোকত গছৰ তলত পৰি আছো। ঠিক—ঠিক সি দেখিছে, ঠিক সি তাৰ ঘৰৰ সেই মানুহজনীৰ আগত হাঁহি হাঁহি কৈছেগৈ। কিন্তু সি মোক চাব কিয় ? মই গছৰ তলত পৰি থাকিলোৱেই জানিবা, সি মোৰ ফালে চাব কিয় ?

হাজৰিকাৰ ওপৰত ভীষণ খং উঠিল। মুৰটো ঘূৰাইছে হবলা ! চকুৰেও আজি কম দেখিছো নেকি ? গাৰ নোমবোৰ যে নেদেখাই হলো ! অ', ৰাতি হৈছে তেনেহলে !

হওক, হওক ৰাতি হওক। কালিলৈ ৫ তাৰিখ। কালিলৈ পিয়নটোৱে মোৰ টকা দিবহি। ৰহমানলৈ এখন চিঠি লিখা উচিত। সি যে মোক ইমান ডাঙৰ সহায় কৰিলে !

মোৰ দোৱাত কলম আছে জানো ? নাই থাওক, টকা পোৱাৰ পিছতে লিখিম। কালিলৈ ঠিক কালিলৈকে লিখিব কিন্তু, নহল তেওঁ তেওঁ ভাবিব, মই বৰ অকৃতজ্ঞ।

অ' আজি অকৌ লেম জলাবলৈ জুই-বাহো নাই। নালাগে, এইয়া, এইখন মোৰ বিচনা।

এহ্ কাপোৰবোৰত বহুত মলি লাগি থাকিব পায়। বাৰু আজি থাওক, কালিলৈ বিচনাখন চাফা কৰিব লাগিব।

কালিলৈ টকা কালিলৈ ভাত ! অ' কালিলৈ ভালকৈ খাব লাগিব। সঁচাকৈয়ে মই যে আজি তিনিদিন খোৱা নাই !

মীৰাজনী যে এনে আচৰিত হৈ যাব ! তাই হেনো জানে, তাই হেনো বুজি পায় ! তাই কবই নোৱাৰে কালিলৈ যে মই টকা পাম দহ টকা। ভাল আঁকৰি এই মীৰাজনী, তাই আৰু টেঙৰী নহল।

আহক, টোপনি আহিলে ভাল লাগে।

গাটো গৰম লাগিছে, জ্বৰ উঠা নাইতো ? অথনি সেই পুখুৰীৰ পানীখিনি নোখোৱা হলেই ভাল আছিল। পিয়াহ জানো কম লাগিছিল ?

বেয়া গোন্ধাইছে। মোৰ ঘৰটোৰ ভিতৰখন কিজানি বৰ অপৰিষ্কাৰ হৈ গৈছে। বাক টকা আহক, কালিলৈ। আজি বতাহজাক নমৰাকৈয়ে মোৰ চেঁচা লাগিছে। মোৰ গাৰ নোমবোৰ শিয়ঁৰি উঠিছে। এতিয়াও মোৰ ভোক আছে নেকি ?

মোৰ ঘৰটোত বাৰু একো খোৱা বস্তু নাই নে ? নাই, ক'ৰপৰা নো থাকিব ! আৰু মোৰ দেখোন হাতখন দাঙিবৰে মন যোৱা নাই। কিজানি মীৰাই কিবা খৈ গৈছেহি। যাঃ, কিবোৰ যে ভাবিছো ! মীৰা আকৌ মোৰ ঘৰলৈ আহিব কেনেকৈ ? তাই মাথোন মোক হে চিনি পায়—মোৰ ঘৰটো চিনি পাব কেনেকৈ ?—ৰাতিপুৱা বেলিকৈ সাৰ পালো। আজি পাঁচ তাৰিখ। আজি ৰহমানৰপৰা টকা আহি পাব। পিয়নটোৱে মোৰ ঘৰটো চিনি পাবতো ? নিশ্চয় পাব কিন্তু আগেয়েতো মোলৈ কোনেও চিঠি লেখাই নাই ! সি চিনি পাব কেনেকৈ ? আৰু মোৰ নামটো নামটোতো তাত লিখাই থাকিব।

যদি চিনি নাপাই হাজৰিকাৰ গুৰিলৈ নিয়ে ! উঃ কি বিপদ, হাজৰিকাই কুপনখন পঢ়ি চাব ; চাই যে কি অদ্ভুত হাঁহি মাৰিব। আৰু তাৰ ঘৰৰ সেই নাই সি নিনিয়ে। মোৰ টকা সি লোকৰ ওচৰলৈ নিব কিয় ? হাজৰিকাক কিন্তু বুজাই দিব লাগিব, মোৰ ওপৰত চকু দিবৰ তাৰ কোনো অধিকাৰ নাই।

ইছ্ মোৰ মুখখনত ইমান বালি সোমাল ! কালিৰপৰা কিজানি মই মুখকে ধোৱা নাই।

ভাল লাগিল মুখ-হাতবোৰ ধুই ভাল লাগিল। আজি মনটো মুকলি লাগিছে। আজি মোৰ টকা আহিব, আজি মই ভাত অ' মোৰ যে আকৌ ভোক লাগিছে। পেটৰ নাড়ীবোৰত একো নাইকিয়া হৈ গৈছে কিজানি।

সৌটো সৌটো ; নহয়, নহয় কোনোবাহে। পিয়ন নহয়। পিয়নটোক মই চিনি পাও। এতিয়া মাথোন ৰাতি পুৱাইছে ; দহ বজাতহে পিয়ন আহিব।

বেলিটোলৈ চালো, নিশ্চয় দহ বজা নাই। আজি হলে বেলিটো বৰ ভালকৈ ওলাইছে। মীৰাজনী উঠিল কিজানি। তাই আকৌ মোৰ কথা ভাবিছে নেকি ?

কালি ৰহমানে মোৰ চিঠি পাইছে, পায়ে টকা পঠাইছে ; আজি পাম। পুৱাৰ ডাকত টকা আহিছে। নহলে আজি চাৰি বজাৰ ডাকত ; কিন্তু তালৈ যে বহুত বেলি আছে।

কামিজটো ধুই দিলে বৰ অসুবিধা হব। শুদা গাৰে থকাটো মানুহে ভাল নোবোলে। তাতে যদি হাজৰিকাই দেখে, কব, ইয়াৰ আৰু চোলাই নাই।

বাৰু, এতিয়া নোধোওঁ।

পিয়নটো নাহিল। নাহিবই নেকি ? তেনে হলে ৰহমানে টকা নপঠিয়ালে! কিয় ? নপঠিয়ালে কেলেই ? মোৰ চিঠিখন পাইছেতো ? মই কিবা মিছা কথা লিখিছো নে ? আজি আজি যে ৰহিমৰ হোটেলৰ পইচাখিনি দিবই লাগিব। আৰু এই মীৰাজনী—তাই ভাবিছে, আজিও মই নোখোৱাকৈয়ে থাকিম ভাল আঁকৰী !

সৌটো ছিঃ, হাজৰিকা পিয়ন নহয়। পিয়ন তেন্তে নাহে! টকা নাহিল······

মুৰ ঘূৰাইছে কিয় ? অলপ শুই থকা যাওক। শুই থাকিলে যদি পিয়নটো আহি গুচি যায় ?

আঃ, পিয়ন আৰু নাহে। পোষ্ট মাষ্টৰৰ আওকাণ। ভোক যে বৰকৈ লাগিছে। কিবা খাবই লাগিব। ৰহিমৰ তালৈ আৰু যোৱা নহব।

ভিতৰত বাৰু একো নাই নে ?

বিচাৰিলো। ক'তো একো নাই। আঃ এইটো এই টেকেলি টোত লাড়ু লাড়ু কিবা মিঠা লাড়ু নিশ্চয়।

আলুগুটি! বেছ ধুনীয়া কেঁচা আলুগুটি। এতিয়া যে জুয়ো নাই। বাৰু, চোবাই চোৱা যাওক।

আলুগুটিটো লৈ চোবাব ধৰিলো কেঁচা আলুগুটিটো গোন্ধাইছে। কিন্তু ভোক যে বৰকৈ লাগিছে।

ছিঃ, আলুটো চোবাই-চোবায়ে ডাক-ঘৰ পালোহি। কোনোবাই দেখিলে নেকি ?

"মিলাদৰ ঠিকনাত মনি-অৰ্ডাৰ আছে ?"

অকণো বিনয় নেদেখুৱাকৈয়ে সুধিলো। মোৰ টকা আহিব, সিহঁতক আকৌ মই খাটিব কৰিম কিয় ?

"ক'ৰ মানুহ! মোৰ ফালে ঘুৰি নোচোৱাকৈয়ে পোষ্ট মাষ্টাৰ-টোৱে সুধিলে।

"ময়ে"

"থাকিব পাৰে। এই মাত্ৰ ডাক আহি পাইছে। ৰ'বা।"

"আজি ইমান পলম কিয় ?"

"পলম ? এইমাত্ৰ চাৰিটা বাজি গৈছে। ইমান সোনকালে আমি ডাক নোখোলোৱেই।"

ইঃ, মোৰ টকা আহিছে কাৰণে ইহঁতৰ হিংসা।

"আছে নে নাই ?"

"ৰবা, চাবলৈ দিয়া।"

"মিলাদ দহ টকা।"

"ওঁ ওঁ মিলাদ···আছে।"

"দিয়া" গম্ভীৰ হৈ কলো। অধৈৰ্য্য হৈছো নেকি ?

"কিমান ?" আকৌ ময়েই সুধিলো।

"এক টকা।"

"কি ?"

"এটকা মিলাদ" হাঁহি পোষ্ট মাষ্টৰে কলে।

"এটকাৰ মনি-অৰ্ডাৰ কেতিয়াবা···"

পোষ্ট-মাষ্টৰ জনে মোৰ মুখলৈ চালে। কি চাইছে ? তাৰ খঙেই উঠিছে নেকি ? অ' মোৰ ডাঢ়িবোৰ।

"পাওঁ কেতিয়াবা। একো আচৰিত নহয়" তেওঁ কলে।

"চাওঁ দিয়া।"

চহী কৰি টকাটো জেপত ভৰাই ডাক-ঘৰৰপৰা ওলাই আহিলো।

"কুপনখন" কোনোবা এজনে চিঞৰি কলে।

"অ দিয়া," বহমানৰ চহীটো থকা কুপনডোখৰ জেপত ভৰাই খোজ ললো। এবাৰ কথাও সি নিলিখিলে। মাত্ৰ চহীটো সিও শুকান।

———

# এজনী নতুন ছোৱালী

মই, হাফলং ষ্টেচনৰ ৰাতি দুই বজাৰ আন্ধাৰ, আৰু চিনিনোপোৱা ছোৱালীজনী। অলপ অলপ জাৰ।

মনৰ উদ্বিগ্নতা নোহোৱা হৈ গৈছিল। মোৰ ৰেল গাড়ীখন আহিব আৰু এঘণ্টা চল্লিশ মিনিটৰ পিছত। নিৰাসক্তভাৱে নেমেলা বিচনাখনৰ দ'মটোৰ ওপৰতে বহি পৰিলো। ষ্টেচনৰ লেম্পটো আমাৰ পৰা দূৰ।

ছোৱালীজনীৰ লগত বিচনা নাছিল কিজানি। এখন পাতল উনী কাপোৰ, বেণীৰ পৰা এৰাই অহা অলপ কোমল চুলি, আৰু পাতল, বগা মুখখনত এটা আত্মবিশ্বাসৰ নিশ্চয়তা।

প্ৰায় আধা ঘণ্টাতকৈও বেছি সময় আমি ঠিয়দি থাকিলোঁ। ছোৱালীজনীও ঠিয়দি থাকিল, ময়ো। তাৰ পিছত যেতিয়া দেখিলো, আনকি ষ্টেচনৰ কুলিবোৰেও এই এঘণ্টা সময়ৰ জিৰণি খিনিৰ সদ্ব্যৱহাৰ কৰিবলৈ, তাতে দীঘল দিছে, মই আৰু ঠিয়দি নেথাকিলোঁ।

বহি লৈ মই ছোৱালীজনীলৈ চালোঁ। গোটেই ষ্টেচনটোৰ মাজত অকলে ঠিয়দি থকাটো অনুভৱ কৰি ছোৱালীজনীয়ে নিশ্চয় নিজকে অকলশৰীয়া অনুভৱ কৰিছিল। ছোৱালীজনীৰ পৰা চকু দুটা এৰুৱাই আনি গোটেই ষ্টেচনটো এবাৰ চালোঁ, কোনোৱেই নাই। যাত্ৰীৰ ভিতৰত নিৰ্ভয়ে শুই থকা কেইটামান চিলেটীয়া।

বহাৰ পৰা উঠাৰ নিচিনা কৰি নিঃসঙ্কোচে ছোৱালীজনীক মাতিলোঁ, "এতিয়াও বহুত সময় আছে, অলপ বহক এইখিনিতে ঠাই হব; আহক"—

পাতলকৈ হাঁহি মাৰি ছোৱালীজনী মোৰ বিচনাৰ দ'মটোৰ কাষলৈ আগ বাঢ়ি আহিল। নিশ্চয় তেওঁৰ ভৰি ঠিয় হৈ থাকি থাকি বিষাইছিল।

একো নকৈ তেওঁ মোৰ কাষতে বিচনাৰ দ'মটোতে বহিল, আৰু কোমল মাতেৰে কলে, "এতিয়াও ভালেমান সময় থাকিব পায়"

"বৰষুণ আৰম্ভ হলেই দেখিছেনে? এই পাহাৰৰ বৰষুণ কিন্তু বৰ সাজ্ঘাটিক।"

"পাহাৰত কিন্তু কিছুমান মানুহ থাকে, সিহঁত এই বৰষুণবোৰ তকৈও বেছি সাজ্ঘাটিক," বেচ সহজভাবে ছোৱালীজনীয়ে কলে। ষ্টেচনঘৰৰ টিনৰ চালিৰ ওপৰত পাহাৰৰ বৰষুণবোৰ জৰ্ জৰ্ কৰি সৰি পৰিব ধৰিলে।

"আপোনাৰ ঘৰ ইয়াতেনেকি ?"

ছোৱালীজনীয়ে গাৰ কাপোৰখন ভালকৈ ললে, আৰু যেন কাপোৰখনৰ উমটো দিবৰ কাৰণেই মোৰ গাৰ বেছি কাষলৈ চাপি আহিল।

"ইয়াত পাহাৰ, ইয়াত নো মোৰ ঘৰ কেনেকৈ হব! হাফলংৰ পাহাৰবোৰ কিন্তু বৰ ধুনীয়া"

অলপ পৰ বৈ ছোৱালীজনীয়ে অৱশভাবে আকৌ ক'লে, "আপুনি বাৰু গম ধৰিব পাৰিছেনে, যে মোৰ মৰিবৰ সমান ভাগৰে ধৰিছে।"

মই ছোৱালীজনীৰ ফালে ঘূৰি চালোঁ।

"মোৰ মূৰটো ইমান যে ঘূৰাইছে"

"আপোনাৰ টোপনি আহিছে" মই কলো।

"টোপনি? নাই, টোপনি মোৰ অহা নাই। কিন্তু ৰাতি এনেকৈ বৰষুণ দিলে মোৰ মনটো ক'ৰবালৈ উৰি যাব খোজে, আৰু তেতিয়াই মোৰ মূৰ ঘূৰায়।" তেতিয়া প্ৰবলবেগে চম্‌চম্ কৰে বৰষুণবোৰ পৰিব লাগিছে।

হাতৰ ঘড়িটো চালোঁ, নিচেই কম সময় মাথোন গৈছে। ছোৱালী জনীলৈ চালোঁ, টোপনিত তেওঁৰ চকুজোৰ মুদখাই আহিছে। তেওঁ যেন ক'ৰবাত আউজি টোপনি যাবৰ ইচ্ছা কৰিছে।

"আপুনি অলপ শুবনে? মোৰ ইয়াতে মূৰ ৰাখি আপুনি অলপ

শোৱক” ছোৱালীজনীলৈ মোৰ কৰুণা হৈছিল। তিৰোতাবোৰ কিমান দুৰ্ব্বল!

“বেলখন আছিলে আপুনি মোক তুলি দিব দেই” জড়িত ভাষাৰে কোনোমতে কথাখিনি কৈ ছোৱালীজনীয়ে মোৰ কোলাত মূৰটো সুমাই দিলে। সোঁ হাতত লৈ থকা চামৰাৰ সৰু চুটকেছটো মই লাহেকৈ হাতৰ পৰা নমাই থলোঁ। ছোৱালীজনীৰ নাকৰ তপত নিশ্বাসটো বৰ কৰুণভাবে মোৰ গাত লাগিল।

বৰষুণজাকৰ লগে লগে ফেৰ ফেলিয়া পাহাৰী বতাহ। অলপ অলপ জাৰ লাগিল। গৰম কোটটো বাকচত থাকিল, উলিয়াবৰ কাৰণে উঠি যাবৰ উপায় বিচাৰি নেপালোঁ। অগত্যা ছোৱালী জনীৰ কাপোৰখনৰ আগটোকে টানি লৈ কোনোমতে হাত দুখনত তাপ ৰাখিবৰ চেষ্টা কৰিলোঁ।

অপ্রত্যাশিত এই ঘটনাটোক কিন্তু মোৰ অকণো আচৰিত যেন নেলাগিল। এজনী অচিনাকি ছোৱালী। পৰিচয়ৰ ভিতৰত মাত্র জানো যে তাই এজনী ছোৱালী, তাইৰ ভাগৰ লাগিছে, আৰু তাই মোৰ দৰেই যাত্রী। এই পাহাৰৰ মাজৰ হাফলং ষ্টেচনটো আৰু তাই দুয়োৰেই মোৰ কাৰণে সমান অচিনাকি, সমান দূৰ, ছোৱালীজনী বৰং বেছি দূৰ।

তথাপি যেন অকণো আচৰিত হবলগীয়া নহয়। এইটোৱেই যেন মানুহৰ সম্বন্ধ, প্রবাসৰ ষ্টেচন, বৰষুণ-সনা ৰাতিৰ আন্ধাৰ আৰু আমি এজনৰ টোপনি আহে, শোৱে, আনজনৰো টোপনি আহে, কিন্তু নোশোৱে; এই সাৰে থকা আৰু টোপনি যোৱাকলৈয়ে আমাৰ চিনাকি।

পাহাৰৰ সিপাৰৰ বেলৰ আলিটোৰ ফালে চাই পথালো, একো নেদেখি মাত্র বৰষুণ আৰু আন্ধাৰ। ষ্টেচন ঘৰটোত কেনো এটি প্রাণীৰে সাঁহাৰি নাই; ষ্টেচন মাষ্টৰৰ কোঠাটোত লেমটো পাতলকৈ জ্বলি আছিল। কিন্তু তাতো কাৰো সাঁহাৰি নাই।

মোৰ কোলাত মূৰ থুমাই শুই থকা ছোৱালীজনীৰ পাতল বগা মুখখনলৈ চালো। মুখখন ধুনীয়া, মুদ খাই থকা চকু দুটা আৰু বেছি ধুনীয়া, কিন্তু ধুনীয়া হোৱাৰ কাৰণেই নেকি জানো ছোৱালীজনীৰ মুখখন বৰ কৰুণ যেন দেখিলোঁ। তাই যেন ভাগি শুকাই যোৱা ডাল এটাত লাগি থকা বগা গোলাপ এপাহৰ দৰেই কৰুণ।

বৰষুণ জাক পৰি আছে চম্ চম্, জিপ্ জিপ্। আৰু পাঁচ দিনৰ মূৰত মোৰ জীৱনৰ যিটো উৎসৱ হৈ যাব, তাৰ ফলত ঠিক এনেকুৱা এজনী ছোৱালীকে মোৰ কাষত চিৰন্তন কৰি পাব লাগিব। সেই অনাগতা আজিও মোৰ অচিনাকি। কিন্তু চিনাকি হোৱাৰ সেই উৎসৱে আমাৰ পৰিচয়ক শাশ্বত কৰি, বৈধ কৰি, সংস্কৃত কৰি দিব। আমাৰ চিনাকি হ'ব জীৱন-মৰণৰ চিনাকি, পবিত্ৰ সম্বন্ধৰ চিনাকি। মুদ খাই আহিব ধৰা চকু জোৰক এনেয়ে মেলি ৰাখি মই ভাবিবৰ চেষ্টা কৰিলোঁ।

কিন্তু আন্ধাৰৰ মাজত লগপোৱা এই অচিনাকি ছোৱালীজনী, কোনো উৎসৱ আয়োজন নোহোৱাকৈয়ে দেখোন মই তাইক চিনি পাই গলোঁ। ধুনীয়া ছোৱালীজনী চিনি পাবলৈ কিমন সহজ।

ভাবিবলৈ কোনো কথা নথকাৰ কাৰণেই হয়তো এনেয়ে এই কথাবোৰ ভাবিছিলোঁ।

কিন্তু ছোৱালীজনীৰ কিটোনো মই চিনি পাইছো? মোৰ কোলাত মূৰ থুমাই শুই থকা এই ছোৱালীজনীৰ বিষয়ে মইনো কিটো জানিছোঁ? মই হাঁহিলো। আমাৰ কোলাত মূৰ দি শুই থকা মানুহবোৰকো আমি আকণো চিনি নেপাওঁ।

বৰষুণজাক অলপ পাতলিছে, কিন্তু একেবাৰে কমা নাই হয়তো নেৰিবও।

মোৰ যে জাৰ লাগিছিল, এই কথাবাৰ মই প্ৰায় পাহৰিয়ে গৈছিলোঁ, ছোৱালীজনীয়ে গম নোপোৱাকৈ চিগাৰেট এটা জ্বলাই হুপিব ধৰিলো।

হাতৰ ঘড়িটো চালো, তাৰপিছত ৰেলৰ ফালে চালো আন্ধাৰ আৰু বৰষুণৰ সিপাৰে বহুত দূৰত অলপ পোহৰ যেন দেখিলো, হয়তো ৰেলৰ ইঞ্জিনৰ পোহৰ।

ছোৱালীজনীৰ মুখলৈ চালে।—তেতিয়াও নিঃশব্দ টোপনিত মগ্ন। এটা অচিনাকি ষ্টেচনতো যে মানুহ এনেদৰে টোপনি যাব পাৰে—আচৰিত !

দৈত্যাকাৰ ইঞ্জিনটো পিছত দীঘল গাড়ীবোৰ লৈ ষ্টেচনত সোমাই পৰিল।

বৰষুণজাক আকৌ হৰ্ হৰাই আহিব ধৰিলে। উঠিব ধৰি মই দেখিলো ছোৱালীজনীৰ চেতনাই নাই। নিৰুপায় হৈ ছোৱালীজনীক সাৰ্টটি ধৰি, কুলীটোক মালবোৰ আনিবৰ কাৰণে চিয়ঁৰি তুলি দি, বৰষুণৰ মাজেদিয়ে ৰেললৈ বেগ দিলো। ভাগ্যক্ৰমে মধ্যম শ্ৰেণীৰ আমাৰ গাড়ীখন ওচৰতে আছিল। এহাতেৰে কোনো মতে দুৱাৰখন হেচা মাৰি মেলি উঠি পৰিলো। গাত বৰষুণৰ পানী পৰিয়ে হয়তো ছোৱালীজনীয়ে সাৰ পাই চকু মেলিলে ; মই আকৌ নামি গৈ ষ্টেচনত কিবা মালপত্ৰ থাকি আছিলনেকি চালো, আৰু তিতি তিতিয়ে আহি ৰেলত উঠিলো।

"আমি কিমান দূৰ আহিলোঁ ?" বিস্ময়েৰে ছোৱালীজনীয়ে সুধিলে।

ৰুমালখনেৰে মুখৰ পানীবোৰ মচি হাঁহিবৰ চেষ্টা কৰি ক'লো—"ৰৈ থকা প্লেটফৰ্মৰ পৰা গৈ-থকা গাড়ীৰ ভিতৰলৈ।" অলপ টোপনি থকাৰ কাৰণেই হয়তো ছোৱালীজনীয়ে মোৰ কথাষাৰ ভালকৈ বুজিব নোৱাৰি ক'লে, "মাজত কেইটা ষ্টেচন এৰি আহিলোঁ ?

"এক ঘণ্টাৰ বৰষুণ আৰু টোপনি।"

এইবাৰ ছোৱালীজনীয়ে বুজিলে, আৰু কৰুণ মুখখনেৰে ধুনীয়াকৈ হাঁহি ক'লে "মোৰ মনত লাগিছিল, কিজানি মই ৰেলত গৈ আছোঁ বহুত দূৰ।"

"ৰেল নহয়, মোৰ বিচনাৰ মুঠাটো" মুয়ো হাঁহিলোঁ।

ৰেল চলিবলৈ আৰম্ভ কৰাৰ লগে লগে মুয়ো বহিলোঁ। অতপৰ মই ঠিয় দিয়ে আছিলো। কি সৌভাগ্যৰ ফলত ক'ব নোৱাৰো আমি উঠা গাড়ীখনত অন্য যাত্ৰী আৰু কোনো নাই! মধ্যম শ্ৰেণীত উঠি পইচা কেইটা বেছিকৈ দিয়াৰ অপচয় নোহোৱা দেখি আনন্দ পালোঁ।

মৌনতা ভঙ্গ কৰি ছোৱালীজনীয়ে ক'লে "আপুনি মোক ৰেললৈকে দাঙি লৈ আহিল? জগাই নিদিলে কিয়?" "জগাবলৈ চাই দেখো আপোনাৰ বৰ টোপনি। তাৰ উপৰি ভাবিলোঁ জগাই দিলে কিজানি মোৰ গাড়ীত মুঠি অন্য কোনোৱা এখন গাড়ীতে উঠেগৈ।"

ধুনীয়াকৈ তৃপ্তিৰে হাঁহি মোৰ মুখলৈ চাই ছোৱালীজনীয়ে ক'লে,

কিন্তু আপুনি মোক বলে পাৰিলে কেনেকৈ?

"আপোনাক? এজনী ছোৱালীকো বলে নোৱাৰিমনে? আপোনাক দেখোন মোৰ আপোনাৰ চুটকেচটোতকৈয়ো পাতল যেনেহে লাগিল" হাঁহি ক'লো। মুহূৰ্ত্তে দেখিলোঁ ছোৱালীজনীৰ মুখৰ বৰণটো পৰিৱৰ্ত্তিত হৈ গৈছে। কি এটা অভিমান আৰু বেদনাত যেন তেওঁৰ ওঁঠ দুটা কঁপিব ধৰিছে। মোৰ বেয়া লাগিল, ভয়ো লাগিল। কিন্তু এই সাধাৰণ কথাষাৰত যে তেওঁৰ কি বেয়া পাব লগা থাকিব পাৰে ভাবি নেপালোঁ। কান্দো কান্দো কৰা চকুহুটা তুলি ছোৱালী জনীয়ে মোৰ মুখলৈ একেথৰে চাই ৰ'ল। নিৰুপায়ৰ দৰে ময়ো চাই ৰ'লো। মই কিন্তু একো বুজিব নোৱাৰিলোঁ।

"আপুনি কি ভাবিছে?" হতভম্বৰ দৰে সুধিলোঁ।

"মই মোৰ চুটকেচটোতকৈয়ো পাতল, মোৰ সৰু চুটকেচটোতকৈও," ছোৱালীজনীৰ মাতত কান্দোনৰ ভাষা "সঁচাকৈয়ে, পাতল নোহোৱা হ'লে আপুনি মোক বলে নোৱাৰিলেহেতেন" "অ' আপুনি মোৰ সেই সৰু কথাষাৰতে ইমান বেয়া পালেনে? মই কিন্তু সঁচাকৈয়ে ধেমালিহে কৰিছিলো। আপুনি বেয়া পাব বুলি জনাহলে মই কেতিয়াও নকওঁ।" "কিন্তু আপুনি নকলেও সেই কথাষাৰ সঁচা"।

আচৰিত হৈ মই ছোৱালীজনীৰ মুখলৈ চালোঁ। দেখিলোঁ তেওঁৰ মুখখনত সোঁৱৰণীৰ ঐকান্তিক বেদনাৰ ছাঁয়া। মোৰ বৰ বেয়া লাগিল।

"আপুনি অলপ শোৱক। নিশ্চয় আপোনাৰ টোপনি খটিব কাৰণে বেয়া লাগিছে।" অতপৰ বান্ধতে থকা বিচনাখন বেঞ্চখনৰ ওপৰত মেলি দিলোঁ।

"বাহিৰত বাক এতিয়াও বৰষুণ হৈ আছেনে?"

আমাৰ কোঠাৰ খিৰিকিবোৰ বন্ধ কৰি ৰাখিছিলোঁ। তেওঁ মোৰ বিচনাখনৰ এমূৰে বহিল।

"আপুনি কোন ষ্টেচনত নামিবনো?" কথাৰ গতি সলনি কৰি সুধিলোঁ।

এই প্ৰশ্নটোত ছোৱালীজনী যেন বৰ আচৰিত হ'ল, ক'লে "অ' সেই কথাষাৰ মই এতিয়াও ভবাই নাই। কিন্তু ক'ৰবাত নামিব লাগিব ঠিক।"

মোৰ আৰু আচৰিত যেন লাগিল। এই ছোৱালীজনী যেন অসম্ভৱ। আগে মই এনে ছোৱালী লগ নোপোৱা যেনেই লাগিল!

।চগাৰেটৰ ধোঁৱাবোৰ ওপৰৰ লাইটটোৰ ফালে লাহে লাহে এৰি দি ক'লো, "কিন্তু আপোনাৰ টিকেটতটো দুটা ষ্টেচনৰ নাম লিখা আছে এটা, আপুনি য'ত বেলত উঠিছে, আৰু আনটো, আপুনি য'ত নামিব।"

"হাঁহি ছোৱালীজনীয়ে ক'লে "কিন্তু মই বিটো টিকেট ল'লো তাত কোনো ষ্টেচনৰ নাম নাই, গতিকে আপুনি ক'ব পাৰে যে মই অনির্দিষ্টৰ যাত্ৰী।"

"অ' আপুনি তেন্তে ইষ্টাৰৰ 'চিজন্ টিকেট' লৈ ভ্ৰমণ কৰিবলৈ ওলাইছে।"

'ভ্ৰমণ কৰিবলৈ নহয়, ভ্ৰমণ শেষ কৰিবলৈ",

"সেইটো অৱশ্যে হবই। ভ্ৰমণ যেতিয়া আৰম্ভ কৰিলেই, তাৰ শেষ

কৰিবই লাগিব।" ছোৱালী জনীয়ে একো নেমাতি বাহিৰৰ বৰষুণ-জাকলৈ কাণ দি থাকিল। "আপুনি প্ৰায়ে এনেদৰেভ্ৰমণ কৰে নহয়নে ?"

মূৰ তুলি ছোৱালীজনীয়ে মোৰ মুখলৈ চালে, আৰু পাতলকৈ হাঁহি কলে, "এয়ে প্ৰথম"

মই অনুভৱ কৰিলোঁ। ছোৱালীজনী আচৰিত !

নিজে নিজেই ক'লো, "অচিনাকি ঠাইৰ মাজে মাজে অকলে অকলে ঘূৰি ফুৰাত সঁচাকৈয়ে বৰ আনন্দ আছে", সমৰ্থন বিচাৰি ছোৱালীজনীৰ মুখলৈ চালোঁ। হঠাৎ ছোৱালীজনীৰ মুখখন ৰঙা পৰি উঠিল। সঁচাকৈয়ে যেন তেওঁ কিবা এটা বেদনাত বুৰ গৈ আছিল।

কঁপা কঁপা, মাতেৰে, ভাষাত অতৰ্কিত উত্তেজনা সানি তেওঁ ক'লে, "আনন্দ আছে যেতিয়া আমি ইচ্ছা কৰি অকলে ফুৰোঁ, কিন্তু যেতিয়া আমি বাধ্যত পৰি অনিৰ্দ্দিষ্ট পথত অকলে ফুৰিব লগা হয় তাত—তাত যিটো আনন্দ আছে, সি মৰ্মান্তিক !"

তেওঁৰ মাতটো ইমান কৰুণ ! উৎসৱ-শেষৰ ক্লান্ত সঙ্গীতৰ দৰেই কৰুণ তেওঁৰ মাতটো ; তাত যেন মই পালোঁ ব্যৰ্থ নাৰীত্বৰ বেদনাতুৰ ইঙ্গিত !

একেথৰে মই ছোৱালীজনীৰ মুখলৈ চাই থাকিলোঁ। আমাৰ মৌনতাৰ মাজেদি বেলখনে জনাই গ'ল তাৰ অবিশ্ৰাম গৈ থকাৰ কথা।

হঠাৎ মোৰ মনত পৰিল হয়তো মোৰ অকাৰণ প্ৰশ্নবোৰেই তেওঁক অতীষ্ঠ কৰি তুলিছে। তেওঁৰ বিশ্ৰাম আৰু শান্তি কাঢ়ি লবৰ মোৰ কোনো অধিকাৰ নাই।

অনুৰোধৰ সুৰত ক'লো "আপোনাৰ সঁচাকৈয়ে টোপনিত আঘাত লাগিছে অলপ শোৱক।"

ছোৱালীজনীয়ে মুখেৰে একো নেমাতি মোৰ বিচনা খনতে দীঘল দিলে। কিন্তু শুই তেওঁ চকুজোৰ মুদাৰ পৰিবৰ্ত্তে ডাঙৰকৈ মেলিছে দিলে ! "চাওক চোন"

মই তেওঁৰ মুখলৈ চালোঁ।

হাতৰ আঙুলিটোৰে নিজৰ ডাঙৰকৈ মেলা চকুজোৰ দেখুৱাই তেওঁ ক'লে, "এই চকু দুটাৰে বাৰু মানুহে কিমান দূৰলৈকে দেখে? "কিয়, ভালেমান দূৰলৈকে"।

"হাঃ হাঃ" কৈ হাঁহি, তেওঁ শোৱাতে বহি পৰিল।

"নেদেখে, অকণো দূৰলৈ নেদেখে। আধা আঙুল ডাঠ এখন চাল আৰু এক আঙুল ডাঠ দুডাল হাড়ৰ সিফাললৈকেহে নেদেখে।" তেওঁৰ মুখলৈ চাই থাকি তেওঁৰ কথাবাৰ মই বুজিবৰ চেষ্টা কৰিলোঁ।

তেওঁৰ মূৰৰ কাষতে বহি থকা মোৰ বুকুখনত হাতখন দি তেওঁ ক'লে, "এই চাল আৰু হাড়ৰ সিপাৰেহে আপোনাৰ বুকুখন, আপোনাৰ প্ৰাণটো, আপোনাৰ হিয়াখন বা আপোনাৰ আপুনিটো বৈ আছে; কিন্তু ক'তা, মইতো এই চকু দুটাৰে চাল আৰু হাড়ৰ সিপাৰে একো দেখা নাই, হয়তো আপুনি নিজেও ভালকৈ দেখা নাই।"

মই যেন দেখিলোঁ ছোৱালীজনী অতিশয় দুৰ্বল হৈ পৰিছে! কোনো দিনে মই কোনো ছোৱালীক ইমান দুৰ্বল হোৱা দেখা নাই।

হঠাৎ ছোৱালীজনীয়ে মোৰ হাতখনত সাবটি ধৰিলে আৰু প্ৰায় চিৎকাৰৰ সুৰতে ক'লে, "আপুনি বাৰু মোৰ ভিতৰৰ বিদ্ৰোহটো অনুভৱ কৰিব পাৰিছেনে?"

"বিদ্ৰোহ? ক'তা? মইতো একো গম পোৱা নাই।"

'একো গম পোৱা নাই! অকলশৰে এজনী গাভৰু ছোৱালী এটা অচিনাকি ষ্টেচনত এজন অচিনাকি মানুহৰ কোলাত মূৰ সুমাই টোপনি যোৱা, তেওঁৰ ডিঙিত সাবটি ধৰি ৰেলগাড়ীত উঠা, তেওঁৰ লগত অকলশৰে তেওঁৰ বিচনাতে শুই যোৱা বিদ্ৰোহ নহয়?"

"সঁচাকৈয়ে! মই যে অনুভৱেই কৰা নাছিলোঁ" হতভম্বৰ দৰে কলোঁ।

আকৌ ছোৱালীজনীৰ মুখত হতাশাসৰ করুণতা আহি পৰিল।

তেওঁৰ কল্পিত বিদ্ৰোহৰ প্ৰশংসাবাদ মোৰ পৰা নেপাই হয়তো তেওঁ বৰ আঘাত পালে, কিন্তু মোৰতো উপায় নাছিল।

"পুৰুষে যেতিয়া বিদ্ৰোহ কৰে, যেতিয়া প্ৰতিবাদ কৰে, তেতিয়া তেওঁ কৰে কিবা এটা নতুন, কিবা এটা অশ্ৰুত, অদ্ভুত, অসম্ভৱ; তেওঁৰ বিদ্ৰোহে সফলতাৰ দৃষ্টি আৰু গৰিমা লাভ কৰে। কিন্তু নাৰীয়ে যেতিয়া বিদ্ৰোহ কৰে, তেতিয়া সি বিদ্ৰোহ নহয়, সি হয় নাৰীৰ তথা-কথিত দুৰ্বলতা! বিদ্ৰোহ কৰিও নাৰীয়ে নতুন একো কৰিব নোৱাৰে; আনকি নতুন কৰা দূৰৰ কথা, নাৰীৰ চিৰন্তন পুৰণিটোও কৰিব নোৱাৰে, নাৰীৰ কাৰণে কেৱল ব্যৰ্থতা!" বৰ দুখ লগা, বৰ দুৰ্ব্বল ভাষাৰে ধীৰ ভাৱে তেওঁ কৈ গ'ল।

"কিন্তু আপুনি এই দৰে বিদ্ৰোহ কৰিবলৈ ওলাইছে কিয়?"

"অ' আপুনি শুনিব? শুনক, আজিৰ এই ৰেলতে এই আমি অহা ৰেলগাড়ী খনতে, অৱশ্যে আন এটা কোঠাত, এহাল ডেকা গাভৰু আছিছে; গাভৰুজনী ডেকাৰ ভাৰ্য্যা; আজি এসপ্তাহৰ আগতে বিয়া হৈ গৈছে" তেওঁ ৰ'ল। মই একেথৰে তেওঁৰ মুখলৈ চাই ৰলোঁ। তেওঁ আকৌ কৈ গ'ল, "সেই ডেকাজন মোৰ জীৱনৰ যোৱা চাৰিটা বছৰৰ লগত পৰিচিত।"

ৰেলখন আহি ঘৰ্ ঘৰ্ কৰি ৰৈ গল! খিৰিকি এখন মেলি চালোঁ, বাহিৰত কাহিলি কাহিলি পোহৰ, ষ্টেচনৰ নামটো পঢ়িবৰ দৰকাৰ বোধ নকৰিলোঁ।

তিনি মিনিটৰ পিছত ৰেলখন আকৌ চলিল।

"তেওঁক মই ভাল পাইছিলোঁ।"

হঠাৎ মই ঘূৰি তেওঁৰ মুখলৈ চালোঁ। অকণো বিচলিত নহৈ তেওঁ কৈ গ'ল, "সঁচাকৈয়ে মই তেওঁক ভাল পাইছিলোঁ।"

"তাৰ পিছত?"

"তাৰ পিছত আজি প্ৰায় কুৰি দিনৰ আগতে তেওঁ মোক জনালে যে বাপেক মাকৰ বিশেষ অনুৰোধত তেওঁ বিয়া কৰাবলৈ বাধ্য হৈছে।

ছোৱালীজনী মই চিনি পাওঁ। তাইৰ নাম হীমা।"

"আপোনাক জনালে ?"

"কিয় ? অৱশ্যে জনাব। তেওঁ যেতিয়া মোক ভাল পায়, তেওঁ যি কামকে কৰিব খোজে মোক জনাবই।"

মই নিঃশব্দে শুনি গলো।

"আজিৰ দৰেই বৰষুণ দিয়া ৰাতি, আজিৰ দৰেই আন্ধাৰত তেওঁ মোক বুকুত লৈ ক'লে, যে জীৱনৰ এই নতুন অভিজ্ঞতাই মোৰ প্ৰতি তেওঁৰ ভালপোৱা আৰু গভীৰ কৰিব মাত্ৰ।"

মোৰ ফালৰ খিৰিকিখন মেলি দিলো। প্ৰথম উষাৰ এজাক নতুন বতাহ আহি আমাৰ গাত লাগিল। দূৰত ধোঁৱা বৰণীয়া আকাশখনৰ বুকুত দেখিলো অকণমান জোনবাইটি মাৰ যাওঁ যাওঁ।

"তেওঁ যোৱা চাৰিবছৰ আমাৰ ঘৰৰ ওচৰতে থাকি কাম কৰিছিল।' বাহিৰলৈ চাই দেখিলো এই ফালে বৰষুণ দিয়া নাই। "তেওঁলোকৰ বিয়া হৈ গল। বিয়াৰ পিছত যে হনিমুনৰ কাৰণে তেওঁলোক হাফলং পাহাৰলৈ আহিব মোক আগতে জনাইছিল পৰহি দিনা ময়ো আহি হাফলং পালোহি।"

"আপুনি কিয় আহিল ?"

"ভুল বিচাৰি। অতদিনে ভৈয়ামৰ পৰা চাই যিটো সঁচা বুলি, ধুনীয়া বুলি ভাবি বহি আছিলোঁ, পাহাৰৰ ওপৰত উঠি তাৰেই আচল ৰূপ বিচাৰি আহিলো।"

"তাৰ পিছত কি হ'ল ?"

"গধূলিৰ বেলত আহি হাফলং ষ্টেচন পালোহি। মোক ষ্টেচনৰ পৰা আগবঢ়াই নিবলৈ বুলি টেলিগ্ৰামো কৰিছিলো। ষ্টেচনত কাকো নেদেখি ভাবিলো, হয়তো টেলিগ্ৰাম পোৱাই নাই। অকলে অকলেই খোজ ললো।"

"আপুনি চিনি পালে কেনেকৈ ?"

"মনৰ বল আৰু প্ৰাণৰ অবুজ আনন্দত।"

"তাৰ পিছত ?"

"পদূলিমূৰৰ পৰা শুনিলো এচ্‌ৰাজৰ মিহি সুৰ,' নিশ্চয় হীমাই বজাইছে। মোৰ বৰ আনন্দ লাগিল। ওচৰ চাপি গৈ লাহে লাহে দুৱাৰত টুকুৰিয়ালো। তেওঁ ওলাই আহিল। দুৱাৰ মেলি মোক দেখি তেওঁ বজ্ৰাহতৰ দৰে ৰৈ গল। এচ্‌ৰাজখন সামৰি থৈ হীমাও উঠি আহিল। মোক দেখি আৰু বেছি আচৰিত হৈ হীমাই চিয়ঁৰি উঠিল "নিহাৰ! তুমি ইয়াত কেনেকৈ ওলালাহি! আহিলাইবা কিয় ?" মই তেওঁৰ মুখলৈ চালোঁ। "থকা ঘৰ কত' ঠিক কৰিলা নিহাৰ ?" তেওঁ সুধিলে। হীমাৰ মুখলৈ চালো। ঘৃণাৰ এটা কটাক্ষ কৰি হীমাই এটা বীভৎস হাঁহিৰে ক'লে "তেওঁৰনো কি, থাকিবলৈ ঠাই নেপাবনে।"

"অলপ পৰ তাতে ৰৈ থাকি হীমাইঁতৰ দুৱাৰ মুখৰ পৰা উভটি আন্ধাৰৰ মাজে মাজে পুনৰ খোজ ললো।।"

ভিতৰত হাঁহিৰ শব্দ শুনি আকৌ অলপ ৰলোঁ। মই পিঠি ঘূৰোৱাৰ লগে লগে দুৱাৰ বন্ধ কৰি দুয়ো ভিতৰ সোমাই খিক্ খিক্ কৰি হাঁহি আৰম্ভ কৰি দিলে। হাঁহি আৰু ফুলনীখন পাৰহৈ এষাৰ কথা 'মোৰ কাণত পৰিলহি আগে যি পিছে পিছে ঘূৰিলেই, এতিয়া বিয়াৰ পিছতো ঘৰ বিচাৰি ওলাইছেহি।

কি যে মূৰ্খ!"

ৰেলৰ আলিৰ কাষৰ হাবিখনৰ পৰা সক চৰাইবোৰে তেতিয়া নতুন জীৱনৰ গীত আৰম্ভ কৰি দিছে। আনন্দ আৰু পোহৰৰ চিৰ-প্ৰফুল্ল গান, ৰাতিৰ আন্ধাৰ শেষ হোৱাৰ গান।

"কালিৰ দিনটো পিছে আপুনি কত থাকিল ?"

"সিহঁতৰ পিছে পিছে সিহঁতৰ হাঁহি আৰু আনন্দৰ পিছে পিছে লুকাই লুকাই ঘূৰি ফুৰিলো।"

"কিয়নো মিছাতে ঘূৰি ফুৰিলে ?"

কান্দো কান্দো হৈ ছোৱালীজনীয়ে ক'লে—"মই যে তেওঁক ভাল পাওঁ।"

"ভাল পায় ? এতিয়াও ?"

"ভাল পোৱাৰ মাজত যে সময়ৰ সীমাৰেখা থাকে মইতো নেজানো।"

"তেন্তে আপুনি বিদ্ৰোহ কৰিব খুজিছে কিয় ?"

"কিয় মই নিজেই কব নোৱাৰোঁ। হয়তো তিৰোতাৰ প্ৰাণৰ ঈৰ্ষাৰ অন্তৰ্নিহিত প্ৰবৃত্তি। আৰু এজন পুৰুষে যদি এজনী অচিনাকি ছোৱালীৰ লগত লৈ চিৰজীৱন কটাই দিবৰ সঙ্কল্প কৰিব পাৰে, এজনী লোৱালীয়ে এজন অচিনাকি পুৰুষৰ লগত তাইৰ জীৱনটো, অন্ততঃ তাইৰ জীৱনৰ এটা ভাৱৰীয়া ৰাতি কটাই দিব নোৱাৰিব কিয় ? তাইৰ বাধা কত ?"

"কিন্তু তেওঁলোকৰ যে বিয়া হৈ গৈছে ?"

"হৈছে ঠিক। কিন্তু এইটোও ঠিক যে যাৰ লগত বিয়া হৈছে, সেই ছোৱালীজনী তেওঁৰ একেবাৰেই অচিনাকি, যেনেকৈ আপুনি মোৰ অচিনাকি ?"

তেওঁ বিচনাৰ পৰা উঠিল, আৰু কাপোৰবোৰ ঠিক কৰি ললে।

"সঁচাকৈয়ে মোৰ বিদ্ৰোহ মোৰ দুৰ্ব্বলতা। আপুনি অচিনাকি, তথাপি আপোনাক মোৰ এই কথাবোৰ কৈ দিলোঁ। দুৰ্ব্বলতা নহয় জানো ?"

তেওঁৰ প্ৰশ্নৰ উত্তৰ নিদি মই সুধিলো,—"কিন্তু আপুনি কোনটোক আপোনাৰ বিদ্ৰোহ বুলি ভাবিছে ?"

"এটা প্ৰবাসী ষ্টেচনৰ ভিতৰত, দুপৰ ৰাতি, আপোনাৰ কোলাত মূৰ থৈ শোৱা, তাকো আপুনি বিদ্ৰোহ নুবুলিবনে ?" তেওঁ অলপ পৰ মনে মনে থাকিল, তাৰ পিছত কলে, 'কিন্তু ৰাতিৰ আন্ধাৰ আৰু পহাৰৰ বৰষুণে মোৰ বিদ্ৰোহক ব্যৰ্থ কৰি দিলে। ইচ্ছা আছিল, হীমা আৰু তেওঁ মোক আপোনাৰ কোলাত দেখা নহল !"

তেওঁৰ মাতত ব্যৰ্থতাৰ অনুশোচ।

"কিন্তু, ক্ষমা কৰিব, আপোনাৰ কথা মোক একো নকলেই। ইমান

দীঘল বাতি এটা আপোনাৰ লগত আছিলো, তথাপি আপোনাক"।

"মই চাটকৰ চুনৰ খনিত কাম কৰো, এতিয়া ঘৰলৈ যাওঁ।"

"অ' আপুনি ক'লা শিলৰ পাহাৰ পুৰি বগা চূণৰ ধূলি কৰে হয়নো" হাঁহিলো।

"মোৰ লগত আপুনি কিমান দূৰ যাব পাৰিব?" সুধিলো।

"আপোনাৰ লগত? কিয়, শেষ পৰ্য্যন্ত।" তেওঁ নিশ্চয়তাৰ এটা হাঁহি মাৰিলে।

"পিছে আপুনি এই সময়ত ঘৰলৈ আছিল কিয়?" পাতলকৈ হাঁহি খিৰিকিয়েদি আগফালে চালোঁ। অলপ আতৰতে দেখিলোঁ ষ্টেচনৰ ডাউন্ চিগ্‌নেল। তেওঁৰ মুখলৈ আস্থা আৰু সৌহাৰ্দ্দ্যৰ চাৱনিৰে চাই লাহে লাহে ক'লোঁ, "অহা সপ্তাহত মোৰ বিয়া।"

আচৰিত হোৱাৰ দৰে তেওঁ চিয়ঁৰি উঠিল "বিয়া? আপোনাৰ ৰেলখন আহি ষ্টেচনত বৈ গলহি।

তেওঁ তেওঁৰ সৰু চুটকেচটো হাতত ললে, আৰু পাতলকৈ হাঁহি কলে "ভাবিছিলোঁ আপোনাৰ লগতে শেষ পৰ্য্যন্ত যাম। বহুত কষ্ট দিলো, ক্ষমা কৰিব।"

নমস্কাৰ দি তেওঁ ৰেলৰ পৰা নামি পৰিল।

"কিন্তু আপুনি যে ইয়াতে নামিল। এই সৰু ষ্টেচনটোত নামি আপুনি এতিয়া কলৈ যাব?"

ৰেলৰ চকা ঘূৰিল। মই খিৰিকিয়েদি মূৰ উলিয়ালোঁ। আকৌ কপাললৈ হাত তুলি ভাষাৰ দৃঢ়তাত কান্দোনৰ কঁপনি সানি তেওঁ সৰু মাতটোৰে চিয়ঁৰি কলে, "বিদ্ৰোহ বিচাৰি।"

প্লেটফৰ্মতে ঠিয়দি তেওঁ আতৰি-অহা ৰেলখনৰ ফালে একেথৰে চাই থাকিল।

চলি অহা ৰেলগাড়ীখনৰ বহল কোঠাটোত তেতিয়া মই অকলে।

—সমাপ্ত—